
# হৰিদেৱজ্যোতি

## স্মৃতিগ্ৰন্থ - ২০২৩

উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ

৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশন




সম্পাদক

**নলিনী কান্ত শৰ্মা**

## কেন্দ্ৰীয় কাৰ্যকৰী সমিতিৰ একাংশ- ২০২১-২৩



## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ অভ্যৰ্থনা সমিতি



**বাওঁফালৰ পৰা**

**বহি ঃ** ইলোৰা ডেকা, নগেন্দ্ৰ নাৰায়ণ ডেকা, ৰাজেন্দ্ৰ নাথ শৰ্মা, পৰেশ চন্দ্ৰ বৰ্মন (উপ-সভাপতি), সৰ্বানন্দ শৰ্মা, নৃপেন্দ্ৰ নাথ কলিতা (সভাপতি), হৰেন্দ্ৰ নাথ হালৈ, গণেশ কলিতা (সম্পাদক), নলিনী কান্ত শৰ্মা, সুৰেন্দ্ৰ নাথ কলিতা, ফুকন চন্দ্ৰ কলিতা

**থিয় হৈ ঃ** জয়ন্ত কলিতা (সহঃ সম্পাদক), অৰূপ কুমাৰ হালৈ, মণিৰাম হালৈ, প্ৰসন্ন কলিতা, গণেশ্বৰ হালৈ, উমেশ চন্দ্ৰ কলিতা, বসন্ত বৰ্মন, পুলক কলিতা, সুশীল মিশ্ৰ (সহঃ সম্পাদক)

## স্মৃতিগ্ৰন্থ সমিতি



**বাওঁফালৰ পৰা**

**বহি ঃ** নৃপেন্দ্ৰ নাথ কলিতা (উপদেষ্টা), ড° মনজু হালৈ (সহঃ সম্পাদিকা), নলিনী কান্ত শৰ্মা (সম্পাদক), ৰাজেন্দ্ৰ নাথ শৰ্মা (সভাপতি), সোমনাথ ডেকা (উপদেষ্টা), সুৰেন্দ্ৰ নাথ কলিতা (উপদেষ্টা)

**থিয় হৈ ঃ** অৰূপ কুমাৰ হালৈ, গৌতম, অনুপম ডেকা, বাণীকান্ত শৰ্মা (উপদেষ্টা), ৰূপজ্যোতি কলিতা

# হৰিদেৱজ্যোতি

## স্মৃতিগ্ৰন্থ-২০২৩

**উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ**

## ৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশন

**হাৰিভাঙ্গা ঃ নলবাৰী ঃ অসম**

২৩, ২৪ আৰু ২৫ চ'ত, ১৪২৯ ভাস্কৰাব্দ

৭, ৮ আৰু ৯ এপ্ৰিল, ২০২৩ খৃষ্টাব্দ

**স্থান ঃ শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ ক্ষেত্ৰ, হাৰিভাঙ্গা**

| সভাপতি | সম্পাদক |
| --- | --- |
| **ৰাজেন্দ্ৰ নাথ শৰ্মা** | **নলিনী কান্ত শৰ্মা** |

*শ্ৰদ্ধাৰে—*

*প্ৰতি,*

*মাননীয়/মাননীয়া* ..............................................................................

..............................................................................

*—সম্পাদনা সমিতি*

**হৰিদেৱজ্যোতি (HARIDEVJYOTI)**
A souvenir of Uttar-Pub Bharat Haridev Sangha
46th Haribhanga Convention Edited by Editorial Board and Published by the Receiption Committee-2023

**"হৰিদেৱজ্যোতি" সম্পাদনা সমিতি**

| | | |
|---|---|---|
| উপদেষ্টা মণ্ডলী | ঃ | শ্ৰীসোমনাথ ডেকা |
| | | শ্ৰীসুৰেন্দ্ৰ নাথ কলিতা |
| | | শ্ৰীহৰেন্দ্ৰ নাথ হালৈ |
| | | শ্ৰীনৃপেন্দ্ৰ নাথ কলিতা |
| সভাপতি | ঃ | শ্ৰীৰাজেন্দ্ৰ নাথ শৰ্মা |
| সম্পাদক | ঃ | শ্ৰীনলিনী কান্ত শৰ্মা |
| সহঃ সম্পাদিকা | ঃ | ড° মন্‌জু হালৈ |
| সদস্যবৃন্দ | ঃ | শ্ৰীবাণীকান্ত শৰ্মা |
| | | শ্ৰীঅৰূপ কুমাৰ হালৈ |
| | | শ্ৰীগৌতম শৰ্মা |
| | | শ্ৰীৰূপজ্যোতি কলিতা |
| | | শ্ৰীঅনুপম ডেকা |

**বেটুপাত** ঃ সম্পাদনা সমিতি 'হৰিদেৱজ্যোতি'

**অংগসজ্জা** ঃ ধনজিৎ শৰ্মা

**মুদ্ৰণ** ঃ অপ্সৰা প্ৰেছ, টিহু

**শুভেচ্ছামূলক বৰঙণি ঃ**
১৫০.০০ (একশ পঞ্চাশ) টকা মাত্ৰ।



**হৃষীকেশ গোস্বামী**, *সচিব*
**অসম শিশু সাহিত্য ন্যাস**
গুৱাহাটী-৩

# শুভেচ্ছাবাণী

উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশন শ্ৰীশ্ৰী কলীয়া গোসাঁই মন্দিৰ ক্ষেত্ৰত অহা ৭, ৮ আৰু ৯ এপ্ৰিল, ২০২৩ তাৰিখে তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘই দীৰ্ঘ দিন ধৰি আধ্যাত্মিকতাৰ মাজেৰে হৰিদেৱৰ বাণী প্ৰচাৰ কৰাৰ লগতে সমাজত সমন্বয় সাধনৰ বাবে নিৰলস প্ৰয়াস অব্যাহত ৰাখিছে। এই মহৎ অনুষ্ঠানটিৰ লগত সংগতি ৰাখি 'হৰিদেৱজ্যোতি' নামৰ এখন মুখপত্ৰও প্ৰকাশৰ দিহা কৰিছে। এই কথাই আমাক হৰষিত কৰিছে। এই মুখপত্ৰখনে নতুন প্ৰজন্মৰ মাজত আধ্যাত্মিকতা আৰু সমন্বয় সৃষ্টি কৰাৰ লগতে মহাপুৰুষ হৰিদেৱৰ গুণ-গৰিমা প্ৰচাৰ কৰাত সফল হ'ব বুলি আশা ৰাখিলোঁ। হাৰিভাঙ্গা অধিৱেশনৰ সৰ্বতোপ্ৰকাৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলোঁ।



**(হৃষীকেশ গোস্বামী)**
২৭ মাৰ্চ, ২০২৩

OFFICE OF THE PRINCIPAL

# TIHU COLLEGE, TIHU

**DR. K.K. TALUKDAR,** *M.Sc., B.Ed., M.Phil, Ph.D.*
**Principal,** Tihu College, Tihu

P.O.- Tihu, Dist.- Nalbari (Assam), PIN- 781 371
☎ 03624-281238 (O), 281291 (R)
website : www.tihucollege.org
e-mail : tihucollege@rediffmail.com

No. TC/ Date-24-03-2023



## শুভেচ্ছাবাণী

উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ ৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশন উপলক্ষে "হৰিদেৱজ্যোতি" নামৰ "স্মৃতিগ্ৰন্থ" প্ৰকাশ কৰাৰ যো-জা কৰাত আমি অতিশয় আনন্দিত হৈছোঁ।

আমি আশা কৰিম, এই 'হৰিদেৱজ্যোতি'ৰ পাততেই মহাপুৰুষ গৰাকীৰ জীৱন-বৃত্তান্ত, আদৰ্শ আৰু ৰচনাৱলীৰ বৰ্ণালী বিচ্ছুৰিত হ'ব আৰু উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ ইতিবৃত্তৰ লগতে বৃহত্তৰ হাৰিভাঙ্গা অঞ্চলৰ সমাজ-সংস্কৃতি, ধৰ্ম, ক্ৰীড়া আদি বিভিন্ন দিশৰ ঐতিহাসিক আৰু গৱেষণাসমৃদ্ধ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ স্মৃতিগ্ৰন্থখনে এক উল্লেখযোগ্য বৰঙণি আগবঢ়াব।

কৰ্মতৎপৰ বৃহত্তৰ হাৰিভাঙ্গাবাসী ৰাইজৰ চেষ্টাত অধিৱেশনখন সফল হ'ব বুলি গভীৰ আশাপোষণ কৰি স্মৃতিগ্ৰন্থ 'হৰিদেৱজ্যোতি'লৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু সদৌটি ৰাইজলৈ শ্ৰদ্ধা আৰু শুভকামনা নিবেদন কৰিলোঁ।

অধ্যক্ষ
টিহু মাহাবিদ্যালয়, টিহু

# উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ
# ৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশনৰ
## অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দুআষাৰ



শ্ৰীকৃষ্ণকে পৰম ব্ৰহ্মৰ পূৰ্ণ ৰূপ হিচাপে মানি লৈ মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰুজনাই তেওঁকেই আৰাধনা কৰি শিষ্যসকলকো ভগৱান শ্ৰীকৃষ্ণক উপাসনা কৰাৰ পথ প্ৰদৰ্শন কৰিছিল। শ্ৰীমদ্ভাগৱতক ভক্তি-ধৰ্মৰ আধাৰ গ্ৰন্থ হিচাপে লৈ শ্ৰীশ্ৰীহৰিদেৱ মহাপ্ৰভুৱে এই দৰ্শনেৰে জীৱন পৰিচালিত কৰাৰ বাবে শিষ্যসকলক অনুপ্ৰেৰণা যোগাইছিল। জাতি-ধৰ্ম-নিৰ্বিশেষে এখন সাম্য-মৈত্ৰীৰে সমৃদ্ধ বৃহত্তৰ সমাজ গঢ়াৰ দিশত মহাপুৰুষ হৰিদেৱ গুৰুজনাই আগবঢ়োৱা অৱদান চিৰস্মৰণীয়।

ধৰ্ম উদ্ধাৰৰ হেতু জ্যেষ্ঠ গুৰু মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰুজনাই যি অহোপুৰুষাৰ্থ কৰিলে সেই আদৰ্শ আৰু তেৰাৰ সমষ্ট কৰ্মৰাজি, সৃষ্টিৰাজি, ধৰ্মদৰ্শন প্ৰচাৰ, প্ৰসাৰ আৰু উদ্ধাৰ কৰি এক সুস্থ সামাজিক বাতাবৰণ সৃষ্টি কৰাৰ উদ্দেশ্যে উত্তৰ পূৰ্ব ভাৰত হৰিদেৱ সংঘই প্ৰতিষ্ঠা কালৰে পৰা অহৰহ চেষ্টা কৰি আহিছে। প্ৰতিবছৰে বিভিন্ন অঞ্চলত ইয়াৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি সমাজত হৰিদেৱ মহাপ্ৰভু সম্পৰ্কে সচেতনতা বৃদ্ধিৰ প্ৰয়াস অব্যাহত ৰাখিছে।

গুৰুজনাৰ ধৰ্ম-দৰ্শন, আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ ৪৬ সংখ্যক অধিৱেশনখন ২৩, ২৪ আৰু ২৫ চ'ত, ১৪২৯ ভাস্কৰাব্দ (৭, ৮ আৰু ৯ এপ্ৰিল, ২০২৩ ইং) তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হাৰিভাঙ্গাৰ শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ মন্দিৰ ক্ষেত্ৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হেতু আমি অতি আনন্দিত হৈছোঁ আৰু সেই সিদ্ধান্তক সাদৰ আদৰণি জনাইছোঁ।

৪৬ সংখ্যক অধিৱেশনখনি সকলো দিশৰ পৰা সাফল্যমণ্ডিত কৰা সমূহ ভক্তপ্ৰাণ ৰাইজক সেৱা যাচিলোঁ। অনুষ্ঠানটিৰ লগত জড়িত সমূহ সন্মানীয় ব্যক্তি, দান-বৰঙণি দাতা, প্ৰশাসনৰ কৰ্মকতা, অধিৱেশনৰ লগত জড়িত বিভিন্ন অনুষ্ঠানৰ কৰ্মকতা, সাংবাদিক আৰু উত্তৰ পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ বিষয়ববীয়া তথা কৰ্মকৰ্তা সকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। বৃহত্তৰ হাৰিভাঙ্গা গাঁওৰ সমূহ গাঁওবাসীলৈ, সকলো ধৰণৰ সহায়-সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত অজানিতে হৈ যোৱা সমস্ত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

সেৱাৰে—

**শ্ৰীনৃপেন্দ্ৰ নাথ কলিতা**
**সভাপতি**
অভ্যৰ্থনা সমিতি
উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ
৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশন



# উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ
# ৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশনৰ
## অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ দুআষাৰ

শ্ৰদ্ধাৰ ধৰ্মপ্ৰাণ ৰাইজ,

লিখনিৰ প্ৰাক্ক্ষণত আপোনাসৱলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। যোৱা ০৪-০২-২০২৩ তাৰিখে উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি শ্ৰীবিমল আগৰৱালা, প্ৰধান সম্পাদক শ্ৰীশৈলেন তালুকদাৰ, প্ৰচাৰ সম্পাদক গৌতম গোস্বামী আৰু বিত্ত সম্পাদক শ্ৰীভদ্ৰেশ্বৰ তালুকদাৰৰ উপস্থিতিত অনুষ্ঠিত হাৰিভাঙ্গা গাঁওৰ ৰাজহুৱা সভাত উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ ৪৬ সংখ্যক বাৰ্ষিক অধিৱেশনখন হাৰিভাঙ্গা শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ ক্ষেত্ৰত ২৩, ২৪ আৰু ২৫ চ'ত, ১৪২৯ ভাস্কৰাব্দ (৭, ৮ আৰু ৯ এপ্ৰিল, ২০২৩ ইং) তাৰিখে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষকৈ মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰুজনাৰ মতাদৰ্শৰ প্ৰচাৰ, প্ৰসাৰ আৰু ধৰ্মাদৰ্শৰ পালনেই উত্তৰ-পূৰ্ব হৰিদেৱ সংঘৰ মূল উদ্দেশ্য। এই উদ্দেশ্যৰ ক্ষেত্ৰত কিছু সহযোগ আগবঢ়োৱাৰ ক্ষেত্ৰত হাৰিভাঙ্গাবাসী ৰাইজক সুবিধা দিয়াৰ বাবে উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ বিষয়ববীয়া তথা কৰ্মকৰ্তা সকলক আমি অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘই অসমত বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত একতা, ভাতৃত্ববোধ, বিশ্বাস আৰু শান্তি সম্প্ৰীতিৰে বসবাসৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰুজনাৰ বাণী তথা আদৰ্শ প্ৰচাৰ কৰি এখন শ্ৰেণীহীন সমাজ গঠনত আগভাগ লোৱাৰ প্ৰয়াস কৰিছে। নিশ্চয়কৈ অসম তথা উত্তৰ-পূৰ্ব ভাৰতত বাস কৰা সকলো শ্ৰেণীৰ লোকৰ বাবে ই এক আশাব্যঞ্জক বতৰা। মোৰ দৃষ্টিৰে সমাজক এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰি সামগ্ৰীক ভাৱে সকলোকে হিংসাদ্বেস পৰিহাৰ কৰি আগুৱাই লৈ যোৱা, ই এটা পন্থা।

শ্ৰদ্ধেয় ধৰ্মপ্ৰাণ ৰাইজ,

অভিজ্ঞতাৰ ফালৰ এনেহেন বৃহৎ ধৰ্মানুষ্ঠানৰ অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ দৰে গুৰুদায়িত্ব লাভ কৰাৰ মোৰ বাবে প্ৰথম অভিজ্ঞতা। নাজানো এই বৃহৎ অনুষ্ঠানটো পৰিচালনাৰ ক্ষেত্ৰত কিমানদূৰ সফল হ'ব পাৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।


৪৬ সংখ্যক হৰিদেৱ সংঘৰ অধিৱেশনখন সাফল্য মণ্ডিত কৰি তোলা সকলো পক্ষ তথা তিনিওদিনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলোকে অভ্যৰ্থনা সমিতিৰ সম্পাদকীয় মেজৰ পৰা শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ধৰ্মধ্বজা উত্তোলক শ্ৰীযুত নৃপেন্দ্ৰ নাথ কলিতা (সভাপতি, অভ্যৰ্থনা সমিতি), বৃক্ষৰোপক শ্ৰীযুত তৰুণ চন্দ্ৰ কলিতা (প্ৰাক্তন সভাপতি, শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ পৰিচালনা সমিতি, হাৰিভাঙ্গা), গ্ৰন্থমেলা উন্মোচক শ্ৰীযুত সুৰেন্দ্ৰ নাথ কলিতা (ৰাষ্ট্ৰীয়া তথা আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপক, অৱসৰী শিক্ষক), প্ৰতিনিধি শিৱিৰ উদ্বোধক শ্ৰীযুত হৰেন্দ্ৰ নাথ হালৈ (সভাপতি, হাৰিভাঙ্গা গাঁও উন্নয়ন সমিতি), ভাগৱত পাঠক শ্ৰীযুত বাণীকান্ত কলিতা (মুখ্য পূজাৰী, শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ, হাৰিভাঙ্গা), সংঘৰ পতাকা উত্তোলক শ্ৰীযুত কুলৰঞ্জন ভূএগ (সভাপতি, উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘ), শ্ৰদ্ধাঞ্জলি তৰ্পক শ্ৰীযুত শৈলেন তালুকদাৰ (প্ৰধান সম্পাদক, উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘ), ধৰ্মালোচনী সভাৰ উদ্বোধক শ্ৰীযুত হৰেণ ডেকা (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বি.আৰ. হাইস্কুল, ৰাউলী), সঞ্চালক শ্ৰীযুত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী (অৱসৰপ্ৰাপ্ত অধ্যাপক, বি.এইছ. কলেজ, হাউলী), আলোচকমণ্ডলী ড° সুমিত্ৰা চৌধুৰী

(অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ, দিশপুৰ মহাবিদ্যালয়), শ্ৰীযুত নাৰায়ণ প্ৰভু (গীতা সেৱক, গুৱাহাটী), শ্ৰীযুত দ্বিপেন্দ্ৰ নাথ গোস্বামী (সত্ৰাধিকাৰ, পীড়লা আৰু হৰিপুৰ সত্ৰ), বন্তিপ্ৰজ্জ্বলক শ্ৰীযুতা ইলোৰা ডেকা (সভানেত্ৰী, পশ্চিম নামবৰভাগ গাঁও পঞ্চায়ত), শ্ৰীযুত খগেন্দ্ৰ নাথ তালুকদাৰ (সমাজকৰ্মী, পিপলিবাৰী), গুৰুচৰিত পাঠক শ্ৰীযুত শশীমোহন গোস্বামী (সত্ৰাধিকাৰ, বেজকুছি সত্ৰ), সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধক শ্ৰীযুত গোবিন্দ কলিতা (উপ-সভাপতি, টিহু আঞ্চলিক পঞ্চায়ত), উদ্বোধিকা শ্ৰীযুতা মঞ্জুৰাণী চৌধুৰী (উপ-সভানেত্ৰী, নলবাৰী জিলা পৰিষদ), ভাগৱত পাঠক শ্ৰীযুত প্ৰভাত চন্দ্ৰ মেধী, সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধক শ্ৰীযুত বিকাশ ৰয় (খণ্ড উন্নয়ন বিষয়া, টিহু উন্নয়ন খণ্ড), মুকলি সভাৰ সভাপতি শ্ৰীযুত কুলৰঞ্জন ভূঞা (সভাপতি, উত্তৰ-পূৰ ভাৰত হৰিদেৱ সংঘ), মুকলি সভাৰ উদ্বোধক শ্ৰীযুত দ্বিজেন নাৰায়ণ গোস্বামী (অৱসৰপ্ৰাপ্ত অধ্যাপক, অসমীয়া বিভাগ, কটন কলেজ, গুৱাহাটী), মঙ্গলাচাৰণ পাঠ ড° সঞ্জয় কুমাৰ গোস্বামী (বিষয় শিক্ষক, সংস্কৃত, পাটাছাৰকুছি বিদ্যাপীঠ), মুখপাত্ৰ উন্মোচক ড° অৰুনী ভাগৱতী (অৱসৰপ্ৰাপ্ত অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়), মুখ্য অতিথিসকল শ্ৰীযুত ৰণজিৎ কুমাৰ দাস (জ্যেষ্ঠ কেবিনেট মন্ত্ৰী, অসম চৰকাৰ), শ্ৰীযুত সীমান্ত শেখৰ (অধ্যক্ষ, চলচিত্ৰ আৰু বিত্ত উন্নয়ন নিগম, অসম), শ্ৰীযুত ভূপেন বড়ো (বিধায়ক, বৰমা সমষ্টি), নিমন্ত্ৰীত অতিথি শ্ৰীযুত নিতুমণি শইকীয়া (মুখ্য সম্পাদক, প্ৰতিদিন টাইমছ), সন্মানীয় অতিথি শ্ৰীযুত হৃষীকেশ গোস্বামী (সচিব, শিশু সাহিত্য ন্যাস, অসম), নিৰ্দিষ্ট বক্তা ড° দীপক কুমাৰ শৰ্মা (প্ৰাক্তন উপাচাৰ্য, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী)। আপোনাসৱে আমাৰ এই শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ ক্ষেত্ৰৰ অধিৱেশনস্থলীত আহি পদধূলি দি হাৰিভাঙ্গাবাসী তথা ভক্তপ্ৰাণ ৰাইজক ধন্য কৰিলে তাৰ বাবে পুনৰ সকলো পক্ষলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত এই মহান অনুষ্ঠানটিৰ লগত জড়িত সকলো সন্মানীয় ব্যক্তি, হাৰিভাঙ্গাৰ সৰ্বস্তৰৰ ৰাইজ, দান-বৰঙণি দাতা, স্থানীয় প্ৰসাশসনৰ কৰ্মকৰ্তা, সাংবাদিক বন্ধুসকল, বিভিন্ন উপ-সমিতিৰ বিষয়ববীয়া তথা সদস্য-সদস্যাসকল, শ্ৰদ্ধাৰ উপদেষ্ট মণ্ডলীৰ লগতে হাৰিভাঙ্গা ৰাজহুৱা অনুষ্ঠানৰ সকলো কৰ্মকৰ্তা সকলোলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই চেগতে মোক সততে সহায়ৰ হাত আগবঢ়োৱা আৰু বহুমূলীয়া উপদেশেৰে উপকৃত কৰা স্মৃতিগ্ৰন্থ "হৰিদেৱজ্যোতি"ৰ সম্পাদক শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীনলিনী কান্ত শৰ্মা, সভাপতি শ্ৰীৰাজেন্দ্ৰ নাথ শৰ্মা, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীনৃপেন্দ্ৰ নাথ কলিতা, সহকাৰী সম্পাদকদ্বয় শ্ৰীসুশীল মিশ্ৰ, শ্ৰীজয়ন্ত কলিতা, হাৰিভাঙ্গা গাঁও উন্নয়ন সমিতিৰ সভাপতি শ্ৰীহৰেন্দ্ৰ নাথ হালৈ, সম্পাদক শ্ৰীসৰ্বানন্দ কলিতা প্ৰমুখ্যে সৰ্বস্তৰৰ ৰাইজ, আইমাতৃসকল, হাৰিভাঙ্গা গাঁওৰ ডেকা বন্ধুসকল তথা উত্তৰ পূৰ ভাৰত হৰিদেৱ সংঘৰ সভাপতি শ্ৰীকুলৰঞ্জন ভূঞা কাৰ্যকৰী সভাপতি শ্ৰীবিমল আগৰৱালা, প্ৰধান সম্পাদক শ্ৰীশৈলেন তালুকদাৰ, যুটীয়া সম্পাদক শ্ৰীগোবিন্দ ভাগৱতী, বিত্ত সম্পাদক শ্ৰীভদ্ৰেশ্বৰ তালুকদাৰদেৱক মোলৈ আগবঢ়োৱা সহায়ৰ বাবে আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। অধিৱেশনত উপস্থিত থকা ভক্তপ্ৰাণ ৰাইজ, আমন্ত্ৰিত অতিথি সকলক আতিথ্য আগবঢ়োৱাৰ ক্ষেত্ৰত অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওৰচত ক্ষমা মাৰ্জনা বিচাৰি ইমানতে সামৰিছোঁ।

শ্ৰদ্ধাৰে —

**শ্ৰীগণেশ কলিতা**
**সম্পাদক**
অভ্যৰ্থনা সমিতি
উত্তৰ-পূৰ ভাৰত হৰিদেৱ সংঘৰ
৪৬ সংখ্যক বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশন



# স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতিৰ একলম.....

মহান মণীষী সকলে আজন্ম সাধনালব্ধ জ্ঞান আৰু অভিজ্ঞতাৰে সমাজলৈ অমূল্য অৱদান দি থৈ যোৱা মহাপুৰুষসকলৰ ভিতৰত শ্ৰীশ্ৰীহৰিদেৱ এগৰাকী অন্যতম।

উত্তৰ-ভাৰতত নৱবৈষ্ণৱ যুগৰ পাতনি মেলি, ধৰ্মমত নিৰ্বিশেষে মানুহক মানৱ সম্প্ৰদৰূপে গঢ়ি তোলাৰ বাবে অন্ধবিশ্বাস, কু-সংস্কাৰ আদি দূৰ কৰি নিকা সমাজ গঢ়ি তুলিবলৈ লোৱা প্ৰচেষ্টাই সমাজ সমৃদ্ধ কৰাত মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ অনবদ্য অৱদান অনস্বিকাৰ্য।

জাতীয় জীৱন আলোকিত কৰি পৃথিৱীৰ পৰা এইজনা মহাপুৰুষ আতৰি যায়।

মহাপুৰুষ গৰাকীয়ে সমাজত প্ৰতিষ্ঠিত কৰা মতাদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি গঠিত উত্তৰ-পূৰ ভাৰত হৰিদেৱ সংঘৰ ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা সংঘৰ স্মৃতিগ্ৰন্থ 'হৰিদেৱজ্যোতি' খনে মহাপুৰুষজনাৰ দৰ্শন প্ৰতিফলন কৰিবলৈ যাওতে অনিশ্চাকৃত ভুল হোৱাতো স্বাভাৱিক তাৰ বাবে সভাপতি হিচাপে মাৰ্জনা বিচাৰো।

'জয়তু গুৰু হৰিদেৱ'

**শ্ৰীৰাজেন্দ্ৰ নাথ শৰ্মা**
**সভাপতি**
'হৰিদেৱজ্যোতি' স্মৃতিগ্ৰন্থ সমিতি

# “হৰিদেৱজ্যোতি”
# স্মৃতিগ্ৰন্থ সম্পাদকৰ সশ্ৰদ্ধ প্ৰণিপাত



য়া কুন্দেন্দুতুষাৰ হাৰ ধৱলা য়া শুভ্ৰবস্ত্ৰাবৃতা
য়া বীণাৱৰদণ্ড মণ্ডিত কৰা য়া শ্বেত পদ্মাসনা।
য়া ব্ৰহ্মাচ্যুত শঙ্কৰ প্ৰভৃতিভিৰ্দেবৈঃ সদা বন্দিতা
সা মাং পাতু সৰস্বতী ভগৱতী নিঃশেষজাড্যাপহা।।

জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী আই সৰস্বতীৰ চৰণ যুগলত প্ৰণিপাত জনোৱাৰ লগতে সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ শ্ৰীচৰণত শতকোটি সেৱা নিবেদিছোঁ।

উত্তৰ-পূৰ্ব ভাৰত হৰিদেৱ সংঘৰ ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ ‘হৰিদেৱজ্যোতি’ স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ সম্পাদকৰ দায়িত্ব অভ্যৰ্থনা সমিতিয়ে আমাৰ ওপৰত অৰ্পণ কৰাত অভ্যৰ্থনা সমিতিৰ আটাইলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ লগতে ভুল-ত্ৰুটিৰ বাবে আৰম্ভণিতে ক্ষমা বিচাৰিছোঁ।

দ্বাপৰ যুগত যেতিয়া ধৰ্মৰ গ্লানী হৈছিল, অধৰ্মৰ প্ৰাদুৰ্ভাৱে গোটেই ভাৰতবৰ্ষক ছানি ধৰিছিল, দস্যু-দানৱে ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত বিভীষিকাৰ সৃষ্টি কৰি সাধুসকলৰ পৰিত্ৰাণৰ উপায় নহোৱা হৈছিল সেই সময়তে দস্যুক দমন, শান্তক পালন, ধৰ্ম সংস্থাপনৰ বাবে ভগৱান শ্ৰীকৃষ্ণই জন্মগ্ৰহণ কৰিছিল আৰু ভাৰতবৰ্ষক এটা স্বাভাৱিক পাৰ্যায়লৈ পৰ্য্যাৱসিত কৰিছিল। কলিৰ যুগতো যেতিয়া অনাচাৰ, অত্যাচাৰ, ব্যভিচাৰ আদিয়ে মানুহৰ মাজত দেখা দিছিল তেতিয়া মহাপুৰুষ সকলে বিভিন্ন ঠাইত জন্মগ্ৰহণ কৰি তেৰাসকলৰ অমৰ বাণীবিলাক প্ৰচাৰ কৰি মানুহৰ মনৰ পৰা অনক্যৰ বীজবিলাক আঁতৰাই শান্তিৰ পৰিৱেশ একোটা সৃষ্টি কৰিছিল।

ভাৰতৰ পূৰ্ব প্ৰান্তত ১৪শ ১৫শ শতিকাৰ ভিতৰত মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, শ্ৰীশ্ৰীহৰিদেৱ আনকি বঙ্গদেশৰ নৱদ্বীপত জন্মগ্ৰহণ কৰা শ্ৰীচৈতন্যদেৱেও ভক্তি আন্দোলনৰ যোগেদি মানুহৰ মনৰ পৰা সংকীৰ্ণতাক আঁতৰাই ঈশ্বৰমুখী কৰি তুলিছিল। তেওঁলোকৰ পৰম দেৱতা আছিল বিষ্ণু আৰু উপাসকসকল হ’ল বৈষ্ণৱ। এইসকল মহাপুৰুষে মানুহৰ মনৰ পৰা কলুসতাক আঁতৰাই বিষ্ণু ভক্তিত মানুহৰ মন নিমজ্জিত কৰে। অলৌকিক মাহাত্ম্যৰে জন্মগ্ৰহণ কৰা আৰু অলৌকিক গুণ সম্পন্ন শ্ৰীশ্ৰীহৰিদেৱৰ ব্যক্তিত্ব আৰু ধৰ্মেৰে দুষ্ট সকলক দমন কৰি নিজৰ শিষ্য কৰি লৈছিল আৰু মানুহৰ মনৰ পৰা জাতি ভেদৰ ধ্বজা আঁতৰাইছিল।

ভক্তিয়েই ভাগৱত ধৰ্মৰ উপজীব্য। পৰমেশ্বৰৰ যি অনুৰাগ, সেয়ে ভক্তি। গতিকে মহাপুৰুষসকলে আমাক যি বাণী দিছে সেইখিনি আমি পালন কৰিব লাগিব।

উত্তৰ-পূৰ্ব ভাৰতৰ হৰিদেৱ সংঘৰ ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ স্মৃতিগ্ৰন্থ ‘হৰিদেৱজ্যোতি’ৰ সম্পাদনাৰ আমাৰ ওপৰত যি দায়িত্ব অৰ্পিত হৈছে, দৰাচলতে আমাৰ লেখিয়া লোকৰ বাবে সেইটো কাৰ্যকৰী কৰা সহজ সাধ্য নহয়। স্মৃতিগ্ৰন্থ একোখনৰ মাজেদি অধিৱেশনৰ সমূহ স্মৃতি যুগমীয়া কৰিবলৈ চেষ্টা কৰা হয়। ইয়াত সন্নিবিষ্ট হৰিদেৱ সম্পৰ্কীয় প্ৰবন্ধ সমূহে হৰিদেৱৰ নৱ মূল্যায়নৰ সমগ্ৰ যাত্ৰাটোকেই সমৃদ্ধ কৰিবলৈ সমৰ্থ হৈছে। এইখিনিতে এটা কথা অকপটভাৱে স্বীকাৰ কৰোঁ যে হৰিদেৱ সংঘৰ কেন্দ্ৰীয় সমিতিয়ে হৰিদেৱ সম্পৰ্কীয় প্ৰবন্ধসমূহ স্মৃতিগ্ৰন্থৰ বাবে প্ৰেৰণ নকৰিলে ইমান কম সময়ৰ ভিতৰতে স্মৃতিগ্ৰন্থ খনৰ কামত অগ্ৰসৰ হ’ব নোৱাৰিলোঁহেঁতেন। আমি তেখেত সকললৈ

কৃতজ্ঞতা যাচিছোঁ। ৪৬ সংখ্যক অভ্যৰ্থনা সমিতিৰ হাৰিভাঙ্গা অধিৱেশনৰ সভাপতি আৰু সম্পাদকৰ উপৰিও 'হৰিদেৱজ্যোতি' স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিখনে মোক সম্পাদনাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰা বাবে মই তেখেত সকলক ধন্যবাদ জনাইছোঁ। অধিৱেশনখন সফল কৰাৰ বাবে অভ্যৰ্থনা সমিতিয়ে গুৰুদায়িত্ব বহন কৰাৰ লগতে প্ৰতিখন উপ-সমিতিয়ে তেখেত সকলৰ কাম-কাজ সুচাৰুৰূপে পালন কৰাৰ বাবে তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ। অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্ৰীমান গণেশ কলিতাই কেন্দ্ৰীয় সমিতিৰ লগত প্ৰতিটো খোজতে সম্পৰ্ক ৰক্ষা কৰি সম্পাদনা কাৰ্য্যত যথেষ্ট সহায় কৰা বাবে তেওঁক ধন্যবাদ জনাইছোঁ। যিসকল লেখক-লেখিকাই সাহিত্য চৰ্চাৰ মাধ্যমেৰে তেখেতসকলৰ ধৰ্মীয় নাইবা হাৰিভাঙ্গাৰ প্ৰতিচ্ছবি সম্পৰ্কীয় লেখনি আগবঢ়াইছে তেখেতসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদিছোঁ। ইয়াতে এটা কথা উল্লেখ কৰোঁ যে সময়ৰ নাতনিৰ বাবে আগতে হাৰিভাঙ্গা সম্পৰ্কীয় লেখা দুটামান প্ৰবন্ধ হৰিভাঙ্গাৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰাৰ বাবে ইয়াত সন্নিৱিষ্ট কৰা হৈছে। তাৰ বাবে পাঠক ৰাইজে যেন ক্ষমা কৰে। যিসকল দাতাই দান বৰঙণিৰে মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ সংঘৰ ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰম সাফল্যমণ্ডিত কৰাত সহায় আগবঢ়াইছে তেখেত সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। 'অপ্সৰা প্ৰেছ' টিহুৰ স্বত্বাধিকাৰী ভাতৃপ্ৰতিম শ্ৰীধনজিৎ শৰ্মাক 'স্মৃতিগ্ৰন্থ'খন প্ৰস্তুত কৰি দিয়াৰ বাবে তেওঁলৈ পুনৰ মৰম নিবেদিছোঁ। আমাৰ দৰে সীমিত জ্ঞানৰ ব্যক্তিক এনে গুৰু দায়িত্ব অৰ্পণ কৰি কাম কৰাৰ সুবিধা দিয়াৰ বাবে মই আটাইৰে ওচৰত কৃতজ্ঞ। "স্মৃতিগ্ৰন্থ'খনৰ প্ৰকাশৰ ক্ষেত্ৰত হোৱা সমস্ত ভুল-ত্ৰুটিৰ বাবে পুনৰ ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

শ্ৰদ্ধাৰে —

**শ্ৰীনলিনী কান্ত শৰ্মা**
**সম্পাদক**
'হৰিদেৱজ্যোতি' স্মৃতিগ্ৰন্থ সমিতি

# সূচীপত্ৰ


- ধৰ্ম আৰু আধ্যাত্মিকতাৰ পীঠস্থান শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ, হাৰিভাঙ্গা/০১ ✍ গৌতম শৰ্মা
- শিক্ষা, সাহিত্য-সংস্কৃতি, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত হাৰিভাঙ্গা গাঁও/০৫ ✍ সোমনাথ ডেকা
- নৱবৈষ্ণৱ আন্দোলন আৰু মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ/১০ ✍ দ্বিজেন্দ্ৰ নাৰায়ণ গোস্বামী
- শ্ৰীশ্ৰীহৰিদেৱ মহাপুৰুষৰ ভক্তিৰ ধাৰণা/১৩ ✍ ড° মালিনী গোস্বামী
- শ্ৰীহৰিদেৱ বিৰচিত ভক্তিৰসতৰঙ্গিণী/১৬ ✍ ড° দীপক কুমাৰ শৰ্মা
- সদ্গুৰুৰ আৱশ্যকতা আৰু মহাপুৰুষ হৰিদেৱ/১৯ ✍ শৰ্মিষ্ঠা গোস্বামী
- মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ গুৰুজনাৰ জীৱন আৰু দৰ্শন/২২ ✍ বনজিৎ দাস
- অসমীয়া জাতীয় জীৱনলৈ হৰিদেৱৰ অৱদান/৩০ ✍ ড° গোবিন্দ বল্লভ গোস্বামী
- মহিলাৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ সংগ্ৰামত হাৰিভাঙ্গাৰ মহিলাৰ অৱদান/৩৪ ✍ ড° মনজু হালৈ
- হাৰিভাঙ্গা গাঁৱৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ আঁতধৰি/৩৭ ✍ সুৰেন্দ্ৰ নাথ কলিতা
- ৫৭০ বছৰীয়া এগছি চাকিৰ পোহৰত উদ্ভাসিত বহৰি সত্ৰ/৪১ ✍ সোমনাথ তালুকদাৰ
- ব্ৰহ্ম, জীৱ, প্ৰতিমা আৰু শ্ৰীশ্ৰীহৰিদেৱৰ উদাৰতা/৪৪ ✍ মধুসূদন কছাৰী
- ভাৰতৰ ধৰ্মীয় ভাৱধাৰা আৰু শ্ৰীহৰিদেৱ গুৰুৰ দাৰ্শনিক দৃষ্টিভঙ্গী/৪৭ ✍ জিতেন্দ্ৰ নাথ দাস
- সনাতন ধৰ্ম আৰু হৰিদেৱ দৰ্শন/৫১ ✍ হৰমোহন দেৱ গোস্বামী
- ধৰ্মৰ ক্ৰম-বিকাশঃ মধ্যযুগৰ ভক্তি আন্দোলনত মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ/৫৪ ✍ ৰামচৰণ দাস
- পুৰীত হৰিদেৱ গুৰুজনাৰ ভাগৱত অধ্যয়ন আৰু সাধনা/৫৮ ✍ দ্বিপেন্দ্ৰ নাথ গোস্বামী
- টিহু অঞ্চলৰ ক্ৰীড়াৰ সোণসেৰীয়া ইতিহাসৰ মাজেৰে ক্ৰীড়াৰ কিছু কথা/৬১ ✍ পৰেশ চন্দ্ৰ শৰ্মা
- দেৱগুৰু শ্ৰীশ্ৰীহৰিদেৱৰ চৰণপদ্মৰ সান্নিধ্যত/৬৩ ✍ বিচিত্ৰ শৰ্মা
- শ্ৰীশ্ৰী হৰিদেৱ গুৰুৰ দিহা নাম/৬৫ ✍ মধুমতী ডেকা
- মানৱতাবাদী মহাপুৰুষ হৰিদেৱ/৬৬ ✍ যতীন গোস্বামী
- সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ/৬৯ ✍ শিৱনাথ শৰ্মা
- ভক্তি/৭১ ✍ ভানুমতী কাকতি
- অসমত চৈতন্য বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ/৭২ ✍ শৈব্যা কলিতা
- হৰিদেৱ আৰু দৰ্শন/৭৯ ✍ সুমিত্ৰা চৌধুৰী
- বণিয়াকুছি সত্ৰৰ বিষয়ে/৮৩ ✍ পৰমেশ্বৰ গোস্বামী
- হাৰিভাঙ্গা অঞ্চলৰ কলা সংস্কৃতিৰ এক চমু অৱলোকন/৮৮ ✍ উপেন শৰ্মা
- শ্ৰীশ্ৰীহৰিদেৱৰ গীত/৯২ ✍ শশীমোহন গোস্বামী

# ধৰ্ম আৰু আধ্যাত্মিকতাৰ পীঠস্থান
# শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ, হাৰিভাঙ্গা

গৌতম শৰ্মা

পহিলা মাঘ। ধৰ্মীয় আৰু আধ্যাত্মিক ভাৱনাত হাৰিভাঙ্গাবাসীৰ মন প্ৰাণ উথলি উঠে। চাৰিওফালে উখল-মাখল পৰিৱেশ। কৃষ্ণভক্তিত গদ্‌গদ্ হৈ উঠে হৃদয়। হাৰিভাঙ্গাৰ সমগ্ৰ পথ-উপপথত লানি নিচিগা মানুহৰ সোঁত। দূৰ-দূৰণিৰ ভক্তপ্ৰাণ ৰাইজ আহিছে আৰু গৈছে। লক্ষ্য মাত্ৰ এটা— হাৰিভাঙ্গাৰ বুকুত মূৰ্তিমান হৈ থকা ঐতিহ্যমণ্ডিত এক পীঠস্থান দৰ্শন আৰু ভক্তিভাৱ অৰ্পণ। এই দিনটোতে এই পীঠস্থানত সৃষ্টি হয় জনসমুদ্ৰ। ধূপ-ধূণাৰ গোন্ধ চাৰিওফালে বিয়পি পৰে। চাৰিওফালে জ্বলন্ত মাটিৰ চাকি। জ্বলি জ্বলি নুমাই যোৱা চাকিবোৰ আঁতৰাই এঠাইত দম কৰি থোৱা হয়। পুনৰ নতুন চাকি জ্বলি উঠে। বতাহত ভাহি থাকে হৰিনামৰ ধ্বনি। ভক্তগণক অবিৰত ভাৱে প্ৰদান কৰি থকা হয় ভোগ।

হয়, হাৰিভাঙ্গা গাঁৱৰ জীৱন ৰেখা স্বৰূপ, হাৰিভাঙ্গাৰ স্বাভিমান, ৰাইজৰ বিশ্বাস আৰু প্ৰত্যয়ৰ অনিৰ্বাপিত শক্তি শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ মন্দিৰত উদ্‌যাপিত পহিলা মাঘৰ উৎসৱৰ কথা ক'বলৈ বিচৰা হৈছে। কিয় ইমান জনসমুদ্ৰ? বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত কি অলৌকিক শক্তিয়ে মানুহক তেওঁৰ চৰণযুগলত সমৰ্পণৰ বাবে ধাৱমান কৰিছে— এই সকলো বিষয় সামৰি এই লেখা প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ধৰ্ম আৰু আধ্যাত্মিক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। য'ত ধৰ্ম আছে তাত ঈশ্বৰ বিশ্বাস আৰু আধ্যাত্মিক চেতনা আছে; য'ত ধৰ্ম নাই, তাত আধ্যাত্মিকতাও নাই বা ঈশ্বৰ বিশ্বাসো নাই। ধৰ্মৰ ইংৰাজী প্ৰতিশব্দ Religion। Religion সম্পৰ্কে Oxford Advaced Learners' Dictionaryত ব্যাখ্যা দিয়া হৈছে এনেদৰে— The belief in the existence of god with the worship of them. অৰ্থাৎ ভগৱানৰ অস্তিত্বত বিশ্বাস আৰু তেওঁলোকৰ পূজা অৰ্চনাৰ লগত সম্পৰ্কিত শব্দৰ ইংৰাজী প্ৰতিশব্দ হৈছে Spiritual। Spiritual শব্দৰ আভিধানিক ব্যাখ্যা দিয়া হৈছে এনেদৰে — Conected with the human spirit, Mather than the body or physical things; Conected with religion. অৰ্থাৎ আধ্যাত্মিক শব্দটো মানুহৰ আত্মাৰ লগত জড়িত আৰু ই ধৰ্মৰ লগত সংযুক্ত। সেইবাবে নাস্তিক লোকৰ কোনো ধৰ্ম নাই আৰু তেওঁলোকৰ আধ্যাত্মিক চেতনাও নাই।

হিন্দু শাস্ত্ৰৰ মতে 'ধৃ' ধাতুৰ লগত 'মন' প্ৰত্যয় যোগ হৈ ধৰ্ম শব্দটো নিষ্পন্ন হৈছে। ধৃ ধাতুৰ অৰ্থ হ'ল ধৰি ৰখা। "অধঃ পতনাৎ ধীৰয়দীতি ধৰ্মঃ"— অৰ্থাৎ মানৱ সমাজখনক অধপতন নোহোৱাকৈ ধৰ্মই ধৰি ৰাখে। শাস্ত্ৰত আকৌ কোৱা হৈছে— "বেদঃ প্ৰণিহিতো ধৰ্মঃ অৰ্ধমস্তদ্ বিপৰ্য্যয়ঃ" অৰ্থাৎ বেদে যাক অনুমোদন কৰে তাকে কয় ধৰ্ম, বেদে যাক নিন্দা কৰে তাকে কয় অধৰ্ম। হিন্দু ধৰ্মত বেদ চাৰিখন— ঋক্‌বেদ, যজুঃবেদ, সামবেদ আৰু অথৰ্ববেদ। এই বেদসমূহে মানুহক ভক্তিপৰায়ণ হৈ, সৎ পথত থাকি ৰুচিসন্মতভাৱে জীৱন-যাপন কৰিবলৈ পথৰ সন্ধান দিয়ে। অৰ্থাৎ ধৰ্ম হ'ল এক জীৱন শৈলী আৰু ধাৰ্মিক হ'বলৈ আধ্যাত্মিক চেতনা মানুহৰ উদয় হ'ব লাগিব।

বিশ্ববৰেণ্য দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছে— Religion starts there where

scince ends. অৰ্থাৎ বিজ্ঞানৰ য'ত পৰিসমাপ্তি ঘটে তাতেই ধৰ্মৰ আৱিৰ্ভাৱ হয়। তেখেতৰ উক্তিৰ দ্বাৰা বুজা যায় যে ধৰ্মীয় বিশ্বাসক বিজ্ঞানৰ যুক্তিৰ তুলাচনীৰে জুখিব নোৱাৰি। আমাৰ পৃথিৱীখনত কেতিয়াবা এনে কিছুমান ঘটনা ঘটে, যাক বৈজ্ঞানিক যুক্তিৰে ব্যাখ্যা কৰিব নোৱাৰি। কোনো এক সৰ্বশক্তিমান অলৌকিক অদৃশ্য শক্তিৰ দ্বাৰা যেন এইবোৰ সংঘটিত হয়। এই অদৃশ্য শক্তিয়েই ঈশ্বৰ বা ভগৱান আৰু ঈশ্বৰ বিশ্বাসক কেন্দ্ৰ কৰি গঢ়ি উঠা অনুষ্ঠানটোৰ নামেই ধৰ্ম মন্দিৰ।

ধৰ্মৰ ব্যাখ্যা যিয়েই যি ধৰণে নিদিয়ক কিয়, এটা কথা ঠিক যে ধৰ্মই মানুহক আন প্ৰাণীৰ পৰা পৃথকে ৰাখিছে। আহাৰ, বিহাৰ, নিদ্ৰা, ভয়, মৈথুন— এইবোৰ সকলো জীৱৰে আছে। কিন্তু মানৱৰ ইয়াতকৈ অধিক আৰু এটা বস্তু আছে— সেয়া হ'ল বিচাৰ বিবেচনা কৰিব পৰা শক্তি।

ধৰ্ম আৰু আধ্যাত্মিকতাৰ পীঠস্থান হৈছে নলবাৰী জিলাৰ পশ্চিম দিশত থকা হাৰিভাঙ্গা গাঁৱৰ শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰ। লিখনিৰ পাতনিতে পহিলা মাঘত এই মন্দিৰত উদ্‌যাপিত ধৰ্মোৎসৱৰ এটা বাতাৱৰণ দাঙি ধৰা হৈছে। সঁচা অৰ্থত এই দিনটোত মন্দিৰৰ ভিতৰত, মন্দিৰ প্ৰাঙ্গণত আৰু মন্দিৰ চৌহদৰ চৌপাশে সৃষ্টি হয় জন সমুদ্ৰ। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাবেশেৰে এই পীঠস্থান হৈ পৰে মহামিলনৰ এক তীৰ্থ। হাৰিভাঙ্গা জনজীৱন উজ্জীৱিত কৰি তোলা এই দিনটোত শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ মন্দিৰত লাখ লাখ ভক্তৰ সমাৱেশ ঘটোৱা যি শক্তি, তাতেই লুকাই আছে প্ৰভুৰ মাহাত্ম্য।

অকল যে পহিলা মাঘৰ দিনাই এই মন্দিৰলৈ ভক্তৰ আগমন ঘটে তেনে নহয়। কম বেছি পৰিমাণে প্ৰতিদিনে ইয়াত ভক্তই ভিৰ কৰে। কিন্তু পহিলা মাঘৰ দিনটো এক অনন্য দিন স্বৰূপে হাৰিভাঙ্গাৰ বুকুত চিহ্নিত। সেইদিনা মন্দিৰলৈ অহা ভক্তসকলে অকল যে ধূপ-চাকি জ্বলাই নৈবদ্যাহে আগবঢ়ায় তেনে নহয়, অনেকে বিভিন্ন দান-বৰঙণিও আগবঢ়ায়। ইয়াৰ ভিতৰত থাকে সোণ, ৰূপৰ ফুল আৰু নগদ ধন। প্ৰসংগত উল্লেখ কৰা বাঞ্ছনীয় যে কলীয়া গোসাঁই মহাপ্ৰভুৰ শিৰৰ মুকুট, মূল আসন, দোলা, মন্দিৰৰ কলসী আদি ভক্তপ্ৰাণ ৰাইজে দান হিচাপে আগবঢ়াইছে। এই মন্দিৰলৈ আহি ভক্তৰ মনোবাঞ্ছা পূৰণ হোৱা বাবেই ভক্তপ্ৰাণ ৰাইজে মুক্ত হস্তে দান-বৰঙণি আগবঢ়ায়।

এইখিনিতে শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ অলৌকিক মাহাত্ম্যৰ এটা উদাহৰণ দাঙি ধৰিব খুজিছোঁ।

২০০৩ খৃষ্টাব্দৰ ২০ জুন, বিষুৱাভা দিৱস। শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰৰ সন্মুখত থকা বিশাল ক্ষেত্ৰখনত সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আছুৰ নেতৃবৃন্দ আৰু কেবাগৰাকীও শিল্পী অভিনেতা আহি উক্ত স্থানত উপস্থিত হৈছে। কিন্তু এই সমস্ত আয়োজনত বতৰে যেন বিধি পথালি দিবলৈ ওলাইছে। কলা মেঘে আকাশ চানি ধৰিছে। মাজে মাজে বিজুলী ঢেৰেকণি আৰু দুই এটোপ বৰষুণ। ধুমুহা অহাৰ আগজাননী। আয়োজক সমিতিয়ে আছুৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য দেৱক শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ আগত এগছি বন্তি জ্বলাবলৈ পৰামৰ্শ দিয়ে। তেখেতে এগছি বন্তি আৰু নগদ এশ টকা আগবঢ়াই প্ৰভুৰ ওচৰত ভক্তিভাৱে প্ৰাৰ্থনা কৰে। ইয়াৰ পিচতে মুকলি সভা আৰম্ভ কৰা হয়। কিন্তু প্ৰভুৰ কি মাহাত্ম্য! চাৰিওফালে মুষলধাৰে বৰষুণ হ'ল, কিন্তু সভাস্থলীত বৰষুণ নাই। বতৰৰ কোনো বাধা নোহোৱাকৈ পুৱাৰাতিলৈ সাংস্কৃতিক অনুষ্ঠান চলিল। আজিৰ বিজ্ঞানৰ যুগত এই কথা মনে সজা বুলি বহুতে উপহাস কৰিব পাৰে, তথাপি এইয়াই সত্য।

এতিয়া স্বাভাৱিকতে পাঠকৰ মনত শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ ঐতিহ্য জানিবলৈ কৌতূহল জাগিব। গতিকে এই বিষয়ে কিছু আভাস দিব খুজিছোঁ।

পূৰ্বে প্ৰকাশিত বিভিন্ন লেখাৰ পৰা সমল বিচাৰি এই কথা প্ৰতীয়মান হৈছে যে আহোম ৰজা শিৱসিংহৰ ৰাজত্ব কালছোৱাত (১৭১৪-১৭৪৪ খ্ৰীঃ) শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ বিগ্ৰহ স্থাপন কৰা হৈছিল। সেই সময়ছোৱাত হাৰিভাঙ্গাৰ সন্তেৰাথেৰ চুবুৰিত কেৰো কিছু নথকা এগৰাকী বিধবা বুঢ়ীয়ে এটি পঁজাত বাস কৰিছিল। যদিও তেওঁ দুখীয়া, তেওঁ আছিল ধৰ্মপ্ৰাণা। এদিন সন্ধিয়া তেওঁৰ ঘৰলৈ এগৰাকী আলহী আহে। আলহীয়ে নিশাটো তেওঁৰ ঘৰতে কটায়, তেওঁৰ ঘৰত এটি বিগ্ৰহ স্থাপনৰ প্ৰস্তাৱ দিয়ে। বুঢ়ীয়ে অতি আন্তৰিকতাৰে তেওঁৰ প্ৰস্তাৱ মানি লয়। মানুহজনে বুঢ়ীক গা-পা ধুই আহিবলৈ কয়। সেই মতে বুঢ়ীয়ে গা ধুই অহাৰ পিছত মানুহজনে গোসাঁইৰ বিগ্ৰহ এটি স্থাপন কৰে আৰু সেই

বিগ্ৰহৰ আগত সদায় বন্তি জ্বলাই পূজা-অৰ্চণা কৰি থাকিবলৈ বুঢ়ীক পৰামৰ্শ দিয়ে। মানুহজনে নিশা খাই-বৈ বুঢ়ীৰ ঘৰতে শুই পৰে। কিন্তু ৰাতিপুৱা মানুহজন অন্তৰ্ধান হয়। বুঢ়ী বা চুবুৰিৰ কোনো লোকে ৰাতিপুৱা মানুহজনক কতো দেখা নাপালে।

পিছদিনা গোটেই ঘটনাটো চুবুৰিত প্ৰচাৰ হোৱাত সেই বিগ্ৰহ দৰ্শন কৰিবলৈ বুঢ়ীৰ ঘৰ মানুহেৰে ভৰি পৰে। যিজন মানুহে গোসাঁইৰ এই বিগ্ৰহ স্থাপন কৰিছিল, তেওঁ দেখিবলৈ কলা আছিল বাবে এই বিগ্ৰহক কলীয়া গোসাঁই বুলি মানুহে ক'বলৈ আৰম্ভ কৰিলে আৰু মানুহজনক ভগৱান শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি বিশ্বাস অটুট ৰাখিলে।

পৰৱৰ্তী সময়ত কলীয়া গোসাঁইৰ এই বিগ্ৰহ বুঢ়ীৰ ঘৰৰ পৰা স্থানান্তৰ কৰা হয়। চুবুৰিত থকা এজোপা বকুলৰ তলত এটা নামঘৰ সাজি চুবুৰিৰ লোকসকলে মাঙ্গলিক ধ্বনিৰে শোভাযাত্ৰা কৰি মহাপ্ৰভুৰ বিগ্ৰহ আনি সেই নামঘৰত স্থাপন কৰে। গোসাঁইৰ বিগ্ৰহত ধূপ-বন্তি জ্বলাবলৈ ভকত নিযুক্তি দিয়া হয়।

সন্তেৰাথেৰ চুবুৰিত বহু বছৰ ধৰি শ্ৰীশ্ৰীকলীয়া গোসাঁইৰ পূজা অৰ্চণা চলি থাকিল। তাৰ পিছত ১৯১৬-১৭ খৃষ্টাব্দত প্ৰভুক বৰ্তমানৰ স্থানলৈ অনাহয়। বৰ্তমানৰ স্থানত ৰাইজে টিনৰ ছালি এখন নিৰ্মাণ কৰে আৰু ঢোল, তাল, খোল লৈ নাম প্ৰসঙ্গৰে শোভাযাত্ৰা কৰি গোসাঁইৰ বিগ্ৰহ সন্তেৰাথেৰ চুবুৰিৰ বকুল গছৰ তলৰ পৰা এই টিনৰ ছালিৰ ভিতৰলৈ লৈ অনা হয়। পহিলা মাঘৰ দিনা এই বিগ্ৰহ স্থানান্তৰ কৰা হৈছিল বাবে ১৯৭২ খৃষ্টাব্দৰ পৰা পহিলা মাঘৰ দিনটো ধৰ্মোৎসৱ হিচাপে পালন কৰাৰ পৰম্পৰা আৰম্ভ হয়। বৰ্তমানো সন্তেৰাথেৰ চুবুৰিৰ বকুল গছৰ তলত থকা টিনৰ নামঘৰটোৱে শ্ৰীশ্ৰীকলীয়া গোসাঁইৰ স্মৃতিবিজড়িত সাক্ষ্য বহন কৰি আছে।

শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ মন্দিৰক কেন্দ্ৰ কৰি হাৰিভাঙ্গাত উদ্‌যাপিত হৈ আছে একাধিক ধৰ্মীয় উৎসৱ। এইবোৰৰ ভিতৰত পহিলা মাঘৰ ধৰ্মোৎসৱ, হাৰিভাঙ্গা সভা মহোৎসৱ, দৌল উৎসৱ আৰু আহিন মাহৰ ৭ তাৰিখে ভাগৱত চক্ৰ।

পহিলা মাঘৰ ধৰ্মোৎসৱৰ সম্পৰ্কে ইতিমধ্যে বিশদ আলোচনা কৰা হ'ল। এতিয়া হাৰিভাঙ্গা সভা মহোৎসৱ সম্পৰ্কে কিছু কথা অৱগত কৰিব খুজিছোঁ।

হাৰিভাঙ্গা সভা মহোৎসৱ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিককৈ জনা নাযায়। তথাপি কিছুমান তথ্য প্ৰমাণৰ ওপৰত ভিত্তি কৰি ১৮৮২ খৃষ্টাব্দৰ পৰা এই সভা উদ্‌যাপনৰ পৰম্পৰা আৰম্ভ হয় বুলি ৰাইজে বিশ্বাস কৰে। ১৯৭২ খৃষ্টাব্দৰ পৰা সভাখন 'হাৰিভাঙ্গা গাঁও উন্নয়ন সমিতি'ৰ অধীনলৈ আহে আৰু পাঁচদিনীয়াকৈ সভা মহোৎসৱ পালন কৰে। বৰ্তমান ২মাঘৰ পৰা সভাখন আৰম্ভ হৈ ৬মাঘত অন্ত পৰে। সভাৰ দিনকেইটা শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ বিগ্ৰহ মন্দিৰৰ মণিকূটৰ পৰা শংখ, ঘণ্টা, বৰকাঁহ বজাই; চোৰৰেৰে বৰি নাম কীৰ্ত্তন গাই, হৰিধ্বনি দি বাহিৰলৈ উলিয়াই আনি ৰাজহুৱা ভক্তি অৰ্পণৰ বাবে সভাস্থলীত গোসাঁইৰ বাবে স্থাপন কৰা পীঠত স্থাপন কৰা হয়। সভাৰ শেষত পুনৰ নিৰ্দিষ্ট বিধি নিয়ম মানি গোসাঁইক নিজৰ আসনত উপবিষ্ট কৰোৱা হয়।

দৌল উৎসৱ বা হোলী উৎসৱ শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ নামত হাৰিভাঙ্গাত ৰাজহুৱাভাৱে উদ্‌যাপিত অন্যতম ধৰ্মীয় উৎসৱ। কলীয়া গোসাঁইৰ মন্দিৰৰ কাষতে থকা দৌল মন্দিৰটো বৰপেটা কেওঁতকুছিৰ দৌল মন্দিৰৰ আৰ্হিত নিৰ্মিত। সম্ভৱত ১৯৩৭ খৃষ্টাব্দত এই মন্দিৰ নিৰ্মাণ কৰা হৈছিল। পিছত অৱশ্যে ইয়াক পুনঃনিৰ্মাণ কৰা হয়। কিন্তু তেতিয়াৰ পৰাই হাৰিভাঙ্গাত দৌল উৎসৱ পালন কৰা হয়। দৌল পূৰ্ণিমাৰ দিনা গোসাঁইৰ বিগ্ৰহ দৌলত উঠাই হোম-যজ্ঞ কৰি পূজা কৰা হয়। পিছদিনা গোসাঁইৰ বিগ্ৰহ দৌল মন্দিৰৰ পৰা নমাই, দোলাত তুলি লোৱা হয়। তাৰ পিছত ভক্তসকলে নাম-কীৰ্ত্তন গাই, পৰস্পৰে পৰস্পৰৰ গাত ৰং সানি শোভাযাত্ৰা কৰি গোসাঁইৰ বিগ্ৰহ ফুৰাবলৈ নিয়ে। ইয়াকে গোসাঁই ফুৰোৱা উৎসৱ বা সুঁৱৰী উৎসৱ বুলি কোৱা হয়।

প্ৰতি বছৰে হাৰিভাঙ্গা গাঁও উন্নয়নৰ এলেকাভুক্ত যিকোনো চুবুৰিলৈ গোসাঁইক ফুৰাবলৈ নিয়া হয়। হাৰিভাঙ্গা এখন বৃহৎ গাঁও। গতিকে গোটেইবোৰ চুবুৰি একেদিনাই পৰিভ্ৰমণ কৰা সম্ভৱ নহয়। সেয়েহে প্ৰত্যেক বছৰে বেলেগ বেলেগ চুবুৰি নিৰ্বাচন কৰি গোসাঁইক লৈ যোৱা হয়। যিকেইটা চুবুৰিলৈ গোসাঁইক নিয়া হয়, সেইকেইটা চুবুৰিৰ ৰাইজক আগতীয়াকৈ এই বিষয়ে জনোৱা হয়। নিৰ্দিষ্ট চুবুৰিৰ জনগণে গোসাঁইক আদৰিবলৈ পদূলিমুখত কলপুলি পুতি ৰাখে। বহু লোকে নিজৰ ঘৰৰ চোতালত থকা তুলসীৰ কাষত দোলাসহ গোসাঁইক স্থাপন কৰাই ধূপ-ধূণা জ্বলাই আৰু নৈবদ্য আগবঢ়ায়।

সপৰিয়ালে গোসাঁইৰ ওচৰত আঠু লৈ ভক্তি অৰ্পণ কৰে। গোসাঁইৰ লগত যোৱা ভক্তসকলে বিভিন্ন ধৰণৰ মাঙ্গলিক বাদ্য বজাই নাচি নাচি নাম প্ৰসঙ্গ কৰি এক দৃষ্টিনন্দন আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। যিসকল লোকে গোসাঁইক নিজৰ ঘৰলৈ বৰি নিয়ে, তেওঁলোকে গোসাঁইৰ লগত যোৱা ভক্তসকলকো বিভিন্ন ধৰণে আপ্যায়ন কৰিবলৈ যত্ন কৰে। আগতে নিৰ্দ্ধাৰণ কৰি থোৱা মতে চুবুৰিৰ কোনোবা এঘৰে গোসাঁইৰ লগত যোৱা ভক্তসকলৰ বাবে দুপৰীয়াৰ ভোজনৰ ব্যৱস্থা কৰে। দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি পুনৰ গোসাঁইক ফুৰাবলৈ লৈ যোৱা হয়। সন্ধিয়াৰ আগে আগে প্ৰভুৰ বিগ্ৰহ পুনৰ নিজৰ আসনত বহুৱাই ভক্তসকল ঘৰলৈ যায়।

হাৰিভাঙ্গাৰ দৌল উৎসৱ আধ্যাত্মিক ভাৱনাসিক্ত এক অনন্য তথা ব্যতিক্ৰমী উৎসৱ। এই উৎসৱৰ জৰিয়তে কৃষ্ণ সংস্কৃতি তথা কৃষ্ণভক্তিৰ অনন্ত ধাৰা হাৰিভাঙ্গা গাঁও উন্নয়ন এলেকাধীন মানুহৰ অন্তৰে অন্তৰে প্ৰবাহিত হোৱাৰ সুযোগ ঘটিছে। কৃষ্ণসংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ শক্তিশালী মাধ্যম হৈছে হাৰিভাঙ্গাৰ দৌল উৎসৱ। ৭ আহিনত অনুষ্ঠিত ভাগৱত চক্ৰইও মানুহক বিশেষ আকৰ্ষিত কৰিছে।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত ধৰ্মীয় উৎসৱবোৰত আধ্যাত্মিকতাতকৈ বাহ্যিকতাৰ পয়োভৰ বেছি হোৱা দেখা যায়। বিভিন্ন ঠাইত এনে ধৰ্মীয় উৎসৱ বিজতৰীয়া সাংস্কৃতিক অনুষ্ঠানলৈ ৰূপান্তৰ ঘটে। এনে ক্ষেত্ৰত আধ্যাত্মিক বা ধৰ্মীয় ভাৱনা গৌন হৈ পৰে আৰু উৎসৱৰ নামত আনন্দ কৰাটোহে মুখ্য হৈ পৰে। আধ্যাত্মিকতা শূন্য এনে এনুষ্ঠানে কেতিয়াও ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাব নোৱাৰে, বৰং উশৃংখল সামাজিক ব্যৱস্থা এটাক উৎসাহিত কৰে। মানুহক সততাৰ বাটেৰে বাট বুলাবলৈ অনুপ্ৰাণিত কৰাৰ স্বাৰ্থত সঁচা অৰ্থত ধৰ্মীয় ভাৱনা আৰু আধ্যাত্মিকতাৰ উৎকৰ্ষ সাধন কৰিবই লাগিব। তেতিয়াহে ধৰ্মীয় উৎসৱবোৰৰ প্ৰাসংগিকতা আৰু তাৎপৰ্য বৰ্তি থাকিব। হাৰিভাঙ্গা কলীয়া গোসাঁই মন্দিৰক কেন্দ্ৰ কৰি গঢ়ি উঠা ধৰ্মীয় উৎসৱবোৰে এই ক্ষেত্ৰত সঁচাকৈয়ে যোগাত্মক দিশ এটা প্ৰতিফলিত কৰিছে। পহিলা মাঘৰ উৎসৱ বা দৌল উৎসৱে সঁচা অৰ্থত ধৰ্ম আৰু আধ্যাত্মিকতাৰ ধ্বজা বহন কৰিছে তথা অসমৰ ভক্তি আন্দোলনক ত্বৰান্বিত কৰিছে। সেয়েহে পুনৰ দোহাৰিছোঁ— ধৰ্ম আৰু আধ্যাত্মিকতাৰ পীঠস্থান "হাৰিভাঙ্গাৰ কলীয়া গোসাঁই মন্দিৰ" আমাৰ পূৰ্বপুৰুষসকলে ভক্তিৰ যি মাৰ্গ দি থৈ গ'ল, উত্তৰ পুৰুষে তাক আগুৱাই লৈ যাব অনন্ত কাললৈ।❑❑

"সৰ্বে ভৱন্তু সুখীনঃ,  
সৰ্বে সন্তু নিৰাময়াঃ।  
সৰ্বে ভদ্ৰানি পশ্যন্তু,  
মা কশ্চিদ্ দুখঃ ভাগ ভৱেৎ।।  
ওম্ শান্তিঃ ওম্ শান্তিঃ ওম্ শান্তিঃ।।"

**(লেখক হাৰিভাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক)**

# শিক্ষা, সাহিত্য-সংস্কৃতি, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত হাৰিভাঙ্গা গাঁও

সোমনাথ ডেকা

হাৰিভাঙ্গা গাঁৱখনৰ শিক্ষা, সাহিত্য-সংস্কৃতি, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক সম্পৰ্কে আলোচনা কৰিবলৈ লোৱাৰ আগতে হাৰিভাঙ্গা গাঁৱৰ ভৌগোলিক অৱস্থিতি আৰু গাঁৱৰ নামটোৰ বুৎপত্তি সম্পৰ্কে এটি আভাস দিব খুজিছোঁ। আহোম ৰজা সকলৰ ৰাজত্বৰ সময়ত পুৰণি কামৰূপৰ কিছুমান গাঁৱক সামৰি এৰেকোটা পৰগণাত বিভক্ত কৰিছিল। তেনেকুৱা পৰগণাৰ ভিতৰত আছিল নাম্বৰভাগ পৰগণা, বজালী পৰগণা, বৰনগৰ-নাম্বৰভাগ পৰগণা আদি। নাম্বৰভাগ পৰগণাৰ ভিতৰত বৰ্তমান নাম্বৰভাগ মৌজাৰ অন্তৰ্গত সুৰাদি, বকুৰাগ্ৰাম (বকুৰাঝাৰী), টিহু মৌজাৰ ক্ষুদ্ৰ-মাখিবাহা, দিঘেলী, মথুৰাপুৰ-ভএেৰা নমাটি মৌজাৰ দহকাউনীয়া আদি গাঁৱৰ নাম উল্লেখযোগ্য।

টিহু ৰেলৱে ষ্টেচনৰ পৰা প্ৰায় তিনি কিলোমিটাৰ দক্ষিণত নলবাৰী জিলাৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত হাৰিভাঙ্গা এখন জনবহুল কৃষি প্ৰধান গাঁও। ভৌগোলিক আৰু প্ৰাকৃতিক সীমাৰেখাৰ ফালৰপৰা এই গাঁৱখনৰ উত্তৰে ৰেল-লাইন, পূৱে মৰাপাগলদিয়া নদী, দক্ষিণে বুঢ়াদিয়া নদী আৰু পশ্চিমে টিহু নদীৰদ্বাৰা বেষ্টিত। হাৰিভাঙ্গা গাঁৱৰ মাজেৰে ২৬° ২০.৭৫ উত্তৰ অক্ষয় ৰেখা আৰু ৯১° ১৭.৫ পূৱ দ্ৰাঘিমা ৰেখা অতিক্ৰম কৰিছে। (ড° ৰত্নেশ্বৰ বৰ্মন, হাৰিভাঙ্গা হাইস্কুল ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ) হাৰিভাঙ্গাৰ দক্ষিণ দিশ আৰু বুঢ়াদিয়া নদীৰ উত্তৰ দিশত এসময়ৰ নলখাগৰি, তৰা আদি বিভিন্ন ঝাৰণিৰে ভৰা বৰপিত ৰিজাৰ্ভ। বৰ্তমান ই কৃষিভূমিলৈ পৰিবৰ্তন হৈছে। অতীতৰ সেই বৰপিত ৰিজাৰ্ভতবাঘ-শিয়াল, গাহৰি আদি বিভিন্ন ধৰণৰ জীৱ-জন্তুৰ চলাচল নাই; নাই কাউৰী, বগলী আদি বিভিন্ন চৰাই-চিৰিকটিৰ কোৰ্হাল। হৰিভাঙ্গা গাঁৱৰ পশ্চিম আৰু মাখিবাহা গাঁৱৰ পূব সীমাৰে বৈ গৈছে হোকাখোৰা জান। এই জানৰ জলসোঁত গুৰগুৰি হোকাৰ মাতৰ দৰে বৈ গৈছিল বাবে পূৰ্ব-পুৰুষৰ কোনোবা অজ্ঞাত ব্যক্তিয়ে এই জানটো হোকাখোৰা নামেৰে নামকৰণ কৰিছিল বুলি আমাৰ বিশ্বাস। বৰ্তমান হোকাখোৰা জানটোৰ অবলুপ্তি হ'বলৈ ধৰিছে। চৰকাৰৰ ফালৰ পৰা নতুনকৈ খন্দাৰ ব্যৱস্থা কৰিলে কৃষক ৰাইজ আৰ্থিক ভাৱে যথেষ্ট উপকৃত হ'ব। এই হোকাখোৰা জানৰ পূৱ পাৰতেই বসবাস কৰা কেৰে কিছু নোহোৰাবুঢ়ীৰ ঘৰত পোৱা কলীয়া মহাপ্ৰভুৰ বিগ্ৰহটো এটি সৰু খেৰিঘৰ সাঁজি হোমযজ্ঞ, নাম প্ৰসঙ্গ কৰি কোনোৱা এটা শুভ দিনত হৰিধ্বনিৰে ৰাইজে প্ৰতিষ্ঠা কৰিছিল। কলীয়া গোসাঁই মহাপ্ৰভুৰ জন্ম-মাহাত্ম্য আৰু কলীয়া গোসাঁই মন্দিৰ নিৰ্মাণ সম্পৰ্কে ১৯৭৬ খৃষ্টাব্দৰ ২৮ জানুৱাৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ টিহু অধিৱেশনত প্ৰকাশিত স্মৃতিগ্ৰন্থত বহুলভাৱে আলোচানা কৰা হৈছে — যিহেতু ইয়াত অতীত ৰোমন্থন কৰিব খোজা নাই।

হাৰিভাঙ্গা গাঁৱখনৰ নামটোৰ বুৎপত্তি সম্বন্ধে বিভিন্ন জনে বিভিন্ন ধৰণে ব্যাখ্যা কৰিব খোজে যদিও নামটো সম্পৰ্কে এটি সুন্দৰ লোক-প্ৰৱাদ আছে। দ্বাপৰ যুগত শ্ৰীকৃষ্ণ আৰু জৰাসন্ধৰ মাজত অষ্টাদশবাৰ যি যুদ্ধ হৈছিল তাৰ শেষ যুদ্ধখন এই হাৰিভাঙ্গা গাঁৱতেই হৈছিল বুলি মানুহৰ মাজত বিশ্বাস আছে। এই যুদ্ধত স্বয়ং হৰি পলাই ভঙ্গ দিছিল বাবে নামটো 'হৰিভঙ্গ' হয় আৰু হৰিভঙ্গ শব্দৰ পৰিবৰ্তিত ৰূপ হাৰিভাঙ্গা হোৱা বুলি কোৱা হয়। ঐতিহাসিক দৃষ্টিভঙ্গীৰ পৰা চালে ইয়াৰ যুক্তি-যুক্ততা কিমান বিচাৰ্য্যৰ বিষয়। নামটো সম্পৰ্কে আমি অন্য ধৰণেও চিন্তা কৰিব পাৰো। এটা সময়ত হাৰিভাঙ্গা গাঁৱৰ পশ্চিম সীমাৰে বৈ যোৱা হোকাখোৰা জানৰ পাৰত তিব্বত-গোষ্ঠীৰ বড়ো কছাৰী সকলৰ বসতি স্থল

আছিল। সময়ত জীৱিকা নিৰ্বাহৰ কাৰণে গোসাঁই কমল আলিৰ উত্তৰ অঞ্চললৈ (বৰ্তমান বাক্সা অঞ্চল) বহুতো তিৱত গোষ্ঠীৰ লোক উঠি গ'ল যদিও বৰ্তমানো চিহ্ন মৌজাৰ মধুপুৰ, গোড়মাৰা, পিপলিবাৰী গাঁৱত বহুতো বড়ো-কছাৰী, মানুহ বাস কৰি আছে। বড়ো-কছাৰী সকলৰ মদ তৈয়াৰ কৰা আৰু মদ খোৱা এটা জাতিগত প্ৰথা আছিল। আজি তাৰ বহুখিনি হ্ৰাস পাইছে। মদ তৈয়াৰ কৰাৰ কাৰণে মাটিৰ চৰু, হাড়ী ব্যৱহাৰ কৰিছিল। অতীত বুৰঞ্জীলৈ ভূমুকি মাৰিলে আমি জনাত হাৰিভাঙ্গা গাঁৱৰ মানুহ অতি সতৰ্ক আছিল আৰু তেওঁলোকে একত্ৰিত হৈ সমাজৰ অন্যায় হ'ব পৰা বেয়া কামবোৰ আঁতৰাবলৈ চেষ্টা কৰিছিল। আমাৰ ধাৰণামতে হাৰী > হাড়ী শব্দৰ লগত ভাঙ্গ শব্দ যোগ হৈ হাৰিভাঙ্গা নামটোৰ উৎপত্তি হ'ব পাৰে। আমি শব্দটোৰ উৎপত্তি নিম্ন লিখিত ধৰণে দেখুৱাব পাৰো।

সংস্কৃত = হাণ্ডিকা + ভঙ্গ + আ > হণ্ডিআ + ভাঙ্গ (ভাণ্ড) + আ > হাড়ী (হাৰী) + ভাঙ্গ + আ > হাৰিভাঙ্গা।

হাৰিভাঙ্গা গাঁৱখনৰ নামটোৰ উৎপত্তি যিয়েই নহওক,ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ, বৈশ্য - এই চাৰি জাতিৰ ভিতৰত কোচ, কলিতা, ব্ৰাহ্মণ, কেওট, সোনাৰী জাতিৰ প্ৰায় ৯০০ (নশ) ঘৰ পৰিয়ালৰ প্ৰায় ৬৫০০ লোকৰ বসতিপূৰ্ণ এখন পুৰণি ঐতিহ্যপূৰ্ণ গাঁৱ। ইয়াৰ আশে-পাশে বসবাস কৰা বড়ো-কছাৰী, ভোজকুছি আৰু মাখিবাহা গাঁৱত বসবাস কৰা মুছলমান লোকৰ লগত অতীতৰ পৰা এই গাঁৱৰ মানুহে ঐক্য, সংস্কৃতিৰ এনাজৰীৰে বান্ধখাই মিলা-প্ৰীতিৰে বসবাস কৰি আছে।

এখন সমাজ, এটা জাতি উপযুক্ত শিক্ষাৰ মাজেৰে হে প্ৰকৃতাৰ্থত আগবাঢ়িব পাৰে। শিক্ষা অবিহনে এটা জাতিৰ সৰ্বাঙ্গীণ উন্নতি সম্ভৱ নহয়। হাৰিভাঙ্গা গাঁৱৰ শতকৰা নৱৈভাগ কৃষিজীৱি যদিও তেওঁলোকৰ ল'ৰা ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ বাবে চিন্তা-চৰ্চা কৰি ১৮৮৭-৮৮ খৃষ্টাব্দত হাৰিভাঙ্গা গাঁৱৰ কলীয়া গোসাঁই মহাপ্ৰভুৰ মজিয়াত এখন ছাত্ৰ বৃত্তি স্কুল স্থাপন কৰিলে, এই স্কুলখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষভাৱে আগভাগ লোৱা সমাজকৰ্মী পীতৰাম মেম্বৰ, বালেক গাঁওবুঢ়া, পৰীক্ষিত শৰ্মা আদি কেইজনমান সমাজ সচেতন ব্যক্তিৰ নাম স্মৰণ কৰিব পাৰোঁ। ১৯২৬ খৃষ্টাব্দত কৃষিজীৱি ৰাইজে কায়িক, মানসিক, শাৰীৰিক পৰিশ্ৰম আৰু কৃষক ৰাইজৰ দান-বৰঙণিত হাৰিভাঙ্গা ছাত্ৰ বৃত্তি স্কুলখনক (উচ্চ বুনিয়াদী এম্ ভি স্কুল) স্কুললৈ উন্নীত কৰা হ'ল। প্ৰাণনাথ ভঁৰালীক হেড্ পণ্ডিত হিচাপে নিযুক্তি দিয়া হ'ল। এই স্কুলৰ প্ৰথম ছাত্ৰ সকলৰ ভিতৰত আমি জনামতে আছিল বালি গাঁৱৰ গোপী বৈশ্য, উদয় ভাগৱতী, হাৰিভাঙ্গা গাঁৱৰ কামাখ্যা ধামৰ মধু শৰ্মা আদি কেইজনমান ছাত্ৰ। এইখিনিতে উল্লেখ কৰিব খুজিছোঁ যে যি সকল ছাত্ৰই হাৰিভাঙ্গা স্কুলৰ পৰা বিশেষ কৃতিত্বৰে এম্ ভি পাছকৰি স্কুলৰ লগতে গাঁৱৰ সুনাম আনিছিল সেই সকলৰ ভিতৰত হাৰিভাঙ্গা গাঁৱৰ গোসাঁই ধোৱাখেৰ স্বৰ্গীয় সীতানাথ শৰ্মাৰ নাম স্মৰণীয়। প্ৰয়াত মুক্তি যুঁজাৰু শিক্ষাবিদ হৰমোহন হালৈৰ পৰা জনামতে শৰ্মাৰ পৰীক্ষাৰ খবৰ ওলোৱাত তেওঁক গাঁৱত শোভাযাত্ৰা কৰি সন্মান দিছিল। সেই সময়ত চিহ্ন অঞ্চলত হাৰিভাঙ্গা আৰু নানকাৰ (মাখিবাহা) মজলীয়া স্কুল দুখনেই আছিল মাধ্যমিক শিক্ষাৰ পুৰণি শিক্ষানুষ্ঠান। হাৰিভাঙ্গা এম্ ভি স্কুলত বালি, শিয়ালমাৰী, ৰণাকুছি, দহকাউনীয়া, নান্নাট্টাৰী আদি অঞ্চলৰ ছাত্ৰই আহি অধ্যয়ন কৰাৰ উপৰিও বৰমা অঞ্চলৰ মহখুলিৰ পৰাও আহি হাৰিভাঙ্গা এম্ ভি স্কুলত ছাত্ৰই পঢ়িছিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য লাভ কৰা মুক্তি যোদ্ধা, সমাজকৰ্মী মহখুলিৰ গোপীনাথ চৌধুৰী (বৰ্তমান তেখেতৰ বয়স ৯৫ বছৰ)ৰ পৰা জনামতে তেখেতৰ লগত একে গাঁৱৰেই যতীন চৌধুৰী, চানক্য চৌধুৰী, দুলাল চৌধুৰী, ধনী বড়ো হাৰিভাঙ্গা এম্ ভি স্কুলৰ মণ্ডল বৰ্ডিং (হোষ্টেল)ত থাকি পঢ়িছিল। সেই সময়ত স্কুলৰ প্ৰধান হেড্ পণ্ডিত আছিল বিহামপুৰৰ বৃহস্পতি বৈশ্য। ১৯৪৯-৫০ খৃষ্টাব্দত তেখেতৰ ছাত্ৰ হিচাপে পঢ়াৰ সুযোগ পাইছিলো। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত ভাৰতবৰ্ষত পাশ্চাত্য শিক্ষাৰ প্ৰচলন হ'ল। হাৰিভাঙ্গা গাঁৱতো স্বৰ্গীয় উপেন্দ্ৰ নাৰায়ণ ডেকাৰ (হাৰিভাঙ্গা গাঁৱৰ প্ৰথমজন অনাৰ্চ গ্ৰেজুৱেট) হলিৰাম ডেকা, সত্য নাৰায়ণ ডেকা, কান্তেশ্বৰ ডেকা, মাধৱ চন্দ্ৰ ডাকুৱা, উগ্ৰ কাকতি, গন্ধীৰাম হালৈ, কেশৱ চন্দ্ৰ মহাজন, মহেশ্বৰ বৰ্মন, বৰদা কান্ত শৰ্মাৰ লগতে সেই সময়ৰ কিছু ডেকা ছাত্ৰৰ সহযোগত স্বৰ্গীয় বদন চন্দ্ৰ কলিতাক (বালি গাঁৱৰ) হেড্ মাষ্টাৰ হিচাপে লৈ ১৯৪৬ খৃষ্টাব্দত হাৰিভাঙ্গা মধ্য ইংৰাজী স্কুল স্থাপন কৰা হ'ল। এই স্কুলখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিশেষভাৱে আগভাগ লৈছিল উপেন্দ্ৰ নাৰায়ণ ডেকাই। হাৰিভাঙ্গা মাইনৰ স্কুলৰ কৃতী ছাত্ৰসকলৰ ভিতৰত আমি দুজন ছাত্ৰৰ নাম বিশেষভাৱে উল্লেখ কৰিব খুজিছোঁ। স্কুলৰ প্ৰথম দলৰ ছাত্ৰ শৰৎ কলিতাই পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লৈ বিদ্যালয়ত গণিত বিভাগত অধ্যাপক হিচাপে কাম কৰি এজন কৃতী শিক্ষক হিচাপে প্ৰতিষ্ঠিত হৈছিল কিন্তু হাৰিভাঙ্গা গাঁৱৰ কাৰণে অতি দুৰ্ভাগ্যৰ বিষয় এইজন মেধা-সম্পন্ন ব্যক্তিক অকালতে হেৰুৱাব লগা হ'ল। আন এজন হাৰিভাঙ্গা মাইনৰ স্কুলৰ

ছাত্ৰ পবীন শৰ্মাই ডক্টৰেট ডিগ্ৰী লৈ গুৱাহাটী আৰ্য্য বিদ্যাপীঠ কলেজত অধ্যাপক হিচাপে কাম কৰি পিছত পাণ্ডু মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি এজন দক্ষ প্ৰশাসক অধ্যক্ষ হিচাপে সুনাম অৰ্জন কৰে। পিছত তেখেতে অসম গণ পৰিষদ দলৰ পৰা ৰাজ্য সভাৰ সাংসদ হিচাপে সুখ্যাতি অৰ্জন কৰে। ১৯৫৮ খৃষ্টাব্দৰ ১৭ জানুৱাৰীত হাৰিভাঙ্গা, বালি-পিপলিবাৰী, সন্ধেলী আৰু ভোজকুছি গাঁৱৰ সমাজকৰ্মী, শিক্ষা-সেৱী লোকৰ সন্মিলিত প্ৰচেষ্টাত হাৰিভাঙ্গা মাইনৰ স্কুলখনৰ লগতে ৭ম আৰু ৮ম দুটা শ্ৰেণী একেলগে খুলি মাইনৰ স্কুলখনক হাইস্কুললৈ উন্নীত কৰা হয় আৰু ক্ৰমে ভূবন শৰ্মা, হলিৰাম ডেকাক সভাপতি- সম্পাদক হিচাপে লৈ এখন কমিতি গঠন কৰা হ'ল। সেই সময়ত পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছ অধিৱেশনৰ বিভিন্ন কামত ব্যস্ত হৈ থকা সমাজকৰ্মী মুক্তিযোদ্ধা গিৰীন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াক প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিয়া হয়। তীক্ষ্ণবুদ্ধি সম্পন্ন ব্যক্তি গিৰীন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ প্ৰশাসনীয় দক্ষতা, অক্লান্ত পৰিশ্ৰম, বলিষ্ঠ লেখনি আৰু সম্পাদক হলিৰাম ডেকাৰ নিঃস্বাৰ্থ ঐকান্তিক প্ৰচেষ্টাত সেই সময়ৰ স্কুল পৰিদৰ্শক দন্দেশ্বৰ গগৈৰ হাৰিভাঙ্গা হাইস্কুলখনৰ প্ৰতি থকা অনুকম্পাত ১৯৬০ খৃষ্টাব্দৰ ১৭ জানুৱাৰীৰ পৰা স্কুলখনে চৰকাৰী ঘাটিমঞ্জুৰী পাবলৈ সক্ষম হ'ল। অতি দুখ আৰু পৰিতাপৰ কথা সেই মহান ব্যক্তিজন কোনোবা অজ্ঞাত আততায়ীৰ হাতত ১৯৬৫ খৃষ্টাব্দৰ ১৮ অক্টোবৰৰ দিনা মৃত্যুবৰণ কৰিব লগা হ'ল। উল্লেখ্য যে উক্ত স্কুলখনৰ পৰা ২০০৫ খৃষ্টাব্দৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মৃন্ময় শৰ্মাই অষ্টাদশ স্থান লাভ কৰি বিদ্যালয়খন তথা সমগ্ৰ অঞ্চললৈ সুনাম কঢ়িয়াই আনিছে। নাৰী-পুৰুষক লৈয়ে সমাজ। পুৰুষৰ সমানেই যদি নাৰীক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যোৱা নহয়, তেনেহ'লে এখন উন্নত সুস্থ সমাজ গঠন হ'ব নোৱাৰে। সেয়েহে ১৯৭৫ খৃষ্টাব্দত উদ্ধৱ বৰ্মণক প্ৰধান শিক্ষক হিচাপে নিযুক্তি দি হাৰিভাঙ্গা ছোৱালী হাইস্কুল স্থাপন কৰা হ'ল। এই স্কুলৰ প্ৰথম সভাপতি আৰু সম্পাদক আছিল উপেন্দ্ৰ নাৰায়ণ ডেকা আৰু কাম্তেশ্বৰ কলিতা। হাৰিভাঙ্গা হাইস্কুল আৰু ছোৱালী হাইস্কুলৰ পৰা বিশেষ কৃতিত্বৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা কেবা গৰাকী মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান অসম চৰকাৰৰ বিভিন্ন বিভাগত চাকৰি কৰাৰ উপৰিও কেবাখনো আগশাৰীৰ মহাবিদ্যালয়ত শিক্ষকতা কৰি আছে। ১৯৯৭ খৃষ্টাব্দত হাৰিভাঙ্গা উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে উচ্চতৰ মাধ্যমিক শাখাৰ শ্ৰেণী খোলা হ'ল। দুখ আৰু পৰিতাপৰ কথা যে হাৰিভাঙ্গা উচ্চতৰ মাধ্যমিক শাখাই চৰকাৰী অনুমতি পাইছে যদিও এই পৰ্যন্ত স্বীকৃতি পোৱা নাই।

ইংৰাজ সকল অসমলৈ অহাৰ আগতে পুৰণা কামৰূপৰ বিভিন্ন ঠাইত স্থাপন হোৱা সংস্কৃত টোল সমূহৰ যোগেদি সংস্কৃত ভাষা সাহিত্যৰ চৰ্চা হৈছিল। ১৮৯০/৯১ ক্ষেত্ৰী ধৰ্মপুৰ মৌজাৰ দাহুদি গাঁৱৰ ৰত্নমালা ব্যাকৰণ আৰু ভাগৱত শাস্ত্ৰৰ সংস্কৃত পণ্ডিত সনাপতি দেৱ শৰ্মা হাৰিভাঙ্গা গাঁৱৰ মুৰিকুছি গোসাঁই ধোৱাথেৰ চুবুৰীলৈ উঠি আহি নিগাজীকৈ বসবাস কৰিবলৈ লোৱাৰ পিছত সেই চুবুৰীতেই "চন্দ্ৰময়ী চতুস্পঠী" নামেৰে সংস্কৃত শিক্ষাৰ টোল এখন স্থাপন কৰি সংস্কৃত শিক্ষাৰ প্ৰসাৰত ব্ৰতী হয়। এই সংস্কৃত টোলত বাহিৰৰ পৰাও ছাত্ৰ আহি সংস্কৃত অধ্যয়ন কৰিছিল। এই সংস্কৃত শিক্ষানুষ্ঠানত অধ্যয়ন কৰা বহুতো ছাত্ৰই পিছত সংস্কৃতত একোজন বিদগ্ধ সংস্কৃত পণ্ডিত হিচাপে বিদ্যামণ্ডলীৰ মাজত প্ৰসিদ্ধি লাভ কৰিছিল। সনাপতি দেৱ শৰ্মাৰ পিছত ক্ৰমে বিশ্বনাথ শৰ্মা, জয়নাথ শৰ্মা প্ৰমুখ্যে কেবাজনো সংস্কৃত পণ্ডিতে এই সংস্কৃত টোলত অধ্যাপনা কৰি অসমৰ ভিতৰত এখন আগশাৰীৰ সংস্কৃত টোল হিচাপে গঢ়ি তুলিছিল। শেষত টিহু হাইস্কুলৰ সংস্কৃত শিক্ষক ভূবন চন্দ্ৰ শৰ্মা ব্যাকৰণ কাব্যতীৰ্থ তত্ত্বাৱধানত কিছুবছৰ চলাৰ পিছত চৰকাৰৰ পৰা পাব লগা আৰ্থিক সাহায্য বন্ধ হোৱাত "চন্দ্ৰময়ী চতুস্পাঠী" সংস্কৃত টোলখন বন্ধ হ'ল। ১৯৫২/৫৩ খৃষ্টাব্দত হাৰিভাঙ্গা, মাখিবাহা, পিপলিবাৰী, সন্ধেলী, বালি গাঁৱৰ কিছু শিক্ষাসেৱী লোকৰ চেষ্টাত হাৰিভাঙ্গা কামাখ্যা ধামত এখন টিনৰ চালিৰে সংস্কৃত টোল এখন স্থাপন কৰা হ'ল যদিও কেইবছৰমান চলাৰ পিছত আৰ্থিক অভাৱৰ কাৰণে সেইখনো বন্ধ হৈ গ'ল। সুখৰ বিষয় যে পূৰ্বৰ সেই স্থানতেই হাৰিভাঙ্গা কামাখ্যাধামত সংস্কৃত শিক্ষানুৰাগী শিক্ষিত ব্যক্তিসকলৰ চেষ্টাত ২০০৪ খৃষ্টাব্দত "কামাখ্যাধাম সংস্কৃত বিদ্যাপীঠ" নামেৰে সংস্কৃত শিক্ষাৰ এখন বিদ্যালয় পাতি প্ৰৱেশিকা, মধ্যমা আৰু শাস্ত্ৰী পৰীক্ষাৰ শিক্ষাদান অব্যাহত আছে।

সাহিত্য হ'ল এটা জাতিৰ দাপোণ স্বৰূপ। সাহিত্যৰ মাজেৰে এটা জাতিৰ, এখন সমাজৰ , এখন দেশৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, আৰ্থিক আদি দিশৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। ১৯৪৬ খৃষ্টাব্দত স্থাপন হোৱা হাৰিভাঙ্গা পুথিভঁৰালটোৱে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু গ্ৰন্থপ্ৰেমী সকলক পুথি অধ্যয়নত অৰিহণা যোগোৱাৰ উপৰিও সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো কিছু বৰঙণি যোগাইছে। ষাঠীৰ দশকৰ আগলৈকে হাৰিভাঙ্গা গাঁওত অসমীয়া ভাষা সাহিত্যৰ বিশেষ চৰ্চা হোৱা নাছিল। ১৯৭২/৭৩ খৃষ্টাব্দত

হাৰিভাঙ্গা শাখা সাহিত্য সভা গঠন হোৱাৰ পিছত সাহিত্য সভাই সাহিত্য বিষয়ৰ কবিতা, গল্প, উপন্যাস আদিৰ ওপৰত আলোচনা চক্ৰ পাতি ছাত্ৰ-ছাত্ৰীক সাহিত্য ৰচনাৰ প্ৰতি অনুপ্ৰেৰণা যোগোৱাৰ পিচত হাৰিভাঙ্গা গাঁওৰ বহুতো নতুন পুৰুষে সাহিত্য চৰ্চাত মনোনিৱেশ কৰিলে।বৰ্তমান হাৰিভাঙ্গা গাঁওৰ কেবাজনো ব্যক্তিয়ে গল্প, কবিতা, নাটক, উপন্যাস লিখি অসমীয়া ভাষা সাহিত্যলৈকে বৰঙণি যোগাইছে। এই ক্ষেত্ৰত আমি দুজন ডেকা সাহিত্যিকৰ নাম উল্লেখ কৰিব খুজিছোঁ। নৰকান্ত মিশ্ৰ আৰু নিৰঞ্জন দত্তই ছাত্ৰ অৱস্থাৰ পৰাই সাহিত্য চৰ্চাত মনোনিৱেশ কৰি কবিতা, নাটক, উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে। নিৰঞ্জন দত্তই হাইস্কুলৰ ৭ম শ্ৰেণীত পঢ়ি থাকোতেই "বিষাক্তগান" নাট ৰচনাৰ মাজেৰে সাহিত্য সাধনাত ব্ৰতী হৈ পাঁচখন নাট, এখন উপন্যাস ৰচনা কৰাৰ উপৰিও তেওঁৰ দ্বাৰা ৰচনা কৰা কেবাখনো কবিতা পুথি প্ৰকাশ পাইছে। শেহতীয়া ভাৱে দত্তই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু উপলক্ষে "লুইত পাৰৰ জুই স্বদেশৰ গান" নামেৰে এখন গ্ৰন্থ লিখে। এজন প্ৰগতিশীল চিন্তাধাৰাৰ প্ৰতিভাৱান, শিল্পী-সাহিত্যিক, সমাজকৰ্মী, সু-বক্তা, হাৰিভাঙ্গা গাঁওৰ নৰমিশ্ৰক অকালতে হেৰুৱাব লগা হোৱাত হাৰিভাঙ্গা গাঁওৰ সমাজ জীৱনত যথেষ্ট ক্ষতি হ'ল। তেওঁ এজন শিক্ষকেই নাছিল সমাজৰ প্ৰতিটো দিশতে দৃষ্টি ৰাখি সমাজখনক আগবঢ়াই লৈ যোৱাৰ প্ৰতিশ্ৰুতিৰে বাট বুলিছিল।জীৱনৰ প্ৰাৰম্ভিক কালছোৱাৰ পৰাই সাহিত্য চৰ্চা, সংবাদ সেৱাৰ মাজেৰে আৰ্থিক দৈন্যতাৰ মূৰ পাতি লৈ তেওঁ একাধিক পূৰ্ণাঙ্গ নাট ৰচনা কৰাৰ উপৰিও কেবাখনো আলেখ্য ৰচনা কৰি অসমীয়া সাহিত্যলৈ বহুতো অৱদান আগবঢ়োৱাৰ উপৰিও "আজান ফকিৰ চাহেব" নামৰ পূৰ্ণদৈৰ্ঘ্য কথাছবিখনত বিষয়বস্তুৰ গৱেষণা তথা সহকাৰী পৰিচালনা আৰু অভিনয়ৰে নিজ প্ৰতিভা জিলিকাই থৈ গৈছে। ইয়াৰ উপৰিও হাৰিভাঙ্গা গাঁওৰ হলধৰ হালৈ, অধ্যাপক মদন কলিতা, বাণীকান্ত শৰ্মা, গুণজিৎ কলিতা, কেশৱ ডাকুৱা, মুনীন শৰ্মা, ত্ৰৈলোক্য নাথ দেৱ শৰ্মা, প্ৰকাশ শৰ্মা আদি কেবাজনেও বিভিন্ন দিশৰ ওপৰত সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যত কিছু বৰঙণি আগবঢ়াইছে। এই লিখনিত বহুতৰেই নাম বাদ পৰি যাব পাৰে তাৰ বাবে দোষৰ মাৰ্জনা বিছাৰিছোঁ।

অসমৰ লোক-কলা, নৃত্য-গীত, আধুনিক গীত, নাট আদিৰ চৰ্চাৰ বাবে ১৯৪৬ খৃষ্টাব্দতেই হাৰিভাঙ্গা শিল্পী সংঘৰ জন্ম হৈছিল।এই সাংস্কৃতিক অনুষ্ঠান গাঁওৰ ল'ৰা-ছোৱালীৰ মাজত লোক গীত, লোক নৃত্য, আধুনিক গীত, নাট আদিৰ চৰ্চাৰ এটা পৰিৱেশ গঢ়ি উঠিছিল। ইয়াৰ পিছত হাৰিভাঙ্গা গাঁওৰ সংস্কৃতি প্ৰেমী কিছু ডেকা শিক্ষিত যুৱক-যুৱতীৰ প্ৰচেষ্টাত "জ্যোতিস্মান সাংস্কৃতিকগোষ্ঠী" বিষ্ণুৰাভা সংগীত মহাবিদ্যালয়, ৰংদৈ হুচৰি দল, ভাস্কৰ জ্যোতি বিহু হুচৰি দল, জনকল্যাণ সংগীত বিদ্যালয় আদি কেবাটাও সাংস্কৃতিক অনুষ্ঠানৰ জন্ম হৈছে। কলা-সংস্কৃতি জগত খনৰ বাবে ই শুভ লক্ষণ। হাৰিভাঙ্গা গাঁওৰ বাবে গৌৰৱৰ কথা যে ৰমেন শৰ্মাই নিখিল ভাৰত লোক সংস্কৃতিৰ অসম খণ্ডৰ মুখ্য প্ৰশিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁৰ পৰিচালনাত নৃত্য বিষয়ত গাঁওৰ ছাত্ৰী সৰলা দাসে Indian International Sangeet Samittee ৰ দ্বাৰা অনুষ্ঠিত সপ্তম বৰ্ষৰ পৰীক্ষাত লোক সঙ্গীতত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মানপাত্ৰ সহ স্বৰ্ণপদক লাভ কৰি গাঁওলৈ সুনাম কঢ়িয়াই আনিছে। ইয়াৰ উপৰিও পূৰ্ণিমা কলিতা, হৰেণ দাস, উষা দাসে যাত্ৰাদল আৰু ভ্ৰাম্যমান থিয়েটাৰত নৃত্য শিল্পী হিচাপে নৃত্য পৰিৱেশন কৰি সফল শিল্পী হিচাপে পৰিচিত হৈছে।

অসমৰ গীত পদ-নাট, সাহিত্য সাংস্কৃতিক জগতত অসমৰ প্ৰাণ প্ৰতিষ্ঠা কৰা মহাপুৰুষ শংকৰদেৱৰ অনবদ্য অৱদানৰ কথা সাহিত্য, কলা-সংস্কৃতিৰ সাধক, সমাজ সংস্কাৰক, সাহিত্যিক, সমালোচক সকলে আজিও মুক্তকণ্ঠে স্বীকাৰ কৰে। আজিৰ পৰা পাঁচশযাঠীবছৰ আগতেই শংকৰদেৱে 'চিহ্নযাত্ৰা' অংকীয়া ভাওনাৰ মাজেৰে যি নাট্য আন্দোলনৰ বাট মুকলি কৰিছিল সি আজিও সূৰ্যৰ পোহৰৰ দৰে জ্যোতিস্মান হৈ আছে।শংকৰদেৱৰ দ্বাৰা সৃষ্টি ঢুলীয়া, খুলীয়া কলা সংস্কৃতিৰ আদৰ্শত অসমৰ চুকে কোণে বিভিন্ন লোকনৃত্য শিল্পী দলৰ সৃষ্টি হোৱাৰ দৰে হাৰিভাঙ্গা গাঁৱতো জালিৰাম বায়ন, পীতৰাম বায়ন, মহীৰাম বায়ন, পুন্নাৰাম বায়ন আদি কিছু কলা-সংস্কৃতি প্ৰেমীয়ে ঢুলীয়া, খুলীয়া দল খুলি ভাওনা পৰিৱেশন কৰিছিল। হাৰিভাঙ্গা গাঁওৰ বৰট্ৰাৰী চুবুৰীৰ সন্তোৰাম ডেকাই এটি নাট্যদল খুলি বিভিন্ন ঠাইত নাট মঞ্চস্থ কৰি খ্যাতি অৰ্জন কৰিছিল। উল্লেখযোগ্য যে হাৰিভাঙ্গা গাঁওত জন্মগ্ৰহণ কৰা উৎসৱ কলিতাই ভ্ৰাম্যমান জগতৰ বিভিন্ন মঞ্চত কৌতুক অভিনয় কৰি সুদক্ষ কৌতুক অভিনেতা হিচাপে আমোদ দি দৰ্শকৰ মন জয় কৰিছিল। তেওঁ এজন সু-কৌতুক অভিনেতা হিচাপে ১৯৯৩/৯৪ খৃষ্টাব্দত "অসম শিল্পী দিৱস" সমিতিৰ পৰা পুৰস্কৃত হৈ সন্মান লাভ কৰিছিল। অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰা উৎসৱ কলিতাই কৌতুক অভিনেতা হিচাপে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰপৰা

সম্বৰ্ধনাও পাইছিল। থিয়ৈ নাম বা ঝুনা নাম লোক সংস্কৃতিৰ এটা অঙ্গ। হাৰিভাঙ্গা গাঁওৰ আদিত্য নাৰায়ণ ঠাকুৰীয়া, যাদৱ চন্দ্ৰ পাঠক, গোলক পাঠক, ৰামচৰণ পাঠক প্ৰমুখ্যে কেবাজনো ঝুনানামৰ পাঠকে নাম পৰিৱেশন কৰি টিহু অঞ্চলত সুনাম অৰ্জন কৰি লোক সংস্কৃতিত অৰিহণা যোগাইছিল।

এখন দেশ, এখন ঠাই বা অঞ্চলৰ অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে ঠাইখনত হোৱা মূলধনৰ আমদানি ৰপ্তানিৰ ওপৰত। মূলধনেই হ'ল অৰ্থনীতিৰ মূল সম্পদ আৰু ইয়াৰ উপায় হ'ল সঞ্চয় বৃদ্ধি কৰা, বাহিৰলৈ মূলধন ওলাই যোৱা বন্ধ কৰা আৰু বাহিৰৰপৰা মূলধন আহৰণ কৰা। হাৰিভাঙ্গা গাঁওৰ অৰ্থনীতিত ইয়াৰ কোনোটোৰে প্ৰভাৱ নাই। গাঁওৰ বেছিভাগ মানুহে যিহেতু কৃষি কৰ্মৰ ওপৰত ভেটি কৰিয়েই জীৱন নিৰ্বাহ কৰে সেই কাৰণে খেতিৰপৰা উৎপাদিত অতিৰিক্তখিনি বিক্ৰী কৰি ধন সঞ্চয় কৰা সহজ নহয়। হাৰিভাঙ্গা গাঁওৰ কোনো ডাঙৰ কাৰিকৰী উদ্যোগ আদি নাই। সেই কাৰণেপৰা হাৰিভাঙ্গা গাঁও অৰ্থনৈতিক ভাবে দুৰ্বল। আজি কিছুবছৰ আগলৈকে থকা টিহু ডাগা ৰাইচ আৰু তেল উদ্যোগটোৰ জৰিয়তে টিহু অঞ্চলত থকা ক্ষুদ্ৰ ব্যৱসায়ী সকলে কিছু ধন ঘটিবলৈ সক্ষম হৈছিল যদিও দুষ্ট-চক্ৰৰ পাক চক্ৰৰ সহায়ত এই উদ্যোগ বন্ধ হোৱাত টিহুৰ অৰ্থনীতিত যথেষ্ট বাধাও দেখা দিলে। আজি কিছুবছৰৰ ভিতৰত গাঁওখনৰ কলা-বিজ্ঞান, কাৰিকৰী বিভাগৰ চিকিৎসা বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা কিছুব্যক্তিয়ে অসম চৰকাৰৰ বিভিন্ন বিভাগত বিশ্ববিদ্যালয়, মহাবিদ্যালয়ত চাকৰী কৰাৰ ফলত আজিৰ পৰা ৩০/৪০ বছৰৰ আগতে হাৰিভাঙ্গা গাঁওৰ যি আৰ্থিক অৱস্থা আছিল তাৰ বহুখিনি উন্নত হৈছে বুলি ক'ব পাৰি। ইয়াৰ উপৰিও হাৰিভাঙ্গা গ্ৰামোন্নয়নৰ নামত থকা (পুৰ্বৰ বৰপিত ৰিজাৰ্ভৰ) ১৫০ বিঘা খেতি মাটিৰ উৎপাদনে গাঁওৰ আৰ্থিক দিশত কিছু বৰঙণি যোগাইছে।

ৰাজনৈতিকভাৱে হাৰিভাঙ্গা গাঁওৰ মানুহ সচেতন। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ অন্যান্য ঠাইৰ লগত হাৰিভাঙ্গা গাঁওৰ কেবাজনো ৰাজনৈতিকভাৱে সচেতন ব্যক্তিয়ে স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লোৱাৰ বাবে উপেন্দ্ৰ নাৰায়ণ ডেকা, সত্য নাৰায়ণ ডেকা, হলিৰাম ডেকা, কৃষ্ণকান্ত তালুকদাৰ, হৰমোহন হালৈ, ভোগীৰাম কলিতা আদিয়ে জেল খাটিব লগীয়া হৈছিল। হাৰিভাঙ্গা গাঁওৰ এমৃভি স্কুলখন আছিল বৃটিছৰ বিৰুদ্ধে গঠন হোৱা স্বেচ্ছাসেৱক বাহিনীৰ মূল কেন্দ্ৰ। এই কেম্পৰ মূল নেতৃত্বত আছিল মাধৱচন্দ্ৰ ডাকুৱা। ১৯২৬ খৃষ্টাব্দত পাণ্ডুত বহা জাতীয় কংগ্ৰেছ অধিৱেশনত মাখিবাহাৰ গণেশ চৌধুৰীৰ নেতৃত্বত যোৱা স্বেচ্ছাসেৱক বাহিনীৰ লগত হাৰিভাঙ্গা গাঁওৰ পৰা মাধৱ চন্দ্ৰ ডাকুৱাও গৈছিল। ১৯৩০ খৃষ্টাব্দত মহাত্মা গান্ধীৰ নেতৃত্বত যি সত্যাগ্ৰহ আন্দোলন হৈছিল, হাৰিভাঙ্গা এমৃভি স্কুলত কুসুম কুমাৰী নামৰ যুৱতীয়ে সত্যাগ্ৰহ কৰিছিল বুলি জনা যায়। ওপৰত উল্লেখ কৰা ব্যক্তিসকলৰ লগতে হাৰিভাঙ্গা গাঁওৰ কংগ্ৰেছকৰ্মী কান্তেশ্বৰ ডেকাই মুক্তিযোদ্ধা হিচাপে অসম চৰকাৰৰপৰা স্বীকৃতি লাভ কৰিছিল। হাৰিভাঙ্গা গাঁও উন্নয়ন ভুক্ত হাৰিভাঙ্গা, পিপলিবাৰী, সন্ধেলী এই বিৰাট অঞ্চল আৰ্য-অনাৰ্য গোষ্ঠীৰ বাসভূমি। এই অঞ্চলৰ বেছিভাগ মানুহ হিন্দু সম্প্ৰদায়ৰ। এই গাঁওৰ পশ্চিম দিশত গাতে লাগি থকা মাখিবাহা আৰু ভোজকুছি গাঁওত অতি পুৰণি কালৰ পৰাই কিছু মুছলমান সম্প্ৰদায়ৰ লোক বাস কৰি আছে। এই বৃহত্তৰ অঞ্চলত এটা সুকীয়া বৈশিষ্ট্য হ'ল যে ইয়াত বসবাস কৰা বড়ো-কছাৰী, ব্ৰাহ্মণ, কোচ-কলিতা, মুছলমান আদি বিভিন্ন সম্প্ৰদায়ৰ মাজত থকা ঐক্য সংহতি। প্ৰতি বছৰে ১মাঘত পালন কৰি অহা কলীয়া মহাপ্ৰভুৰ ধৰ্মীয় অনুষ্ঠান আৰু কলীয়া গোসাঁই মন্দিৰত প্ৰতিবছৰে উদ্‌যাপিত হৈ থকা পাঁচদিনীয়া সভা মহোৎসৱে হাৰিভাঙ্গা গাঁও উন্নয়নভুক্ত বিভিন্ন শ্ৰেণীৰ মানুহক সামাজিক, ৰাজনৈতিক, সাংস্কৃতিকভাৱে সুদৃঢ় কৰি একতাৰ এনাজৰীৰে বান্ধি ৰাখিছে।

"চাতুৰ্বৰ্ণময়া সৃষ্টম্ গুণ কৰ্মবিভাগশ্চ"

ভগৱানে গুণ-কৰ্ম অনুসাৰে চাৰিবৰ্ণ সৃষ্টি কৰিছিল আৰু এই চাৰিবিধ মিলি এখন পুৰ্ণাঙ্গ মানৱ সমাজ গঠন হৈছে। হাৰিভাঙ্গা গাঁও আৰু এই অঞ্চলত বিভিন্ন জনগোষ্ঠীৰ মানুহ থকা একতাৰ বান্ধ যাতে কোনোদিনে ভাঙি নাযায় তাৰ বাবে কলীয়া গোসাঁই মহাপ্ৰভুৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।❑❑

**(লেখক টিহু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক)**

*(বিঃদ্ৰঃ- ২০০৩ খৃষ্টাব্দত শ্ৰীনলিনী কান্ত শৰ্মাৰ সম্পাদিত 'শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ মাহাত্ম্য আৰু হাৰিভাঙ্গা গাঁওৰ ইতিবৃত্ত' নামৰ সম্পাদনা গ্ৰন্থখনৰ পৰা এই প্ৰবন্ধটো অনা হৈছে। ইয়াত হাৰিভাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে সেই সময়ত চৰকাৰৰ পৰা স্বীকৃতি পাইছিল যদিও বৰ্তমান সেই অনুষ্ঠানখন প্ৰাদেশিকীকৰণ হৈছে।)*

# নৱবৈষ্ণৱ আন্দোলন আৰু মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

দ্বিজেন্দ্ৰ নাৰায়ণ গোস্বামী

ইউৰোপৰ নৱজাগৰণৰ সময়ত প্ৰাচীন গ্ৰীক, লেটিন আদি সাহিত্যৰ নতুনকৈ অধ্যয়ন হৈছিল আৰু তাৰ লগে লগে মাৰ্টিন লুথাৰৰ দ্বাৰা প্ৰটেষ্টাণ্ট ধৰ্মৰ প্ৰৱৰ্ত্তন হৈছিল। প্ৰাচীন সাহিত্যৰ অধ্যয়ন আৰু লুথাৰৰ প্ৰৱৰ্ত্তিত প্ৰটেষ্টাণ্ট ধৰ্মই সমগ্ৰ সমাজলৈ এক বিশাল পৰিবৰ্তন আনিছিল এক নতুন যুগ প্ৰৱৰ্ত্তিত হৈছিল। প্ৰায় একে সময়তে ভাৰতবৰ্ষতো নৱবৈষ্ণৱ আন্দোলনৰ দ্বাৰা এক বিৰাট সামাজিক আৰু সাংস্কৃতিক আন্দোলন গঢ় লৈ উঠিছিল।

মধ্যযুগৰ এই নৱবৈষ্ণৱ আন্দোলনৰ ইতিহাস বিচাৰিবলৈ হ'লে আমি বৈষ্ণৱ ধৰ্মৰ ইতিহাস জানিব লাগিব। বেদত উল্লেখ থকা দেৱতাসকলৰ ভিতৰত বিষ্ণুও অন্যতম, তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুকেই সাত্বতসকলে বাসুদেৱ, পাঞ্চৰাত্ৰসকলে নাৰায়ণ আৰু আভীৰসকলে গোপালকৃষ্ণ ৰূপে আৰাধনা কৰিছিল আৰু সময়ত শ্ৰেষ্ঠ দেৱতাৰূপে পৰিগণিত হৈছিল। খৃঃপূঃ পঞ্চম শতিকাৰ পৰা নানা শাস্ত্ৰ আদিত বিষ্ণু দেৱতাৰ উল্লেখ পোৱা যায়। মহাভাৰত আৰু শ্ৰীমদ্ভগৱদগীতা আদিত বৈষ্ণৱ ধৰ্মৰ বহল বিৱৰণ পোৱা যায়। বিভিন্ন স্থানত উদ্ধাৰ হোৱা নানা প্ৰতিলিপি আদিতো বিষ্ণুৰ উপাসনা আৰু প্ৰশস্তিৰ কথা পোৱা যায়। বেদৰ এই বিষ্ণুদেৱতাকে সপ্তম আৰু দশম শতিকাৰ ভিতৰত দক্ষিণ ভাৰতত আলোৱাৰ সকলে অতি জনপ্ৰিয় কৰি তোলে। ভক্তি আন্দোলন প্ৰকৃততে আলোৱাৰসকলৰ মাজৰ পৰাই আৰম্ভ হয়। তেওঁলোকে ৰচনা কৰা ভক্তি প্ৰধান গীতবোৰৰ পৰাই ভাগৱত পুৰাণ ৰচিত হোৱা বুলি কোৱা হয়। দক্ষিণ ভাৰতত নৱবৈষ্ণৱ আন্দোলনৰ প্ৰৱৰ্ত্তক হ'ল ৰামানুচাৰ্য্য। তেওঁৰ মতবাদক বিশিষ্টা দ্বৈতবাদ বোলা হয়। তেনেদৰে নিম্বাৰ্কই ভেদাভেদবাদ, মাধৱাচাৰ্য্যই দ্বৈতবাদ, শঙ্কৰাচাৰ্য্যই অদ্বৈতবাদ আদি ভিন ভিন মতবাদৰ জন্ম দিয়ে। জীৱ আৰু ভগৱান বা আত্মা আৰু পৰমাত্মাৰ সম্পৰ্ক সম্বন্ধে আচাৰ্যসকলে এই ভিন ভিন মতবাদ দাঙি ধৰিছিল।

আলোৱাৰ সকলৰ মাজতেই সৃষ্টি হোৱা এই ভক্তি আন্দোলন পূৰ্ণ ৰূপত দক্ষিণ ভাৰতত গঢ় লৈ উঠে খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ পৰা। কিন্তু উত্তৰ ভাৰতত চতুৰ্দশ পঞ্চদশ শতিকাতহে ভক্তি আন্দোলনে গা কৰি উঠে। ৰামানন্দ, কবিৰ, বল্লভাচাৰ্য্য, দাদুদয়াল আদি এই ভক্তি আন্দোলনৰ প্ৰধান হোতা। কথিত আছে যে দক্ষিণৰ দ্ৰাবিড় দেশৰপৰা ৰামানন্দই উত্তৰ ভাৰতলৈ ভক্তি ধৰ্ম বোৱাই আনিছিল।

ভক্তি দ্ৰাবিড় উপজী
লায়া ৰামানন্দ
কবীৰণে প্ৰকট কিয়ো
সপ্তদ্বীপ পৌখণ্ড।

দ্ৰাবিড় দেশত ওপজা ভক্তি ধৰ্ম ৰামানন্দই আনিলে আৰু কবীৰে ইয়াক সপ্তদ্বীপ আৰু নৱখণ্ডত প্ৰচাৰ কৰিলে।

অসমত এই নৱবৈষ্ণৱ আন্দোলন প্ৰৱৰ্ত্তন কৰিছিল চাৰিজনা বৈষ্ণৱ গুৰুৱে। তেওঁলোক আছিল মহাপুৰুষ হৰিদেৱ, শঙ্কৰদেৱ, মাধৱদেৱ আৰু দেৱ-দামোদৰদেৱ। বৈষ্ণৱ ধৰ্ম অসমত নতুন নহয়। খৃষ্টীয় ষষ্ঠ শতিকামানৰ পৰা অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উল্লেখ আছে। ৫৫৪ খ্ৰীষ্টাব্দত মহাভূতি বৰ্মাৰ বাৰগঙ্গা প্ৰথম কামৰূপত বৈষ্ণৱ ধৰ্মৰ উল্লেখ পোৱা যায়। এই শিলালিপিত ৰজা মহাভূতি বৰ্মাক পৰম ভাগৱত

বুলি উল্লেখ কৰিছে। পৰম ভাগৱত আখ্যাই বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ ইঙ্গিত বহন কৰে। ৰজা ভাস্কৰ বৰ্মাৰ নিধানপুৰ দানপত্ৰতো বৈষ্ণৱ ধৰ্মৰ উল্লেখ আছে। অৱশ্যে প্ৰাচীন কামৰূপত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ থাকিলেও জনসাধাৰণৰ মাজত কিন্তু শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰভাৱহে বেছি আছিল। বৈষ্ণৱ ধৰ্ম কিছুমান মন্দিৰ আৰু ব্যক্তিৰ মাজতে আৱদ্ধ আছিল। খৃষ্টীয় ৭ম শতিকাৰ পৰা বৌদ্ধ বজ্ৰযানী শাখাই কামৰূপত গা কৰি উঠে। হিন্দু তান্ত্ৰিকতা আৰু বৌদ্ধ ধৰ্মৰ সহজযোগী পন্থাৰ সংমিশ্ৰণত এক বিকৃত সাধন পদ্ধতি গঢ় লৈ উঠি সমাজত বিশৃঙ্খল অৱস্থাৰ সৃষ্টি কৰিছিল। জনসাধাৰণৰ আগত কোনো স্থিৰ ধৰ্মমত নথকাৰ বাবে আৰু বামাচাৰী তান্ত্ৰিক প্ৰথাৰ প্ৰভাৱত সমাজ জীৱন বিপৰ্যস্ত হৈ পৰিছিল। তাম্ৰেশ্বৰী মন্দিৰ, কামাখ্যা মন্দিৰ আৰু জয়ন্তা মন্দিৰ তান্ত্ৰিক সাধনাৰ কেন্দ্ৰ হৈ উঠিছিল। নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰধান গুৰু মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জন্ম হয় উজনিৰ লক্ষীমপুৰৰ ওচৰত নাৰায়ণ পুৰত। হৰিদেৱৰ পূৰ্বপুৰুষ দ্বিজ নৰোত্তম সপ্তম শতিকাতেই কনৌজৰ পৰা কামৰূপলৈ আহিছিল আৰু অশ্বক্ৰান্তত থাকিবলৈ লৈছিল। পিতৃ অজনাভৰ ওচৰত শিক্ষাগ্ৰহণ কৰি মহাপুৰুষ হৰিদেৱে বেদাদি শাস্ত্ৰ অধ্যয়নৰ বাবে কাশীলৈ যায়। কাশীত পাঁচ বছৰ কাল অধ্যয়ণ কৰি তেওঁ জগন্নাথ ক্ষেত্ৰতো যায় আৰু তাত ৪ বছৰ ধৰি ভাগৱত পাঠ কৰে। ভাৰতবৰ্ষৰ প্ৰায় সকলো তীৰ্থস্থান তেওঁ ভ্ৰমণ কৰিছিল। এই সময়তে তেওঁ শ্ৰীচৈতন্য দেৱক লগ পায় আৰু তেওঁৰ লগত নানা ধৰ্ম কথা আলোচনা কৰে।

মহাপুৰুষ হৰিদেৱে প্ৰবৰ্ত্তন কৰা বৈদিক নৱবৈষ্ণৱ ধৰ্মৰ মূল বিশেষত্ব হ'ল যে বিষ্ণু সকলোৰে মূল, বিষ্ণু শ্ৰেষ্ঠ যদিও তেওঁ অন্য দেৱ-দেৱীৰ পূজা অৰ্চণাত বাধা দিয়া নাই। বেদবিহিত কৰ্ম কৰিবলৈ উপদেশ দিছে। আন দেৱ-দেৱীৰ ভক্ত সকলোকো ঘৃণাৰ চকুৰে চোৱা নাই। সনাতন হিন্দু ধৰ্মৰ মূল ভেঁটি উদাৰতা আৰু সহনশীলতা মহাপুৰুষ হৰিদেৱ প্ৰৱৰ্ত্তিত ধৰ্মৰো মূল কথা। গুৰুজনাই কৈছে —

"কিন্তু কৃষ্ণভক্ত বাকী দেৱগণে
নকৰিবা নিন্দাবাদ।
ভক্ত নিন্দাবাণী অপৰাধ জানি
নপান্ত কৃষ্ণে আহলাদ।।"

আন ধৰ্ম বা সম্প্ৰদায়ৰ প্ৰতি থকা তেওঁৰ সন্মান বা শ্ৰদ্ধা তেওঁৰ উদাৰতাৰ প্ৰকাশ মাত্ৰ। ভাগৱত শাস্ত্ৰ ভক্তি ধৰ্মৰ মূখ্য গ্ৰন্থ হ'লেও তেওঁ বেদ আৰু গীতাৰ বচনো মানি চলিব নিৰ্দেশ দিছিল। গীতাত ভগৱানে কৈছে।

"যে যথা মাং প্ৰপদ্যন্তে
তাং স্তথৈৱ ভজাম্যহম্।"

অৰ্থাৎ ভগৱানক যোনে যি ভাৱে ভজে তেওঁক ভগৱানে সেই ভাৱেই অনুগ্ৰহ কৰে। আন আন দেৱ-দেৱীক বিষ্ণুৰ বিভূতি বুলি মানি লৈ সেৱা পূজা কৰাত হৰিদেৱে কোনো বাধা নিষেধ আৰোপ কৰা নাই। উদাৰ হৰিদেৱী পন্থাৰ মূল কথা হ'ল —

"আকাশাৎ পতিতং জলং যথা গচ্ছতি সাগৰং
সৰ্বদেৱ নমস্কাৰ কেশবং প্ৰতিগচ্ছতি"

আকাশৰ পৰা পতিত জল যেনেদৰে সাগৰলৈ বৈ যায় তেনেদৰে ভিন ভিন দেৱতাক কৰা পূজা অৰ্চনাও কেশৱৰ ওচৰলৈ যায়। মহাপুৰুষ হৰিদেৱে তেখেতৰ শৰণ সিদ্ধান্ত নামৰ গ্ৰন্থত এই কথাখিনিকে কৈছে—

পৰয় আকাশ হন্তে যতমান জলধাৰ
সমুদ্ৰক গমণ কৰয়
অন্য অন্য দেৱতাৰ পূজা সেৱা আচৰয়
কেশৱেসে ধাবিত হোৱয়।।"

সনাতন ধৰ্মৰ পঞ্চদেৱতাৰ পূজা হৰিদেৱী বৈষ্ণৱ ধৰ্মত মানি চলা হয়। পঞ্চদেৱতাক অভেদ ৰূপত পূজা অৰ্চনাৰ দ্বাৰা সমাজ জীৱনত উদাৰতা, একতা আৰু সম্প্ৰতিৰ বান্ধোন কটকটীয়া হৈছিল। কোনো সম্প্ৰদায় আন সম্প্ৰদায়ৰ প্ৰতি কোনো বিৰোধ মনোভাৱ সৃষ্টি হোৱা নাছিল। হিন্দু ধৰ্মৰ পাঁচটা সম্প্ৰদায়ৰ উপাস্য দেৱতা সকলেই হ'ল পঞ্চদেৱতা। "গণেশঞ্চ, দীনেশঞ্চ, বাসুদেৱ, শিৱ শিৱা" গণপতি, সৌৰ, বিষ্ণু, শিৱ আৰু শক্তি এই পাঁচজন হিন্দু ধৰ্মৰ পাঁচটা সম্প্ৰদায়ৰ উপাস্য দেৱতা। প্ৰত্যেককে ভগৱন্তৰ অৱতাৰ বা বিভূতি হিচাপে লৈ বিষ্ণুৰ শ্ৰেষ্ঠতা মানি পূজা সেৱা আদি কৰিলেও একেশ্বৰ বাদেই হয়। সকলো বিষ্ণুতেই অৰ্পিত হয়।

মহাপুৰুষ হৰিদেৱ জাতিভেদ বিৰোধী আছিল। তেওঁ শিষ্য সকলক কৈছিল —

"কলিতা সৌণ্ডিক মধ্যে জাতিভেদ এৰি
একেলগে চলিবাহা মোৰ আজ্ঞা পালি।"

জাতিভেদ পৰিহাৰ কৰি সকলো সম্প্ৰদায়ৰ মাজত

সম্প্ৰীতি ৰক্ষা কৰি প্ৰাণী হিংসা নকৰাকৈ নিজ নিজ পন্থা অনুসৰি ধৰ্ম আচৰণ কৰিলেই সমাজলৈ শান্তি আহিব।

মহাপুৰুষ হৰিদেৱৰ আন এটা যুগজয়ী কাৰ্য্য হল ধৰ্মৰ ক্ষেত্ৰত তেওঁ নাৰীক দিয়া স্থান। ৰজা আৰু নাৰীক বহুতো সম্প্ৰদায়ত দীক্ষা বা ধৰ্মৰ ক্ষেত্ৰত উপযুক্ত মৰ্য্যদা দিয়া নহৈছিল। বহু ধৰ্মই এতিয়াও নাৰীক উপসনা গৃহত প্ৰৱেশ কৰিবলৈ নিদিয়ে, তেনে ক্ষেত্ৰত আজিৰ পৰা শ শ বছৰ আগতে মহাপুৰুষ হৰিদেৱে তেওঁৰ দুহিত্ৰী ভূৱনেশ্বৰী দেৱীক সত্ৰাধিকাৰিণী পাতি থৈ গৈছিল। অকল ভাৰতবৰ্ষতে নহয় বোধকৰো পৃথিৱীৰ বুৰঞ্জীতে হৰিদেৱৰ আগলৈকে কোনো ধৰ্মই কেতিয়াও নাৰীক ইমান উচচ স্থানত স্থাপন কৰা নাই। মহাপুৰুষ হৰিদেৱ এই ক্ষেত্ৰত পথপ্ৰদৰ্শক।

সমাজ জীৱন আৰু ধৰ্ম আচৰণত ব্যভিচাৰ ঘটি সমগ্ৰ ভাৰতবৰ্ষ যেতিয়া ধ্বংসৰ পথত নামি গৈছিল তেনে সময়ত দক্ষিণ ভাৰত উত্তৰ ভাৰত আৰু পূৰ্ব ভাৰতত প্ৰায় একে সময়তে কেবা গৰাকীও বৈষ্ণৱ গুৰুৰ আবিৰ্ভাৱ হৈছিল। অসমৰ তিনি গৰাকী গুৰুৱে ইজনে সিজনক শ্ৰদ্ধা কৰিছিল আৰু চৰিত পুথিত উল্লেখ আছে যে হৰিদেৱৰ সত্ৰত তেওঁলোকে বহি শাস্ত্ৰ আলোচনা কৰিছিল আৰু বয়োজ্যেষ্ঠ হৰিদেৱক সন্মান জনাইছিল বাবেই সেই সত্ৰখনক মানেৰী সত্ৰ বোলা হৈছিল। বৰ্ত্তমান অসমীয়া সমাজখনো ভাষা, ধৰ্ম, সম্প্ৰদায়, গোষ্ঠী আৰু আঞ্চলিকতাৰ নামত খণ্ড বিখণ্ড হোৱাৰ উপক্ৰম হৈছে। মহাপুৰুষ হৰিদেৱৰ উদাৰ সহনশীল শান্তিৰ বাণীৰ দ্বাৰাহে সকলো ভেদাভেদ পাহৰি এখন বহল সমাজ গঢ়িব পৰা যায়। এইয়া যেন যুগৰ আহ্বান।❑❑

“সৰ্বজন সুখে ৰৌক নিৰ্বিঘ্নে নিৰোগী হৌক
সৰ্বজনে সম্পদ দেখোক।
কৃপা কৰিয়োক প্ৰভু এহিসে কামনা মোৰ
একো জনে দুঃখ নাপাওক।।”

**(হৰিস্তুতি গ্ৰন্থত প্ৰকাশিত)**

# শ্ৰীশ্ৰীহৰিদেৱ মহাপুৰুষৰ ভক্তিৰ ধাৰণা

ড° মালিনী গোস্বামী

ভক্তি হ'ল এক প্ৰকাৰ প্ৰেম, আসক্তি বা অনুৰাগ। সাধাৰণ ভাষাত পিতৃৰ প্ৰতি হোৱা এনে আসক্তিক পিতৃভক্তি, মাতৃৰ প্ৰতি হোৱা আসক্তিক মাতৃভক্তি। তেনেদৰে গুৰুভক্তি, প্ৰভুভক্তি আদি শব্দ ব্যৱহাৰ হয়। কিন্তু ভক্তিবাদৰ প্ৰৱক্তাসকলে ভক্তি শব্দটো এক বিশেষ তাৎপৰ্য্য সহকাৰে ব্যৱহাৰ কৰিছে আৰু তাৰ বাবে নিৰ্দিষ্ট পাৰিভাষিক সূত্ৰ আগবঢ়াইছে। মহামুনি শাণ্ডিল্যই কৈছে — "সা ভক্তি পৰানুৰক্তিৰীশ্বৰে'। ভক্তি হৈছে ঈশ্বৰৰ পৰম অনুৰক্তি। নাৰদমুনিয়ে নাৰদীয়-ভক্তি সূত্ৰত ভক্তিৰ সংজ্ঞা দি কৈছে — 'সা ত্বস্মিন্ পৰম প্ৰেমৰূপা'। তেওঁৰ অৰ্থাৎ ভগৱানৰ প্ৰতি ওপজা পৰম প্ৰেমেই হ'ল ভক্তি।

ভক্তিৰ ধাৰণা ঋগ্বেদৰ সমানেই প্ৰচীন হ'লেও সংহিতা আৰু ব্ৰাহ্মণ গ্ৰন্থত ব্যৱহৃত ভক্তি শব্দক ভাগ কৰা, ভোগ কৰা, যোগান ধৰা, দান কৰা ইত্যাদি অৰ্থতহে ব্যৱহাৰ কৰা হৈছিল। কিন্তু শ্বেতাশ্বতৰোপনিষদৰ 'য়স্য দেৱে পৰা ভক্তি' আদি মন্ত্ৰত ভক্তি শব্দক পৰম অনুৰাগ বা পৰাসক্তিৰ সম পৰ্য্যায়বাচি পদৰূপে ব্যৱহাৰ কৰা হৈছে। প্ৰাক্-উপনিষদ্ সাহিত্যত ভক্তি শব্দক ভিন্ন অৰ্থত ব্যৱহাৰ কৰা হৈছিল যদিও ভাৰতত ভক্তিৰ ধাৰণা ঋগ্বেদৰ সমানেই প্ৰাচীন। কিয়নো ঋগ্বেদ্ আদি সংহিতা সমূহত মিত্ৰ, বৰুণ, অগ্নি, ইন্দ্ৰ আদি দেৱতাসকলক উদ্দেশ্য কৰি ৰচিত স্তুতিমূলক কবিতা সমূহত দেৱতাসকলৰ প্ৰতি কবিসকলৰ যি আন্তৰিকতাপূৰ্ণ বা উচ্ছাসপূৰ্ণ প্ৰশংসা আৰু প্ৰশস্তি শুনা যায়, সি প্ৰৱল প্ৰেম ব্যতিৰেকে সম্ভৱ হ'ব নোৱাৰে। ই মানুহৰ এক সাধাৰণ মনস্তত্ত্ব যে ভালপোৱাৰ পাত্ৰজনকহে আমি প্ৰশংসা কৰিব পাৰো। বৈদিক সাহিত্যতে প্ৰকাশ লাভ কৰা কবিৰ ভগৱানৰ প্ৰতি বা উপাস্য দেৱতাজনৰ প্ৰতি পৰম প্ৰেমৰ বা ভক্তিৰ ভাৱনাই পৰৱৰ্ত্তী কালত স্তৱ-স্তুতি, গীত-নাট, কাব্য কবিতা আদি বিভিন্ন মাধ্যমৰ জৰিয়তে বিকাশ লাভ কৰিছিল।

শাণ্ডিল্য মুনিয়ে 'সা ভক্তি পৰানুৰক্তিৰীশ্বৰে' বুলি যি ভক্তি সুত্ৰ আগবঢ়াইছে তাৰ ব্যাখ্যা লিখিবৰ সময়ত স্বপ্নেশ্বৰ নামৰ এজন ভাষ্যকাৰে কৈছে যে প্ৰেমৰ পাত্ৰ ভগৱানৰ স্বৰূপ, গুণ, মহত্ত্ব, শক্তি আদিৰ বিষয়ে সম্যক জ্ঞান হোৱাৰ পিছত তেওঁৰ প্ৰতি যি প্ৰৱল অনুৰক্তি হয় সিহে প্ৰকৃত ভক্তি। অন্যথাই ভাল-বেয়া আদি গুণাগুনৰ জ্ঞান নোহোৱাকৈ হোৱা অন্ধ প্ৰেমকো ভক্তি বুলিব পৰা যাব। উপাস্য দেৱতাৰ শৌৰ্য্য-বীৰ্য্য শক্তি-মহত্ত্ব আদিৰ বিষয়ে সম্যক জ্ঞান হোৱাৰ পিছতহে কাৰোবাৰ মনত দেৱতাজনৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু বিশ্বাস উপচিত হোৱাটো সম্ভৱ। সেয়েহে ভাগৱত আদি পুৰাণত উপাস্য দেৱতাজনৰ প্ৰতি ভক্তি বঢ়াবলৈ দেৱতা বিশেষৰ শৌৰ্য্য-বীৰ্য্যৰ প্ৰচুৰ প্ৰশংসা কৰি সাধাৰণ লোকৰ মনত গভীৰ আৰ্য্যৰ ভাৱ জগাই তুলিবলৈ চেষ্টা কৰা হয়। ভাগৱত পুৰাণকে ধৰা যাওক— তাত শ্ৰীকৃষ্ণ নামৰ দেৱতাজনৰ গুণ-গৰিমা, বল বিক্ৰম প্ৰথমৰে পৰা বৰ্ণনা কৰা হৈছে। পুতনা, বক, অঘ, চক্ৰবাত কালীয় আদি অতি বলশালী দানৱ-অসুৰাদিক হাতৰ টিপাতে বধ কৰাৰ কথা কোৱা হৈছে আৰু বৰ্ণনা সমূহো এনে ওজস্বী আৰু হৃদয়স্পৰ্শী ভংগীত আগবঢ়োৱা হৈছে যে সেইবোৰে স'ততে পাঠকক বিস্ময়ত তবধ মনাব পাৰে।

এনেদৰে পোনতে ভগৱানৰ শৌৰ্য্য-বীৰ্য্য মহত্ত্ব আদিৰ কথা শ্ৰৱণ কৰি তেওঁৰ প্ৰতি বিশ্বাস আৰু আস্থা লাহে লাহে গভীৰ হ'বলৈ ধৰে। তেনেদৰে বিস্মিত-বিমুগ্ধ ভক্তই

লাহে লাহে ভগৱানৰ গুণ-কীৰ্ত্তন কৰিবলৈ ধৰে। গতিকে পোনতে শ্ৰৱণ, তাৰ পিছত কীৰ্ত্তনত আৰম্ভ হৈ স্তুতি, বন্দনা, অৰ্চনা আদিৰ দ্বাৰা ধীৰে ধীৰে ভগৱদ্ অনুৰক্তি বাঢ়ি গৈ পৰাণুৰক্তি অৰ্থাৎ ভক্তিলৈ ৰূপান্তৰিত হয়। ভগৱদ্ ভক্তিৰ আগতে ভগৱদ্ জ্ঞানৰ প্ৰয়োজন বাবেই গীতাৰ দ্বাদশ অধ্যায়ত ভক্তিযোগৰ শিক্ষা দিয়াৰ আগতে চতুৰ্থ অধ্যায়তে সেয়েহে জ্ঞানযোগৰ শিক্ষা দিয়া হৈছে।

গতিকে বুজা গ'ল ভক্তি এক প্ৰণালীবদ্ধ মানসিক প্ৰচেষ্টা। খং-ৰাগ, প্ৰেম-আনন্দ, দুখ-অভিমান আদিৰ দৰে ভক্তিও এক প্ৰকাৰ আৱেগ। কিন্তু এই আৱেগৰ উপচিতি ঘটে জানিবা এক আধ্যাত্মিক স্তৰত। আধ্যাত্মিক স্তৰত ঘটা এই মানসিক প্ৰযত্নক অৰ্থাৎ ভক্তিক বিদ্বান সকলে শাস্ত্ৰীয় পৰ্যায়ত এক তত্ত্বলৈ উন্নীত কৰিছে। ফলত ভক্তিৰ দাৰ্শনিক আধাৰ তাত্ত্বিক শৃংখলা, ভজনীয় ঈশ্বৰৰ স্বৰূপ, আচৰণ, বিধি, শৰণ, দীক্ষা আদি সমূহ বিষয়ৰ বিস্তৃত আলোচনা হ'ল— সূত্ৰ, পদ্ধতি আৱিষ্কাৰ হ'ল। এক আধ্যাত্মিক সাধন মাৰ্গৰূপে শাক্ত, শৈৱ, গাণপত্য আদি সকলোৰে বাবে ভক্তিৰ দ্বাৰ উন্মুক্ত থাকিল যদিও প্ৰধানকৈ বৈষ্ণৱ সকলেই ভক্তি মাৰ্গক ধৰ্মাচৰণৰ পন্থাৰূপে পৃষ্ঠপোষকতা কৰাৰ বাবে বৈষ্ণৱ সকলৰ অনুকূলে ভক্তি মাৰ্গী প্ৰত্যয়সমূহ গঠিত হ'ল। তেনে সাধাৰণ প্ৰত্যয় সমূহ এনে— উপাস্য দেৱতা কেৱল বিষ্ণু-কৃষ্ণ। তেওঁৰ বিভিন্ন অৱতাৰ, ৰূপ আৰু বিভূতি হ'ল তেওঁৰেই নামৰূপাত্মক প্ৰকাশ। অৱতাৰবাদ স্বীকাৰ কৰিলেও 'কৃষ্ণস্তু ভগৱান্ স্বয়ম্' বোলা কথাষাৰত অটল বিশ্বাস ৰখা। বিষ্ণু-কৃষ্ণৰ লীলা মাহাত্ম্য সম্বলিত ভাগৱত পুৰাণ আৰু গীতাক প্ৰধান ধৰ্মগ্ৰন্থ বুলি মনা। নৱবিধা ভক্তিৰ যিকোনো এবিধৰ নিষ্ঠা পূৰ্বক সাধনৰ দ্বাৰা ভগৱদ্ প্ৰাপ্তিত বিশ্বাস। গুৰু আৰু শৰণ তত্ত্বত বিশ্বাস। সৎসংগৰ প্ৰয়োজনীয়তা স্বীকাৰ। মোক্ষপ্ৰাপ্তি, ভক্ত জীৱনৰ চূড়ান্ত লক্ষ্য। শুদ্ধ দৰ্শনৰ ক্ষেত্ৰত মতানৈক্য থাকিলেও এইবোৰ সাধাৰণ প্ৰত্যয় কিন্তু বৈষ্ণৱ-ভক্তিবাদী সকলোৱেই স্বীকাৰ কৰি লৈছে।

মহাপুৰুষ হৰিদেৱো কুল পৰম্পৰা ক্ৰমে এজন বৈষ্ণৱ আছিল। যি সময়ত তেখেতৰ আৱিৰ্ভাৱ হৈছিল, সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষ ভক্তিবাদৰ প্ৰবল জোৱাৰে ঢৌৱাই গৈছিল। বৈষ্ণৱ-ব্যক্তিবাদৰ দ্বাৰা প্ৰভাৱিত হৰিদেৱ মহাপুৰুষে, ভক্তিবাদৰ প্ৰচলিত মূলতত্ত্ববোৰ সাৰোগত কৰি পূৰ্বতন সাধনমাৰ্গকে অনুসৰণ কৰিছিল যদিও নিজস্ব স্থান, কাল, আৰু ৰুচি অনুকূলে নিজৰ সাধনমাৰ্গ প্ৰস্তুত কৰি লৈছিল।

সৰ্বভাৰতীয় ভক্তিবাদৰ প্ৰধান তত্ত্ব 'কৃষ্ণৈক ঈশ্বৰঃ' কথাষাৰ সাৰোগত কৰি অদ্বৈত সিদ্ধান্তৰ পৃষ্ঠপোষকতা কৰিছিল। ভক্তিৰস তৰঙ্গিণীত তেখেতে স্পষ্ট ভাৱে কৈছে—

হৰিৰেৱ সমাধ্য সৰ্বদেৱ দেৱেশ্বৰঃ।
হৰিণামমহামন্ত্ৰে নশ্যেৎ পাপ বিনাশকঃ।।

গীতাৰ অষ্টাদশ অধ্যায়ত ভগৱানে ভক্তত পৰম প্ৰপত্তিৰ প্ৰতিশ্ৰুতি দি কৈছে —

সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।

ভগৱানৰ এই প্ৰতিশ্ৰুতিত আস্থা ৰাখি হৰিদেৱে এই শ্লোকফাঁকি তেখেতৰ ৰচনাত বাৰম্বাৰ উদ্ধৃতি কৰিছে। সেয়ে ভক্তিৰসতৰংগিণী আৰু শৰণ সিদ্ধান্তত শ্লোকফাঁকি বাৰম্বাৰ ব্যাখ্যাত হৈছে আৰু দুয়োখন পুথিতে কৃষ্ণত শৰণেই মোক্ষমাৰ্গৰ দ্বাৰা এই অভিমত প্ৰতিষ্ঠিত কৰিছে।

শৰণ শব্দৰ অৰ্থ আশ্ৰয়, ন্যাস, প্ৰপত্তি। এক কৃষ্ণত শৰণ লৈ বিভিন্ন উপায়েৰে তেওঁৰ প্ৰতি ভক্তি প্ৰগাঢ় কৰি তুলিব লাগে। ভক্তি অনুশীলনৰ যি নৱবিধ উপায় ভাগৱত শাস্ত্ৰই অনুমোদন কৰিছে শ্ৰীহৰিদেৱে তাক সমৰ্থন কৰিছে যদিও এই নৱবিধ ভক্তি পথৰ শ্ৰৱণ, কীৰ্ত্তন, স্মৰণৰ উপৰিও অৰ্চন আৰু পাদসেৱনত হৰিদেৱে গুৰুত্ব আৰোপ কৰিছে। ভক্তিৰ সাধনা যি পথেৰেই নহওঁক কিয়, আত্ম নিমজ্জন তাৰ চৰম পৰ্য্যায়, ভগৱদ্ ভক্তিত আত্মনিমজ্জনৰ অৱস্থাত ভক্ত আত্মজ্ঞান ৰহিত হোৱাটো নিতান্তই প্ৰয়োজনীয় বুলি মহাপুৰুষজনে ভাৱে। ভক্তিৰস তৰংগিণীৰ ভক্তিযোগ নামৰ পঞ্চম স্তৱকত সেয়েহে তেওঁ ভক্তিৰ পাৰাকাষ্ঠা নিৰ্দেশ কৰিবৰ বাবে ভাগৱতৰ একাদশ অধ্যায় আৰু হৰিভক্তি বিলাসৰ পৰা শ্লোক উদ্ধাৰ কৰি কৈছে যে ভগৱদ্‌ধ্যানৰ সময়ত ভক্ত এনে এটা পৰ্যায় পাবগৈ লাগিব যে তাতে তেওঁৰ আত্ম বিলুপ্তি ঘটিব লাগিব আৰু তাৰ প্ৰকাশাত্মক অনুভাৱবোৰ হ'ব—

কথং বিনা ৰোমহৰ্ষং দ্ৰৱতা চেতসা বিনা।
বিনানন্দাশ্ৰুকলয়া শুধ্যেৎ ভক্ত্যা বিনাশয়ঃ।।
(ভক্তি ৰসতংগিণী ৫.১৫)

ভক্তিত বাক্ গদগদ হোৱা আত্মবিভোৰ শ্ৰীচৈতন্যদেৱে ভক্তিৰ পৰাকাষ্ঠাত তেনে এটা অৱস্থা

পাইছিল বুলি জনা যায়। মহাপুৰুষ হৰিদেৱেও তেনে এক আত্মহাৰা হোৱা অৱস্থাতে ভক্তিয়ে পৰিপূৰ্ণতা লাভ কৰে বুলি কৈছে। হৰিদেৱৰ মতে এনে আত্মবিলুপ্তিৰ প্ৰধান উদ্যোক্তা হৈছে প্ৰেম। মহাপুৰুষজনাৰ নিজৰ ভাষাত প্ৰেম ভক্তি সিদ্ধ হন্তে সকল ভক্তি সিদ্ধ হোৱে (ভক্তিৰস তৰংগিণী), ৫.১০)। ভাগৱত শাস্ত্ৰৰ দ্বাৰা অনুমোদিত নৱবিধা ভক্তিৰ উপৰিও পদ্মপুৰাণোক্ত ষোড়শ প্ৰকাশ ভক্তি অনুশীলনৰ পৰামৰ্শ আগবঢ়াইছে। ভৱবন্ধ বিমুক্তিৰ অৰ্থে বিষ্ণু ভক্তৰ ইয়ে সৰল পথ বুলি কৈছে। কিন্তু প্ৰেমাভক্তিৰ মাহাত্ম্য এই সকলোবোৰ ভক্তি মাৰ্গতকৈ উত্তম-প্ৰেমাভক্তেশ্চ মাহাত্ম্যং ভক্তের্মাহাত্ম্যতঃ পৰম্। নাৰদ পাঞ্চৰাত্ৰ নামৰ বৈষ্ণৱ শাস্ত্ৰত ব্যাখ্যাত প্ৰেমাভক্তিৰ লক্ষণ হৰিদেৱ মহাপুৰুষেও সমৰ্থন কৰিছে। প্ৰেমাভক্তিৰ লক্ষণ দাঙি ধৰি তেখেতে কৈছে— "অনন্য মমতা বিষেণী মমতা প্ৰেমসংগতা"। এনে প্ৰেমময়ী ভকতিৰ দ্বাৰা আপ্লুত আদৰ্শৱান ভক্ত কেইজনক হৰিদেৱে আঙুলিয়াই দিছে। সেই কেইজন হ'ল, প্ৰহ্লাদ, উদ্ধৱ আৰু নাৰদ।

এনে বিচাৰৰ পৰা বুজা যায় যে হৰিদেৱে নিষ্কাম ভক্তিৰ পৃষ্ঠপোষকতা কৰিছিল। এনেপ্ৰকাৰৰ ভক্তিয়ে বৈৰাগ্যৰ পথলৈ আগবঢ়াই নিয়ে। বিগতৰাগ বা বৈৰাগ্য হৈছে ত্যাগৰ এটা ৰূপ। ত্যাগ হৈছে প্ৰেমৰ পৰিণতি। সেয়েহে মহাপুৰুষে প্ৰেমময়ী ভক্তিৰ অনুশীলনৰ দ্বাৰা বৈৰাগ্য আৰু অহেতুক জ্ঞান লাভেৰে ধন্য হ'বলৈ পৰামৰ্শ দিছে। (ভক্তিৰসতৰংগিণী ৫.১)।

লক্ষ্য কৰা যায় মধ্যযুগৰ অসমৰ বৈষ্ণৱ আদৰ্শৰ মূল ভাৱধাৰাৰ পৃষ্ঠপোষকতা কৰি হৰিদেৱে নিজস্ব চিন্তাধাৰাৰে ভক্তিৰ স্বৰূপ নিৰূপণ কৰি লৈছিল। শ্ৰৱণ-কীৰ্ত্তনৰ লগতে অৰ্চন বন্দনৰ সাৰ্থকতা মহাপুৰুষজনে প্ৰতিপন্ন কৰি দেখুৱাইছে। দাস্য ভক্তিৰ অতিৰিক্ত ভাৱে প্ৰেমাভক্তিৰ মাহাত্ম্য ঘোষণা কৰিছে। কিন্তু বংগদেশীয় ভক্তিবাদৰ মধুৰ ভক্তি আৰু প্ৰেমাভক্তিৰ পাৰ্থক্য সুন্দৰকৈ বুজাই দিছে।

প্ৰকৃততে প্ৰেমা ভক্তিৰ অনুশীলনৰ দ্বাৰা হৰিদেৱে সাকাৰ সগুণাত্মক ঈশ্বৰৰ অস্তিত্বৰ উপলব্ধি কৰিছে। কিয়নো ভগৱানৰ বিভিন্ন অংগৰ অৰ্চন বন্দনৰ বিধান দিয়াৰ প্ৰসংগতো তেখেতে দোহাৰিছে যে ভগৱানৰ প্ৰতি যি আচৰণেই বিধেয় নহওঁক কিয় সি প্ৰেমপূৰ্বক সম্পাদন হ'ব লাগে। সাকাৰ-সগুণাত্মক ঈশ্বৰৰ অৰ্চনা বিধি অনুমোদন কৰিও নিৰাকাৰ নিৰাবয়ব, নিৰাকাৰ ব্ৰহ্মৰ অস্তিত্ব তেখেতে স্বীকাৰ কৰিছে। শৰণ-সিদ্ধান্ত প্ৰাথমিক মংগল স্তুতিত হৰিদেৱে নিৰ্গুণ ব্ৰহ্মক প্ৰণাম জনাই কৈছে— সেৱন্তে নিৰ্গুণং ব্ৰহ্ম ভগৱন্তং সনাতনম্। নিৰ্লিপ্তঞ্চ নিৰীহঞ্চ পৰমাত্মনমীশ্বৰম্। জ্ঞানযোগী শংকৰাচাৰ্য্যৰ দৰে এক অখণ্ড ব্ৰহ্মজ্যোতি দৰ্শন কৰিও হৰিদেৱ মহাপুৰুষে ভক্তিৰ উপাচাৰ উপাস্য দেৱতা বিষ্ণু-কৃষ্ণলৈকে অৰ্পণ কৰিছে। হৰিদেৱৰ ধৰ্মীয় দৰ্শনত শংকৰাচাৰ্য্য, ৰামানুজ আৰু পতঞ্জলিৰ দাৰ্শনিক ভাৱধাৰাৰ একত্ৰ প্ৰভাৱ অনুভূত হয়, সি এক সুকীয়া আলোচনাৰ ক্ষেত্ৰ হ'ব পাৰে। কিন্তু হৰিদেৱ মহাপুৰুষৰ ভক্তিৰ ধাৰণাই সৰ্বভাৰতীয় ভক্তিবাদৰ প্ৰত্যয় সমূহ সামৰি লৈয়ে স্বকীয় নিৰ্বাচনেৰে সেই সমূহৰ আনুপাতিক মিশ্ৰণ ঘটাইছে।❑❑

**(হৰিদেৱজ্যোতি গ্ৰন্থত প্ৰকাশিত)**

# শ্ৰীহৰিদেৱ বিৰচিত ভক্তিৰসতৰঙ্গিণী

ড° দীপক কুমাৰ শৰ্মা

পূৰ্বোত্তৰভাৰতভূভাগে অসমৰাজ্যে বৈষ্ণৱধৰ্মপ্ৰচাৰকেষু শ্ৰীমন্‌হৰিদেৱ মহাপ্ৰভুঃ অন্যতমঃ। বৈষ্ণৱাৰ্কঃ শ্ৰীহৰিদেৱঃ স্বীয়মতানুসাৰং ভাগৱতানুগং বৈষ্ণৱধৰ্মম্ অসমৰাজ্যে বিতনোতি স্ম। হৰিদেৱঃ শঙ্কৰদেৱঃ মাধৱদেৱঃ দামোদৰদেৱঃ ইত্যেতৈঃ মহাপুৰুষৈঃ ভক্তিধৰ্মপ্ৰচাৰাৰ্থং প্ৰসাৰণাৰ্থং চ বহৱঃ গ্ৰন্থাঃ বিৰচিতাঃ। তৎকালে প্ৰচলিতাম্ অসমীয়াভাষাম্ আশ্ৰিত্যৈৱ প্ৰধানতয় এতাদৃশাঃ গ্ৰন্থাঃ লিখিতাঃ আসন্; পৰন্তু স্থানে স্থানে তত্ৰ সংস্কৃতমপি বাহুল্যেন ব্যৱহৃতম্ আসীৎ। ঈদৃশগ্ৰন্থচয়ে তত্ৰভৱদ্ভিঃ মহাপুৰুষৈঃ শ্ৰীমদ্ভগৱদ্‌গীতা, শ্ৰীমদ্ভাগৱতম্, ৰামায়ণম্ তথা বহূনি পুৰাণানি চ ইত্যেতাঃ গ্ৰন্থাঃ বিশেষতয়া সমাশ্ৰিতাঃ। বৈষ্ণৱ ধৰ্মপ্ৰচাৰ বিষয়ে বিষ্ণুপুৰীসন্ন্যাসিকৃতা ভক্তিৰত্নাৱলী, শ্ৰীশঙ্কৰদেৱস্য ভক্তিৰত্নাকৰঃ, ভট্টদেৱবিৰচিতঃ ভক্তিবিবেকঃ ইত্যেত গ্ৰন্থাঃ অতীব সমাদৃতাঃ বৰ্ত্তন্তে। অস্মিন্নেৱ প্ৰসঙ্গে শ্ৰীহৰিদেৱপ্ৰণীতা ভক্তিৰসৰঙ্গিণী উল্লেখম্ অৰ্হতি।

ভক্তিসত্ৰৰঙ্গিণী ইত্যস্মিন্ গ্ৰন্থে শ্ৰীহৰিদেৱৈন প্ৰাচীনশাস্ত্ৰেভ্যঃ বহৱঃ শ্লোকাঃ সমুদ্ধৃতাঃ। তথা চ স্বৰচিতশ্লোকাঃ অপি প্ৰযুক্তাঃ। গ্ৰন্থস্যাস্য এতদ্ অপৰং বৈশিষ্ট্যম্ অস্তি মহাপুৰুষেণ অত্ৰ সংস্কৃতশ্লোকানাং প্ৰাচীনাসমীয়ানুসাৰং গদ্যানুবাদঃ সংযোজিতঃ। এতেন সংস্কৃতজ্ঞানৰহিতানাং পাঠকানাং কৃতে গ্ৰন্থবস্তু সুবোধং জায়তে।

স্তৱকনামকে ত্ৰয়োদশপৰিমিতেষু অধ্যায়েষু ভক্তিৰসতঙ্গিনী ৱিভক্তা বৰ্ত্ততে। স্বৰচিতাঃ সংগৃহীতাশ্চ সহস্ৰাধিকাঃ শ্লোকাঃ অত্ৰ প্ৰযুজ্যন্তে। ভাগৱত পুৰাণাৎ পদ্মাপুৰাণাৎ চ বহৱঃ শ্লোকাঃ আনীয়ন্তে। পুনশ্চ কেচন শ্লোকাঃ কল্কিপুৰাণং, হৰিভক্তিবিলাসঃ, ভক্তিৰসামৃতসিন্ধুঃ, গৌতমীয়তন্ত্ৰম্ ইত্যেতেভ্যঃ শাস্ত্ৰেভ্যঃ উদ্ধৃতাঃ। প্ৰথমে স্তৱকচতুষ্টয়ে তত্ৰ ভাগৱতমাহাত্ম্যং বৰ্ণিতমস্তি। পঞ্চমে স্তৱকে ভক্তিযোগঃ আলোচিতঃ। এৱঞ্চ ষষ্ঠে সৃষ্টিবৰ্ণনম্, সপ্তমে ক্ৰিয়াযোগতত্ত্বম্, অষ্টমে নৱমে চে বিষ্ণুপূজনমাহাত্ম্যম্, দশমে হৰিমাহাত্ম্যম্, একাদশে শ্ৰীবিষ্ণোঃ পুৰাণৰূপস্য বৰ্ণনম্, দ্বাদশে বিষ্ণুভজনমাহাত্ম্যম্ তথা ত্ৰয়োদশস্তৱকে কলিযুগবিৱৰণম্ ইত্যেতে বিষয়াঃ আলোচিতাঃ।

গ্ৰন্থস্য আদাৱেৱ শ্ৰীমতা হৰিদেৱেন একাদশশ্লোকসংযুতং শ্ৰীকৃষ্ণস্তোত্ৰং প্ৰযুজ্যতে। এতেষাং শ্লোকানাং ভাষা অতীব সৰলা ৰমনীয়া কাব্যগুণময়ী চ। দৃষ্টান্তৰূপেন যথা—

ৱন্দে নৱঘনশ্যামং পীতকৌষেয়বাসসম্।
সানন্দং সুন্দৰং শুদ্ধং শ্ৰীকৃষ্ণং প্ৰকৃতেঃ পৰম্।।
স্বেচ্ছাময়ং সৰ্বৰূপং স্বেচ্ছাৰূপধৰং পৰম্।
সৰ্বাধাৰং নিৰাধাৰং নিৰ্ব্যূহং স্তৌমি কিং বিভুম্।। ইতি।

একস্তাৱদ্ বিষয়ঃ অস্মিন্নেৱাৱসৰে উল্লেখনীয়ঃ অস্তি। গ্ৰন্থস্য প্ৰাৰম্ভে তাৱৎ শ্ৰীমতা হৰিদেৱেন স্পষ্টৰূপেণ কথ্যতে যৎ বিষ্ণুভক্তানাম্ অনায়াসাৱবোধাৰ্থং তেন ভক্তিৰসতৰঙ্গিণী বিৰচিতা।

লিখ্যতে চাতিযত্নেন শ্ৰীহৰিদেৱশৰ্মনা।
ভক্তানাং সুখবোধায় ভক্তিৰসতৰঙ্গিণী।।

পৰন্তু স্তৱকাৱসানেষু সৰ্বত্ৰ গ্ৰন্থস্যাস্য নাম ভক্তিৰসপ্ৰবাহিনী ইত্যেৱং সমুল্লিখিতম; ন তু ভক্তিৰসতৰঙ্গিণী। যথা, প্ৰথমস্তৱকস্য অন্তে — "ইতি

শ্ৰীঅজনাভাত্মজহৰিদেৱশৰ্মনা নিৰ্মিতভক্তিৰসপ্ৰৱাহিন্যাং ভাগৱন্মহাত্ম্যং নাম প্ৰথমস্তবকঃ” ইতি।

পূৰ্বেমেৱ কথ্যতে যৎ গ্ৰন্থস্যাস্য আদিমে স্তৱকচতুষ্টয়ে ভাগৱতপুৰাণস্য মাহাত্ম্যং শ্ৰেষ্ঠত্বঞ্চ প্ৰতিপাদয়িতুং প্ৰয়াসঃ ক্ৰিয়তে। বিষয়বাসনাযু নিমজ্জিতাঃ জনাঃ কথং নু ভগৱদ্ভক্তিং সমালভ্য ভগৱদ্‌প্ৰাপ্ত্যৰ্থং সমৰ্থাঃ ভৱন্তি তদেৱ সবিস্তৰম্ আলোচ্যতে শ্ৰীমদ্ভাগৱতে। ভাগৱতমাহাত্ম্যং বৰ্ণয়িতা ভাগৱতকাৰণ স্পষ্টতয়া কথ্যতে যৎ যাবৎ ভাগৱত পুৰাণংনালোচ্যতে তাৱদেৱ অন্যপুৰাণানাং গুৰুত্বং বৰ্ত্ততে।প্ৰাপ্যতে তত্ৰ দ্বাদশস্কন্ধে ত্ৰয়োদশে অধ্যায়ে—

ৰাজন্তে তাৱদন্যানি পুৰাণানি সতাং গণে।
যাৱৎ ভাগৱতং নৈৱ শ্ৰূয়তেহমৃতসাগৰম্।। ইতি।

ৱেদোপনিষদাং সাৰভূতং খলু ভাগৱতপুৰাণম্। যথা দুগ্ধপানসময়ে দুগ্ধনিহিতস্য ঘৃতস্যস্বাদঃ নোপলভ্যতে পৰন্তু পৃথক্‌তয়া তস্য স্বাদঃ অনুভূয়তে, তথৈৱ ভাগৱত পুৰাণে এৱ ৱেদোপনিষদাং সাৰঃ উপলভ্যতে। উচ্যতে তত্ৰ ভক্তিৰসৰতৰঙ্গিণ্যাং দ্বিতীয়স্তৱকে—

বেদোপনিষদাং সাৰাজ্জাতা ভাগৱতী কথা।
অত্যুত্তমা ততো ভাতি পৃথভূতা ফলোন্নতিঃ।।
যথা দুগ্ধে স্থিতং সৰ্পিৰ্নি সাদুপকল্পতে।
পৃথগ্‌ভূততস্তু তদ্দিব্যং দেৱানাং প্ৰীতিবৰ্ধনম্।। ইতি।

অপৰেকা উপমাপি তত্ৰ দীয়তে। ইক্ষুকাণ্ডে সৰ্বত্ৰ এৱ শৰ্কৰা ব্যাপ্য তিষ্ঠতি। পৰন্তু পৃথক্ ক্ৰিয়তে চেৎ সা শৰ্কৰা জনানাং কৃতে ৰুচিপ্ৰদা জায়তে। তথা ভাগৱতসাৰো অপি অতীৱ ৰমণীয়ঃ অস্তি।

ইক্ষুস্বিৰাদিমধ্যান্তং শৰ্কৰা ব্যাপ্য তিষ্ঠতি।
পৃথগ্‌ভূতা তু সা মিষ্টা তথা ভাগৱতী কথা।। ইতি।

ভাগৱতমাহাত্ম্যবৰ্ণনাৱসৰে শ্ৰীহৰিদেৱেন ভক্তিমাৰ্গস্য প্ৰচাৰণং প্ৰসাৰণং চেতি বিষয়ে একং ভৌগোলিকং বিৱৰণমপি প্ৰদীয়তে।ৰূপককথেকম্ আশ্ৰিত্য তত্ৰ ভক্তিঃ একা তৰুণী ইত কথ্যতে। জ্ঞানং বৈৰাগ্যং চেতি তস্যাঃ তৰুণ্যাঃ পুত্ৰদ্বয়মস্তি। তৰুণীৰূপধাৰিণ্যা তয়া ভক্ত্যা স্বয়মেৱ উচ্যতে যৎ দ্ৰবিড়দেশে তস্যাঃ উৎপত্তিঃ, কৰ্ণাটকে সা বৃদ্ধিং গতৱতী। কিয়ান্তং কালং যাবৎ মহাৰাষ্ট্ৰে স্থিত্বা সা গুৰ্জৰদেশং গতৱতী। তত্ৰ নাস্তিকাঃ পাষণ্ডাঃ চ তাং ভূশং তাড়িতৱন্তঃ। পুত্ৰদ্বয়ং নীত্বা ততঃ সা বৃন্দাৱনং প্ৰস্থিতৱতী। দৈৱবলেন বৃন্দৱনে সা নবীনংৰূপম্ লব্ধৱতী। উচ্যতে তত্ৰ প্ৰথমস্তৱকে—

উৎপন্না দ্ৰবিড়ে চাহং কৰ্ণাটে বৃদ্ধিমাগতা।
স্থিতা কিঞ্চিন্মহাৰাষ্ট্ৰে গুজৰে জীৰ্ণতাং গতা।।
তত্ৰ ঘোৰকলেৰ্যোগাৎ পাষণ্ডঃ খণ্ডিতাঙ্গকা।
দুৰ্বলাহং চিৰং জাতা পুত্ৰাভ্যাং সহ মন্দতাম্।
বৃন্দাবনমিদং প্ৰাপ্য দৈৱযোগেন নাৰদ।
জাতাহন্তু পুনৰ্বালা নবীনেৱ সুৰূপিণী।। ইতি।

শ্ৰীমদ্ভাগৱতে দ্বাদশস্কন্ধে অপি দ্ৰাবিড়াদিযু দেশেষু বিষ্ণুভক্তানাম্ উৎপত্তিৰিতি বিষয়ে বিৱৰণমস্তি। যদ্বা তদ্বা ভৱতু, ভাগৱতমাহাত্ম্যবৰ্ণনাৱসৰে তাবৎ শ্ৰীহৰিদেৱেন নাৰদঃ ভক্তিৰূপিনী তৰুণী চ ইত্যেতয়োৰ্কথোপকথনমাধ্যমেন ভক্তেৰেৱ মাহাত্ম্যম্ উদ্‌ঘোষিতম্। প্ৰাপ্যতে তত্ৰ দ্বিতীয়স্তৱকে—

কলৌ ভক্তিঃ কলৌ ভক্তিৰ্ভক্ত্যা কৃষ্ণঃ পুৰঃ স্থিতঃ।
ভক্তিদ্ৰোহকৰা যে চ তে সীদন্তি জগৎত্ৰয়ে।। ইতি।

অৰ্থাৎ, ভক্তিৰেৱ পৰমঃ মাৰ্গং, ভক্তিদ্বাৰণে এৱ ভগৱান্ ভক্তানাং পুৰতঃ স্বয়মাগচ্ছতি; যে খলু ভক্তিদ্বেষিণঃ তে তু লোকত্ৰয়ে এৱ আপদ্‌গ্ৰস্তাঃ সঞ্জায়ন্তে। তত্ৰৈৱ পুনঃ বৰ্ণিতমস্তি যৎ মুক্তিলাভমাৰ্গস্তু সুগুপ্তৱেৱ; তন্মাৰ্গদৰ্শকঃ সাধকঃ অপি দুৰ্লভো অস্তি। পৰন্তু শ্ৰীশুকদেৱমুখনিঃসৃতা ভাগৱতৱাণী ভক্তিজ্ঞানবৈৰাগ্যাৰ্থং সুখদায়িনী বৰ্ত্ততে। পুনশ্চ, জ্ঞানবৈৰাগ্যযুক্তা প্ৰেমৰসময়ী ভক্তিৰেৱ প্ৰতিজনং সুখং প্ৰদাতুং সমৰ্থা অস্তি।

বৈকুণ্ঠসাধকঃ পন্থা গুপ্তলোকেষু বৰ্ত্ততে।
তস্যোপদেশকঃ সাধু প্ৰায়ো ভাগ্যেন লভ্যতে।
শ্ৰীমদ্ভাগৱতালাপো জ্ঞানযজ্ঞঃ শুকোদিতঃ।
ভক্তিজ্ঞানবিৰাগানাং সুখদা প্ৰতিভাতি নঃ।।
জ্ঞানবৈৰাগ্যসংযুক্তা ভক্তিঃ প্ৰেমৰসাবহা।
প্ৰতিগেহং প্ৰতিজনং সুখক্ৰীড়াং কৰিষ্যতি।। ইতি।

ভক্তিযোগনামকে পঞ্চমে স্তৱকে শ্ৰীমতা হৰিদেৱেন বহুভ্যঃ শাস্ত্ৰেভ্যঃ পুৰাণাদিভ্যঃ বহুশ্লোকান্ আনীয় স্বমতং প্ৰতিপাদিতম্। গৌতমীয়তন্ত্ৰাৎ শ্লোকানুদ্ধৃত্য ভক্তিলক্ষণং নিৰ্ণীয়তে। সা ভক্তিঃ অষ্টবিধা ইতি কথ্যতে। যথা- ভক্তজনং প্ৰতি স্নেহঃ, ভগৱৎপূজায়াং চিত্তসমৰ্পণম্, প্ৰীতিযুক্তমনসা অৰ্চনম্, ভগৱদৰ্থে দম্ভত্যাগঃ, তৎকথাশ্ৰৱণে

অনুৰাগঃ, ভগৱদ্দ্বাৰেণ এৱ প্ৰাণধাৰণম্, তস্য নামস্মৰণম্, তথা তন্নিমিত্তে শৰীৰবিলাসাদিত্যাগঃ।

তদ্ভক্তজনবাৎস্যং পূজায়াঞ্চানুমোদনম্।
সুমনা অৰ্চয়েন্নিত্যং তদৰ্থে দম্ভবৰ্জনম্।।
তৎকথাশ্ৰৱণে ৰাগস্তদৰ্থে চাঙ্গবিক্ৰিয়া।
তদনুস্মৰণং নিত্যং যস্তন্নাম্নোপজীৱতি।
ভক্তিৰষ্টাবিধা হ্যেষা যস্মিন্ ম্লেচ্ছেপি বৰ্ত্ততে।
স মুনিঃ সত্যবাদী চ কীৰ্ত্তিমান্ চ ভৱেন্নৰঃ।। ইতি।

ভাগৱতপুৰাণোক্তা শ্ৰৱণকীৰ্ত্তনাত্মিকা নৱবিধা ভক্তিৰপি অত্ৰ উল্লিখ্যতে। পুনশ্চ ভাগৱতপ্ৰোক্তা উত্তমাভক্তিৰপি স্বীকৃতাস্তি শ্ৰীহৰিদেৱেন।

অহৈতুকাৰ্য্যৱহিতা চ যা ভক্তিঃ পুৰুষোত্তমে।
সালোক্যসাষ্টিসামীপ্যসাৰূপ্যৈকত্বমপ্যুত।। ইতি।

কদা নু ভাগৱত পাঠঃ প্ৰশস্তঃ সো অপি নিৰ্ণীয়তে শ্ৰীমতা হৰিদেৱপাদেন। আষাঢ়-ভাদ্ৰ-আশ্বিন-কাৰ্ত্তিক-মাৰ্গশীৰ্ষম্ ইতেতে মাসাঃ তাবৎ ভাগৱতপাঠাৰ্থং প্ৰশস্তাঃ ইতি কথ্যতে। এৱঞ্চ পক্ষতিথি অপি নিৰূপিতে স্তঃ। ভাগৱতপাঠবিধিৰপি নিৰ্দিষ্টঃ বৰ্ত্ততে। এৱঞ্চ সৃষ্টিপ্ৰক্ৰিয়া, ভাৰতবৰ্ষ প্ৰশংসা, মানৱজন্মনঃ শ্ৰেষ্ঠত্বম্, বিষ্ণোঃ অপূৰ্বা লীলা ইতেতে বিষয়াঃ অপি সম্যক্ চৰ্চিতাঃ বৰ্ত্তন্তে।

অস্মিন্ খলু গ্ৰন্থৰত্নে শ্ৰীহৰিদেৱচৰণেন এতৎ প্ৰতিপাদিতং যৎ ভাগৱতাশ্ৰিতঃ বৈষ্ণৱঃ ধৰ্মঃ সৰ্বদা জাতিবৰ্ণবিনিৰ্মুক্তঃ ইতি। হীনকুলজাঃ জনাঃ যদি বিষ্ণুভক্তাঃ ভৱন্তি, তে তু সৰ্বথা আদৰণীয়ঃ পূজনীয়াশ্চ ভৱন্তি। অতঃ কথ্যতে মহাপুৰুষেণ —

পুক্কশঃ শ্চপচো ৱাপি যে চান্যে ম্লেচ্ছজাতয়ঃ।
তে পি বন্দ্যা মহাভাগা হৰিপদৈকসেৱকাঃ।। ইতি।

বৈষ্ণৱধৰ্মতত্ত্বনিহিতেষু গ্ৰন্থেষু শ্ৰীহৰিদেৱনিৰ্মিতাভক্তিৰসতৰঙ্গিণী স্ব সৰ্বথা গুৰুত্ব ভজতে ইতি কিম্ বক্তব্যম্।❑❑

**(প্ৰতিধ্বনি গ্ৰন্থত প্ৰকাশিত)**

# সদ্‌গুৰুৰ আৱশ্যকতা আৰু মহাপুৰুষ হৰিদেৱ

শৰ্মিষ্ঠা গোস্বামী

ওঁ অজ্ঞান তিমিৰান্ধস্য জ্ঞানাঞ্জনশলাকয়া।
চক্ষুৰুন্মীলিতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ।। (গুৰু গীতা)

অৰ্থাৎ,

"অজ্ঞানৰ গভীৰ অন্ধকাৰৰ পৰা গুৰুদেৱৰ জ্ঞানৰ শলিতাৰদ্বাৰা আমাৰ চকু উন্মীলিত হৈছে। সেই গুৰুদেৱক আমি সশ্ৰদ্ধ প্ৰণিপাত জনাওঁ।"

অজ্ঞানক অন্ধকাৰৰ লগত তুলনা কৰা হয়। 'তমস্' বা 'তিমিৰ' মানে অন্ধকাৰ। এই জড় জগত অন্ধকাৰাচ্ছন্ন। সেয়ে এই জগতক আলোকিত কৰাৰ বাবে সূৰ্য অথবা চন্দ্ৰৰ প্ৰয়োজন হয়। কিন্তু আৰু এখন জগত আছে, চিৎ-জগত, সি এই অন্ধকাৰৰ উৰ্দ্ধত। সেই জগতৰ বৰ্ণনা কৰি ভগৱান শ্ৰীকৃষ্ণই কৈছে—

ন তদ্ভাসয়তে সূৰ্যো ন শশাঙ্কো ন পাবকঃ।
যদ্ গত্বা ন নিবৰ্তন্তে তদ্ধামপৰমং মম।।
(গীতা-১৫/৬)

অৰ্থাৎ,

মোৰ সেই ধাম সূৰ্য্য, চন্দ্ৰ অথবা বিদ্যুতৰে আলোকিত নহয়, এবাৰ তালৈ গ'লে কোনেও পুনৰ এই জড় জগতলৈ ফিৰি নাহে।"

গুৰুৰ কৰ্ত্তব্য হৈছে শিষ্য সকলক অন্ধকাৰৰ পৰা পোহৰলৈ অনা। তেওঁৰ কৰ্ত্তব্য হৈছে কোনো মানুহে যাতে এই জড় জগতত দুঃখ-কষ্ট ভোগ কৰিবলগীয়া নহয়, তাৰ বাবে চেষ্টা কৰা। দুঃখ কষ্ট ভোগ নকৰা বুলি কোনেও ক'ব নোৱাৰে। সেইটো সম্ভৱ নহয়। এই জড় জগতত তিনি প্ৰকাৰৰ দুঃখ আছে— আধ্যাত্মিক দুঃখ, আধিভৌতিক দুঃখ আৰু আধিদৈবিক দুঃখ। এইবোৰ হৈছে যথাক্ৰমে নিজৰ দেহ আৰু মনজাত দুঃখ, অন্য জীৱৰ পৰা পোৱা দুখ আৰু প্ৰকৃতিৰ প্ৰভাৱজাত দুখ। আমি মনোকষ্ট ভোগ কৰিব পাৰো, অথবা অন্য জীৱৰ পৰা পোৱা দুঃখ ভোগ কৰিব পাৰো অথবা পিপৰা, মহ-মাখি আদিৰ পৰা অথবা দৈৱী-শক্তিৰ প্ৰভাৱত দুঃখ ভোগ কৰিব পাৰো— সেই দুঃখ খৰাং বতৰ, বানপানী, প্ৰচণ্ড তাপ বা প্ৰচণ্ড ঠাণ্ডা হ'ব পাৰে। প্ৰকৃতি আমাক বিভিন্ন ধৰণে দুঃখ দিয়ে। এইদৰে এই জড় জগতত তিনি ৰকমৰ দুঃখ আছে আৰু কোনোৱে সেই দুঃখ কষ্টৰ পৰা মুক্ত নহয়।

প্ৰশ্ন হয় জীৱে কিয় ইমান দুখ-কষ্ট পায়। তাৰ উত্তৰ হ'ল-অজ্ঞতা। কোনেও চিন্তা নকৰে মই ভুল কৰিছোঁ আৰু পাপময় জীৱন যাপন কৰিছোঁ আৰু তাৰ ফলতেই দুখ-কষ্ট ভোগ কৰিছোঁ।

সেয়ে গুৰুৰ প্ৰথম কৰ্তব্য হৈছে— এই অজ্ঞানতাৰ পৰা শিষ্যসকলক উদ্ধাৰ কৰা। গুৰুৱেই জ্ঞানৰ শলিতা লৈ অজ্ঞান অন্ধকাৰে আচ্ছন্ন জীৱৰ সন্মুখত উপস্থিত হয়। সেই জ্ঞানে শিষ্যক অজ্ঞান অন্ধকাৰ প্ৰসূত দুখ-দুৰ্দশাৰ পৰা উদ্ধাৰ কৰে।

গুৰুৰ আৱশ্যকতা সম্পৰ্কে বেদত আছে—

তদ্বিজ্ঞানাৰ্থং স গুৰুমেৱভিগচ্ছেৎ।
সমিতপাণিঃ শোন্দ্ৰয়ং ব্ৰহ্মনিষ্ঠম্।।
(মুণ্ডকোপনিষদ, ১/২/১২)

বেদে প্ৰকৃত গুৰু সন্ধান কৰিবলৈ নিৰ্দেশ দিছে। অৱশ্যে যিকোনো গুৰুক নহয়, যথাৰ্থ গুৰুক। গুৰু এক, কাৰণ তেওঁ পৰম্পৰাৰ ধাৰাত আছে। পাঁচ হাজাৰ বছৰ আগেয়ে ব্যাসদেৱ আৰু কৃষ্ণই যি শিক্ষা দিছে, সেই শিক্ষা এতিয়াও দি অহা হৈছে। শত-সহস্ৰ আচাৰ্য্য আহিছে আৰু গৈছে, কিন্তু বাণী একেই আছে। প্ৰকৃত গুৰুৱেই তেওঁৰ গুৰুৰ বাণী বিকৃত

নকৰে। কোনো কোনো তথাকথিত গুৰুৱে কয়— মোৰ মত অনুসাৰে তোমাৰ এইটো কৰা উচিত, কিন্তু এইদৰে যিয়ে নিজমনে সজা মত সৃষ্টি কৰে, তেওঁলোক গুৰু নহয়। এই ধৰণৰ তথাকথিত গুৰু হৈছে একোটা ভণ্ড। প্ৰকৃত গুৰুৰ কেৱল এটিয়েই মত, সেইটো হৈছে শ্ৰীকৃষ্ণ, ব্যাসদেৱ, নাৰদ, হৰিদেৱ আদিৰ মত। পাঁচ হাজাৰ বছৰ আগে শ্ৰীকৃষ্ণই ভগৱদ্‌গীতাত কৈছে আৰু ব্যাসদেৱে তাক লিপিবদ্ধ কৰিছে। ব্যাসদেৱে যি লিখিছে সেই পৰমেশ্বৰ ভগৱানৰ মুখনিঃসৃত বাণী। ব্যাসদেৱে নিজে সজা মত প্ৰদান কৰা নাই।

এইদৰে ব্যাসদেৱ হৈছে গুৰু। তেওঁ কৃষ্ণৰ বাণী বিকৃত কৰা নাই বৰং ভগৱান কৃষ্ণই যিদৰে কৈছে তাৰ পুনৰাবৃত্তি কৰিছে। বিভিন্ন ব্যক্তি গুৰু হ'ব পাৰে, কিন্তু তেওঁলোকৰ বাণী এক, সেয়ে কোৱা হয় গুৰু এক।

গুৰু-শিষ্য পৰম্পৰাৰ ক্ষেত্ৰত গীতাত শ্ৰীকৃষ্ণই কৈছে —

সন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি যুক্তৈবম্ আত্মানং সৎপৰায়ণঃ।।
(গীতা-৯/৩৪)

অৰ্থাৎ,

তুমি মোতেই মন সংযুক্ত কৰা, মোকেই ভক্তি কৰা, মোৰ উদ্দেশ্যে যজ্ঞ কৰা (বা পূজা কৰা), মোকেই নমস্কাৰ কৰা। এইদৰে মৎপৰায়ণ হৈ মোতেই নিজকে সমৰ্পণ কৰি শেষত মোক লাভ কৰিব পাৰিবা।

এই নিৰ্দেশকেই পুনৰাবৃত্তি কৰি গৈছে ৰামানুজাচাৰ্য্য, মধ্বাচাৰ্য্য, হৰিদেৱ আদি কৰি আচাৰ্য্য সকলে।

গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে —

এবং পৰম্পৰাপ্ৰাপ্তমিমং ৰাজৰ্ষয়ো বিদুঃ।
স কালেনেহ মহতা যোগ নষ্টঃ পৰন্তপঃ।।

অৰ্থাৎ,

ৰাজৰ্ষি সকলে এই পৰম বিজ্ঞান পৰম্পৰাগতভাৱে লাভ কৰিছিল, কিন্তু কালৰ সোঁতত সেই পৰম্পৰাৰ ধাৰা চিন্ন হয়, ফলত এই বিজ্ঞান মানুহে হেৰুৱাই পেলায়।

যিয়ে পাৰমাৰ্থিক জীৱন সম্বন্ধে, ভগৱান সম্বন্ধে, সৎকৰ্ম সম্বন্ধে আৰু ভগৱানৰ লগত তেওঁৰ সম্পৰ্ক সম্বন্ধে জানিবলৈ ঐকান্তিকভাৱে আগ্ৰহী, তেওঁৰ বাবে গুৰু গ্ৰহণ একান্ত আৱশ্যক।

অৰ্জুনে যিদৰে শ্ৰীকৃষ্ণক গুৰুৰূপে বৰণ কৰিছিল, ঠিক সেইদৰে আমিও গুৰুত শৰণ ল'ব লাগে—

কাৰ্পণ্যদোষোপহত স্বভাবঃ
পৃচ্ছামি ত্বাং ধৰ্ম্মসংমূঢ়চেতাঃ।
যচ্ছ্ৰেয়ঃ স্যান্নিশ্চিতং ব্ৰূহি তন্মে
শিষ্যস্তেহহং শাধি মাং ত্বাং প্ৰপন্নম্।।

অৰ্থাৎ,

অজ্ঞানজনিত দুৰ্বলতাৰ দ্বাৰা মোৰ চিত্ত বিভ্ৰান্ত হৈছে আৰু মই কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিছোঁ। এতেকে তোমাক সুধিব খুজিছোঁ মোৰ কাৰণে যিটো নিশ্চিতভাৱে মঙ্গলজনক হ'ব তাকে কোৱা। মই তোমাৰ শিষ্য, তোমাৰ শৰণাগত হোৱা মোক তুমি গুৰু হিচাপে উপদেশ দিয়া।

এইটো হৈছে গুৰু গ্ৰহণ কৰাৰ পন্থা। গুৰু হৈছে শ্ৰীকৃষ্ণৰ প্ৰতিনিধি, পূৰ্ব্বৱৰ্তী আচাৰ্য্য সকলৰ প্ৰতিনিধি। সদ্‌গুৰুৰ শৰণাগত হোৱাৰ যোগেদি আমি ভগৱানৰ শৰণাগত হওঁ। গুৰুৰ ওচৰত আমি যিদৰে আত্মসমৰ্পণ কৰোঁ, সেই মতে ভগৱানে আমাক গ্ৰহণ কৰে।

গীতাত শ্ৰীকৃষ্ণই কৈছে—

সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।

অৰ্থাৎ,

সকলো ধৰ্ম পৰিত্যাগ কৰি মোত শৰণ লোৱা। মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম। শোক নকৰিবা।

কোনোবাই তৰ্কৰ খাতিৰত ক'ব পাৰে শ্ৰীকৃষ্ণ ক'ত যে আমি তেওঁৰ শৰণাগত হ'ম? নহয়, শ্ৰীকৃষ্ণৰ প্ৰতিনিধিৰ ওচৰত প্ৰথমে আত্মসমৰ্পণ কৰিব লাগিব। তাৰ জৰিয়তেহে শ্ৰীকৃষ্ণৰ ওচৰত আত্মসমৰ্পণ হয়। সেইটোৱেই হৈছে ভগৱান প্ৰাপ্তিৰ পথ। গীতাত শ্ৰীকৃষ্ণই সদ্‌গুৰুৰ শৰণাগত হোৱাৰ পন্থা বৰ্ণনা কৰিছে—

তদ্বিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেৱয়া।
উপদেক্ষ্যন্তি তে জ্ঞানং জ্ঞানিনস্তত্ত্বদৰ্শিনঃ।
(গীতা-১৮/৬৬)

অৰ্থাৎ,

সদ্ গুৰুৰ শৰণাগত হৈ সত্যক জানিবলৈ চেষ্টা কৰা। বিনীতভাৱে তেওঁৰ ওচৰত প্ৰশ্ন কৰা আৰু তেওঁৰ সেৱা কৰা। তত্ত্বদ্ৰষ্টা পুৰুষে তোমাক সেই জ্ঞান দান কৰিব

পাৰে, কাৰণ তেওঁ সেই সত্যক দৰ্শন কৰিছে।

আমি সেই মহাপুৰুষৰ সন্ধান কৰি স্বতঃস্ফূৰ্তভাৱে তেওঁৰ শৰণাগত হ'ব লাগে। ভাগৱতত কোৱা আছে —

আচাৰ্যং মাং বিজানীয়ান্নাবমন্যেত কৰ্হিচিৎ।
ন মৰ্ত্যবুদ্ধ্যাসূয়েত সৰ্বদেৱ ময়োগুৰুঃ।।
শ্ৰীমদ্ভাগৱত-১১/১৭/২০)

অৰ্থাৎ,

ভগৱানে কৈছে — গুৰুক মোৰ স্বৰূপ বুলিয়েই জানিবা। গুৰুৰ প্ৰতি কেতিয়াও ঈৰ্ষাপৰায়ণ হোৱা উচিত নহয় নাইবা তেওঁক এজন সাধাৰণ মানুহ বুলি ভবা উচিত নহয়, কাৰণ গুৰু হৈছে সমস্ত দেৱতাৰ সন্মিলিত প্ৰকাশ। অৰ্থাৎ আচাৰ্য্যদেৱক ভগৱানে নিজেই তেওঁৰ পৰা অভিন্ন নহয় বুলি বৰ্ণনা কৰিছে।

সদ্‌গুৰুৰ লক্ষণ সম্পৰ্কত মহাপুৰুষ হৰিদেৱে এইদৰে কৈছে—

অনাসক্ত ব্ৰাহ্মণ লোভ ক্ৰোধ বিবৰ্জিত।
সজবৃত্তি উপদেষ্টা পৰম সন্মত।।
মুমুক্ষু পৰমাৰ্থত পণ্ডিত হোৱয়।
ইসব গুণৰ গুৰু তাংকসে বোলয়।।
(শ. সিঃ- গুৰুৰ লক্ষণ, ৬)

গুৰুৰো কৰ্ত্তব্য হৈছে শৰণ-দীক্ষাকামী লোকজন শিষ্য হোৱাৰ উপযুক্ত হয় নে নহয়, তাক পৰীক্ষা কৰি চোৱা। উপযুক্ত শিষ্যৰ লক্ষণ সম্পৰ্কত মহাপুৰুষ হৰিদেৱে কৈছে—

শিষ্য হৈবে শুদ্ধ পুৰুযাৰ্থ পৰায়ণ।
কুশলী নিপুণ সদা বেদ অধ্যয়ণ।
সৰ্বদা বৈবেক পিতৃ-মাতৃ অনুগত।
ধৰ্মে কৰ্মে মতি আৰো গুৰুৰ সেৱাত।।
(শ. সিঃ- শিষ্যৰ লক্ষণ, ২, ৩)

শৰণৰ সম্পৰ্কত মহাপুৰুষ হৰিদেৱে কৈছে — শৰণ অবিহনে ভকতি জন্মাটো সম্ভৱ নহয়।

শৰণ বিহনে জানা ভক্তি নজন্মায়।
অনাপক্ক ভাণ্ডে যথা জল নাহি ৰয়।।
(শ. সিঃ- শৰণ নিৰ্ণয়, ১)

আকৌ দীক্ষাৰ প্ৰয়োজন সম্পৰ্কত কৈছে—

অদীক্ষিত দেহ হস্তে পশু জন্ম হোৱে।
(শ. সিঃ- দীক্ষা লক্ষণ, ৯)
সৰ্ববেদ জ্ঞানী যদি দীক্ষাহীন হোৱে।
কৃষ্ণৰ পূজাত সিটো অধিকাৰ নপাৱে।।
দীক্ষা লাভ মাত্ৰে মোক্ষ কৃষ্ণত লভয়।
অচ্যুতত সদা তেহো ভকতি অৰ্চয়।।
(শ. সিঃ- দীক্ষা লক্ষণ, ৩, ৪)

মহাপুৰুষ হৰিদেৱে মধ্যযুগৰ অসমত ভাগৱত ধৰ্মী গুৰুৰ ধৰ্ম সাধনাৰ প্ৰণালীত ভাগৱতোক্ত 'মিশ্ৰ পদ্ধতি'ত তান্ত্ৰিক দীক্ষা (বিষ্ণু মন্ত্ৰত) দানৰ ব্যৱস্থা কৰিছিল। যোগ্যতাৰ ভিত্তিত দীক্ষা আৰু শৰণ দুয়োটাই মহাপুৰুষ হৰিদেৱে দিয়াৰ ব্যৱস্থা কৰিছিল। দীক্ষা আৰু শৰণৰ তৎপৰ্য্য এই যে নিগম পদ্ধতিৰ পৰমেশ্বৰ ভগৱন্তৰ নাম গ্ৰহণক শৰণ দিয়া বোলা হয়। দীক্ষাত সবীজ বেদমন্ত্ৰ গ্ৰহণ আৰু শৰণত ভগৱানৰ নাম গ্ৰহণ।

দুৰ্লভ মানৱ জন্মক পূৰ্ণৰূপে সদ্ ব্যৱহাৰ কৰাৰ বাবে আমাক লাগিব চেতনাৰ পূৰ্ণ বিকাশ। ভাগৱতত কোৱা আছে—

লব্ধা সুদুৰ্লভমিদং বহুসম্ভবান্তে
মানুষ্যম্ অৰ্থদম্, অনিত্যম্ অপীহধীৰঃ।
তুৰ্ণং যতেত ন পতেদনু মৃত্যু যাবন্
নিঃশ্ৰেয়সায় বিষয়ঃ খলু সৰ্ব্বতঃ স্যাৎ।।
(ভাগৱত ১১/৯/২৯)

অৰ্থাৎ,

বহুজনমৰ পিছত মনুষ্য শৰীৰ লাভ হয় আৰু যদিও সি নিত্য নহয়, তথাপি সি আমাৰ সৰ্বশ্ৰেষ্ঠ কল্যাণ প্ৰদান কৰে। সেয়ে বুদ্ধিমান আৰু সংযত জনে অচিৰে এই উদ্দেশ্য সাধন কৰি জীৱনৰ সৰ্বোচ্চ লাভৰ বাবে সচেষ্ট হ'ব। কাৰণ, এই জীৱন অনিত্য আৰু যিকোনো মুহূৰ্ত্ততে মৃত্যু হ'ব পাৰে। মানুহৰ কৰ্তব্য হৈছে সকলো প্ৰকাৰৰ ইন্দ্ৰিয়তৃপ্তি পৰিহাৰ কৰা যাক সকলো সময়েতে নিজৰ পৰাই পোৱা যায়।

জড় ইন্দ্ৰিয়ৰ সুখ ভোগৰ প্ৰচেষ্টাত অথবা আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুনৰ প্ৰচেষ্টাত এই দুৰ্লভ মনুষ্য জনমৰ অপব্যৱহাৰ কৰা উচিত নহয়। এই প্ৰকৃত শিক্ষা লাভ কৰিবলৈ হ'লে সদ্‌গুৰুত শৰণ দীক্ষা পোৱা অতীৱ প্ৰয়োজন। তেতিয়াহে এই সংসাৰ সমুদ্ৰৰ উত্তাল তৰঙ্গত উঠি ভাহি ফুৰা আমি প্ৰকৃত পথৰ সন্ধান পাম।❑❑

**(হৰিদেৱ মঞ্জুষা গ্ৰন্থত প্ৰকাশিত)**

# মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ গুৰুজনাৰ জীৱন আৰু দৰ্শন

বনজিৎ দাস

**পৰিচয় দান ঃ—**

**মহাপুৰুষ ঃ—** যিসকল লোকে শাৰীৰিক মানসিক আৰু নৈতিক দিশত গুণী, জ্ঞানী, যশস্বী হোৱাৰ উপৰিও আধ্যাত্মিক সাধনাৰ ফলত সমাজক ধৰ্মীয় দিশৰ শিক্ষাদি মানৱ জাতিৰ হিতৰ হ'কে সৎ আৰু শুদ্ধ পথৰ বাণী প্ৰচাৰ কৰে সেইসকল পূণ্য লোকক মহাপুৰুষ বোলা হয়।

**শ্ৰীশ্ৰী ঃ—** (শ্ৰী মানে স্ত্ৰি সহায়তা কৰ্) ধন-সম্পত্তি, মঙ্গল, সৌভাগ্য, ক্ষমতা, পৰাক্ৰম, লক্ষ্মী সৰস্বতী গুৱনিগুণ শোভা। সেই সকল মহাপুৰুষৰ নামৰ আগত শ্ৰীশ্ৰী ব্যৱহাৰ কৰা হয়। ভক্তিদেখাবৰ বাবে বা মান্যতা প্ৰদান কৰিবৰ বাবে যাৰ খ্যাতি চাৰিও ফালে বিয়পি পৰে কাব্যিক গুণৰ দ্বাৰা জনপ্ৰিয়তা অৰ্জন কৰিছে যিয়ে জীৱন নিৰ্বাহৰ পদ্ধতিৰ পথ নিদৰ্শক। মুক্ত হস্তে যিয়ে জ্ঞান দান কৰে ঐশ্বৰিক গুণসম্পন্ন অলৌকিক অতি প্ৰাকৃতিক ব্যক্তি দেৱ তুল্য ক্ষমতাৰ অধিকাৰী। সাধাৰণতে ভগৱান আৰু ভগৱতীৰ নামৰ আগত ব্যৱহাৰ কৰা হয়।

**হৰিদেৱ ঃ—** শ্ৰীকৃষ্ণৰ অসংখ্য নামৰ ভিতৰত শ্ৰীহৰি ও এটা নাম। হৰিদেৱ নামতোৰ অৰ্থ হ'ল হৰিদেৱ মানে 'ভগৱান' মানে— ভূমি+সাগৰ+বায়ু+অগ্নি+নিৰ = মানে প্ৰেমিক, প্ৰকৃতি প্ৰেমী। ভগৱান শব্দটি প্ৰায়ে একোজন পৰম শক্তিশালী অসাধাৰণ মানুহক বুজাবৰ বাবেও ব্যৱহাৰ কৰা হয় আৰু এই কথাও ঠিক যে ইয়াত ভগৱান শব্দই হৰিদেৱ যে এজন অসাধাৰণ ব্যক্তি সেই কথাকে বুজাইছে। মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ নিজে জ্ঞানৰ অধিকাৰী হোৱাৰ উপৰিও অনেক সৃষ্টিৰ জৰিয়তে পৃথিৱীৰ মানৱক ভক্তিৰস পান কৰিবলৈ সুযোগ দিছিল। পৰম ব্ৰহ্মা বা পৰমাত্মাৰ স্বৰূপ নিৰ্ণয় জীৱ ও জগতৰ লগত তেওঁৰ সম্বন্ধ আৰু জীৱৰ অমৃতত্ব লাভ কৰিবলৈ বা মোক্ষ প্ৰাপ্তিৰ পথৰ পদৰ্শক হৈছে 'সৎগুৰু'।

**গুৰু ঃ—** ভাৰতীয় সংস্কৃতিত গুৰুৰ স্থান অতি উচ্চ। অজ্ঞানতাৰ অন্ধকাৰ নাশ কৰি যিয়ে আলোকেজ্বল পথৰ সন্ধান দিয়ে সেই জনেই গুৰু। গুৰু চিৰ নমস্য, চিৰ আৰাধ্য। সেই ত্ৰিদেৱ ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ দৰেই তেওঁ পূজ্য। সেয়েতো গুৰুক বন্দনা কৰা হয় এই দৰে "গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰুদেৱ মহেশ্বৰ। গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈশ্ৰী গুৰৱে নমঃ।।

**জীৱন ঃ—** জীৱন বুলি ক'লে কেৱল খাই বৈ জীয়াই থকাটো কে নুবুজায়। মানৱ মনৰ ইচ্ছা আকাঙ্খা বিলাক সুপথেৰে পৰিচালিত কৰি ইন্দ্ৰিয় সমূহক কাৰ্য্যক্ষম কৰাই মনৰ অনুভূতি বোধৰ বিকাশেৰে মানৱীয় গুণ সম্পন্নহৈ চলাটোহে প্ৰকৃত জীৱন। জীৱনৰ অৰ্থ কি? প্ৰাণিক জীৱনটো দিয়া হৈছে জীৱনটো যাপন কৰিবলৈ সেইটোৱেই হ'ল জীৱনৰ দাবী। কোনো মানুহে কি কাম কৰিব সেই কথা নিৰ্ভৰ কৰে তেওঁ জন্মতে লৈ অহা বিশেষ গুণ আৰু বুদ্ধি বৃত্তিৰ ওপৰতহে আন কথাত ক'বলৈ গ'লে সেইটো নিৰ্ধাৰণ কৰি দিয়ে বংশগতিয়ে। জীৱন ক্ষনস্থায়ী কিন্তু মানুহে জীৱনত কৰা কৰ্মৰাজীয়ে পৃথিৱীত স্থায়িত্ব পায় জীৱন কৰ্মময়, কৰ্মই জীৱনৰ ধৰ্ম জীৱিত কালত কৰা সৎ কৰ্মই মানুহক দেৱত্বৰ শাৰীলৈ লৈ যায়। জীৱ শ্ৰেষ্ঠ মানুহক উপনিষদত অমৃত সন্তান বোলা হৈছে অমৃত্ব লাভ মনে দুখঃ কষ্টেৰে পূৰ্ণ এই সংসাৰত নানা জন্মলৈ ঘুৰি ফুৰিবলগীয়া অৱস্থা ত্যাগ কৰি চিৰদিনৰ বাবে ভগৱান বা পৰম ব্ৰহ্মৰ ওচৰত নিগাজী স্থান লাভ কৰা সকলো জীৱৰ সেয়ে কাম্য যদিও তাক লাভ কৰা সহজ নহয়। পৃথিৱীত বহুতো আদৰ্শবান মহাপুৰুষ মহামানবৰ

জন্ম হৈছিল। যাৰ জীৱনদৰ্শন আৰু অৱদানেৰে পৃথিৱীত নিজকে অমৰত্ব লাভ কৰাই নহয় উত্তৰ পুৰুষসকলৰ চিন্তা চৰ্চা অনুসন্ধান, পৰ্যবেক্ষন আৰু উৎপাদনৰ বহুতো সমল থৈ গৈছে। মানৱ জীৱনটো শৈশৱ, যুৱ, আদহীয়া আৰু বৃদ্ধ এই চাৰিভাগত ভাগ কৰা হয়।

**দৰ্শন ঃ—** প্ৰেম+জ্ঞান+বিবেক দ্বাৰাই দৰ্শনৰ সৃষ্টি। জীৱন দৰ্শন মানে হ'ল এক গতিশীল ভৰা ক্ষমতা আৰু ই নিজক সদায় ৰক্ষা কৰি চলিব খোজে। মানৱ জীৱনৰ প্ৰকৃত স্বৰূপ অন্বেষণ কৰাই দৰ্শনৰ উদ্দেশ্য। দৰ্শন হ'ল চিন্তা ধাৰাৰ এক প্ৰৱাহ বিশেষ, দৰ্শন হ'ল এটা প্ৰজ্ঞা, চিন্তা আৰু অন্তৰ্দ্ৰিষ্টা, যেতিয়ালৈকে জগতৰ সকলো বস্তু আৰু মানুহৰ এটি সম্যক দৃষ্টি বা দৃশ্যপট লাভ কৰিব নোৱাৰে, তেতিয়ালৈকে তেওঁ শান্তি নাপায়। ইপিনে চাবলৈ গ'লে দৰ্শনে আমাৰ সমস্যাটোৰ বিষয়ে সচেতন কৰি তাক সমাধান কৰাত সহায় কৰে। দৰ্শন শব্দটো সংস্কৃত, দৃশ্য ধাতুৰ পৰা উৎপত্তি, দৃশ্য শব্দৰ অৰ্থ— দেখা বা প্ৰত্যক্ষ কৰা। দৰ্শন শব্দটোৰ ধাতুগত অৰ্থহৈছে সৎ বা তত্ত্বক প্ৰজ্ঞা চকুৰে প্ৰত্যক্ষ কৰা বা আলোকন কৰা। দৰ্শন, জীৱন আৰু জগতৰ প্ৰকৃত বা স্বৰূপ জ্ঞান। সমগ্ৰ বিশ্বত যি তত্ত্ব বা সত্য নিহিত আছে যাৰ পৰা চেতন বা অচেতন সকলো বস্তুৰ উৎপত্তি হয় সেই পৰম সত্যক উপলব্ধি কৰাই ভাৰতীয় দৰ্শনৰ লক্ষ্য। ভাৰতীয় দৰ্শনৰ প্ৰাচীনতম উৎস বেদ বুলি কোৱা হয়। সংস্কৃতত 'বিদ' ধাতুৰ পৰা বেদ শব্দটো আহিছে। যাৰ অৰ্থ জ্ঞান ভাৰতীয় চিন্তাত জ্ঞান শব্দৰ অৰ্থ সত্য। গতিকে 'বেদ' শব্দৰ অৰ্থ সত্য। উপনিষদসমূহ বেদৰ এটা বিভাগ। দৰ্শন মানে জ্ঞান, কাৰ্যকৰণৰ সম্বন্ধ দেখাই এইজগত আৰু তাৰ সৃষ্টিকৰ্তাৰ বিষয়ে জ্ঞান, দৰ্শন শাস্ত্ৰৰ সংখ্যা ছয় যেনে— সাংখ্য, পাতঞ্জল, মীমাংসা, ন্যায়, বৈশেষিক, বেদান্ত। দাৰ্শনিক তত্বজ্ঞানী চিন্তাশীল ব্যক্তি স্থিতপ্ৰতজ্ঞ ব্যক্তি। গৃহীত নীতি কোনো সম্প্ৰদায়ৰ মূল বিশ্বাস। দৰ্শনাস্থ সকলো বিদ্যাৰ প্ৰদীপ। সকলো কৰ্মৰ উপায় তথা সমূহ ধৰ্মৰে আশ্ৰয়ৰূপ। দৰ্শন শাস্ত্ৰ বেদৰে এক শাখা। মহান দাৰ্শনিক চাণক্যৰ মতে দৰ্শন শাস্ত্ৰ তিনিবেদ অৰ্থশাস্ত্ৰ আৰু ৰাজনীতি— এই চাৰিৰ সন্মিলিত শক্তিয়ে বিদ্যা, তিনিবেদ ধৰ্ম আৰু অধৰ্ম, অৰ্থশাস্ত্ৰ, অৰ্থ তথা অনৰ্থ, দণ্ডনীতিৰ সুনীতি আৰু দূৰ্নীতি এই তিনি বিদ্যাক দৰ্শন শাস্ত্ৰই যুক্তিৰে বিচাৰ কৰি বিপদৰ সময়ত বিচাৰ শক্তি প্ৰদান কৰে তথা ভাৱনা কাৰ্য আৰু বাক্যক পৰিপক্কতা দি সৰ্বসাধাৰণৰ কল্যাণ সাধন তথা জীৱন সৰল আৰু সুখময় কৰি তোলে। সেইবাবেই চাণক্যই বেদ, অৰ্থশাস্ত্ৰ, ৰাজনীতি আৰু দৰ্শনশাস্ত্ৰ এই চাৰিওবেদ বিদ্যাৰ অন্তৰ্ভূক্ত কৰিছে। কৰ্মই মানুহৰ জ্ঞান বঢ়ায় কৰ্ম কৰাৰ আগতে মানুহ জ্ঞানী হ'ব নোৱাৰে। গীতাত শ্ৰীকৃষ্ণই জ্ঞানৰ দৰে পবিত্ৰ বস্তু আৰু নাই বুলি কৈছে।

ব্যক্তিয়ে নিজ কৰ্ম অনুযায়ী ফল ভূগে। এইয়ে দৰ্শন, এইয়ে বিধান। কাৰ্যচক্ৰৰ এক সম্পূৰ্ণ আবৰ্তন আধ্যাত্মিক জ্ঞান প্ৰাপ্তিৰ ফলত নতুন জীৱন প্ৰাপ্তি। মূলগত অজ্ঞানতাৰ পৰিহাৰৰ মুক্তি বা মোক্ষ লাভ, মোক্ষ শব্দতো মুচ ধাতুৰ পৰা নিস্পন্ন। মুচৰ অৰ্থ মুক্ত কৰা মোক্ষ লাভ এই উচচ আদৰ্শ প্ৰত্যেক মানুহ মাত্ৰৰে থকা প্ৰয়োজন। ইয়াৰ সাধনা জীৱন জুৰি কৰিব লাগে। মানুহে ধৰ্মপথত অৰ্থ আৰু কামৰ সাধনা কৰিব লাগিব আৰু শেষ পৰ্যন্ত তাৰ পৰা মুক্তি অৰ্থাৎ সেইবোৰ সম্পৰ্কত অনাসক্ত আনিব লাগিব, নিৰাসক্ত হ'ব লাগিব, মোক্ষ প্ৰাপ্তিৰ বাবে কৰ্ম, ভক্তি, জ্ঞান-তিনিটা মাৰ্গৰ উল্লেখ আছে এই কেইটাৰ ভিতৰত কৰ্মৰ সম্পৰ্ক দেহৰ সৈতে, ভক্তিৰ সম্পৰ্ক মনৰ সৈতে আৰু জ্ঞানৰ সম্পৰ্ক বুদ্ধিৰ লগত। সেয়েহে শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে মানেৰীত সত্ৰ তৈয়াৰ কৰি সেই সত্ৰত জীৱন দৰ্শনৰ এক তীৰ্থস্থান হিচাপে ব্যৱহাৰ কৰিছিল আৰু সেই তীৰ্থলৈ আহিছিল ভাগৱত পাঠ শুনিবলৈ- শ্ৰীশ্ৰী শঙ্কৰদেৱ, শ্ৰীশ্ৰী মাধৱ দেৱ, শ্ৰীশ্ৰী দামোদৰ দেৱ আৰু তেওঁলোকে কৰা মানৱ বাবে এই সত্ৰৰ নাম হয় মানেৰী সত্ৰ।

**আৰম্ভণি ঃ—**

**জন্ম শৈশৱ আৰু শিক্ষা ঃ—** শ্ৰীশ্ৰী হৰিদেৱ জন্মগত ব্ৰাহ্মণ আছিল। শাস্ত্ৰসমূহত লিখা বা লিখোৱাৰ দৰে বিষ্ণু নাৰায়ণৰ মুখৰ পৰাই ব্ৰাহ্মণ জাতিটোৰ জন্ম। মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ গুৰুৰ পিতা- অজনাভ, মাতা পাৰিজাতি সতি গুৰু হৰিদেৱৰ জন্মৰ আগতে স্বপ্ন গোচৰ হৈ পিতৃ অজনাভে মাতৃ পাৰিজাতিক সম্বোধি ক'লে— "বিষ্ণুৱে বোলন্ত মোক ঔৰযে তোমাৰ পাৰি জাতিৰ গৰ্ভে কৃষ্ণ হৈব অৱতাৰ" ধন্য ধন্য জন্ম মোৰ ধন্য পাৰিজাতি তুহাৰ গৰ্ভতে কৃষ্ণ কৰিব বসতি, ভূমিষ্ঠ হোৱাৰ পিচত গুৰুজনাই মাকৰ স্তনত মুখ দিয়া নাছিল। পিতৃয়ে মাতৃ পাৰিজাতিক কৈছিল দামোদৰ ভাবি কৰিবাহা স্তুতিপ্ৰভূ হইবে তুষ্ট শুনা পাৰিজাতি। মাকে স্তুতি কৰাত প্ৰভুৱে স্তনপান কৰি সকলোকে আচম্বিত কৰি তুলিলে, এইয়ে প্ৰভুৰ জন্ম বৈশিষ্ট। মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জন্ম অসমৰ উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰ গাওঁত। তেওঁৰ জন্ম তাৰিখ ১৩৪৮ শক। শিশু হৰিদেৱে পিতাকক নিত্য নৈমিত্তিক সন্ধা গায়ত্ৰী পাঠ আৰু

পুজা পাতল কৰা দেখি নিজেও নৈবেদ্য সজাই কৃষ্ণক স্তুতি কৰিছিল। হৰিদেৱৰ ৯ বছৰ বয়সত যথাবিহিত উপনয়ন সমাপন কৰি পিতা অজানাভে তেওঁক সংস্কৃত ভাষা আৰু পানিনি ব্যাকৰণ শিকাব আৰম্ভ কৰিছিল। এই জ্ঞান লাভ কৰিবলৈ হ'লে বেদ আৰু দৰ্শনৰো জ্ঞান থকাটো আৱশ্যক। সেইবাবে তেওঁ বাল্য কালৰ পৰাই শ্ৰীশ্ৰী হৰিদেৱক বেদ আৰু দৰ্শনৰ অলপ অলপ পৰিচয় কৰাই দিছিল। হৰিদেৱ গুৰুৱে যেতিয়া ১০ বছৰ বয়সত পৰ্দাপন কৰে তেতিয়া তেওঁৰ কনিষ্ঠা ভগ্নী সুভদ্ৰাৰ জন্ম হয়। হৰিদেৱ যেতিয়া ১৬ বছৰত পৰ্দাপন কৰে তেতিয়াই ১৩৬৮ শকত তেওঁৰ পিতৃদেৱ অধ্যাপক অজনাভৰ মৃত্যু হয়। স্বামীৰ জলন্ত চিতাত স্বামীৰ লগত সতীত্বৰ প্ৰথাৰ সহমৰণ পাৰিজাতি সতীয়ে বৰণ কৰিলে। এইদৰে দৈৱক্ৰমে হৰিদেৱৰ বয়স ১৬ বছৰ যাৰ সুভদ্ৰাৰ ৬ বছৰ বয়সত উভয়ে পিতৃ-মাতৃহাৰা হৈছিল। কম বয়সতে হৰিদেৱে নিজৰ বুদ্ধি আৰু বিদ্যা পাণ্ডিত্য কৰ্মজ্ঞান আদি সজ গুণৰ বলত সকলোৰে পৰা সাদৰ আৰু সন্মান লাভ কৰিব পাৰিছিল। আৰু তাৰ গুণ গৰিমা চাৰিওফালে বিয়পি পৰিছিল। মহাপুৰুষ হৰিদেৱে নাৰায়ণপুৰতেই প্ৰথমে সমাজ সংস্কাৰত প্ৰবৃত্ত হয়। শ্ৰীশ্ৰী হৰিদেৱে বিভিন্ন শাস্ত্ৰ অধ্যায়ন কৰি বৈষ্ণৱ ধৰ্মৰ নিখুঢ় তত্ত্ব সমূহ জনসমাজৰ মাজত প্ৰচাৰ কৰিবলৈ ধৰে। আয়ুস বৃদ্ধি, মনৰ বিশুদ্ধতা আৰু শাৰীৰিক শক্তি বৃদ্ধি কৰাটোৱেই আহাৰ খোৱাৰ উদ্দেশ্য। খোৱাৰ সময়তকৈ তিনি ঘন্টাৰ আগতে বা তাতকৈ আগতে প্ৰস্তুত কৰা আহাৰ মানুহৰ শৰীৰৰ উপকাৰ নকৰে শ্ৰীমতভাগৱত গীতাতো ইয়াৰ উল্লেখ আছে। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰৰ বাবে খোৱা-লোৱা, আচাৰ-বিচাৰ শুচিতা বিচাৰি সেই সময়ত টোপলীয়া ভাত যাব নালাগে বুলি প্ৰচাৰ কৰাত ১৬ বছৰ বয়সত শ্ৰীশ্ৰী হৰিদেৱে ৰাজ-ৰোষত পৰে। জন্মভূমি নাৰায়ণপুৰ ত্যাগ কৰে। লুইতেৰে ভটিয়াই আহি বিভিন্ন তীৰ্থস্থান সমূহ দৰ্শন, বিদ্যা অৰ্জন ভাগৱত পাঠ আদি কাৰ্যত লাগি যায়। চূড়ামনি মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱে সুদীৰ্ঘ চাৰি বছৰ কাল কাশীত বেদ দৰ্শন, অধ্যায়ন আৰু পাঁচ বছৰ কাল পুৰীৰ জগন্নাথ মন্দিৰত ভাগৱত পাঠ, বেদ-উপনিষদ পাঠ ব্যাখ্যা কৰি মহাপাত্ৰ সকলৰ পৰা ভাগৱতচাৰ্য উপাধি লাভ কৰিছিল যদিও তাক লাভ কৰা সহজ নহয়।

**গৃহস্থ্য জীৱন ঃ—** শ্ৰীশ্ৰীহৰিদেৱে তিলোত্তমা দেৱীক বিয়া কৰায়। তেৰাৰ ভূৱনেশ্বৰী আৰু বনমালা নামে দুগৰাকী কন্যা আৰু দামোদৰ নামৰ এটি পুত্ৰ হয়। দামোদৰ অকালতে স্বৰ্গী হয়। বনলতা দেৱীক গোপীনাথ নামৰ পণ্ডিত এজনলৈ বিয়া দিয়ে। জ্যেষ্ঠ কন্যা ভূৱনেশ্বৰী দেৱী চিৰ কুমাৰী হৈ আছিল মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱে পুৰুষ স্ত্ৰী উভয়কে সমান স্থান দিছিল। তেওঁৰ জীয়েক ভূৱনেশ্বৰীক ধৰ্ম্মীয় শিক্ষা দীক্ষা দি মানেৰী সত্ৰৰ সত্ৰাধিকাৰ পাতিছিল, তেতিয়াৰ ভাৰতবৰ্ষত এয়েই প্ৰথম মহিলাক ধৰ্মীয় গুৰু গ্ৰহণ কৰা উদাহৰণ। বেদ দৰ্শন শ্ৰীমদ্ভাগৱত গীতা আদি শাস্ত্ৰসমূহেই তেৰাৰ প্ৰচাৰিত ধৰ্মৰ মূল উৎস।

**শ্ৰীশ্ৰী হৰিদেৱৰ ৰচনা সম্ভাৰ ঃ—** শ্ৰীশ্ৰীমহাপুৰুষ হৰিদেৱে ১৩৭৮ শকত লুইতৰ পাৰত মানেৰী সত্ৰত তাত থকা কালচোৱাতে ভক্তি ৰস তৰঙ্গিনী, শৰণ সিদ্ধান্ত, গীত সাৰ, ভক্তিৰস ভাগৱত আদি পুথি লিখাৰ উপৰিও ভালেমান গীত পদ লিখে। বৈষ্ণৱ ধৰ্মাচাৰ্য্য সাহিত্যিক কবি গীতিকাৰ আৰু গদ্যকাৰ মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱে যি সময়ত ভাৰতৰ কোনো প্ৰান্তীয় ভাষাতেই গদ্য সাহিত্যৰ সৃষ্টি হোৱা নাছিল পঞ্চদশ শতিকাতেই প্ৰাচীন কামৰূপীয়া ভাষাত অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কৰি গদ্য সাহিত্যৰ পথ পদৰ্শক হিচাপে স্বীকৃতি লাভ কৰিছিল। ভক্তিৰস তৰঙ্গীনীত প্ৰথমতে গণেশ দেৱতালৈ প্ৰণিপাত জনাই নাৰায়ণৰ নাম স্মৰণ কৰি, মঙ্গলাচৰণ আৰম্ভ কৰা হৈছে। প্ৰথম স্তবকৰ আৰম্ভণিতে পাৰ্বতী দেৱাদিদেৱ মহাদেৱক সৰ্ব্বজ্ঞ বুলি সম্বোধন কৰি গীতা মাহাত্ম্য শুনাৰ পাচত এতিয়া হৰিপদ প্ৰাপ্তিৰ বাবে একমাত্ৰ ভাগৱত শ্ৰৱন কীৰ্তন কৰাৰ বাবে কাকুতি কৰিছে। আনহাতে মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱে বিৰচিত "শৰণ সিদ্ধান্ত" নিঃসন্দেহ ভক্তি ধৰ্ম্মৰ এখনি শ্ৰেষ্ঠ পুথি। ভাগৱত গীতা, বেদ বেদাঙ্গ আৰু স্মৃতি আদি গন্থৰ তত্ত্বৰোৰ মহাপুৰুষ জনাই আয়ত্ব কৰি অতি সহজভাৱে সহজ ভাষাৰে সৰ্বসাধাৰণৰ বোধ গম্য কৰি তেৰাৰ "শৰণ সিদ্ধান্ত" গ্ৰন্থখনত উপস্থাপন কৰিছে।

**ধৰ্মপ্ৰচাৰক শ্ৰীশ্ৰী হৰিদেৱ ঃ—** শ্ৰীশ্ৰী হৰিদেৱে পঞ্চদশ শতিকাত অসমভূমিত জন্ম গ্ৰহণ কৰি আধুনিক নৱ বৈষ্ণৱ ধৰ্ম্মৰ ভেঁটী নিৰ্মাণ কৰে। হৰিদেৱ গুৰু এজন প্ৰকৃত বৈষ্ণৱ আছিল। পিতৃ মাতৃ ভক্ত, জাতি পালনকাৰী আৰু ধৰ্ম উপদেশ দান কৰোতা বেদ বিদ্যাত অনুৰক্ত দ্বিজভক্তি পৰায়ণ আৰু নপংসকৰ নিচিনা যিসকল পৰস্ত্ৰীতে অনাগত সেই সকলেই বৈষ্ণৱ। যিসকল ব্যাক্তিৰ ঘৰত শালগ্ৰাম মিলা বিৰাজিত, যিসকলৰ ঘৰত ভাগৱত আদি শাস্ত্ৰ থাকে তেওঁলোকেই বৈষ্ণৱ। যিসকল ব্যাক্তিয়ে পুখুৰী আদি জলাশয় খণন কৰে, নিৰাশ্ৰয়ক আশ্ৰয় দান কৰে, সৎ পাত্ৰত কন্যাদান কৰে, গুৰুৰ সেৱা কৰে,

তেওঁলোকেই বৈষ্ণৱতুল্য বুলি জানিবা। নিতৌ গঙ্গাস্নান আৰু নিতৌ গঙ্গাৰ মাহাত্ম্য যিসকলে পাঠ কৰে, তেওঁলোকেই বৈষ্ণৱ। যিসকল ব্যাক্তিয়ে ভক্তি সহকাৰে একাদশী ব্ৰত পালন কৰে আৰু শ্ৰীহৰিৰ নাম কীৰ্ত্তন কৰে তেওঁলোকেই বৈষ্ণৱ। যিসকল ব্যাক্তিয়ে তুলসী গছৰ গুৰিত থকা মুক্তিকা দ্বাৰা তিলক ধাৰণ কৰে অথবা তুলসী কাঠ ঘৰ্ষণ কৰা বোকাৰ দ্বাৰা তিলক কৰে তেওঁলোকেই পৰম বৈষ্ণৱ।

আধুনিক নৱ বৈষ্ণৱ ধৰ্ম্মৰ ভেঁটী নিৰ্মাণ কৰা মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ ভগৱান অৱতাৰ স্বৰূপ গুৰু আছিল। নৱ বৈষ্ণৱ ধৰ্ম্মৰ মূল তত্ত্ব আছিল ভক্তিবাদ বা ভক্তিযোগ আৰু ভক্তিযোগ অভ্যাস কৰিবলৈ ল'লে এজন সদগুৰু তত্ত্বাৱধানত থাকি নানা বিধি নিযেধ মানি চলিব লাগে।

মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ গুৰুৱে শিকাইছিল নিচেই পুৱাতে শুই উঠি স্নান কৰি মন্দিৰলৈ গৈ সেৱা কৰি হৰেকৃষ্ণ মন্ত্ৰৰ নাম কীৰ্তন কৰিব লাগে ভগৱানক দিবৰ বাবে ফুল তুলিব লাগে, ভগৱানক দিবৰ বাবে আহাৰ ৰান্ধিব লাগে প্ৰসাদ খাব লাগে আৰু এনেধৰণৰ আন আন কামবিলাক কৰিব লাগে। অনুসৰণ কৰিবলগীয়া এনে নীতি-নিয়ম আৰু বহুতো আছে। তদু পৰি সদায়ে শুদ্ধ ভক্তৰ পৰা ভাগৱত গীতা আৰু শ্ৰীমদ্ভাগৱতৰ শ্ৰৱণ কৰিব লাগে। এই ধৰণৰ অনুশীলনে ভগৱান প্ৰেমৰ স্তৰলৈকে উদগতি কৰাত সহায় কৰে আৰু তাৰ পাচত ঈশ্বৰৰ আধ্যাত্মিক সাম্ৰাজ্যত প্ৰৱেশ লাভ কৰাতো নিশ্চিত হৈ পৰে। ঈশ্বৰৰ অস্তিত্বৰ কল্পনা অবিহনে কোনো এটা কথাকোৱা টান। কিছুমান ক'ব খোজে প্ৰকৃতিৰ ঘটনাবলিৰ পৰাই মানুহ ঈশ্বৰ বিশ্বাস হৈছে। যেনে সূৰ্য উদয়ৰ লগে লগে পোহৰ আহে, উত্তাপ আহে সেইকাৰণে সূৰ্যক দেৱতা ৰূপে চাবলৈ ল'লে। ডাৱৰৰ মাজত বিচুলীৰ চমক, বজ্ৰপাত আৰু বৰষুণক চাই তাকে দেৱতা কল্পনা কৰিলে। সমুদ্ৰৰ বিশাল জলৰাশি আৰু পানীৰ অৱশ্যকতালৈ চাই জলদেৱতাৰ কল্পনা কৰিলে। বতাহৰ তাণ্ডৱ আৰু পৰম আৱশ্যকতাৰ কাৰণে পৱন দেৱতা হ'ল। সম্ভৱত এইদৰেই মানৱৰ বাবে অসম্ভৱ যেন প্ৰকৃতিক ঘটনা ক্ৰমৰ প্ৰতিভয় আৰু ভক্তিৰ ফলতে অগ্নি, বায়ু, বৰুণ, ইন্দ্ৰ, সূৰ্য্য আটায়ে দেৱতাৰ স্থান লাভ কৰিলে। ভাৰতৰ মনীষই অচিৰে অনুভৱ কৰিলে যে এইবোৰ ঘটনাক্ৰমক কোনাবা এক ডাঙৰ শক্তিয়ে নিয়ন্ত্ৰণ কৰি আছে আৰু এই সৰ্বশক্তিমানকেই ঈশ্বৰ বুলি ক'লে। লাহে লাহে ভাৰতৰ ঋষি-মুণি সকলে কঠোৰ তপস্যাৰ দ্বাৰা অনুভৱ কৰিলে যে ঈশ্বৰ নিৰাকাৰ নিৰ্বিকাৰ নিৰহংকাৰ, অনাদি অনন্ত সাৰ্বজনীন আত্মা আৰু পৰমাত্মাৰ অৱধাৰনা আহিল ব্ৰহ্মজ্ঞান আহিল সম্পূৰ্ণ সৃষ্টি জড় আৰু চেতনা সকলোতে একেই পৰমাত্মাৰ অংশ ব্যাপ্ত সৰ্বং খলুহদং ব্ৰহ্মা ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি মানুহে তেওঁৰ উপসনা নাম সংকীৰ্তনাদি কৰিবলৈ ধৰিলে। আমাৰ ভকত সকলে গাইছে "কৃষ্ণ গোপাল কৰুণাময় ৰাম ৰাম হৰি।"

এলবাৰ্ট আইনষ্টাইনে কৈছিল— আমি আমাৰ দুৰ্বল চিত্তেৰে উপলব্ধি কৰা জগতখনক যি উচচতাৰ বৌদ্ধিক শক্তিয়ে পৰিচালনা কৰে সেই শক্তিৰ প্ৰতি বিনম্ৰ, বিস্ময় পূৰ্ণ প্ৰশংসাই হ'ল মোৰ ধৰ্ম্ম। বিশ্বচৰাচৰিত, নিজক প্ৰকাশ কৰা সেই উচ্চ শক্তিৰ অস্তিত্বৰ প্ৰতি থকা গভীৰ প্ৰত্যহেই হ'ল মোৰ ঈশ্বৰৰ ধাৰণা। ধৰ্ম্ম হ'ল মানুহৰ নিজতকৈ অধিক পৰাক্ৰমী এক সত্তাৰ ওপৰত বিশ্বাস, কিন্তু এই সত্তা মানুহৰ মনোভাৱ, কাৰ্য অনুভূতি আচৰণৰ প্ৰতি উদাসহীন— ধৰ্মৰ, সাৰ বস্তু হ'ল ঈশ্বৰৰ ওপৰত পৰমা নিৰ্ভৰশীলতাৰ অনুভূতি। মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ ধৰ্ম্মৰ মূল কথা ভক্তিৰ যোগেদি পৰম পুৰুষ বিষ্ণু বা শ্ৰীকৃষ্ণ প্ৰাপ্তি শ্ৰীকৃষ্ণ অন্তৰ্যামীৰূপে বিশ্বব্ৰহ্মাণ্ডত জড় চেতনা সকলোতে বিদ্যমান ভগৱান শ্ৰীকৃষ্ণৰ একমাত্ৰ সুবাদ আশ্ৰয় পৰম পদ আৰু হৃদয়স্থ। এই উপলব্ধি আৰু জীৱনত তাৰ সুপ্ৰতি ফলনেই হৈছে ধৰ্ম্ম। সকলো জীৱ সকলে ভূত বিষ্ণুৰেই বিভূতি (ভূত মানে মূল পদাৰ্থ, যি আদি বস্তুৰ পৰা জগতৰ আনবিলাক বস্তু হৈছে, আমাৰ ঋষি সকলৰ মতে এনে পদাৰ্থ পাঁচটা যেনে— পৃথিৱী, পানী, জুই, বায়ু আৰু আকাশ, প্ৰাণী জীয়া জন্তু আৰু প্ৰকাশ এই তত্ত্বৰ উপলব্ধিয়ে ধৰ্ম।)

ধৰ্ম সাধাৰণ অৰ্থত স্বভাৱ চৰিত্ৰ যেনে পানীৰ স্বভাৱ বা ধৰ্ম্ম হ'ল তৰলতা, সেইদৰে জুইৰ ধৰ্ম্ম হ'ল দাহকৰা এনে অৰ্থত মানুহৰ ধৰ্ম্ম বা মানৱীয় গুণ কি এই বিষয়ে এটা প্ৰসিদ্ধ সংস্কৃত শ্লোক আছে— ধৃতি, ক্ষমা, দম, অস্তেয়, শৌচম, ইন্দ্ৰিয়, নিগ্ৰহ, ধীঃ, বিদ্যা, সত্যম, আক্ৰোধ, দশকম ধৰ্ম লক্ষণ।

অৰ্থাৎ ধৈৰ্য্য, ক্ষমা, লোভ, মোহ, দমন কৰা, চুৰি নকৰা শুদ্ধতা ইন্দ্ৰিয় সংযম, জ্ঞান আৰু বিদ্যা অৰ্জণ, সত্যপথত চলা আৰু অহিংসা আচৰণ কৰা এই দহতা হ'ল মানৱ ধৰ্ম্মৰ লক্ষণ। ধৰ্ম্মই কৰ্তব্য বা দায়িত্বক ও বুজায় যেনে পুত্ৰধৰ্ম্ম বা ৰাজ ধৰ্ম্ম। ভগৱান শ্ৰীকৃষ্ণই দুষ্টক দমন আৰু শান্তক পালনকে নিজৰ কৰ্তব্য বা ধৰ্ম্ম বুলিছিল। যুদ্ধ কৰাতো ক্ষত্ৰিয়ৰ কৰ্তব্য বা ধৰ্ম। এই ধৰ্ম পালন নকৰাৰ বাবে তেওঁ অৰ্জুনক কৈছিল—

স্বধৰ্মে নিধনংশ্ৰেয়, পৰধৰ্ম (অক্ষত্ৰিয় ধৰ্ম) ভয়াবহ।

মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ বিশেষকৈ মনকৰিবলগীয়া বৈশিষ্ট অন্য এটা দিশত হ'ল বেদ অধ্যায়ন। হিন্দু ধৰ্ম সংস্কৃতিত মূল ধৰ্ম হৈছে 'বেদ' সামবেদ, ঋকবেদ আৰু যৰ্জুবেদক একেলগে ত্ৰয়ী বোলা হয়। এই ত্ৰয়ীৰ লগতে অথৰ্ববেদ আৰু ইতিহাসবেদ (এই ইতিহাসবেদ মানে সম্ভৱতঃ পঞ্চম বেদখন মহাকাব্য মহাভাৰতকে বুজোৱা হৈছে) এই পাঁচখনকে একেলগে বেদ বুলি কোৱা হয়। বেদৰ পৰবৰ্তী পৰ্যায় সাহিত্যৰ নিদৰ্শন বেদাঙ্গ। বেদাঙ্গ হৈছে— শিক্ষ, কল্প বা যজ্ঞ, ব্যাকৰণ, নিৰুক্তি অৰ্থাৎ শব্দ নিৰ্বাচন ছন্দ শাস্ত্ৰ আৰু জ্যোতিষ ব্যাখ্যা কৰি ভাৰতৰ ভিতৰত সনাতন ধৰ্ম্মৰ মুখ্য ক্ষেত্ৰ কাশীধাম সেই সময়ত হৰলাল পাণ্ডা আৰু শ্ৰদ্ধানন্দ পাণ্ডা আদি কৰি দেৱজ্ঞ ব্ৰাহ্মণসকলৰ অনুৰোধত এইবেদ সমূহ পাঠ কৰি অবিশ্বাস্য ভাৱে সমাদৰ আৰু সম্মান লাভ কৰিছিল। সৰ্ব্বভাৰতীয় মাৰ্গত মহাপুৰুষ হৰিদেৱৰ এই বৈশিষ্টই চিৰ দিনলৈ এক উচ্চ আসন পাইছে। হিন্দু ধৰ্ম্মৰ স্বৰূপ ব্যাখ্যা কৰণত কৈছিল হিন্দু ধৰ্ম সনাতন ধৰ্ম সনাতন অৰ্থাৎ আদি কালৰ পৰা যি চলি আহিছে। ভাৰতৰ ধৰ্ম্মৰ সংজ্ঞা হ'ল যাৰ দ্বাৰা নিজৰ জীৱন আৰু আনৰ জীৱনৰ সমৃদ্ধি বিস্তৃত হয় সেয়ে হ'ল ধৰ্ম্ম।

সনাতন ধৰ্মৰ ওপৰত ঋষি সকলে জীৱন ৰহস্যৰ তাৎপৰ্য্যৰ অনুসন্ধান কৰিবলৈ গৈ এক নিত্য-সত্যৰ আৱিস্কাৰ কৰিছিল। তাৰ নাম ব্ৰহ্ম বা আত্মা। সহজ ভাষাত ব্ৰহ্মাই হ'ল সৰ্ব্বব্যাপী। সেইতোৱে পৰম সত্য, প্ৰেমময় ঈশ্বৰে সকলো জীৱনৰ মাজেৰে নিজকে প্ৰকাশ কৰিছে। চাৰিখন বেদ ব্ৰহ্মাৰ স্বৰূপক চাৰিভাগত দেখুৱাইছে। প্ৰজ্ঞানাং ব্ৰহ্ম (ঋকবেদ এতৰেয় উপনিষদ) প্ৰজ্ঞা বা জ্ঞান, যিয়ে আমাৰ আত্মাৰ বিশ্বাস ঘটায় তেঁৱেই হ'ল ব্ৰহ্ম। "অহংব্ৰহ্মামি" (যজুৰ্বেদ, বৃহদাৰাণ্যক উপনিষদ) ময়েই ব্ৰহ্মাৰ অংশ। তত্বঞ্জামি (সামবেদ, ছান্দোগ্য উপনিষদ) তুমিয়েই তেওঁ। অয়ং আত্মা ব্ৰহ্মা অথৰ্ব বেদ মণ্ডুক উপনিষদ) ইয়াৰ অৰ্থ আত্মাই হ'ল ব্ৰহ্মা। এই চাৰিটা বিষয়ৰ মূল কথা হ'ল ব্ৰহ্ম আৰু আত্মা এক। এই বিশাল ভাৱনাৰ মাজত যি নিহিত হৈ আছে সেয়েই হ'ল হিন্দু ধৰ্মচিন্তাৰ মৰ্ম কথা। সভ্যতাৰ গতি আওৰাই গৈ আছে পৃথিৱীত বিভিন্ন ধৰ্মীয় চিন্তাৰ উদ্ভাৱন ঘটি আছে, কিন্তু হিন্দু ধৰ্মৰ এই মৰ্ম কথা এনে ধৰণে প্ৰৱাহমান হৈ আছে। মাত্ৰ এই চিন্তাধাৰাৰ মাজত যুগোপযোগী বিশ্লেষণ হৰিদেৱে বিভিন্ন ভাৱে প্ৰদান কৰি আহিছে।

জান কেলভিনে কৈছিল— মানুহৰ মুক্তি লাভ কৰাটো ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰে আৰু কোনে মুক্তি লাভ কৰিব পাৰে তাক ঈশ্বৰে আগতে ঠিক কৰি ৰাখে, মুক্তিৰ সহজ অৰ্থ সুখ শান্তি লাভ কৰা মানুহ সুখী তেতিয়াহে হ'ব, যেতিয়া শৰীৰ, মন, বুদ্ধি আৰু আত্মা একেলগে যেতিয়া সুখী হ'ব। তেতিয়া মানুহ সুখ পাব পাৰে। যেতিয়া ভগৱানৰ লগত যুক্ত হৈ মহত্তম সত্তাৰ মাজত প্ৰতিষ্ঠিত হৈ তেওঁৰেই শক্তিৰ দ্বাৰা চালিত হৈ সমস্ত কৰ্ম কৰে। ঈশ্বৰ + মই = (শূন্য) শূন্য মানে পূৰ্ণতা আধ্যাত্মিক জীৱনৰ বৈশিষ্ট হৈছে মানুহে তেওঁৰ দৃষ্টি বাথিকৰূপে এনে এটা শক্তিৰ মাজেদি আত্মাৰ অনুসন্ধান কৰাতোৱেই শ্ৰীশ্ৰী হৰিদেৱৰ দাৰ্শনিক ভাৱ ধাৰাৰ পূৰ্ণ প্ৰকাশ। যেতিয়া তেওঁ ভোগ শূন্য, বিকাৰ শূন্য, বিষাদ শূন্য, আসক্তি শূন্য সকলোবোৰ শূন্যৰ মাজতেই জগত প্ৰকৃতিক মূল ভৌতিক ভৰৰ পৰা আত্মাৰ চেতনাৰ লগত যুক্ত কৰি ল'ব পাৰিছে তেতিয়াই তেওঁ পূৰ্ণতা প্ৰাপ্তি হ'ব আৰু সেইবাবেই কোৱা হয় শ্ৰীকৃষ্ণৰ মথুৰা গমনত ৰাধাৰ সৰ্ব শূণ্যতাৰ নামেই হ'ল আধ্যাত্মিক দৰ্শনৰ পূৰ্ণতা। কামৰূপিয়া লোকগীতত তাৰেই প্ৰকাশ ও সুন্দৰী ৰাধে মায়, বৃন্দাবন ছাৰিয়া কৃষ্ণ মথুৰাক যায়, কান্দে গোপীগন, কান্দে বৃন্দাবন, কান্দেছে বিৰিখৰ কুলি, আকুলি বিয়াবুলি কান্দে মা যশোদা মোৰে ৰাম কানু বুলি হে ৰাম। ও সুন্দিৰী ৰাধে মায় বৃন্দাবন ছাৰিয়া কৃষ্ণ মথুৰাক যায়।।

গতিকে আমাৰ সংস্কৃতিয়ে কৈছে— জগতত দুই নাই "একমে বা দ্বিতীয়ম" তেওঁ এক আৰু অদ্বিতীয়। হিন্দু ধৰ্মৰ শেষ বাদে এই মহৎ ধাৰণা আজি এতিয়ালৈকে মানুহৰ চিন্তাত পোৱা নাযায়। ইয়াৰেই নাম অদ্বৈত বাদ। ইয়েই হ'ল বেদান্তৰ সিদ্ধান্ত। বহুপথত প্ৰত্যেক পথৰেই নিজস্ব সাৰ্থকতা আছে আৰু কোনো পথেই যে একক ভাবে সম্পূৰ্ণ নহয়। এই স্বীকৃতিয়েই হিন্দু ধৰ্মক অসংখ্য বৈচিত্ৰভৰাই ৰাখিছে। ইয়াৰ মাজত আছে অদ্বৈতবাদ একেশ্বৰবাদ বহু ঈশ্বৰবাদ সৰ্বস্বৰবাদ। হিন্দু ধৰ্ম্মৰ সংস্কৃতি সকলো কৰ্মৰ আধ্যাত্মিক পৰীক্ষা নিৰীক্ষাৰ এক বিপুল ভাণ্ডাৰৰ নিচিনা। আচল লক্ষ্য হ'ল বহুতৰ মাজত একত্বৰ সন্ধান। ইয়েই হিন্দু ধৰ্মৰ আধ্যাত্মিক সাধনাৰ ফল। এই সংস্কৃতিতেই প্ৰতি গৰাকী মানুহৰ জীৱন নদীৰ দৰে সমুদ্ৰৰূপী ঈশ্বৰত মিলিত হোৱাৰ মাজতে আছে তাৰ সৰ্বব্যাপী সৰ্বাঙ্গীন সাধনা।

সেয়ে কবিয়ে গাইছে—

'তাল মিলে নদীকে জলমে,

নদী মিলে সাগৰ মে,
সাগৰ মিলে কোনছে জল মে কোই জানে না,
চুৰজ কো ধৰতি টৰছে ধৰতিকো চন্দ্ৰমা।
পানী মে ছিপ জেইছে পিয়াচি হুব আত্মা বুন্দ।
চুনি কিছ বাদল মে কোই জানে না।

এই চিন্তাক অতি গভীৰ আৰু ব্যাপকভাৱে প্ৰভাৱিত কৰাৰ উপৰিও প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সম্পূৰ্ণ মানৱ সমাজৰ চিন্তাকেই প্ৰভাৱিত কৰিছে হিন্দু ধৰ্ম্মক বহু ঈশ্বৰবাদী ধৰ্ম্ম বুলি ধাৰণা কৰা দেখা যায় যদিও এই ধৰ্ম্ম প্ৰকৃততে একেশ্বৰবাদী বেদে প্ৰথমৰ পৰাই সেই কথা স্পষ্ট কৰি ৰাখিছে।

শৰণ, গ্ৰহণ বৈষ্ণৱ ধৰ্ম্মৰ মূল বস্তু। ভক্তিভাৱে ভগৱন্তক ভজন কৰিলে সৰ্বসংকট সৰ্ববিপদৰ পৰা ৰক্ষা পাব পাৰে। জীৱই মুক্তি লাভ কৰিবলৈ সক্ষম হয়। বৈষ্ণৱ ধৰ্মত সাধুসংগত সজ কথা আলাপ-আলোচনা মন আৰু ইন্দ্ৰিয় সংযমৰ ওপৰত অধিক গুৰুত্ব দিছে। মহাপুৰুষ শ্ৰীশ্ৰীভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰৰ আদৰ্শ আছিল। প্ৰেম, প্ৰীতি, ক্ষমা, সহনশীলতা, আৰু দয়া, কৰুণা পাপী বা পূৰ্ণবান যিয়েই নহওক যি আশ্ৰয় প্ৰাৰ্থনা কৰি ভগৱানৰ ওচৰত আত্ম সমৰ্পন কৰে তেনে শৰণাগত ভক্তক ভগৱানে নিজৰ কৰি লয়। (ৰামায়ণ বাল্মীকি)

শ্ৰীশ্ৰী মহাপুৰুষ হৰিদেৱৰ প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্ম জাত কুল বিচাৰ নাছিল, তেওঁৰ ধৰ্মৰ দুৱাৰ সকলোৰে বাবে খুলা আছিল। ধৰ্ম্ম প্ৰচাৰৰ আৰম্ভণিতে হাজোৰ মালিপাৰা গাঁওৰ আঠপুৰীয়া খাগৰাক বহৰিৰ পাটহাথি, বৰ্তাতি আৰু বেশ্যাজনীৰ বাৰজন পতি ক্ৰমে— বল, বাম, ৰমানাথ, পাক, সনা, পতিয়া, কমলা, হৰিদাস, হৰিগুণা, ভলা, পাগলা, ৰামদাস আদি নীচ কুলীয়া ব্যক্তি কেইজনক শৰণ দি সমাজত তুলি লোৱাৰ পিছতহে তেওঁ ব্ৰাহ্মণ শিষ্য আচাৰ্য্য হৰি চৰণদেৱ, আচাৰ্য্য যদুমনি, আচাৰ্য্য নাৰায়ণদেৱ, আচাৰ্য্য জগন্নাথদেৱ (গোপীনাথ দেৱ) থানেশ্বৰ দেৱ, উদাৰ গোবিন্দ আৰু কায়স্থ শিষ্য শংকৰদেৱৰ বৈমাত্ৰেয় ভাতৃ বনগএগগিৰিক আৰু কোচবিহাৰৰ ৰজা নৰনাৰায়ণ শৰণ দিয়ে।

অসমৰ বৈষ্ণৱ গুৰুসৱৰ, ধৰ্ম্মীয় দৰ্শন অথবা তেওঁলোকৰ ৰচনা ৰাজিৰ মূল আদৰ্শ একশৰণ চিন্তা তেওঁলোকৰ এই এক শৰণ চিন্তাৰ উৎস বৈদিক সাহিত্য। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই কৈছিল সকলো ধৰ্মৰ সমন্বয় অনাত ধৰ্ম্মীয় দৰ্শনবোৰৰ এটা ভূমিকা আছে। সম্প্ৰদায়গত ধৰ্ম্ম তত্ত্বৰোৰতকৈ এনে ধৰ্মীয় দৰ্শন বহল। কাৰণ ধৰ্ম তত্ত্বৰোৰ প্ৰধানত একোটা ধৰ্ম্ম সম্প্ৰদায়ৰ বিশ্বাস, পূজা-পাতল, আচাৰ-নীতি অতীত কথা আৰু ইতিহাসক কেন্দ্ৰ কৰি গঢ়লৈ উঠে ইয়াতে দৰ্শনৰ ভূমিকা গৌন।

**তত্ত্ব ঃ—** মানে ঈশ্বৰ, সত্যতা, সংখ্যা, দৰ্শনৰ ক্ষিতি, অপ, তেজ, মৰু, ব্যোম, ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ, চকু, কৰ্ণ, নাসিকা, জিহ্বা ত্বক, হস্ত, পদ, মুখ, পায়ু, লিংগ প্ৰকৃতি, মন বুদ্ধি অহংকাৰ এই চতুৰিংগতি তত্ব।

অসমৰ মহাপুৰুষ হৰিদেৱ, শংকৰদেৱ দামোদৰদেৱ আৰু মাধৱদেৱ আহি গুৰু সৱে প্ৰচলনে কৰা এক শৰণ নাম ধৰ্ম্ম অথবা নৱ বৈষ্ণৱ ধৰ্ম্মত এই একেশ্বৰবাদ দৰ্শনৰ এক শৰণ চিন্তাৰ পৰাই উদ্ভৱ। সেয়ে একশৰণ নাম ধৰ্ম্মেৰে অসমীয়া জাতিক এক সমন্বিত মহান জাতি হিচাপে গঢ়িবলৈ সামৰ্থ হৈছে।

সাহিত্যৰথি লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল— "সকলো ধৰ্ম্মৰ সাৰ নাম ধৰ্ম্ম, ধৰ্ম্ম আৰু আমাৰ জীৱ হোৱা উচিত নাম ধৰ্ম্ম। ধৰ্ম্মৰ ওপৰত ব্যাখ্যা দি তেখেতে প্ৰকাশ কৰিছিল যে আমাৰ ধৰ্ম্মৰ কিছুমান নৈতিক সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত যেনে মানুহ সদায় সত্যবাদী হ'ব লাগে সেয়েহে যি আদৰ্শ মানুহে মানৱ জাতিলৈ ঐক্য সংহতি শান্তি আৰু প্ৰগতি আনি দিব পাৰে তেনে বোৰক হে ধৰ্ম্ম আখ্যাদিয়া হয়।

বৈষ্ণৱ গুৰুসৱে মানুহৰ মুক্তি সহজ অৰ্থত সুখ শান্তি লাভ কৰাৰ বাবে ভাগৱতত উল্লেখিত ন বিধ ভক্তিয়ে মহাপুৰুষ সকলৰ ধৰ্ম্মৰ মূল নীতি, শ্ৰৱন, কীৰ্ত্তন, স্মৰণ, পদসেৱন, অৰ্চন বন্দনা দাস্য, সখ্য আৰু নিবেদন। ন বিধ ভক্তিৰ যিকোনো এবিধ মন ঢালি পালন কৰিলে ভাগৱত প্ৰাপ্তি হয় আৰু সংসাৰৰ ত্ৰিপাপৰ পৰা নিবৃত্তি কৰিব পৰা যায়।

**শ্ৰৱণ ঃ—** গুণা কাৰ্য শব্দ তৰংগই কাণৰ পৰ্দাত আঘাট কৰিলে হোৱা অনুভূতি। ধৰ্মত তৎপৰতা মুখৰ ভাষাত মধুৰতা দান কাৰ্য্যত উৎসাহ, বন্ধৰ লগত কৰ্মহীনতা শ্ৰীগুৰুৰ প্ৰতি বিনয় চিত্তৰ গভীৰতা আচৰণত পবিত্ৰতা গুণৰ প্ৰতি সমাদৰ শাস্ত্ৰ বিষয়ত জ্ঞান ৰূপত সৌন্দৰ্যতা এই সকলো গুণ তেওঁৰ মাজতে বিৰাজমান। শ্ৰৱণ কীৰ্তনৰ দ্বাৰাহে জ্ঞান ৰূপ, যজ্ঞ সাধন হ'ব আৰু তাৰ দ্বাৰা মনুষ্যই মুক্তি লাভ কৰিব পাৰে।

**গুণ কীৰ্তন ঃ—** আমি যদি শ্ৰীহৰিৰ গুণ কীৰ্ত্তন কৰো, তেনেহ'লে আমাৰ জীৱনত আৰু কোনো চিন্তা নাথাকে, সেয়েহে লক্ষ্মীপতি নাৰায়ণৰ শ্ৰীচৰণ চিন্তাত সময় অতিবাহিত কৰিব লাগে। ভগৱানৰ সন্মুখত নৃত্য কৰা স্বাস্থ্যসম্মত আনৰ দ্বাৰা

নৃত্য কৰালেও যিজনে নৃত্য কৰায় তেওঁৰ ৰুদ্ৰলোক প্ৰাপ্তি হয়। যিজনাই স্বয়ং নৃত্য কৰি ঈশ্বৰৰ পূজা কৰে সেই ভক্ত শ্ৰীভগৱানৰ অনুচৰ হৈ থাকে।

কলি যুগত ভক্তি সহ ভাগৱত পাঠেই যে উৎকৃষ্ট ধৰ্ম্ম পন্থা মুক্তিৰ উপায় বা সহজ অৰ্থত সুখ-শান্তিৰ উপায় হৰিদেৱ মহাপ্ৰভুই দৃঢ়ভাৱে উপস্থাপিত কৰিছে। সেই একে কথাকে 'বিলেন ধিয়াৰ'ও কৈছে সময় সাময়িক সকলো মুখ্য মুখ্য সমাজত গ্ৰন্থপাঠৰ ওপৰত মূল্য আৰোপ কৰা হয়। ইয়াৰ লক্ষ্য প্ৰধানকৈ অৰ্থনৈতিক অৰ্থ হৈছে মানুহৰ বৃত্তি বা জীৱিকা অথবা মানৱ বসতিপূৰ্ণ, পৃথিৱীয়েই অৰ্থ। সেয়ে পৃথিৱী লাভ আৰু পালনৰ উপায় হৈছে 'কৃষঃ' আদিতে কৃষও আছিল গো-পালক কৃষণ্ডৰ ককায়েক হলিৰাম, হালবোৱা কৃষক নাঙলেৰে তেওঁ মাটি কৰ্ষণ কৰিছিল। কৃষঃ শব্দতো কৃষি কাৰ্যৰ বা খেতিৰ লগত সম্পৰ্ক আছে। 'বৃত্তি' শব্দত বাৰ্তাৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে কৃষি গোৰক্ষা আৰু বাণিজ্যক বাৰ্তা বোলে অৰ্থাৎ যেনে কৃষি কৰ্ম্মৰ বিস্তৃতি ঘটনাৰ ফলস্বৰূপে অৰ্থ, সামাজিক পৰিস্থিতি টনকিয়াল হোৱাৰ পিচতহে ভাৰতবৰ্ষত ব্যাপক হাৰত জ্ঞান বিকাশ হৈছিল। যিহেতু অৰ্থ ধৰ্মৰ মূল আৰু কামৰ উৎপাদক অৰ্থলাভেই সৰ্বলাভ। সহজ অৰ্থত সুখ শান্তি লাভ কৰা সমাজত সুখ-শান্তি প্ৰতিষ্ঠা কৰা বা লাভ কৰাই মানুহৰ জীৱনৰ প্ৰধান লক্ষ্য। অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে জ্ঞানৰ ওপৰত আৰু গ্ৰন্থপাঠ হ'ল জ্ঞান আহৰণৰ আতাইতকৈ কাৰ্য্যকাৰী উপায় আৰু সেই উদ্দেশ্য লৈয়ে তেৰাৰ জীৱন কালত শ্ৰীশ্ৰী হৰিদেৱৰ জন্মদিনত মানেৰীসত্ৰত অখণ্ড ভাগৱত পাঠৰ আয়োজন কৰিছিল। সেই ধৰ্মানুষ্ঠানত নিজ ৰাজ্যৰ উপৰিও ভাৰতৰ আন ৰাজ্যত অতি যশস্বী পণ্ডিতমণ্ডলী সমাপিত হৈছিল। গুৰুজনাৰ এই আদৰ্শ সুঁৱৰি প্ৰতি সম্প্ৰতি বহৰি সত্ৰবাসী ৰাইজে গুৰুজনাৰ প্ৰিয় শিষ্য শংকৰদেৱৰ বৈমাতৃয় ভাই বনগোঁহাইগিৰি স্থাপিত বুনা গোসাঁইৰ থানত প্ৰতি বছৰে অখণ্ডভাগৱত পাঠ ধৰ্মানুষ্ঠান উদ্‌যাপন কৰি আছে। এই ধৰ্ম্মানুষ্ঠান চলি থকা দিন কেইটা ভাগৱতৰ অমৃতময় বাণীয়ে ধৰ্ম্মপ্ৰাণ ৰাইজক সাগৰত ডুবাই ৰাখি, বহৰিক নৈমিষাৰণ্যৰূপে গঢ়ি তোলে।

**বহুমুখী প্ৰতিভা ঃ—** শ্ৰীশ্ৰী হৰিদেৱৰ অন্যতম চাৰিত্ৰিক বৈশিষ্ট দ্ৰষ্টব্য হল, সেয়া হৈছে গুৰুজনাৰ যোগ, প্ৰাণায়াম, নিয়ম সম সম্পৰ্কে থকা অগাধ জ্ঞান তথা পাৰদৰ্শিতা। গুৰুজনৰ পিতৃ অজনাভ দ্বিজে নিজেই সেই কথা স্বীকাৰ কৰি কৈছে—

জন্ম, মৃত্যু কৰিবাৰ সকতিকায়।
সমস্তকে জানা তুমি যোগী শ্ৰেষ্ঠ সাৰ।।

মানুহৰ মন বুদ্ধি অহংকাৰ, এই চিত্ত সমূহ আৰু ইয়াৰ দ্বাৰা পৰিচালিত নিয়ন্ত্ৰণ কৰাই হ'ল যোগ।

প্ৰকৃততে পৰম পিতা পৰমাত্মাৰ সৈতে মিলিত হোৱাৰ অৰ্থাৎ তেওঁৰ লগত যোগ সুত্ৰ স্থাপন কৰাৰ অধিকাৰ সকলোৰে আছে ইয়াত যোগযুক্ত হোৱাটো কঠিন বুলি ক'ব নোৱাৰি। যোগ স্থিত হ'বলৈ হ'লে অথবা জীৱনত সুখ শান্তি পাবলৈ হ'লে ঘাইকৈ ছটা বিষয়ৰ প্ৰয়োজন সেয়া হ'ল (ক) নিশ্চয়তা (খ) সমৰ্পণময়তা (গ) সৰলতা (ঘ) আহাৰ শুদ্ধি আৰু ব্ৰহ্মাচৰ্য (ঙ) স্মৃতি (চ) অভ্যাস।

**নিশ্চয়তা ঃ—** নিশ্চয়তাই হ'ল মন বাক্য আৰু কৰ্মৰ পথ প্ৰদৰ্শক নিজৰ স্বাস্থ্যক উজ্জ্বল কৰাৰ শক্তি, ন্যায়, স্বাস্থ্য, সৌন্দৰ্য্য, সন্তুষ্টি, পূৰ্ণতা, সিদ্ধান্ত, অমৰত্ব, সত্বাৰ শক্তি, আপোনাৰ হৃদয়ত আছে এইদৰে বিশ্বাস কৰি আগবাঢ়ক। যদি আপুনি সদায় স্বাস্থ্যবান যুৱক হৈ থাকিব বিচাৰে অথবা কেতিয়াও বৃদ্ধ হ'ব নিবিচাৰে তেতিয়া আপোনাৰ নিজৰ মনত যৌৱন সুলভ সুখময় বিচাৰ ধাৰাৰ সৃষ্টি কৰিব লাগিব। ইয়াৰ বাবে আপুনি পৰিমিতাচাৰ তথা উচিত আহাৰ খোৱা দৰকাৰ। সংযম পালন কৰা আৱশ্যক যিকোনো বস্তু খাই আপুনি সদায় নিৰোগী হ'ব কেনেকৈ? আপোনাৰ নিজৰ সৌন্দৰ্যৰ সৰোবৰত স্নান কৰিব লাগিব মানুহৰ নিৰ্দেশক হৈছে বিবেক। আত্মাৰ ৰূপত যি প্ৰত্যেক ব্যক্তিৰ অন্তৰতে লুকাই থাকে। সি নিজে কিছুমান সিদ্ধান্ত লয়। যি বীজ আপুনি সিচিব তেনেকুৱা ফলহে আপুনি লাভ কৰিব। আত্মাই সময়ে সময়ে আপোনাক সাৱধান কৰি দিয়ে, কিন্তু কঠিন কামটো হ'ল আমি আত্মাৰ সংকেত বুজি নাপাও আত্মা আমাৰ কোমল হৃদয়ৰ এটি কোণত লুকাই থাকে। যিয়ে আমাক নিৰ্দেশ দি থাকে। আত্মা আপোনাৰ গুৰু, তেওঁৰ নিৰ্দেশ মানি চলক। তেওঁৰ কথাবোৰ এটা এটাকৈ ভালদৰে ধ্যান দিয়ক। কিছুদিনৰ পিচত আপোনাৰ এটা আচৰিত ধৰণৰ পৰিৱৰ্ত্তন সুচনা হ'ব। আপুনি আত্মাৰ বলত পৰিৱৰ্ত্তন হৈ যি কোনো কাৰ্য্যতে সফলতা লাভ কৰিব পাৰিব। আত্মাই আপোনাৰ লগত কেতিয়াও বিশ্বাস ঘাটকতা নকৰে। সি সদায় আপোনাক সু-পথেৰে পৰিচালিত কৰে। আপোনাৰ কাৰ্য্য সিদ্ধিত সেয়ে আপোনাক সহায় কৰে, এই পৃথিৱীত আপুনি আত্মাৰ দৰেই হিতৈষী তত্ত্ব অইন একো তত্ত্বই নেপায়।

যোগাভ্যাস তেতিয়াহে সম্ভৱপৰ হয় যেতিয়া মানুহে যোগী জীৱনক নিজৰ লক্ষ্য বুলি স্থিৰ কৰি পৰমাত্মাৰ চিন্তাত মগ্ন হোৱাৰ প্ৰয়াস কে নিজৰ সাধনা বুলি ভাবিলৈ নিজকে অব্যক্ত আত্মাৰূপে নিশ্চিত কৰে। আত্মা কি শ্ৰীমদ্ভাগৱদ গীতাত কৈছে পাৰ্থিৱ বস্তু আত্মা আৰু পৰমাত্মা সত্তাৰ বিষয়ে জনাতো ধৰ্মীয় নীতিতকৈও অধিক প্ৰয়োজনীয় কথা। আত্মাতো অনুপৰিমাণৰ এক উত্তম বুদ্ধিৰে অনুভৱ কৰিব পাৰি। এই আত্মাটো প্ৰাণ, অৰ্পণ, বাণী সমন আৰু উদাৰ এই পাঁচ প্ৰকাৰ বায়ুত উপঙি থাকে। এই আত্মাৰ পৰিমাণ চুলি এডালৰ আগটোৰ দহ হাজাৰ ভাগৰ এভাগ বুলি কোৱা হয়। গতিকে জীৱত্মাটো পৰমআত্মা কিন্তু ই এটা চেতনা পৰমানুই আন পাৰ্থিৱ বস্তুৰ পৰমাণু কৈ সৰু। পৰমাণু হ'ল জড়বস্তুৰ চকুৰে মনিব নোৱাৰা অতি সুক্ষ্ম কণা, সেই কণাবিলাক গোট খাই এই জগত হৈছে। মানুহৰ শৰীৰৰ ভিতৰত এনে এটা তত্ব আছে যিটোৰ শৰীৰত সমস্ত কাৰ্যকলাপ সঞ্চালিত কৰি থাকে। ইয়াৰ কোনো ভৌতিক অস্তিত্ব নাই। আকাৰ আকৃতিৰ ৰূপ একোই নাই, ইয়াক চকুৰে চাব বা হাতেৰে স্পৰ্শ কৰিব নোৱাৰি। এই তত্বটোৱেই হ'ল মন। মন প্ৰকৃততে আমাৰ সুক্ষ্ম শক্তিহে মানুহৰ পৰিচালনা কৰা চৈতন্য শক্তি আত্মাৰ তিনি শক্তি হ'ল মন, বুদ্ধি আৰু সংস্কাৰ। স্বামী বিবেকানন্দই কৈছে— মন মন আৰু আত্মাৰ যুগ উপাদান হ'ল ইচ্ছা, আত্মাই হ'ল মানুহৰ প্ৰকৃত সত্বা কাৰ্য্যসমূহৰ উৰ্দ্ধত এক নিৰন্তৰ অভিন্ন চেতনা। এই চেতনাৰ পৰাই ইচ্ছাৰ উদ্ভৱ নহয় কাৰণ ইচ্ছা উৎপন্ন হয়। কোনো বিশেষ বাহ্যিক ঘটনাৰ প্ৰতিক্ৰিয়াৰ পৰাহে।

ইয়াৰ উৎস দুই প্ৰকাৰৰ এটা হ'ল অন্তৰ্জগত অৰ্থাৎ মনৰ আৰু আনটো হ'ল বস্তুভিত্তিক। এই উৎস হ'ল জ্যোতি অৰ্থাৎ পোহৰ আনটোৰ উৎস অন্ধকাৰ। মনৰ পৰা উদ্ভৱ হোৱা প্ৰবল ইচ্ছা শক্তিৰ প্ৰভাৱত অসম্ভৱকো সম্ভৱ কৰিব পাৰি।

মানুহৰ শাৰীৰিক মানসিক আৰু আধ্যাত্মিক সত্বাক (মানে প্ৰাণক, আত্মাক) প্ৰাণৱন্ত কৰি ৰাখিব পৰাকৈ বিভিন্ন অঙ্গৰ সমাহেৰে সু-সজ্জিত আৰু প্ৰণালীবদ্ধ ভাৱে গঢ় দিয়া সৰ্বোৎকৃষ্ট উপায় হ'ল যোগ। যোগৰ বিষয়ে অভ্যাস কৰাৰ আগতে আমাৰ দেহৰ অংগ-প্ৰত্যংগৰ কথা জানিব লাগিব।

দেহ গঠনৰ পৰ্যায় সমূহ এনেদৰে দেখুৱাব পাৰি পৰমাণু → অনু → কোষাংগ → কোষ → কলা → অংগ → অংগতন্ত্ৰ → দেহ।

**সমৰ্পণ ময়তা ঃ—** যোগাভ্যাসৰ কাৰণে সমৰ্পণ ময়তা আৱশ্যক আছে। বৰ্তমান মানুহে দেহ, মন আৰু ধনৰ প্ৰতি আসক্ত হৈ দেহ অভিমানী আৰু সম্পত্তি অভিমানীহৈ পৰিছে। সেইবাবে মানুহে যেতিয়া নিজৰ দেহ, মন, ধন পৰমাত্মাৰ ওচৰত সমৰ্পণ কৰে তেতিয়াহে তেওঁ মোহ মুক্ত আৰু স্মৃতিলব্ধ হ'ব পাৰে। অৰ্থাৎ তেতিয়াই তেওঁৰ আসক্তি নোহোৱা হয়। পৰমাত্মাৰ স্মৃতি তেওঁৰ মনত মণিকোঠাত অঙ্কিত হয়। এইৰূপে যেতিয়া পৰমাত্মাৰ লগত সকলো প্ৰকাৰ একাত্ম হ'ব পাৰে তেতিয়াহে পৰমাত্মা আৰু ত্ৰিলোক তেওঁৰ লগত সম্পৰ্কিত হৈ তেওঁৰ হৃদয়ত সদায় আনন্দ বৰ্ষণ কৰে। উদাহৰণ স্বৰূপে কোৱা হয় যে যেতিয়া জনক ৰজাই অষ্টাবক্ৰ ঋষিৰ ওচৰত সৰ্বস্ব সমৰ্পণ কৰিলে তেতিয়াহে তেওঁৰ মন একান্তচিত্ত হৈছিল। গতিকে যোগাভ্যাসৰ ইচ্ছাক গৃহস্থৰ বাবে ই অতি আৱশ্যক যে তেওঁ নিজকে "ট্ৰাষ্টি" অৰ্থাৎ নিমিত্ত জ্ঞান কৰি তেওঁৰ সৰ্বস্ব প্ৰভুৰ ওচৰত সমৰ্পণ কৰি আসক্তভাৱে কৰ্ম কৰি যাব লাগে।

যেতিয়ালৈকে মানুহে নিজৰ পুত্ৰ-কন্যা, ধন, দেহ আৰু সাজ-পোচাকৰ বাবে আসক্ত হৈ থাকে তেতিয়ালৈকে তেওঁ যোগৰ সম্বাদ লাভ কৰিবলৈ সক্ষম হ'ব নোৱাৰে। যোগাভ্যাসৰ দ্বাৰাই আসক্তি নষ্ট হয় আৰু আসক্তি নিবৃত্তি হ'লেহে প্ৰকৃত যোগৰ অধিকাৰী আৰু শক্তিশালী হোৱা যায় আৰু এই শক্তিৰ বলতে শক্তিশালী হৈ শ্ৰীশ্ৰী গুৰু হৰিদেৱে বাৰজন পণ্ডিত ব্ৰাহ্মণে ভক্ষণ কৰিবলৈ দিয়া এক তোলা বিষ ভক্ষণ কৰিব পৰিছিল, তেওঁ বিষ খায় কিছু সময় অজ্ঞান অৱস্থাত থাকি পুনৰ সুস্থ অৱস্থাপ্ৰাপ্ত হৈছিল।

বনগএগাগিৰিও মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ ৰচিত পুথি খনত আন আন চৰিত পুথিৰ দৰে অলৌকিকতাৰ উল্লেখ আছে, গোটেই চৰিত্ৰ পুথিখন গঢ়িলৈ যিটো উত্তম কথা পোৱা যায় হৰিদেৱ গুৰুৰ অন্যান্য অনুপম আৰু আদৰ্শনীয় চাৰিত্ৰিক বৈশিষ্ট্য দ্ৰষ্টব্য হয় সেয়াই গুৰুজনাৰ যোগ, প্ৰণায়ম, নিয়ম, যম সম্পৰ্কে থকা অগাধ জ্ঞান তথা পৰিদৰ্শতা।

১৪৮৮ শকৰ জেঠ মাহে শ্ৰীশ্ৰী হৰিদেৱ গুৰুৰ সাতকুড়ি বছৰ পূৰ্ণ হয়, শ্ৰীশ্ৰী হৰিদেৱ সেইদিনাই অনাগত জন্মৰ বাবে চিৰ বিদায় মাগে।

আৱিৰ্ভাৱ - ১৩৪৮ শক, নাৰায়ণ পুৰ।

মহাপ্ৰয়াণ - ১৪৮৮ শক, মানেৰী।

❑❑

# অসমীয়া জাতীয় জীৱনলৈ হৰিদেৱৰ অৱদান

ড° গোবিন্দ বল্লভ গোস্বামী

অসমীয়া জাতীয় জীৱনলৈ নৱবৈষ্ণৱ আন্দোলনৰ ধৰ্মাচাৰ্যসকলৰ অৱদান অপৰিসীম। তেৰাসবে ভাগৱত বৈষ্ণৱ ধৰ্মৰ ডোলেৰে ছেদেলি ভেদেলি হৈ থকা অসমীয়া সমাজখনক একত্ৰিত কৰি জাতীয় জীৱনৰ ভেটি সুদৃঢ় কৰে। অফুৰন্ত জ্ঞান আৰু বিশাল পাণ্ডিত্যৰ অধিকাৰী ধৰ্মাচাৰ্যসকল সমাজত 'মহাপুৰুষ' ৰূপে স্বীকৃত হৈছে আৰু চিৰকালেই প্ৰাতঃস্মৰণীয় গুৰুৰূপে নমস্য হৈ ৰ'ব। মহাপুৰুষ হৰিদেৱ উক্ত ধৰ্মাচাৰ্যসকলৰ অন্যতম আছিল।

মধ্যযুগৰ কামৰূপে অসমৰ নৱবৈষ্ণৱ আন্দোলনে অসমৰ ইতিহাসত এটি নতুন অধ্যায়ৰ সূচনা কৰিছে। দৰাচলতে এই আন্দোলন চতুৰ্দশ শতিকাত আৰম্ভ হোৱা উত্তৰ ভাৰতৰ ভক্তি আন্দোলনৰ অংশ বিশেষ। হৰিদেৱ, শংকৰদেৱ প্ৰমুখ্যে আচাৰ্যসকলে তীৰ্থ ভ্ৰমণৰ দ্বাৰা ভক্তি আন্দোলনৰ প্ৰতি অতিকৈ আসক্ত হৈ পৰে আৰু তাৰেই অসম মুলুকত প্ৰচাৰ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়। তদানিন্তন কালত অসমৰ ধৰ্মীয় তথা সামাজিক ব্যৱস্থা সোলোক-ঢোলোক হৈ পৰিছিল। বৈষ্ণৱ, শাক্ত, শৈৱ, তান্ত্ৰিক বৌদ্ধ আদি নানা ধৰ্মৰ প্ৰচলনৰ ফলত সমাজত বিশৃংখলতাৰ সৃষ্টি হৈছিল। বিশেষকৈ তান্ত্ৰিক আৰু বৌদ্ধ ধৰ্মৰ নামত বহুতো অপসংস্কৃতিয়ে গা কৰি উঠিছিল। ধৰ্মৰ নামত সমাজত গ্লানি বিৰাজ কৰিছিল, অন্ধ বিশ্বাস তথা অনাচাৰৰ প্ৰাদুৰ্ভাৱত সমাজখন কলুষিত হৈ পৰিছিল। ৰাজনৈতিক পৰিস্থিতিও দুৰ্বল আছিল। এনে দুৰ্দশাগ্ৰস্ত আৰু ধ্বংসমুখী সমাজখনক উদ্ধাৰ কৰাৰ বাবে ধৰ্মাচাৰ্যসকলে উপায় উদ্ভাৱন কৰিলে। ভাগৱত ভক্তি ধৰ্ম প্ৰচাৰৰ যোগেদি জনগণৰ অন্তৰ জয় কৰাৰ সংকল্প ল'লে আৰু তেৰাসৱৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে বৈষ্ণৱ ধৰ্ম নতুন ৰূপত উদ্ভাষিত হৈ উঠিল আৰু অসমীয়া জাতীয় গঠনৰ ভেঁটিও সুদৃঢ় হ'ল।

এইখিনিতে প্ৰশ্ন উঠে, বৈষ্ণৱ ধৰ্ম সেই সময়ত কেনে অৱস্থাত আছিল? আগতেই উনুকিওৱা হৈছে যে বিভিন্ন ধৰ্মৰ প্ৰকোপত বৈষ্ণৱ ধৰ্মই শক্তিশালী ৰূপত অৱতীৰ্ণ হ'ব পৰা নাছিল। উল্লেখ্য যে শ্ৰীমন্ত শংকৰদেৱৰ পৰিয়াল আছিল শিৱভক্ত। তেৰাৰ পিতামহ আছিল শাক্ত উপাসক। মাধৱদেৱ ঘোৰ শাক্ত আছিল। আনহাতে হৰিদেৱৰ জন্ম হৈছিল বৈষ্ণৱ পৰিয়ালত। কামৰূপত বৰ্মনসকলৰ ৰাজত্ব কালৰে পৰাই (খৃঃ ৮০০-৬০০) বৈষ্ণৱ আৰু শৈৱ ধৰ্মৰ প্ৰচলন আছিল। ভূতি বৰ্মাৰ আৰু পৰৱৰ্তী কালৰ ৰজাসকলৰ তাম্ৰ শাসনৰ দ্বাৰা প্ৰমাণ হয় যে প্ৰাচীন কালৰে পৰা কামৰূপত এখন বৈষ্ণৱ সমাজ প্ৰতিষ্ঠা হৈছিল। ব্ৰাহ্মণ্য ধৰ্ম প্ৰচাৰৰ মৰ্মে ৰজাসকলে সুদুৰ উত্তৰ ভাৰতৰ পৰা ব্ৰাহ্মণ পণ্ডিত আনি ৰাজ্যত সংস্থাপন কৰিছিল। ধৰ্ম ৰক্ষাৰ্থে তেওঁলোকক ভূমিদানৰ লগতে অন্যান্য ৰাজ অনুগ্ৰহ প্ৰদান কৰিছিল। প্ৰাক্ নৱ বৈষ্ণৱ আন্দোলনৰ সময়ত ৰাম সৰস্বতী, মাধৱ কন্দলি, হৰিহৰ বিপ্ৰ আদি পণ্ডিতসকলৰ কাব্যত ভাগৱত ধৰ্মৰ গুণানুকীৰ্তন কৰা হৈছে। পণ্ডিত অনন্ত কন্দলিয়ো 'ভাগৱতাচাৰ্য' উপাধি লোৱাৰ উল্লেখ আছে। এনে এটি বাতাবৰণত নৱবৈষ্ণৱ আন্দোলনৰ সূচনা হৈছিল। প্ৰকৃততে ই আছিল সংস্কাৰমুখী আন্দোলনহে।

বাল্যকালৰ পৰাই হৰিদেৱৰ সমাজত প্ৰচলিত ৰীতি-নীতিৰ অধঃপতনৰ প্ৰতি দৃষ্টি আকৰ্ষণ হৈছিল আৰু তাৰ প্ৰতিকাৰৰ বাবে চিন্তা কৰিছিল। তেওঁৰ সংস্কাৰমুখী বক্তব্যৰ পৰাই ৰাজৰোষত পৰি সোতৰ বছৰ বয়সতেই জন্মস্থান ত্যাগ

কৰি তীৰ্থ দৰ্শনৰ উদ্দেশ্যে সুদূৰ পুৰীলৈ যাত্ৰা কৰিছিল। লগত আছিল একমাত্ৰ ভগ্নী। তাত গুৰুজনাই পাঁচ বছৰ কাল অতিবাহিত কৰে আৰু ভাগৱত পুৰাণ আদি শাস্ত্ৰ অধ্যয়নৰ যোগেদি অগাধ বুৎপত্তি লাভ কৰিবলৈ সমৰ্থ হয়। তেওঁৰ জ্ঞান গৰিমাত মুগ্ধ হৈ পুৰীৰ পণ্ডিতসকলে ভাগৱতাচাৰ্য উপাধি প্ৰদান কৰিছিল। দৰাচলতে হৰিদেৱৰ তীৰ্থ যাত্ৰা বিদ্যা শিক্ষাৰ যাত্ৰাহে আছিল। এই সময়ছোৱাতে তেওঁৰ ভগ্নীৰ অকাল মৃত্যু ঘটে। এনে বিপদ সংকুল পৰিস্থিতিতো ধৈৰ্য নেহেৰুৱাই স্থিতপ্ৰজ্ঞ হৈ তেওঁ আগবাঢ়িলে আৰু অধিক জ্ঞান অৰ্জনৰ বাবে। কাশী, প্ৰয়াগ, বৃন্দাবন আদি তীৰ্থসমূহ দৰ্শনৰ অন্তত তেওঁ কাশীত একান্ত চিত্তে অধ্যয়নত ব্ৰতী হ'ল। বেদ, বেদান্ত আদি নানা শাস্ত্ৰত বুৎপত্তি লভিলে। বহুতো বিচক্ষণ পণ্ডিতৰ সান্নিধ্যলৈ আহি অভিজ্ঞতাৰে পৰিপুষ্ট হ'ল। বিশেষকৈ বেদ, বেদান্ত আদি শাস্ত্ৰত পাৰদৰ্শিতা অৰ্জন কৰিলে। উল্লেখ্য, ইতিমধ্যে উত্তৰ ভাৰতত ভক্তি ধৰ্মৰ ঢৌৱে প্লাৱিত কৰিছিল। চতুৰ্দশ শতিকাত আচাৰ্য ৰামানন্দই এই আন্দোলনৰ নেতৃত্ব দিছিল। হৰিদেৱ গুৰুও ভক্তিধৰ্মৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈ নিজ ৰাজ্য কামৰূপত ভাগৱত ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হয়।

এক দশক কাল শাস্ত্ৰ অধ্যয়ন কৰি সাতাইশ বছৰ বয়সত গুৰুজনাই কামৰূপলৈ উভতে আৰু লোহিত্যৰ উত্তৰ পাৰে বৰ্তমান বৰপেটা জিলাৰ 'বহতি' গাঁৱত থিতাপি লয়। এই গাঁৱতে তেওঁৰ পূৰ্ব পুৰুষসকলে বসতি কৰিছিল। 'বহতি' (পিচলৈ বহৰি) গাঁৱত স্থানীয় লোকৰ সহযোগত এখন মনোৰম আশ্ৰম পাতে আৰু তাত বাসুদেৱ বিগ্ৰহ প্ৰতিষ্ঠা কৰি ভাগৱত ধৰ্ম প্ৰচাৰৰ শুভাৰম্ভ কৰে। প্ৰশ্ন হয়, অকলশৰীয়া হৰিদেৱে গোটেই জীৱন কাশী বা পুৰীত থাকি ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰিব পাৰিলেহেঁতেন। দহ বছৰ কাল বিদেশত থকাৰ পিচত পুনৰ নিজ দেশলৈ অহাৰ কোনো প্ৰয়োজন নাছিল। কিন্তু গুৰুজনাই তাকে নকৰি অদম্য আকাংক্ষা বুকুত বান্ধি ধ্বংসমুখী সমাজখন উদ্ধাৰৰ বাবেই প্ৰত্যাৱৰ্তন কৰিলে। এনে মহান আদৰ্শ আগত ৰাখিয়েই গুৰুজনা ধৰ্ম প্ৰচাৰত ব্ৰতী হ'ল যাতে ধৰ্ম প্ৰচাৰৰ মাধ্যমেৰে এখন নতুন সমাজ গঢ়ি তুলিব পাৰে। তিনি বছৰ কাল বহৰিত থকাৰ পিচত তেওঁ ধৰ্ম প্ৰচাৰৰ দায়িত্ব বাৰজন ভক্তৰ হাতত অৰ্পণ কৰি পূব দিশৰ নাতি দূৰত অৱস্থিত 'মণিয়ৰী' গাঁৱলৈ গমন কৰে আৰু তাতেই স্থায়ীভাৱে থাকি প্ৰচাৰ কাৰ্য চলায়। উল্লেখ্য, আজিও বহৰি সত্ৰ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত সমিতিয়ে সত্ৰ পৰিচালনাৰ দায়িত্ব বহন কৰিছে।

হৰিদেৱে অনেক বাধা-বিঘিনি অতিক্ৰম কৰি ধৰ্ম কাৰ্য চলাবলগীয়া হৈছিল। তাহানি কালত যাতায়াত ব্যৱস্থা নাছিল বুলিয়েই ক'ব পাৰি। হাবি-জংঘলেৰে ভৰা গ্ৰাম্যাঞ্চলত হিংস্ৰ জন্তুৰো উপদ্ৰৱ চলিছিল। তেওঁ প্ৰায়েই ভ্ৰমণ কালত বাঘ, বনৰীয়া ম'হ আদি ডাঙৰ জন্তুৰ দ্বাৰা আক্ৰান্ত হৈছিল। হৰিত একান্ত ভকতি ৰাখি আৰু যোগ সাধনাৰ বলত তেওঁ তেনে বিপদৰ পৰা মুক্ত হৈছিল। বহুতো দস্যু প্ৰকৃতিৰ লোকে তেওঁক প্ৰাণনাশৰ ভাবুকি দিছিল। গুৰুজনাই তেওঁৰ বিশাল মানৱীয় গুণেৰে এনে অসৎ স্বভাৱৰ লোকক বশীভূত কৰিব পাৰিছিল। বাৰিষা কালত বানপানীয়েও বহুত আহুকালৰ সৃষ্টি কৰিছিল। একমাত্ৰ পুত্ৰ দামোদৰে পানীত ডুবি অকাল মৃত্যু বৰণ কৰিছিল। তৎসত্ত্বেও তেওঁ কদাপিও গন্তব্য পথৰ পৰা আঁতৰি অহা নাছিল।

পুৰাণসূৰ্য ভাগৱত বেদ-বেদান্ত আদি শাস্ত্ৰৰ ৰসৰ ভঁৰাল। ভাগৱতত কোৱা হৈছে যে এই পুৰাণখন বৈদিক সাহিত্যৰূপ কল্পবৃক্ষৰ পৰা সৰি পৰা এটা পকা ৰসাল ফল। বিষ্ণু-কৃষ্ণ ভক্তিয়েই ইয়াৰ মূল বস্তু। এয়া হ'ল ভাগৱত বা বৈষ্ণৱ ধৰ্ম। ভাগৱতত নিহিত নৱবিধ ভক্তিৰেই (মাধ্যমেৰে) আচৰণ কৰিব পাৰি। সেয়ে এই ধৰ্মমতক ভক্তিবাদ বা ভক্তি ধৰ্মও কোৱা হয়। হৰিদেৱ প্ৰমুখ্যে আমাৰ বৈষ্ণৱ গুৰুসকলে তীৰ্থ ভ্ৰমণ কালত ভক্তি ধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈ কামৰূপ অসমত ভক্তিৰস বিলাইছিল। ভাগৱতত এক শৰণ ধৰ্মৰ কথা হৈছে— 'এক দেৱ এক সেৱ।' এই আদৰ্শ বেদতেই নিহিত আছে— 'একং সদ্ বিপ্ৰাঃ বহুধা বদন্তি।' বেদান্তৰ 'ব্ৰহ্ম'ও একেই। সেয়ে বিখ্যাত টীকাকাৰক শ্ৰীধৰ স্বামীয়ে কৈছে— "কৃষ্ণস্তু ভগৱান স্বয়ম্"। আমাৰ বৈষ্ণৱ গুৰুসকলে উক্ত সাৰ মৰ্ম উপলব্ধি কৰিয়েই ভাগৱত ধৰ্ম প্ৰচাৰ কৰিছিল নৱবিধ ভক্তি মাধ্যমেৰে। মহাপুৰুষ হৰিদেৱে আটাইকেইটা ভক্তি পথ মানি ল'লৈও শ্ৰৱণ-কীৰ্তন, অৰ্চন-বন্দনত বেছি গুৰুত্ব দিছিল। আনহাতে শ্ৰীমন্ত শংকৰে শ্ৰৱণ কীৰ্তনকহে ভক্তি আচৰণৰ ঘাই পথ বুলি নিৰ্ণয় কৰিছে।

ভক্তি ধৰ্ম আচৰণ অতি সহজ-সৰল। ভক্তই মুক্তভাৱে অৰ্থাৎ পুৰোহিতৰ সহায় নোলোৱাকৈ

পোনপটীয়াকৈ ভগৱানৰ উপাসনা কৰিব পাৰে। 'মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ' অৰ্থাৎ হৃদয়ত ঐকান্তিকভাৱে ভগৱানৰ ৰূপ ধাৰণ কৰি নিৰ্মল চিত্তে ভগৱানৰ চৰণত আত্মনিবেদন কৰা। একাদশ শতিকাত দাক্ষিণাত্যত ৰামানুচাৰ্যই 'বিশিষ্টাদ্বৈতবাদ'ৰ যোগেদি ভক্তিবাদৰ বৈপ্লৱিক পৰিৱৰ্তন আনে। অসমৰ বৈষ্ণৱ গুৰুসকলেও ৰামানুচাৰ্যৰ মতকে অনুসৰণ কৰিছিল। পুৰণি আৰু পৰম্পৰাগত আড়ম্বৰপূৰ্ণ তথা ব্যয় বহুল আচাৰ অনুষ্ঠানৰ পৰিৱৰ্তে জনগণৰ বোধগম্য আৰু সহজ আচৰণৰ উদ্ভাৱনে বৈষ্ণৱ ধৰ্মৰ এটি বৈপ্লৱিক পৰিৱৰ্তন আনে। বৈষ্ণৱ ইতিহাসত ই এটা গুৰুত্বপূৰ্ণ অধ্যায়। ভক্তি ধৰ্ম আচৰণত জাত-পাতৰ কথা নাই, সকলো শ্ৰেণীৰ লোকৰ বাবে খোলা। অন্ত্যজ চণ্ডালসকলেও একে লগ হৈ উপাসনা কৰিব পাৰে। এনে মহান আদৰ্শ সাৰোগত কৰিয়েই ধৰ্মমূৰ্তি হৰিদেৱে ভগৱৎ ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। ফলস্বৰূপে সমাজৰ নিম্ন শ্ৰেণীৰ লোকেও হৰিদেৱত আশ্ৰয় লৈছিল। আজিও হৰিদেৱ পন্থত এই পৰম্পৰা অব্যাহত আছে। প্ৰকৃততে কামৰূপ অসমৰ নৱবৈষ্ণৱ আন্দোলনে সমাজত এক বৈপ্লৱিক পৰিৱৰ্তন আনে।

ভাৰতীয় সংস্কৃতিত মূল লক্ষ্য- বিশ্ব শান্তি স্থাপন। ঐক্য, মৈত্ৰী আৰু ভাতৃত্ববোধ ইয়াৰ ঘাই সমল। এনে মহান আদৰ্শকে হৰিদেৱে জনগণৰ মাজত প্ৰচাৰ কৰিছিল। ভগৱান বুদ্ধয়ো তাকেই কৈছে— 'বহুজন হিতায় বহুজন সুখায়' জনগণৰ হিতৰ পৰাই ধৰ্মাচৰণ কৰা হয়। হৰিদেৱ গুৰুৱে সদাচাৰৰ যোগেদি ধৰ্মাচৰণ কৰিবলৈ ভক্তসকলক দঢ়াই দঢ়াই উপদেশ দিছিল। দয়া, ক্ষমা, অহিংসা, প্ৰেম, ভাতৃত্ববোধ আদি গুণ আহৰণ কৰিলেহে এখন সুস্থ শান্তি-সম্প্ৰীতিৰে ভৰা সমাজ গঠন সম্ভৱপৰ হয়। সদ্ আচৰণে আধ্যাত্মিক উৎকৰ্ষ সাধন কৰে। সেয়ে ভক্তি ধৰ্মৰো ই অপৰিহাৰ্য অংগ। হৰিদেৱ গুৰুৱে সদ্‌সংগী সত্ৰ স্থাপনৰ বাবেহে ভক্তসকলক উপদেশ দিছিল।

সত্ৰ আৰু নামঘৰ বৈষ্ণৱ আন্দোলনৰ অপূৰ্ব সৃষ্টি। বৈষ্ণৱ গুৰুসকলে ইয়াৰ গছপুলি পুতিছিল আৰু পৰৱৰ্তী কালত ই ফুলে-ফলে জাতিস্কাৰ হৈ উঠে। হৰিদেৱে আদিতে 'দেৱাশ্ৰম' স্থাপন কৰি তাত বাসুদেৱৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰি পূজা-সেৱা কৰিছিল। ভাগৱত পাঠ, ধৰ্মালোচনাৰ দ্বাৰাই ধৰ্ম প্ৰচাৰ কৰিছিল। শংকৰদেৱেও 'থান' পাতিহে ধৰ্ম প্ৰচাৰ কৰিছিল। তাৰ আধাৰতেই সত্ৰবোৰ গঢ়ি উঠে। সমূহীয়া উপাসনা বা শ্ৰৱণ কীৰ্তনৰ বাবে নামঘৰ, গোসাঁইঘৰ গঢ়ি উঠে আৰু লাহে লাহে সত্ৰৰ পৰিধিও বিস্তাৰ হয়। পণ্ডিতসকলে মত পোষণ কৰে যে দামোদৰ গুৰুৰ প্ৰিয় শিষ্য বৈকুণ্ঠ নাথ ভট্টাচাৰ্যৰ দিনতহে সত্ৰ পূৰ্ণাংগ ৰূপত বিকশিত হয়। হৰিদেৱ আৰু দামোদৰদেৱ পন্থৰ সত্ৰবোৰ এখন আশ্ৰমৰ আৰ্হিত গঢ়ি তোলা হৈছিল। শুৱনি আৰু পবিত্ৰ গছ-গছনিৰে পৰিবেষ্টিত গোসাঁইঘৰৰ চৌহদটো একোখন বিতোপন আশ্ৰম। তাত প্ৰৱেশ কৰিলেই মন-প্ৰাণ বিয়াকুল হয়। ভক্তসকলে অহৰহ নামকীৰ্তন কৰি চৌহদটো ভক্তিধৰ্মৰ ধ্বনিৰে নৈমিষাৰণ্যত পৰিণত কৰে। ভক্তসকলৰ সমাগমত আনন্দ-উল্লাসৰ সৃষ্টি হয়। ক্ষন্তেকৰ বাবে হ'লেও তেওঁলোকে দুখ-যন্ত্ৰণাৰ পৰা মুক্ত হৈ পৰে। সত্ৰবোৰ হৈছে বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ। ধৰ্মাচৰণৰ বাদেও সত্ৰই সামাজিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সমাজত শান্তি সম্প্ৰীতি ৰক্ষাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। নামঘৰত, গোসাঁইঘৰত সমূহীয়া সমস্যা, হাই-কাজিয়া, দায়-দোষ আদি ব্যক্তিগত সমস্যাৱলীও বিচাৰ কৰাৰ নিয়ম প্ৰচলন হৈছিল। হৰিদেৱপন্থী সত্ৰবোৰত আজিও সেই পৰম্পৰা অব্যাহত আছে। সেয়ে অসমীয়া সমাজত সত্ৰবোৰ সকলো বৈষ্ণৱৰ বাবে আদৰ্শনীয় আৰু তাত প্ৰচলিত ৰীতি-নীতি জনসমাজত অৱশ্যেই পালনীয়। সময়ৰ সোঁতত সত্ৰীয়া পৰম্পৰাৰ পৰিৱৰ্তন ঘটিলেও হৰিদেৱী সত্ৰবোৰত বহুলাংশে অটুত আছে।

অসমীয়া সমাজলৈ হৰিদেৱৰ এটি বিশেষ অৱদান হ'ল -নাৰীক মৰ্যাদা প্ৰদান। বৈদিক আদৰ্শৰে অনুপ্ৰাণিত হৈ গুৰুজনাই পুৰুষ-মহিলাৰ মাজত ধৰ্মাচাৰণ ক্ষেত্ৰত সমানে অধিকাৰ সাব্যস্ত কৰিছিল। তেওঁৰ দুহিতা চিৰকুমাৰী আই ভুৱনেশ্বৰীয়ে ধৰ্ম কাৰ্যত সদায়ে সহায় কৰিছিল। তেওঁক উপযুক্ত বিবেচনা কৰি হৰিদেৱে বৈকুণ্ঠপ্ৰয়াণৰ আগতেই সত্ৰ পৰিচালনাৰ ভাৰ অৰ্পণ কৰিছিল। এনে উদাহৰণ বৈষ্ণৱ ইতিহাসত বিৰল। ইয়াৰ দ্বাৰা গুৰুজনাৰ প্ৰগতিশীল তথা মহানুভৱতাৰ আদৰ্শকে প্ৰতিপন্ন কৰিছে। উল্লেখ্য, শংকৰদেৱৰ নাতিবোৱাৰী আই কনকলতাই প্ৰায় এশ বছৰমান পিচতহে সত্ৰ পৰিচালনা তথা ধৰ্মাধিকাৰিণী দায়িত্ব গ্ৰহণ কৰিছিল।

মহাপুৰুষ হৰিদেৱে স্মৃতি নিহিত আচাৰ-নীতি পালন কৰিবলৈ ভক্তসকলক উপদেশ দিছিল। সেয়ে সত্ৰবোৰত

আজিও তাৰ প্ৰচলন আছে। ই সমাজৰ বান্ধোন কটকটীয়াকৈ ৰাখে। পাপ ধৰ্মৰ প্ৰতি মানুহৰ ভয় বা সংকোচ হয়। বিভিন্ন পাপ কৰ্ম, যেনে গোবধ, গো পতিত, বেশ্যাগমন, নাৰী নিৰ্যাতন আদি অপকৰ্মৰ বাবে স্মৃতি (ন্যায় শাস্ত্ৰ) নিহিত ব্যৱস্থাৱলীৰ দ্বাৰাই প্ৰায়শ্চিত্ত হৈ উদ্ধাৰ হোৱাৰ নিয়ম আছে। দোষীজনক অপৰাধ বিচাৰ কৰি বিধি অনুসৰি দণ্ড (জৰিমনা) বিহা হয়। এই নিয়ম প্ৰচলনৰ বাবেই সমাজত পাপ কৰ্মৰ সংখ্যা কম আছিল। সমাজ সুৰক্ষাৰ বাবেই এনে ব্যৱস্থাৰ প্ৰয়োজনবোধ কৰি গুৰুজনাই সত্ৰবোৰত এনে ব্যৱস্থা নিৰ্ধাৰণ কৰিছিল।

মহাপুৰুষ হৰিদেৱে ধৰ্মপ্ৰচাৰৰ অৰ্থে দুখন মূল্যৱান গ্ৰন্থ ৰচনা কৰিছিল। নিঃসন্দেহে দুয়োখন গ্ৰন্থ বৈষ্ণৱ সাহিত্যৰ অমূল্য সম্পদ। 'ভক্তিৰস তৰঙ্গিণী' গ্ৰন্থত তেওঁ ভক্তিধৰ্মৰ উৎপত্তি, ক্ৰমবিকাশ আৰু মহিমা বৰ্ণনা কৰিছে। মূলতঃ ই এখনি সংকলিত গ্ৰন্থ। ভাগৱত পুৰাণ, পদ্মপুৰাণ আদি গ্ৰন্থৰ পৰা শ্লোক সংগ্ৰহ কৰি ইয়াত সন্নিৱিষ্ট কৰিছে। লগতে ভক্তি বিষয়ক আনুসংগিক আচাৰ-অনুষ্ঠান পালন, কলিকালত ভক্তিৰ মাহাত্ম্য আৰু ভক্তসকলৰ কৰণীয় কামৰ উপদেশ নিহিত আছে। পুথিখনৰ বৈশিষ্ট্য হ'ল— সংস্কৃত শ্লোকৰ লগতে সমান্তৰালভাৱে পুৰণি কামৰূপী ভাষাত তাৰ অনুবাদ। ভাষা অতি সৰল আৰু গদ্য ঠাঁচত লিখা। সৰ্বসাধাৰণৰ বাবে ই বোধগম্য পুথি। শংকৰদেৱে 'ভক্তি ৰত্নাকৰ', মাধৱদেৱৰ দ্বাৰা অনুদিত বিষ্ণুপুৰীৰ 'ভক্তি ৰত্নাৱলী', ভট্টদেৱৰ 'ভক্তি বিবেক' আৰু 'ভক্তি ৰস তৰঙ্গিণী' পুথিখন একে পৰ্যায়ৰ বুলি ক'ব পাৰি। বিশেষত্ব এই যে গদ্য ঠাঁচত লিখা ভক্তি বিবেক গ্ৰন্থখন হৰিদেৱ পন্থৰ আৰু ভট্টদেৱৰ সমসাময়িক কবি গোবিন্দ মিশ্ৰই পদ্য ছন্দত অসমীয়ালৈ অনুবাদ কৰি বৈষ্ণৱ সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

হৰিদেৱ বিৰচিত 'শৰণ সিদ্ধান্ত' গ্ৰন্থখনো ভক্তি ধৰ্মৰ অমূল্য সম্পদ। ইয়াত একশৰণ ভাগৱত ধৰ্মৰ তাৎপৰ্য দাঙি ধৰা হৈছে। গুৰু শিষ্যৰ লক্ষণ, সম্বন্ধ তথা সদ্‌গুণৰ প্ৰয়োজনীয়তা, বৈষ্ণৱৰ কৰ্তব্য আদিৰ বৰ্ণনা আছে। বিভিন্ন ভক্তি বিষয়ক গ্ৰন্থৰ পৰা সাৰমৰ্ম সংগ্ৰহ কৰি স্বৰচিত সংস্কৃত শ্লোকৰ লগতে তাৰ অসমীয়া অনুবাদ (পদ্য ছন্দত) উপস্থাপন কৰিছে। তাৰোপৰি শৰণ-ভজনৰ মাহাত্ম্য, নৱবিধা ভক্তিৰ বৰ্ণনা আদি বিভিন্ন বিষয়ে আলোকপাত কৰা হৈছে।

পৰিতাপৰ কথা যে আজি ৫৫০ বছৰ পিচতো হৰিদেৱ গুৰুৰ বহুমুখী প্ৰতিভা, বিশাল পাণ্ডিত্য তথা সমাজ সংস্কাৰৰূপে সমাজত যথাযথভাৱে মূল্যাংকণ হোৱা নাই। সৰ্বসাধাৰণৰ ধাৰণা যে তেওঁ এগৰাকী ধৰ্ম প্ৰচাৰকহে আছিল। এচামে উদ্দেশ্য প্ৰণোদিতভাৱে সমালোচনা কৰাও দেখা গৈছে। এনে মনোভাৱে সমাজৰ ক্ষতিহে কৰে। হৰিদেৱ আৰু দামোদৰদেৱক বাদ দি বৈষ্ণৱ আন্দোলনৰ ইতিহাস সম্পূৰ্ণ বুলি ক'ব নোৱাৰি। গুৰু দুজনাৰ অনুগামী শ শ সত্ৰই তাৰ সাক্ষী দিয়ে। এই কথা স্বাকীৰ্য যে প্ৰাচীন কালত অৰ্থাৎ বৰ্মন, পাল বংশৰ ৰাজত্ব কালত কামৰূপত এখন বৈদিক ধৰ্মীয় সমাজ গঢ়ি উঠিছিল। গুপ্ত যুগত ভাৰতবৰ্ষৰ অন্য ভূভাগৰ লগত কামৰূপৰ সাংস্কৃতিক সম্বন্ধ ঘটে। পৰৱৰ্তীকালত কমতেশ্বৰ সকলৰ পৃষ্ঠপোষকতাত আৰু তাৰ পিছত কোচ ৰজাসকলৰ দিনত বহুতো জনজাতীয় সংস্কৃতি বৈদিক সংস্কৃতিৰ অন্তৰ্ভুক্ত হৈ অসমীয়া জাতীয় জীৱনলৈ নতুন পোহৰ সঞ্চাৰিত কৰে। আহোম সাম্ৰাজ্য বিস্তাৰৰ লগে লগে অসমীয়াসকলক একত্ৰিত কৰা হ'ল আৰু সংস্কৃতিয়েও প্ৰসাৰতা লাভ কৰিলে। শংকৰদেৱ, হৰিদেৱ প্ৰমুখ্যে বৈষ্ণৱ গুৰুসকলৰ প্ৰচেষ্টাত অসমীয়া জাতি গঠনৰ ভেঁটি সুদৃঢ় হ'ল। ভক্তি ধৰ্মৰ ছত্ৰছায়াত মানসিক আৰু সাংস্কৃতিকভাৱে অসমীয়া জাতি একতাৰ ডোলেৰে বান্ধ খালে।❑❑

**(হৰিদেৱ কথা অমৃত গ্ৰন্থত প্ৰকাশিত)**

# মহিলাৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ সংগ্ৰামত হাৰিভাঙ্গাৰ মহিলাৰ অৱদান

ড° মন্‌জু হালৈ

"পশ্চাতে ৰেখেছে যাৰে সে তোমাকে পশ্চাতে টেনেছে।"— কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ এইষাৰ মন্তব্য মূল্যৱান আপ্তবাক্যত পৰিণত হৈছে। সমাজব্যৱস্থাৰ মুখ্য উপাদানদ্বয় (পুৰুষ আৰু মহিলা)ৰ কোনোটোৱে আনটোক পিচলৈ ঠেলি সামগ্ৰিকভাৱে সমাজখনক অগ্ৰগামী কৰি তুলিব নোৱাৰে, ই ধ্ৰুৱপ আৰু বিশ্বজনীন। তৎসত্বেও মহিলাসকলক পশ্চাদগামী কৰি ৰখাৰ অহৰহ প্ৰক্ৰিয়া পৃথিৱীৰ সকলো দেশতে অদ্যপৰিমিত বিদ্যমান। আমাৰ দেশ ভাৰতবৰ্ষৰ লগতে অসমো ইয়াৰ ব্যতিক্ৰম নহয়, য'ত মুঠ জনগাঁথনিৰ প্ৰায় ৪৮ শতাংশই নাৰী। বিখ্যাত সমাজতত্ববিদ এঙ্গেলছ্‌ৰ মতে, ইতিহাস সৃষ্টিৰ আগৰ সময়ছোৱাত নাৰীহে মানুহৰ দল নেত্ৰী আছিল। লাহে লাহে সম্পত্তিৰ মালিকীস্বত্ব আৰম্ভ হোৱাৰ ফলত পুৰুষসকলে সম্পত্তিৰ মালিকানা হস্তগত কৰে আৰু মহিলাসকলৰ কৰ্তৃত্ব কমি আহিবলৈ ধৰে। কাৰ্লমাৰ্ক্সৰ মতে, 'সম্পত্তিৰ অ-সম বিতৰণ বা 'Surplus value' ই হৈছে সমাজৰ শ্ৰেণী বৈষম্যৰ মূল কাৰণ। আনহাতে লিংগ বৈষম্যও একেটা কাৰণতে হোৱা বুলি নিশ্চিতকৈ ক'ব পাৰি। পৰিৱৰ্তিত পৰিস্থিতিত নাৰীসকলৰ অৱস্থান অৱনমিত হৈ পুৰুষৰ ব্যক্তিগত সম্পত্তিত পৰিণত হয় আৰু তেওঁলোকে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ দ্বাৰা শোষিতও হ'বলৈ ধৰে। 'মাতৃতান্ত্ৰিক সমাজে পিতৃতান্ত্ৰিক সমাজলৈ গতি কৰাৰ ইয়েই ঐতিহাসিক সূত্ৰ। সেয়ে অতীতৰ পৰা অদ্যবিধি নাৰীৰ স্বাধীনতা শিক্ষা-দীক্ষা ইত্যাদি সকলোবোৰ ক্ষেত্ৰতেই অৱহেলিত আৰু বাধাপ্ৰাপ্ত হৈ আহিছে। আৰ্থ-সামাজিক সকলো ক্ষেত্ৰতে নাৰীয়ে স্বাধিকাৰৰ পৰা বঞ্চিত হৈ অহাৰ ফলত সামগ্ৰিকভাৱে সামাজিক ক্ষেত্ৰতো প্ৰগতি সম্ভৱ হোৱা নাই। বিখ্যাত অৰ্থনীতিবিদ অমৰ্ত্য সেনে দিয়া পৰামৰ্শ মতে, সামাজিক খণ্ডৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিওঁতে নাৰীৰ সামাজিক উন্নতিৰ কথা চিন্তা নকৰিলে সমাজৰ উন্নতি কোনোপধ্যে সম্ভৱ হ'ব নোৱাৰে।

মনকৰিবলগীয়া কথা হ'ল বিভিন্ন বাধা নেওচি বৰ্তমান নাৰী সমাজ বহু আগবাঢ়ি আহিছে। ব্যক্তিগত প্ৰচেষ্টা অথবা কোনো গুণৱান পিতৃ-মাতৃৰ অনুপ্ৰেৰণাত কোনো কোনো মহিলাই দক্ষতাৰে বিভিন্ন দায়িত্বশীল বিভাগৰ উচ্চ পদস্থ বিষয়া পদতো অধিষ্ঠিত হৈছে। স্বাধীনোত্তৰ কালত ১৯৭০ চন মানৰ পৰা মহিলাসকলে প্ৰশাসনীয় ব্যৱস্থাপনা, পৰিচালনা, বৃত্তিমূলক, কাৰিকৰী, কেৰাণী, বিক্ৰীবিভাগ ইত্যাদিত লাভ কৰা নিয়োজনৰ খৰতকীয়া গতি পৰিদৃষ্ট হয়। উল্লেখযোগ্য যে বৰ্তমান শিক্ষা বিস্তাৰৰ লগে লগে পাৰিবাৰিক ক্ষেত্ৰত লিঙ্গ বৈষম্য কিছুপৰিমাণে হ্ৰাস হোৱাৰ বাবে বিগত প্ৰায় পঞ্চদশ বছৰ মানৰ পৰা বিভিন্ন চূড়ান্ত পৰ্যায়ৰ পৰীক্ষা সমূহত ছোৱালীৰ উত্তীৰ্ণৰ হাৰ বৃদ্ধি হোৱাৰ লগতে এইক্ষেত্ৰত ল'ৰাতকৈ ভাল ফলাফল দেখুৱাবলৈও সক্ষম হৈছে। তৎসত্বেও প্ৰচলিত সমাজ ব্যৱস্থাত থকা আসোঁৱাহৰ কাৰণে আৰ্থ-সামাজিক সকলো ক্ষেত্ৰতে মহিলাসকলৰ স্বাধিকাৰ ৰক্ষিত হোৱা নাই। আমাৰ ধাৰণা সামগ্ৰিকভাৱে নাৰীৰ অৰ্থনৈতিক দুৰ্বলতা, শিক্ষা আৰু গণতান্ত্ৰিক চেতনাৰ অভাৱে এই প্ৰৱণতাত ইন্ধন যোগাই আহিছে।

শস্য শ্যামলা অসমী জননীৰ নিৰুপমা জীয়াৰী নলবাৰী জিলা। এই জিলাৰ অন্তাচলত অৱস্থিত নাম্বৰভাগ মৌজাৰ অন্তৰ্গত এখনি অপৰূপা গাঁও হাৰিভাঙ্গা। মধ্যমীয়া বসতিপূৰ্ণ, হাৰিভাঙ্গা গাঁও মূলতঃ কৃষি প্ৰধান। গাওঁখনৰ বাসিন্দাসকল কৰ্মঠ। তেওঁলোকৰ কৰ্মনিপুণতা আৰু কৃষিৰ প্ৰতি থকা একাগ্ৰতাই সমূহ পৰিয়ালকে অৰ্থনৈতিকভাৱে স্বাৱলম্বী

কৰি তুলিছে। বৌদ্ধিক ক্ষেত্ৰতো হাৰিভাঙ্গা কোনো গুণে পিছপৰা নহয়। উচ্চবৰ্গৰ বিষয়া, অধ্যক্ষ, প্ৰৱক্তা, ডাক্তৰ, শিক্ষক, ইঞ্জিনীয়াৰ, দেশৰ প্ৰতিৰক্ষা কৰ্মীকে ধৰি অনেক সংখ্যক চাকৰিয়াল গাঁওখনত আছে। কৃষিভিত্তিক গাঁওখনৰ অৰ্থনীতি টনকিয়াল কৰাত এই সকল লোকৰ অৱদান প্ৰশংসনীয়।

হাৰিভাঙ্গা গাঁৱৰ অধিবাসীসকলৰ ভিতৰত পুৰুষ আৰু মহিলাৰ হাৰ প্ৰায় সমানুপাতিক। অসমৰ অন্যান্য গ্ৰামাঞ্চলৰ দৰে হাৰিভাঙ্গাৰ মহিলা সকলো পুৰুষৰ তুলনাত আনুপাতিক হাৰত অনগ্ৰসৰ যদিও পৰিয়াল তথা গাঁওখনৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত তেওঁলোকৰ বৰঙণি উলাই কৰিব পৰা বিধৰ নহয়। আৱহমান কালৰ পৰা প্ৰচলিত সমাজ ব্যৱস্থাৰ বাবে আমাৰ সমাজত বৰ্ত্তি থকা লিংগ-বৈষম্য হাৰিভাঙ্গাৰ ক্ষেত্ৰতো অনস্বীকাৰ্য্য। কিন্তু বৰ্তমান আধুনিক শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱত উদাৰ আৰু গুণৱান পিতৃ-মাতৃসকলে লিংগ বিভাজন কমাই অনা পৰিলক্ষিত হয়। ইয়াৰ ফলস্বৰূপে হাৰিভাঙ্গাৰ মহিলাসকল, বিশেষকৈ ছাত্ৰীসকল ল'ৰাৰ সমানে বা ল'ৰাতকৈয়ো অগ্ৰগামী হোৱাটো পৰিলক্ষিত হৈছে।

মনকৰিবলগীয়া যে মহিলাৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ সংগ্ৰামত বিভিন্ন সময়ত হাৰিভাঙ্গাৰ মহিলাসকলেও সচেতন প্ৰতিক্ৰিয়া প্ৰকাশ কৰা দেখা যায়। ভাৰতীয় মেৰুদণ্ডত জোকাৰণি তোলা স্বাধীনতাৰ বিপ্লৱে গাঁও-ভূইলৈকে সম্প্ৰসাৰিত হৈছিল। হাৰিভাঙ্গাৰ ৰাইজেও ইয়াৰ প্ৰতি সপ্ৰতিভ সঁহাৰি জনাইছিল। প্ৰয়াত— হলিৰাম ডেকা, উপেন্দ্ৰ নাথ ডেকা, কৃষ্ণকান্ত তালুকদাৰ, গংগাৰাম হালৈ, আদিত্য ৰাম, সত্য নাৰায়ণ ডেকা, ভগীৰথ কলিতা, কান্তেশ্বৰ ডেকা, হৰমোহন হালৈ আদি চৰকাৰী নথিভুক্ত মুক্তিযুঁজাৰু সকলে সেই সম্পৰ্কীয় তথ্য প্ৰমাণ দাঙি ধৰে। এই ৰণত হাৰিভাঙ্গাৰ মহিলাসকলেও হাত দিছিল নিশ্চয়। কিন্তু তেওঁলোকৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ কোনো প্ৰামাণিক তথ্য পোৱা নাযায়। অৱশ্যে মুক্তি যুঁজাৰু গংগাৰাম হালৈৰ পত্নী ৰুক্মিণী হালৈয়ে জানিবলৈ দিয়ে যে মহাত্মা গান্ধীৰ আহ্বানত বিদেশী বস্ত্ৰ ধ্বংস কৰা কাৰ্যত তেওঁ নিজেও অংশগ্ৰহণ কৰিছিল আৰু সুঁতা হাতেৰে কাটিবলৈও শিকিছিল। কিন্তু সেই সময়ত তেওঁ মাখিবাহা কামাৰপাৰাৰ মাতৃগৃহতহে আছিল।

স্বাধীনতা আন্দোলনে যে মহিলাসকলৰ মাজত গণতান্ত্ৰিক অধিকাৰৰ প্ৰতি সচেতনতা আৰু সাংগঠনিক প্ৰেৰণা যোগাইছিল, সেই কথা নিশ্চিত। সেইবাবে ১৯৭২ চনতে হাৰিভাঙ্গাৰ মহিলাসকলে 'জনকল্যাণ মহিলা সমিতি, হাৰিভাঙ্গা' নামৰ এটি মহিলা কেন্দ্ৰিক অনুষ্ঠান প্ৰতিষ্ঠিত কৰে। অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপিকা সভানেত্ৰী আৰু সম্পাদিকা আছিল ক্ৰমে কৌশল্যা ডেকা আৰু শৈব্যা কলিতা।

শিক্ষা অবিহনে গণতন্ত্ৰ অথবা গণতান্ত্ৰিক অধিকাৰ ভিত্তিহীন। ১৯৭৩ চনত দশম কলিতাক শিক্ষয়িত্ৰী হিচাপেলৈ চৰকাৰী আঁচনিৰ জৰিয়তেপ্ৰাক্-প্ৰাথমিক কেন্দ্ৰ এটিও আৰম্ভ হৈছিল। এই অনুষ্ঠানটোৱে সোণালী জয়ন্তীত ভৰি দিয়া তাঁতশাল প্ৰশিক্ষণ, চিলাই প্ৰশিক্ষণ, শিশু খাদ্য যোগান, স্বাস্থ্য আৰু শিক্ষা সম্পৰ্কে শিক্ষণ আদি জনকল্যাণমূলক আঁচনিসমূহ কাৰ্য্যকৰী কৰিছিল। ইয়াৰ উপৰিও 'কনডেন্স কৰ্চ', 'মইনা পাৰিজাত', 'লখিমী সাংস্কৃতিক গোষ্ঠী' আদি গঠনে শিক্ষা-দীক্ষা, কলা-সংস্কৃতিৰ ক্ষেত্ৰত মহিলাসকলক আগুৱাই নিয়াত বিশেষ অৰিহণা যোগাইছিল।

গ্ৰামীণ মহিলাসকলৰ অৰ্থনৈতিক দিশটো টনকিয়াল কৰাৰ উদ্দেশ্য আৰু লক্ষ্য লৈ ১৯৮৭ চনত সৃষ্টি হোৱা আন এটা অনুষ্ঠান হ'ল বোৱা-কটা সমবায় সমিতি, হাৰিভাঙ্গা। অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপিকা সভানেত্ৰী আৰু সম্পাদিকা আছিল ক্ৰমে শ্ৰীযুতা কিৰণ দেৱী আৰু সম্পাদিকা নিৰুপমা বৰ্মনৰ পৰিচালনাত অননুষ্ঠানটো বৰ্তমানেও চলি আছে যদিও, ইয়াৰ পূৰ্বৰ গৰিমা আৰু ঔজ্জ্বল্য অটুত আছে বুলি ক'ব নোৱাৰি।

উপৰি উক্ত অনুষ্ঠানসমূহে হাৰিভাঙ্গা কেন্দ্ৰিক মহিলাসকলক অৰ্থনৈতিকভাৱে সবল কৰি তোলাৰ লগতে আৰ্থিক দিশত স্বাবলম্বিতাৰ চেতনা গঢ়ি তোলাত অৰিহণা যোগায় ইয়াৰ লগতে সমান্তৰালভাৱে মহিলাৰ মাজত গণতান্ত্ৰিক আৰু সংগ্ৰামী চেতনা গঢ়ি তোলাৰ ক্ষেত্ৰতো হাৰিভাঙ্গা অঞ্চল পিছপৰি থকা নাছিল।

১৯৭৯ চনত সংঘটিত অসমৰ বিদেশী বিতাড়ন আন্দোলনত পুৰুষৰ সমানেই জাগ্ৰত হৈছিল হাৰিভাঙ্গাৰ মহিলা সকলো। এই আন্দোলনৰ লগত সংগতি ৰাখি ছাত্ৰীসকলক লৈ হাৰিভাঙ্গাত এটি স্বেচ্ছাসেৱিকাৰ সংগঠনো গঢ়ি উঠিছিল। এই বিদেশী বিতাড়ন আন্দোলনক বিশেষভাৱে গতি আনি দিছিল মহিলাৰ ব্যাপক অংশগ্ৰহণে। অৱশ্যে জাতীয় ঐক্য-সংহতি আৰু গণতান্ত্ৰিক অধিকাৰৰ প্ৰশ্নত একাংশ লোক আৰু সংগঠনৰ লগত মতপাৰ্থক্যও আহি পৰিছিল। এনেকি দুই তিনি গৰাকী ছোৱালীয়ে এই মতপাৰ্থক্যৰ বাবে হাৰিভাঙ্গাৰ পৰা আঁতৰি থাকিলগীয়াও হৈছিল।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়তো হাৰিভাঙ্গাৰ (অন্যান্য অঞ্চলতো নিশ্চয়

হৈছিল) মহিলাসকলৰ মাজত আত্মৰক্ষাৰ ঢৌ এটি বিয়পি পৰিছিল। সেই সময়ত পঞ্চম/ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী বলেথেৰ চুবাৰ দশমী কলিতা, কামাখ্যাধাম চুবাৰ পুতুলী দেৱী, মীনা দেৱী, বালিকা বীণা কলিতাকে ধৰি প্ৰায় বাৰ গৰাকী ছোৱালীয়ে বগৰীবাৰীলৈ (?)গৈ বন্দুক চলোৱাৰ প্ৰশিক্ষণ লৈ আহিছিল বুলি জনা যায়। একে সময়তে সেনা বাহিনীৰ কুচকাৱাজৰ প্ৰশিক্ষণো তেওঁলোকে লৈছিল বুলি দশমী কলিতাই জানিবলৈ দিয়ে।

মহিলাৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকাৰে গঢ় লৈ উঠা এটি সংগঠন হ'ল নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি (হাৰিভাঙ্গা শাখা)। ১৯৮৯ চনত হাৰিভাঙ্গাৰ বুকুত এই সংগঠনটো দ্ৰৌপদী কলিতা, গিৰিবালা কলিতা আৰু অকণ দেৱীৰ নেতৃত্বত জন্ম লাভ কৰে। গণতান্ত্ৰিক মহিলা সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল পশ্চাৎপদ নাৰীসমাজক দায়িত্বশীল আৰু গণতান্ত্ৰিকভাৱে সচেতন কৰি তোলা। নাৰীসমাজক বৈজ্ঞানিক চিন্তা-চৰ্চাৰে পৰিচালনা কৰাও হৈছে 'নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি'ৰ আন এটা মহান উদ্দেশ্য আৰু লক্ষ্য। গণতন্ত্ৰ, আৰু নাৰী মুক্তিৰ অধিকাৰেৰে নাৰীসমাজৰ হাতত আলোকবৰ্তিকা তুলি দিয়াটোৱে এই সংগঠনটোৰ প্ৰধান উদ্দেশ্য। অসম আন্দোলনৰ পিছত হাৰিভাঙ্গাৰ বুকুত 'মহিলা পৰিষদ' নামেৰে এটা মহিলা সংগঠনে জন্ম লাভ কৰিছিল। নাৰীৰ সবলীকৰণেই এই সংগঠনটোৰ প্ৰধান উদ্দেশ্য। তদানীন্তন পৰিষদৰ সভানেত্ৰী আৰু সম্পাদিকা আছিল ক্ৰমে- শৈব্যা কলিতা আৰু ভাৰতী কলিতা।

ইয়াৰ উপৰি ১৯৯১-৯২ চনত হাৰিভাঙ্গাৰ বুকুত নাম্বৰভাগ মৌজা ভিত্তিক 'মহিলা মণ্ডল কংগ্ৰেছ' নামেৰে এটি মহিলা সংগঠনে জন্ম লাভ কৰিছিল। এই মহিলা মণ্ডলৰ সম্পাদিকা আছিল ক্ৰমে যামিনী কলিতা আৰু প্ৰেমদা হালৈ। প্ৰথমাৱস্থাত পাৰ্বতী ঠাকুৰীয়াই কিছুদিনৰ কাৰণে সম্পাদিকাৰ দায়িত্ব বহন কৰিছিল।

বিশ্লেষণ কৰি চালে দেখা যায় যে ৰাজনৈতিক সংগ্ৰামতো হাৰিভাঙ্গাৰ মহিলাৰ অৱদান বৰ সন্তোষজনক নহ'লেও উলাই কৰিব পৰা বিধৰ নহয়। উল্লেখযোগ্য যে এই গাঁৱৰে এগৰাকী অগ্ৰণী মহিলা শ্ৰীমতী অনিমা বৰ্মনে ১৯৯৪ চনত পঞ্চায়ত নিৰ্বাচনত জয়ী হৈ কাউন্সিলৰ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। শ্ৰীকল্পনা বৰ্মন, আৰতি বৰ্মন আৰু গুণদা ডেকাই পঞ্চায়তৰ সদস্য পদত নিৰ্বাচিত হ'বলৈ সক্ষম হৈছিল। একেদৰে ২০১৮ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনত অসম গণ পৰিষদ দলৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হৈ ইলোৱা ডেকাই প্ৰতিনিধি হিচাপে নিৰ্বাচিত হয় আৰু ৪৫নং গাঁও পঞ্চায়তৰ সভানেত্ৰী পদত অধিষ্ঠিত হয়। সেই একেটা নিৰ্বাচনতে হাৰিভাঙ্গা গাঁওৰ ২নং আৰু ৪নং খণ্ডত দুগৰাকী মহিলা সদস্য ক্ৰমে সোণমা মেধি আৰু ববিতা কলিতা সদস্য ৰূপে নিৰ্বাচিত হয়। পঞ্চায়ত নিৰ্বাচন বিশেষকৈ ২০১৮ৰ নিৰ্বাচনত মহিলাৰ ব্যাপক অংশগ্ৰহণে মহিলাৰ গণতান্ত্ৰিক চেতনাৰ উমান দিয়ে। ৪৫নং নামবৰভাগ গাঁও পঞ্চায়তৰ সভানেত্ৰী ইলোৱা ডেকাই হাৰিভাঙ্গা আন্তঃগাঁথনিৰ ক্ষেত্ৰত বহুদিনীয়া ভালে কেইটা অভাৱ পূৰণ কৰাৰ লগতে মহিলা সবলীকৰণ স্বচ্ছতা আদিৰ ক্ষেত্ৰতো অগ্ৰণী ভূমিকা পালন কৰিছে। শিক্ষাৰ ফালৰ পৰা অথবা অৰ্থনৈতিক দিশৰ পৰাও বৰ্তমান হাৰিভাঙ্গাৰ মহিলা পিছ পৰা বিধৰ হৈ থকা নাই। তৎস্বত্তেও সমাজৰ একবৃহৎ অংশ আৱৰি থকা মহিলাসকলৰ গণতান্ত্ৰিক চেতনা আজিও লেখত ল'বলগীয়া নহয়।

মনকৰিবলগীয়া নাৰীসকলৰ সামাজিক অৱস্থান লক্ষ্য কৰিলে দেখা যায় যে প্ৰচলিত সমাজ ব্যৱস্থাই মহিলা সমাজৰ স্বাধীনতা, সমানাধিকাৰ আৰু গণতান্ত্ৰিক চেতনাক হেঁচা দি ৰাখিছে। এই ক্ষেত্ৰত মহিলা সমাজৰ আত্মচেতনাৰ প্ৰভাৱো এটি ডাঙৰ উপাদান যদিও পুৰুষ কৰ্তৃত্বশীলতা ইয়াৰ অন্যতম কাৰণ নুবুলি নোৱাৰি। মাও ছে টুঙে চীনা মহিলাৰ সন্দৰ্ভত কৈছিল যে 'এজন পুৰুষ ৰাজনৈতিক কৰ্তৃত্ব, গোষ্ঠী কৰ্তৃত্ব আৰু ধৰ্মীয় কৰ্তৃত্বৰ অধীন। কিন্তু এগৰাকী নাৰী এই তিনিওটাৰ লগতে পুৰুষ কৰ্তৃত্বৰো অধীন।' এই কথা কেৱল চীনা মহিলাৰ ক্ষেত্ৰত নহয়, ভাৰত, অসম বা হাৰিভাঙ্গাৰ মহিলাৰ ক্ষেত্ৰতে নহয়, সমগ্ৰ বিশ্বৰ প্ৰায় সকলো দেশৰ ক্ষেত্ৰতে প্ৰযোজ্য আৰু আৱহমান কালৰে পৰা এই প্ৰক্ৰিয়া চলি আছে। কিন্তু সমাজৰ মুখ্য উপাদানদ্বয়ৰ উভয়ে পাহৰিলে নচলিব যে 'বালিলৈ যিপাট, সুগ্ৰীৱলৈয়ো সিপাট।' অৰ্থাৎ আমাৰ সমাজ ব্যৱস্থাত ৰাজনৈতিক কৰ্তৃত্বৰ নামত নাৰী-পুৰুষ উভয়ে ধনতান্ত্ৰিক শোষণ বঞ্চনাৰ বলি। এই পৰিৱেশত নিজৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ সংগ্ৰামত উভয়ে মাৰ বান্ধি থিয় হ'ব লাগিব। অন্যথাই মহিলা বা পুৰুষ উভয়ৰে গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ সংগ্ৰাম এক জটিল প্ৰশ্নত পৰিণত হ'ব। অৱশ্যে এই প্ৰশ্নটোৰ সমাধানৰ পথ বিচাৰি উলিওৱাৰ দায়িত্ব প্ৰতিজন চিন্তাশীল ব্যক্তি আৰু প্ৰতিটো সমাজ সংগঠনৰ ওপৰত নৈতিকভাৱে ন্যস্ত।❑❑

**(লেখিকা হাৰিভাঙ্গা হাইস্কুলৰ প্ৰাক্তন ছাত্ৰী তথা নিকাচি বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰবক্তা)**

# হাৰিভাঙ্গা গাঁৱৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ আঁতধৰি

সুৰেন্দ্ৰ নাথ কলিতা

হাৰিভাঙ্গা গাঁও ৬২নং বৰমা সংৰক্ষিত সমষ্টিৰ নলবাৰী জিলাৰ অন্তৰ্গত ৪৫নং পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তত অৱস্থিত। টিহু ৰে'ল ষ্টেচনৰ পৰা দক্ষিণে তিনিকিলোমিটাৰ দূৰৈত। ই নলবাৰী জিলাৰ ভিতৰতে এখন ডাঙৰ গাঁও। এই গাঁওৰ জনসংখ্যা প্ৰায় ৭০০০ মান হ'ব। হাৰিভাঙ্গা গাঁওক ভৌগলিক ভাৱে ২৬.৭৫ উত্তৰ অক্ষ্যাংশ আৰু ৯১.১৭৫ পূৰ দ্ৰাঘিমা ৰেখাই চুই গৈছে। গাঁওখন খেতিপ্ৰধান যদিও শিক্ষা, সাহিত্য আৰু সাংস্কৃতিক দিশত আগবঢ়া।

**শিক্ষা** ঃ- হাৰিভাঙ্গাত দুখনকৈ উচ্চ শিক্ষাৰ কেন্দ্ৰ হাৰিভাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বালিকা উচ্চ মাধ্যমিক বিদ্যালয়। তাৰোপৰি হাৰিভাঙ্গা উচ্চ বুনিয়াদী বিদ্যালয় আৰু প্ৰতিটো চুবুৰীতে একোখনকৈ মুঠ ১২ (বাৰ) খন প্ৰাথমিক বিদ্যালয় আছে।

বচা বচা শিক্ষকৰ সান্নিধ্যত আৰু বিদ্যালয়প্ৰধান সকলৰ প্ৰশাসনিক দক্ষতাৰ কাৰণে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ মানদণ্ড ধাৰাবাহিকভাৱে অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। শিক্ষান্ত আৰু চূড়ান্ত পৰীক্ষা সমূহত প্ৰথম বিভাগ, ষ্টাৰ নম্বৰ আৰু ডিষ্টিংচন পাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ আছে। উত্তীৰ্ণৰ হাৰো ৯০ শতাংশৰ ওপৰত। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল পৰৱৰ্ত্তী সময়ত চৰকাৰৰ বিভিন্ন উচ্চ পদত অধিষ্ঠিত হৈ আছে।

উল্লেখযোগ্য যে এই বিদ্যালয়ৰ পৰা ২০০৫ চনত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় নলিনী কান্ত শৰ্মা আৰু শিক্ষয়িত্ৰী মাননীয়া মীৰা চক্ৰৱৰ্ত্তীৰ সুপুত্ৰ শ্ৰীমান মৃণ্ময় শৰ্মাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে অষ্টাদশ স্থান লাভ কৰি বিদ্যালয় তথা বৃহত্তৰ হাৰিভাঙ্গা অঞ্চলৰ সুনাম কঢ়িয়াই আনিছে। তাৰোপৰি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়টো কেবাজনো অধ্যাপক, অধ্যাপিকাই অধ্যাপনা কৰি আছে।

বৰ্তমান হাৰিভাঙ্গা গাঁওত চুবুৰিসমূহৰ পৰা তথ্যৰ ভিত্তিত ৬০০ (ছয়শ) জন স্নাতক, ২০০ (দুইশ)জন স্নাতকোত্তৰ ডিগ্ৰীধাৰী, ১৭ জন ডক্টৰেট, ১২ জন ডাক্তৰ, মুখ্যকাৰ্যবাহী অভিযন্তা ২ জন, অভিযন্তা ১৫ জন, অধিবক্তা ১০ জন আছে। তাৰোপৰি ৪ জন বিশিষ্ট ব্যক্তিয়ে ৰাষ্ট্ৰীয় বঁটা আৰু এজনে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰি বৃহত্তৰ হাৰিভাঙ্গা গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

সাহিত্য হ'ল এটা জাতিৰ দাপোণ স্বৰূপ। এটা জাতিৰ মেৰুদণ্ড। সাহিত্যই এটা জাতিৰ ভাষা, সংস্কৃতিৰ উৎকৰ্ষ সাধনত বিশেষ অৰিহণা যোগায়। যি জাতি বা দেশ সাহিত্য সংস্কৃতিত শক্তিশালী নহয়, সেই জাতিয়ে কেতিয়াও উন্নতি কৰিব নোৱাৰে। আমাৰ হাৰিভাঙ্গা অঞ্চলত সাহিত্য সংস্কৃতিৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত পিছ পৰি থকা নাই। এই ক্ষেত্ৰত হাৰিভাঙ্গা শাখা সাহিত্য সভাৰ অৱদান উল্লেখনীয়। বৰ্তমান হাৰিভাঙ্গাত বহুকেইজন ব্যক্তিয়ে সাহিত্য চৰ্চা আৰু সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিছে। সেইসকলৰ ভিতৰত যুৱ সাহিত্যিক শ্ৰীনিৰঞ্জন দত্ত এটা জনপ্ৰিয় নাম। তেওঁ সপ্তম শ্ৰেণীত পঢ়ি থাকোতে 'বিষাক্ত সাপ" নামৰ এখন নাট ৰচনা কৰি নিজে অভিনয় কৰি যি দৌৰ আৰম্ভ কৰিছিল সেই দৌৰ এতিয়াও অব্যাহত আছে।

তেওঁ ইতিমধ্যে পাঁচখন পূৰ্ণাঙ্গ নাট আৰু ন খন একাংকিকা নাট ৰচনা কৰিছে। ইয়াৰোপৰি 'জংচন', 'অথঃবধ সংবাদ', 'হিচাব', 'মুক্তি', 'ধুমুহা', 'মেঘ আৰু নাই', 'এক্সিডেণ্ট' আৰু 'অপহৰণ' নাটে তেওঁলৈ অসমৰ বিভিন্ন ঠাইৰ পৰা কঢ়িয়াই আনিছে পুৰস্কাৰৰ টোপোলা। তদুপৰি গুৱাহাটীৰ টি.ডি. পাব্লিকেচনে 'মহাযুদ্ধ' আৰু পাঠশালাৰ কমলা প্ৰকাশনে 'কেঁচা তেজৰ গোন্ধ' উপন্যাস, নলবাৰীৰ কমলা প্ৰকাশনৰ হৈ শ্ৰীপৰেশ কলিতাই 'আহত পখীৰ গান' (কবিতাৰ পুথি) পাঠশালা কিতাপ ঘৰে দত্তৰ ৭৯ৰ দাগ শীৰ্ষক উপন্যাসখন প্ৰকাশ কৰি সাহিত্যৰ ভঁড়াল টনকিয়াল কৰে। উল্লেখযোগ্য যে ৭৯ৰ দাগৰ আলোচনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে সম্প্ৰচাৰিত হৈছে।

শ্ৰীনিৰঞ্জন দত্তই শেহতীয়া ভাবে আৰু কেইখনমান গ্ৰন্থ ৰচনা কৰিছে। গ্ৰন্থ কেইখন হ'ল— লুইতৰ পাৰৰ জুই, স্বদেশৰ গান (কবিতা পুথি), প্ৰকাশক টিহু সাহিত্য সভা, সৰল বৃক্ষ দীৰ্ঘ জীৱন, প্ৰকাশক ৰেখা প্ৰকাশন, গুৱাহাটী, সাধনাৰ অন্য নাম পদ্মশ্ৰী সৰ্বেশ্বৰ চহৰীয়া, প্ৰকাশক-ৰেখা প্ৰকাশন গুৱাহাটী, English essay and letters for school-Publisher Rekha Publication, Guwahati, 'হিচাব' (নাটক) প্ৰকাশক-ৰেখা প্ৰকাশন, গুৱাহাটী, An English Grammar Plus Anglo Assamese for Class VIII to XII.

বাপুজী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত দৰ্শন বিভাগৰ অধ্যাপক শ্ৰীমদন চন্দ্ৰ কলিতাই ইতিমধ্যে স্নাতক পৰ্যায়ৰ কেবাখনো পাঠ্যপুথি ৰচনা কৰিছে। তেখেতে ৰচনা কৰা পাঠ্যপুথি কেইখন হ'ল— সমসাময়িক পাশ্চাত্য দৰ্শন (১৯৯৯), সমসাময়িক ভাৰতীয় দৰ্শন (২০০১) আৰু গ্ৰীক দৰ্শনৰ ইতিহাস (২০০৪)। ইয়াৰোপৰি অসমীয়া জাতিৰ খণিকৰ আৰু জাতি গঠনৰ কৃষ্টি-সংস্কৃতিৰ জনক শ্ৰীশঙ্কৰ দেৱৰ দৰ্শন পৰ্যালোচনা কৰি লিখা 'শঙ্কৰ দেৱৰ দৰ্শন' "অদ্বৈত ভাগতদ্বাদ" (১৯৯৯) ৰচনা কৰে। নিকাচি জ্ঞানপীঠ মহাবিদ্যালয় (কনিষ্ঠ)ৰ অধ্যাপিকা ড° মনজু হালৈয়ে 'চম্পাৱতী' আৰু 'নীলাঞ্জলি' নামৰ দুখন কবিতাৰ পুথি ৰচনা কৰিছে। ভাৰতীয় খাদ্য নিগমৰ গাণনিক বিষয়া শ্ৰীবাণীকান্ত শৰ্মাই খাদ্য নিগমৰ দৰে এটা অতি গুৰুত্বপূৰ্ণ বিভাগত চাকৰি কৰিও 'আনন্দৰাম বৰুৱা' আৰু 'ইতিহাসৰ পটভূমিত বৰ অসমৰ ভৱিষ্যত' নামৰ দুখন গ্ৰন্থ ৰচনা কৰিছে।

আন এজন সাহিত্যানুৰাগী তথা সাহিত্যিক শ্ৰীপ্ৰাণকৃষ্ণ কলিতা চেণ্ট্ৰেল গৱৰ্ণমেণ্ট ক্লাচ ওৱান এক্সিকুটিভৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ গুৰুত্ব পদত থাকিও কেবাখনো গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁড়াললৈ অৱদান আগবঢ়াইছে। তেখেতৰ গ্ৰন্থ কেইখন হ'ল— হিমালয়ত এজন অসমীয়া সৈন্যাসী, আন্দামানত অসমীয়া যুৱক, দেৱ-দেৱীৰ অষ্টোত্তৰ শত নামাৱলী মন্ত্ৰ, বৃন্দাবনত মাতৃক বিচাৰি।

আন এজন হাৰিভাঙ্গা ভয়েৰা চুবুৰীৰ যুৱ সাহিত্যিক শ্ৰীমানৱ কলিতায়ো সাহিত্য চৰ্চা কৰি আছে। তেওঁ ইতিমধ্যে সাহিত্যৰ পথাৰত খোজ দি ধাৰা আৰম্ভ কৰি কেইখনমান গ্ৰন্থ লিখিছে। সেইকেইখন হ'ল— (১) কাব্য সংকলন- ফাগুন আহকে বা নাহকে ৰঙা ফুল ফুলিবই (২০১০)। (২) জাকে জাকে আহিব খোজা চৰাই এতিয়া জাতিংগা মুখী (১৯১৭) সম্পাদনা- খুমজিল (২০১৬) গুৱাহাটী কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যয়নৰত মুঠ বিশ গৰাকী ছাত্ৰ-ছাত্ৰীৰ কবিতা সংগ্ৰহ, সম্পাদন, সহযোগী গৰিমা ৰাজখোৱা, সম্পাদনা-মৰিচিমালী (২০১৫) অসমৰ বিশখন শিক্ষানুষ্ঠানৰ (বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়) প্ৰতিনিধিৰ প্ৰকাশ এক পকেট আলোচনী।

অসম চৰকাৰৰ গাণনিক বিষয়া শ্ৰীমুনীন শৰ্মাই চাকৰিৰ গুৰু দায়িত্ব পালন কৰিও সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। তেওঁ হাইস্কুলত পঢ়ি থাকোতে স্কুলৰ মুখপত্ৰ 'অৰ্চণা'ৰ সম্পাদনা সমিতিৰ সম্পাদক আছিল। পৰৱৰ্তী সময়ত তেওঁ 'বিজ্ঞান বৈচিত্ৰ আৰু আমি' নামৰ চাইন্স এণ্ড হিউমেনিটিৰ ওপৰত লিখা এখন পুথি প্ৰকাশ হয়।

ডঃ ভাস্কৰজ্যোতি শৰ্মাই বহুতো আলোচনীত প্ৰবন্ধ আদি প্ৰকাশ কৰাৰ উপৰিও দুখন 'ধ্বনি' সম্পৰ্কত লিখা কিতাপ ক্ৰমে আন্তঃৰাষ্ট্ৰীয় ধ্বনি নীতি আৰু অসমীয়া বৰ্ণ লিপিৰ ভূমিকা, তৰঙ্গ ধ্বনি, বিজ্ঞানৰ পৰিচয় আদি মূল্যবান কিতাপ প্ৰকাশ কৰে। এই কিতাপ দুখন বিশ্ববিদ্যালয়ৰ পাঠ্য পুথিত অন্তৰ্ভুক্ত। শ্ৰীপ্ৰকাশ শৰ্মাই জোনাক নামৰ মাহেকীয়া আলোচনী আৰু পযেকীয়া নিয়োগ সংবাদ আৰু শিক্ষাবাৰ্ত্তা নামৰ বাতৰি কাকত সম্পাদনা কৰাৰ উপৰিও কেইবাখনো কিতাপ প্ৰকাশ কৰি সাহিত্যৰ প্ৰতি লেখা আগবঢ়ায়।

শ্ৰীদীপেন শৰ্মাৰ বিভিন্ন প্ৰবন্ধ বিভিন্ন আলোচনীত

প্ৰকাশ হোৱাৰ উপৰিও সদৌ অসম ইংৰাজী লিখক সংস্থাৰ মুখপত্ৰ ইং ২০১৭ চনৰ বিংশতিতম্ সংখ্যাৰ সম্পাদনা কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীসুৰেন্দ্ৰ নাথ কলিতাইও হাৰিভাঙ্গা গাঁওৰ ৰূপৰেখা, স্মৃতিৰ সুবাস, কবিতা কুঞ্জ আৰু Promines Figures of India আদি কেবাখনো গ্ৰন্থ লিখিছে। নৱপ্ৰজন্মৰ শ্ৰীকঙ্কণ শৰ্মাই কবিতাৰ গ্ৰন্থ প্ৰকাশ কৰিছে। শ্ৰীকুমুদ বৰ্মনে বৰ্তমান লিখৰ প্ৰয়াস কৰিছে আৰু এখন কবিতা আৰু প্ৰবন্ধক সামৰি এখন গ্ৰন্থ প্ৰকাশ কৰিছে। শ্ৰীনলিনী শৰ্মাই বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ আদিত মূল্যৱান গল্প, প্ৰবন্ধ প্ৰকাশ কৰাৰ উপৰিও শ্ৰীশ্ৰীকলীয়া গোসাঁই মহাপ্ৰভুৰ নামত ওলোৱা গ্ৰন্থৰ সম্পাদনা কৰিছে আৰু হাৰিভাঙ্গা কেন্দ্ৰীয় বিহু সন্মিলনত প্ৰকাশ পোৱা গামোচা আদি আলোচনীৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল।

ঊনৈশ শতিকাৰ চল্লিশৰ দশকত অসমত এটি সাংস্কৃতিক আন্দোলন গঢ়ি উঠিছিল। এই আন্দোলনৰ মূল হোতা আছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, নটসূৰ্য ফণী শৰ্মা, চন্দ্ৰ নাথ শৰ্মা আদি। সেই সময়ত আমাৰ এই হাৰিভাঙ্গাও পিচ পৰি থকা নাছিল। অসমত যাত্ৰাভিনয়ৰ আন্দোলন গঢ়ি উঠে ঊনৈশ শতিকাৰ দ্বিতীয় দশকত। ঊনৈশ শতিকাৰ চল্লিশৰ দশকত হাৰিভাঙ্গাৰ বৰটাৰী চুবাত এক যাত্ৰাদল গঢ়ি উঠিছিল। এই যাত্ৰাদলটোৰ মেনেজাৰ আছিল প্ৰয়াত সন্তোৰাম ডেকা আৰু দল পৰিচালক প্ৰয়াত ধৰ্মেশ্বৰ বৰ্মন (বাবৰী)। অভিনয়ত আছিল হৰিশ চন্দ্ৰ শৰ্মা, ভৱেন বৰ্মন (বৰটাৰী), নিশিপদ শৰ্মা (বৰটাৰী), দয়াৰাম হালৈ (পশ্চিম বৰপীত), হৰেণ কলিতা, কণক ডেকা, জয়ৰাম বৰ্মন (চাৰৈপাৰ), চক্ৰসকল আছিল প্ৰয়াত কামপালা হালৈ (মুৰিকুছি) শ্ৰীগণেশ্বৰ বৰুৱা (বলেথে), প্ৰয়াত গন্ধোৰাম কলিতা (খাৰসুতা) আদি। এই যাত্ৰাদলে গেন্ধেশ্বৰী, সীতাৰ বনবাস, কনৌজ কুঁৱৰী, পানীপথ, কুৰুক্ষেত্ৰ আদি নাট মঞ্চস্থ কৰি হাৰিভাঙ্গা তথা ইয়াৰ নিকটৱৰ্তী অঞ্চলত সমাদৰ লাভ কৰিছিল।

অসম নাট্য আন্দোলনত বলিষ্ঠ অৱদান আগবঢ়োৱা হাৰিভাঙ্গা সন্তেৰাথেৰ চুবাৰ প্ৰয়াত উৎসৱ কলিতা। অসমৰ শদীয়াৰ পৰা ধুবুৰীলৈ এজন সু-কৌতুক অভিনেতা হিচাপে সৰ্বজন বিদিত। কুৰি শতিকাৰ চল্লিশৰ দশকত অবিভক্ত কামৰূপত আছিল যাত্ৰা দলৰ পয়োভৰ। তাৰ মাজতে আছিল কৃষক অপেৰা নাট্য দলৰ হেন্দোলন। এই যাত্ৰা পাৰ্টিত তেখেতে অভিনয়ৰ পাতনি মেলে। পিছত কলিতাই মকুন্দ, আৱাহন, ভাগ্যদেৱী, ৰূপাঞ্জলি, শ্ৰীগুৰু মালতী আদি ভ্ৰাম্যমাণ থিয়েটাৰত বলিষ্ঠ অভিনয়ৰ মাজেদি দৰ্শকক আপ্লুত কৰে। ১৯৯১-৯৪ খৃঃত অসম শিল্পী দিৱস সমিতিৰ পৰা শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছিল। আৱাহন থিয়েটাৰৰ নাট্যকাৰ ভৱেন বৰুৱাৰ 'আত্ম সমৰ্পণ' নাটকত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। ২০০৩ খৃঃত মকুন্দ থিয়েটাৰত অভিনয় কৰা 'ডেউকা ভঙা পখী' নাটকত ভাল অভিনয় কৰাৰ কাৰণে 'মুন লাইট মিডিয়া'ই শ্ৰেষ্ঠ অভিনেতাৰ বঁটা প্ৰদান কৰে।

হাৰিভাঙ্গা বলেথেৰ চুবুৰীৰ শ্ৰীমিতুল কলিতাই মকুন্দ, ভাগ্যদেৱী, ইতিহাস, ৰাজতিলক আদি থিয়েটাৰত বিভিন্ন চৰিত্ৰত অভিনয় কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। বক্ৰাথেৰ চুবুৰীৰ প্ৰয়াত ধৰণী কলিতা আৰু প্ৰসন্ন কলিতাইও বিভিন্ন যাত্ৰাদল আৰু থিয়েটাৰত থাকি বিভিন্ন চৰিত্ৰত অভিনয় কৰি সুনাম অৰ্জন কৰিছিল। পশ্চিমকুছি চুবুৰীৰ শ্ৰীহৰেণ দাস আৰু তেওঁৰ পত্নী ঊষা দাস, সন্তেৰাথেৰ চুবুৰীৰ প্ৰয়াত উৎসৱ কলিতাৰ পত্নী শ্ৰীমতী পূৰ্ণিমা কলিতা নৃত্য শিল্পী হিচাপে কেবাখনো যাত্ৰা পাৰ্টি আৰু থিয়েটাৰত অভিনয় কৰিছিল। বৰটাৰী চুবুৰীৰ প্ৰয়াত সুৰেন্দ্ৰ নাথ শৰ্মা, প্ৰাথমিক বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক, হাৰিভাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ (অৱসৰ প্ৰাপ্ত), শ্ৰীনলিনীকান্ত শৰ্মাই হাৰিভাঙ্গাত মঞ্চস্থ কৰা কেবাখনো নাটকত অভিনয় কৰি সু-অভিনেতা হিচাপে স্বীকৃতি লাভ কৰিছিল। তাৰোপৰি পশ্চিমকুছি চুবুৰীৰ শ্ৰীফণী হালৈ, গুণেশ্বৰ হালৈয়েও বহুতো নাট মঞ্চস্থ কৰি ৰাইজৰ পৰা ভূয়সী প্ৰশংসা পাইছিল।

উল্লেখযোগ্য যে যোৱা বেলি অৰ্থাৎ ২০১৯ খৃঃৰ ১৩৭ তম্ হাৰিভাঙ্গা গাঁও উন্নয়ন সভা মহোৎসৱত 'মাতাল পৃথিৱী' নামৰ নাটক মঞ্চস্থ কৰি হাৰিভাঙ্গাৰ যুৱ নাট্যকৰ্মীসকলে দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। বিভিন্ন চৰিত্ৰত অংশগ্ৰহণ কৰা অভিনেতাসকল হ'ল— সৰ্বশ্ৰী জিতু ডাকুৱা, মণিৰাম হালৈ, হীমান ডেকা, গৌতম কলিতা, হীৰক কলিতা, মৌচুমী গোস্বামী, দীপামণি দাস, হেমন্ত বৰ্মন, মমি বৰ্মন, নৱনীতা বৰ্মন আৰু ৰাজেন কলিতা। ইয়াৰ ভিতৰত শ্ৰীহিমান

ডেকাই টিহু নাট চ'ৰাৰ উদ্যোগত উৰিয়্যাত অনুষ্ঠিত নাট সমাৰোহতো অংশগ্ৰহণ কৰিছিল।

নৃত্য-গীতৰ ক্ষেত্ৰতো হাৰিভাঙ্গা বহুত আগবঢ়া। হাৰিভাঙ্গা গোসাঁই ধুৰা চুবুৰীৰ শ্ৰীৰমেন শৰ্মা নিখিল ভাৰত লোক সংস্কৃতিৰ অসম শাখাৰ মুখ্য প্ৰশিক্ষক। ইয়াৰ উপৰিও তেওঁলোক নৃত্য বিষয়ত পঞ্চম বৰ্ষৰ মেধা পৰীক্ষাত মানপত্ৰ সহ স্বৰ্ণ পদক লাভ কৰে। নিখিল ভাৰত সংগীত সমিতি, কলকাতাৰ দ্বাৰা অনুমোদিত অনুষ্ঠিত সপ্তম বৰ্যৰ নিপুণ পৰীক্ষাত লোক সংগীত বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মানপত্ৰ সহ স্বৰ্ণ পদক লাভ কৰিছে পশ্চিমকুছি চুবুৰীৰ শ্ৰীমতী সৰলা দাসে। তাৰোপৰি শ্ৰীমতী দাসে লোকগীত, বৰগীত, আধুনিক গীত আদি বহুতো সাংস্কৃতিক অনুষ্ঠানত পৰিৱেশন কৰি সুনাম অৰ্জন কৰিছে। তেওঁৰ গীত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদিও সম্প্ৰচাৰিত হৈছে। আন এজন জনপ্ৰিয় শিল্পী বিষ্ণুৰাভা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰয়াত নৰ কুমাৰ মিশ্ৰই 'সমাৰোহ', ৰত্নগৰ্ভা, পূৰ্ণাঙ্গ নাট আৰু 'সৃষ্টি' নামৰ একাঙ্কিকা নাট ৰচনা কৰিছিল। তেওঁৰ 'ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ' নামৰ ধাৰাবাহিকখন গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ যোগে সম্প্ৰচাৰিত হৈছে। এই ধাৰাবাহিকখনত অভিনয় কৰি যশস্বী অভিনেতা মাননীয় নিপণ গোস্বামীয়ে শ্ৰেষ্ঠ অভিনেতাৰ সুনাম অৰ্জন কৰিছিল। ধাৰাবাহিকখনত অভিনয় কৰা আন আন শিল্পীসকল আছিল — গোবিন্দ ভাগৱতী, মণিৰাম হালৈ, কালিচৰণ হালৈ, উপেন্দ্ৰ নাথ শৰ্মা, ফণী হালৈ, মৃণালিনী শৰ্মা আৰু নয়নমণি শৰ্মা। শেহতীয়া ভাবে হাৰিভাঙ্গাৰ বুকুত লখিমী সাংস্কৃতিক সন্থা নামৰ এটি অনুষ্ঠান ঠন ধৰি উঠিছে। এই অনুষ্ঠানটোৰ উদ্যোগত দিহা নাম, বিয়ানাম, লোকগীত, বৰগীত, জিকিৰ আদি চৰ্চা হৈ আছে। অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগে ঠাইতে বাণীবদ্ধ কৰি নিয়া গীতমাত আৰু সাক্ষাতকাৰ আকাশবাণী পৰিয়াল কল্যাণ অনুষ্ঠানৰ জৰিয়তে সম্প্ৰচাৰ হৈছে। উক্ত অনুষ্ঠানৰ জৰিয়তে হাৰিভাঙ্গা গাঁওৰ বিশিষ্ট ব্যক্তি শ্ৰীসুৰেন্দ্ৰ নাথ কলিতা আৰু শ্ৰীপুলকান্ত কলিতাৰ সাক্ষাতকাৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা সম্প্ৰচাৰিত হৈছে। গীতমাত পৰিবেশনত বাদ্যযন্ত্ৰ সংগত কৰিছিল শ্ৰীমতী সৰলা দাস, শ্ৰীহৃদয়াৰঞ্জন ঠাকুৰীয়া, শ্ৰীগোপীনাথ কলিতা প্ৰয়াত নৰকুমাৰ মিশ্ৰই। অংশগ্ৰহণকাৰীসকল হ'ল শৈব্যা কলিতা, মালতী কলিতা, অনিমা বৰ্মন, নিৰু বৰ্মন, নিৰু কলিতা, প্ৰণিতা কলিতা আৰু পুতুলি কলিতা।❑❑

**(লেখক অৱসৰপ্ৰাপ্ত শিক্ষক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপক)**

# ৫৭০ বছৰীয়া এগছি চাকিৰ পোহৰত উদ্ভাষিত বহৰি সত্ৰ

সোমনাথ তালুকদাৰ

অসমৰ প্ৰাচীন ঐতিহ্যমণ্ডিত আৰু সুবৃহৎ গাঁওসমূহৰ ভিতৰত বহৰি বিশিষ্ট উল্লেখযোগ্য। বহৰিৰ প্ৰাচীন নাম আছিল 'দন্তপুৰ'। পিচত মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱে সুদীৰ্ঘ কাল বাস কৰা বাবে 'বাস হৰি'ৰ পৰা বহৰি হৈ পৰিল। অতীতত এই অঞ্চলটোত 'বহৰি' নামৰ এবিধ প্ৰকাণ্ড শেন চৰাই পোৱা গৈছিল বাবে ইয়াৰ নাম বহৰি হোৱা বুলি কোনোৱে ক'ব খোজে।

সপ্তম শতিকাত কাশীৰাজে কাশীধামত পতা মহাবিষ্ণু যজ্ঞৰ প্ৰধান হোতাস্বৰূপে আমন্ত্ৰণ কৰি আনিছিল কান্যকুব্জৰ বেদাচাৰ্য নৰোত্তমক। সেই মহাযজ্ঞত উপস্থিত হোৱা কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মাই নৰোত্তমক লগ পাই সপৰিবাৰে কামৰূপলৈ আনি অশ্বক্ৰান্তত থাপিছিল। তাত ওঠৰ বছৰকাল অতিবাহিত কৰি নৰোত্তম পাইছিলহি বহৰি। তেওঁৰেই পৰৱৰ্তী পুৰুষ অজনাভ আৰু পদ্মনাভ। ইয়াৰ পিচত অজনাভে গতি কৰে উজনিৰ নাৰায়ণপুৰলৈ। তাতেই জন্ম হয় হৰিদেৱৰ। ইফালে সৰুতেই পিতৃ পদ্মনাভক হেৰুৱাই নিঠৰুৱা পুৰুষোত্তম বহৰিৰ নিকটৱৰ্তী শিলা গাঁৱৰ মোমায়েকৰ ঘৰত থাকি ডাঙৰ-দীঘল হয়। পিচলৈ নৱদ্বীপত পঢ়ি এই পুৰুষোত্তমেই মহা-মহোপধ্যায় পুৰুষোত্তম বিদ্যাবাগীশস্বৰূপে চিনাকি হৈ পৰিছিল তেওঁৰ পাণ্ডিত্যৰ বলত। এৱেঁই সুবিখ্যাত ব্যাকৰণ 'প্ৰয়োগ ৰত্নমালা'ৰ স্ৰষ্টা।

এতিয়া মূলতঃ বহৰিৰ প্ৰসংগ আহিলেই প্ৰথমেই আহি পৰে মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ কথা। ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ অসমৰ চাৰিগৰাকী বৈষ্ণৱী মহাপুৰুষে সমগ্ৰ ৰাজ্যজুৰি যি ধৰ্মীয় নৱজাগৰণ আনিবলৈ সক্ষম হৈছিল, তাৰ সবাতোকৈ বেছি প্ৰাণচঞ্চল ক্ষেত্ৰ আছিল বৰপেটা। দক্ষিণেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ পৰা আজিৰ জিলা সদৰ বৰপেটাৰ মাজৰ বহৰি পাটবাউসী-বৰপেটা-সুন্দৰীদিয়াই আছিল চাৰিওগৰাকী মহাপুৰুষৰ ধৰ্ম আৰু কৰ্মৰ পুণ্যস্থলী। শংকৰ-মাধৱে বৰপেটা-সুন্দৰীদিয়া, পাটবাউসীত আৰু হৰিদেৱে বহৰি-মানেৰীত মৰ্ত্যৰ বৈকুণ্ঠধামস্বৰূপ সত্ৰ পাতি নিপীড়িত মানৱৰ মোক্ষৰ দুৱাৰ মুকলি কৰিছিল।

মহাপুৰুষ হৰিদেৱে আহোম ৰজাৰ কোপ দৃষ্টিত পৰি তাৰ পৰা পলাই আহি বাৰবছৰীয়া তীৰ্থ সমাপনৰ অন্তত পিতৃভেঁটি বহৰিলৈ উভতি আহে। ভ্ৰমণৰ কালছোৱাত পুৰী, দ্বাৰকা, মথুৰা, বৃন্দাবনৰ পৰা সঞ্চয় কৰি অনা জ্ঞান-ধৰ্মৰ আলোকেৰে ইয়াৰ জনতাকো ধন্য কৰাৰ মানসেৰে ১৩৭৫ শকত হৰিদেৱে তেওঁৰ প্ৰথমখন সত্ৰ বহৰিত স্থাপন কৰে। ইয়াৰ দুবছৰ পিছত বহৰিৰ পূৱৰ মানেৰীত স্থাপন কৰে দ্বিতীয়খন সত্ৰ। গুৰুজনাই ১৪০ বছৰীয়া বিশাল ধৰ্ম আৰু কৰ্মজীৱনৰ সামৰণি মাৰি ইহকাল এৰিবৰ পৰত জ্যেষ্ঠ কন্যা ভুৱনেশ্বৰীক মানেৰী সত্ৰৰ ধৰ্মাধিকাৰিণী পাতি থৈ যায়। ইয়াৰ পূৰ্বে বহৰি সত্ৰ এৰিবৰ পৰত গুৰুজনাই তেওঁৰ বাৰগৰাকী শিষ্যৰ হাতত সমূহীয়াকৈ বহৰি সত্ৰৰ দায়িত্বভাৰ দি থৈ যায়। সেই তেতিয়াৰে পৰা কোনো সত্ৰাধিকাৰ আদি নোহোৱাকৈ বাৰ ভকতৰ বাৰটা ভাগৰ লোকৰ পৰা গণতান্ত্ৰিক ভাৱে নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা ৫৭০ বছৰে বহৰি সত্ৰ পৰিচালিত হৈ আহিছে। গুৰুজনাই বহৰিত সত্ৰ পাতিবৰ সময়ত আনুষ্ঠানিকভাৱে প্ৰজ্বলন কৰা চাকিগছি আজি ৫৭০ বছৰে অনিৰ্বাপিত ভাৱে জ্বলি আছে। বহৰিৰ আজিৰ সামগ্ৰিক

জনজীৱনৰ ক্ষেত্ৰতেই মূল চালিকাশক্তিৰূপে বিবেচিত হৈ আহিছে এই চাকিগছি। এই সম্পৰ্কে আলচ কৰাৰ পূৰ্বে উনুকিয়াই থোৱা দৰকাৰ বহৰিৰ অন্য এক ইতিহাস। আহোম ৰাজত্বকালৰ শেষৰ ফালে বহৰিত এখন 'খাট' পতা হৈছিল। তাত কীৰ্তিমন্ত বৰুৱা বুলি এগৰাকী শেনচোৰা বৰুৱা নিযুক্ত হৈছিল। পিচত মানৰ আক্ৰমণৰ পৰা পত্নী-কন্যাৰ সতীত্ব ৰক্ষাৰ স্বাৰ্থতেই কঁহুৰা নদীৰ বুকুত নাওঁৰ তলি ফুটাই সপৰিয়ালে আত্মহত্যা কৰিছিল সেই বৰুৱাই। সেই বৰুৱাৰ হাউলিৰ স্মৃতিচিহ্ন আজিও ইয়াত বিৰাজমান। কোনো প্ৰত্নতাত্ত্বিক পৰীক্ষা চলোৱা হোৱা নাই যদিও বহৰিৰ উত্তৰ সীমাৰ 'খাটৰবাৰী'ত এই মুহূৰ্ততো কোৰ মাৰিলেই দ'মে দ'মে ওলায় আহোমযুগীয়া পোৰা ইটা, মাটিৰ সুশোভিত বাচন। আনকি সৌসিদিনা ২০০৫ চনত ইয়াৰ বাসিন্দা ৰাজেন তালুকদাৰৰ ঘৰৰ পুখুৰী খান্দোতে উদ্ধাৰ হয় পাঁচ কিলোগ্ৰামকৈ ওজনৰ দুখনকৈ কাৰুকাৰ্য খচিত প্ৰাচীন তৰোৱাল। অকল এয়াই নহয়, যাঠিপোতা পুখুৰী, বৰপুখুৰী, পিটিপুখুৰী আদি কেইবাটাও আহোম ৰজাদিনীয়া পুখুৰী আজিও বৰ্তমান।

**সমন্বয়ৰ প্ৰতীক বহৰি ঃ-**

আজিৰ যি বহৰি, অৰ্থাৎ বহৰি সত্ৰ এলেকা, সেয়া দুখন সুবৃহৎ ৰাজহ গাঁৱৰ সমষ্টি। এখন বহৰি, আনখন নিজ বহৰি। অথচ দাঁতিকাষৰীয়া গাওঁসমূহত বাদেই স্থানীয় বহুতেই অনুভৱ কৰিব নোৱাৰে এই কথা। ইয়াৰ মূলতেই আছে সত্ৰকেন্দ্ৰিক এক ভাবাতীত সমন্বয়। দুয়ো গাঁৱকেই সামৰি গঠিত হৈছে বহৰি গাওঁ পঞ্চায়ত। নিজ বহৰি আৰু বহৰিত আছে হিন্দু, বঙালী, জৈন ধৰ্মাৱলম্বী মাৰোৱাৰী সম্প্ৰদায় আৰু বহুসংখ্যক ইছলাম ধৰ্মাৱলম্বী মুছলমান পৰিয়াল। এই দুয়ো গাঁৱৰ মুছলমান পৰিয়ালকেইটাৰ বাদে আনসকল সমানেই সত্ৰৰ অংশীদাৰ। সমূহ মিলি সত্ৰৰ অংশীদাৰ পৰিয়াল। গুৰুত্বপূৰ্ণ কথা যে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ অসংখ্য ক্ষুদ্ৰ-বৃহৎ গাঁও একোখনত দুই-তিনিটা নামঘৰ, দুই তিনিখন সমাজৰ খিয়লা-খিয়লিৰ বিপৰীতে এই বাৰশ পৰিয়াল একেটা মাথোঁ সমাজেৰে কি শৃংখলাপূৰ্ণভাৱে বসবাস কৰি আহিছে, সি সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ আৰু এই তাৎপৰ্যৰ স্থিতি ৰক্ষাকৰ্তাৰ ভূমিকা লৈ আহিছে এগছি মাথো বন্তিয়ে, যি গছি আজি ইয়াৰ জনজীৱনৰ সংহতি আৰু সমন্বয়ৰ কেন্দ্ৰবিন্দু। পূৰ্বেই কোৱা হৈছে সত্ৰখন পৰিচালিত হয় সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে। গুৰুজনাই প্ৰজ্বলিত কৰি থৈ যোৱা অক্ষয় বন্তিগছি জ্বলাই সত্ৰৰ সমূহ কাম সামৰাৰ দায়িত্ব প্ৰথমাৱস্থাত যি বাৰগৰাকী ভকতক দিয়া হৈছিল— তেওঁলোকৰ অধীনস্থসকলক প্ৰতি এমাহৰ পৰিচালনাৰ দায়িত্ব দিয়া হৈছিল। বিশেষকৈ এই বাৰটা ভাগত বিভক্ত লোকখিনিয়ে নিজৰ ভাগৰ মাহটোত তেল-শলিতাৰ যোগান ধৰিছিল, যি প্ৰথা আজিও চলি আছে। এই বাৰটা ভাগৰ দুজনকৈ সদস্য আৰু কেন্দ্ৰীয়ভাৱে নিৰ্বাচিত সাতগৰাকী সদস্যৰে গঠিত হয় সত্ৰ পৰিচালনা আৰু গ্ৰামোন্নয়ণ সমিতি। নেতৃত্বত থাকে সভাপতি আৰু কাৰ্যবাহীৰূপে থাকে মজুমদাৰ (সত্ৰ পৰিচালনাত) আৰু সম্পাদক (গ্ৰামোন্নয়ণত)। সত্ৰৰ অংশীদাৰসকলে সত্ৰৰ বিভিন্ন ধৰ্মীয় উৎসৱ-পাৰ্বণৰ বাবে সমভাৱে নিৰ্ধাৰিত বৰঙণি আদায় দি সত্ৰ পৰিচালনাত সহায় কৰাৰ উপৰি নিজ নিজ ভাগৰ মাহটোত নিৰ্দিষ্ট পৰিমাণৰ মিঠাতেল অক্ষয় বন্তিৰ বাবে আগবঢ়ায়। শ শ বছৰজুৰি এই দৰেই প্ৰজ্বলিত হৈ আহিছে বহৰি সত্ৰৰ চালিকা শক্তিস্বৰূপ অক্ষয় বন্তি গছি। প্ৰায় দহ হেজাৰ জনসংখ্যাৰ এই বৃহৎ গাওঁখন একেটা নামঘৰতে আঠু লৈ, এখন সমাজৰ এটা মাথো নীতি-বিধিতে বৰ্তি থকাৰ মূলকথাটো হ'ল— সত্ৰবাসীৰ মনত এইগছি অক্ষয় বন্তিলৈ থকা আন্তৰিক প্ৰগাঢ় বিশ্বাস আৰু মানসিক ভয়। জনবিশ্বাস-হৰিগুৰুৰ পূণ্যপাণিৰ পৰশত জ্বলা এইগছি বন্তিয়ে গাঁও বাসীক সমূহ বিপদ-আপদত ৰক্ষা কৰি আহিছে। গতিকে কোনোবাই কিবা কথাত কেনেবাকৈ গাঁৱৰ সংহতিত আউল লগোৱা মানেই চাকিগছিক অপমান কৰা আৰু চাকিগছিক অৱমাননা কৰা মানেই সাক্ষাৎ ৰৌ ৰৌ নৰক। নৰকলৈনো কোনে যায়, কি সতে।

**সামাজিক আদালতৰ মুখ্য ন্যায়াধীশ অক্ষয় বন্তিগছি ঃ-**

বহৰি সত্ৰ পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত গ্ৰামোন্নয়ণ সমিতিখন মূলতঃ এক সামাজিক আদালতহে। বহৰি গাঁৱৰ পশ্চিম মূৰতেই স্থাপিত যদিও ইয়াৰ স্থানীয় থানালৈ (তাৰাবাৰী) বহৰিবাসী লোকৰ যিকোনো গোচৰ খুব কমসংখ্যকেই যায়। কাৰণ ৰাইজৰ সৰু বৰ বিভিন্ন বিষয়ৰ বিচাৰপৰ্ব আজিও সত্ৰৰ মেলচ'ৰাত নিয়মীয়াকৈ অনুষ্ঠিত হৈ আহিছে। এই গোচৰৰ দোষী নিৰ্ণীত ব্যক্তিক সাধাৰণতে অৰ্থদণ্ডই সৰহকৈ কৰা যায় যদিও বিষয়ৰ গুৰুত্ব বুজি সামাজিকভাৱে এঘৰীয়া কৰাৰো নিয়ম আছে। এনেদৰে বিভিন্ন গোচৰৰ চয়-নিশচয় নিৰ্ণয়তো কিন্তু আজিকোপতি কোনো

গুৰুতৰ বিসংগতি সৃষ্টি হোৱা নাই আৰু নোহোৱাৰ কাৰণো এই অক্ষয় বন্তিগছিয়েই, কিয়নো যিকোনো বিচাৰৰ আচামী আৰু ফৰিয়াদী উভয় পক্ষই নিজ নিজ বক্তব্য ৰাখোতে মেলচ'ৰাত প্ৰথমেই অক্ষয় বন্তিগছিক সাক্ষী কৰি শপত ল'ব লাগে। এয়া সাৰ্বজনীন নিয়ম। ইফালে বহৰিত এনে এজন মানুহ বিচাৰি পোৱা সম্ভৱ নহ'ব যে অক্ষয় বন্তিগছিক সাক্ষী কৰি উঠি মিছা মাতিব। গতিকে এইসমূহ ক্ষেত্ৰত ন্যায় নিৰ্ধাৰণ উজু আৰু প্ৰশস্ত হৈ পৰে। গতিকে মুলতঃ ৫৭০ বছৰীয়া এই অক্ষয় বন্তিগছিয়েই বহৰিৰ সামাজিক আদালতৰ মুখ্য ন্যায়াধীশৰ ভূমিকা লৈ অঞ্চলটোত শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ বীজ সিঁচি আহিছে।

**বহৰি সত্ৰৰ ধৰ্মীয় কাজ ঃ-**

মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ তিৰোভাৱ তিথি মহোৎসৱেই সত্ৰবাসীৰ মানত প্ৰধান ধৰ্মীয় উৎসৱ। পাঁচদিনীয়াকৈ পালিত এই উৎসৱৰ প্ৰথম তিনিটা দিন 'কীৰ্তন মহোৎসৱ'। ইয়াৰে চতুৰ্থ দিনটো আকৌ গোন্ধ সভা মহোৎসৱ। সিদিনা সত্ৰৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সমূহ ভক্তই দিনটো উপবাসে থাকি ঠিক সূৰ্যাস্তৰ লগে লগে সত্ৰ চৌহদত হেজাৰ হেজাৰ বন্তি প্ৰজ্বলন কৰি গুৰুজনালৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। লগতে গোটেই নিশা তেল-ঘি-শলিতা যোগাই থাকি এই চাকিসমূহ অবিৰতভাৱে সূৰ্যোদয়ৰ সময়লৈ জ্বলাই ৰখা হয়। এই গোন্ধ সভাৰ চাকি জ্বলোৱা দৃশ্য প্ৰত্যক্ষ কৰিবলৈকে বছৰি হেজাৰ হেজাৰ লোকৰ সমাগম ঘটাটো অতি উল্লেখযোগ্য কথা। এই মহোৎসৱৰ পঞ্চম দিনটো মূল সভা আৰু মহোৎসৱৰ সামৰণি সভা। মূল সভাৰ দিনা গুৰুচৰিত পাঠ সমাপ্ত, বেদবিহিত কাৰ্যৰে পিণ্ডদান আৰু ৰাজহুৱা নাম-প্ৰসংগত জেঠৰ গেলা গৰমতো হেজাৰ হেজাৰ লোকে অংশ লৈ নিজকে ধন্য কৰে। আনহাতে সন্ধিয়া পৰত সত্ৰৰ মূল মজিয়াত বিতৰণ কৰা হয় ভাগৰ প্ৰসাদ। সত্ৰৰ অংশীদাৰ পৰিয়ালসকলৰ মাজতহে বিতৰণ হোৱা এই মাহ প্ৰসাদক সত্ৰবাসীয়ে অতি পবিত্ৰ জ্ঞান কৰি গ্ৰহণ কৰে। সত্ৰখনত নিয়মীয়া প্ৰসংগৰ উপৰি গুৰুজনাৰ জন্মোৎসৱ শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আৰু দৌলোৎসৱ মহাপয়োভৰেৰে পতাৰ লগতে শংকৰ-মাধৱ-দামোদৰ গুৰুৰো তিথিসমূহ অনুষ্ঠপীয়া ৰূপত উদ্‌যাপিত হয়।

**বহৰি সত্ৰৰ মূল বৈশিষ্ট্য ঃ**

মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ স্থাপিত বহৰি সত্ৰৰ প্ৰধান বৈশিষ্ট্য হৈছে- নামঘৰত নাৰীৰ অবাধ প্ৰৱেশ। পূৰ্বেই কোৱা হৈছে— মানেৰী সত্ৰ পৰিচালনাৰ ভাৰ কন্যা ভুৱনেশ্বৰীৰ হাতত দি গৈছিল গুৰুজনাই। সেই তেতিয়াৰে পৰা সত্ৰ সমূহতে নাৰীয়ে সমভাৱে প্ৰৱেশ কৰি আহিছে। নামঘৰৰ মূল মজিয়াত সত্ৰৰ ভকতনীসকলে নিয়মীয়া প্ৰসংগ কৰাৰ উপৰি আনকি অক্ষয় বন্তিগছি সংৰক্ষিত মন্দিৰগৃহতো নাৰীয়ে প্ৰৱেশ কৰাত বাধা নাই।

মুঠৰ ওপৰত সত্ৰবাসী দহ হেজাৰ লোকক একত্ৰিত কৰি, সংহতি-সমন্বয় আৰু সমবিকাশমুখী মহাতীৰ্থৰূপে বহৰি ধামক ঐতিহ্যমণ্ডিত কৰি তোলাত সৰ্বতোপ্ৰকাৰে কেন্দ্ৰীয় ভূমিকা লৈ আহিছে বিগত ৫৭০ বছৰে প্ৰজ্বলিত হৈ অহা 'অক্ষয় বন্তি' গছিয়ে। বহৰি সত্ৰৰ এই গছি চাকিৰ আলোকেৰে সত্ৰবাসী উজ্জীৱিত হৈ উঠাৰ দৰে সমূহকে ইয়াৰ মহিমাৰে মহিমামণ্ডিত কৰি তোলক- তাৰেই কামনা।❑❑

*টোকা ঃ এই নিবন্ধটো 'অসমীয়া প্ৰতিদিন' কাকতৰ শনিবৰীয়া পৰিপুৰিকা 'এনাজৰী'ৰ মূল নিবন্ধৰূপে ১২ মে, ২০০৭ ইং তাৰিখে '৫৫৪ বছৰীয়া চাকিৰ পোহৰ' শিৰোনামাৰে প্ৰকাশ পাইছিল। পিচলৈ আন গ্ৰন্থটো প্ৰকাশ পাইছে। মাথো এইবেলি শিৰোনামত সংখ্যাটো ৫৭০ বছৰ কৰি দিয়া হ'ল। —লেখক।*

# ব্ৰহ্ম, জীৱ, প্ৰতিমা আৰু শ্ৰীশ্ৰীহৰিদেৱৰ উদাৰতা

মধুসূদন কছাৰী

ভাৰতৰ বৈষ্ণৱ ধৰ্মৰ আদি গুৰুসকলে বৈষ্ণৱীয় কথাৰ মতৰ ঐক্য ৰচনা কৰিছে আৰু উপনিষদসমূহৰ আশ্ৰয়ত প্ৰকৃতৰূপ চৰ্চা কৰিছে বেলেগ বেলেগ মতদানেৰে। এই দিশত গুৰুত্বপূৰ্ণ অংশ লৈছিল শংকৰাচাৰ্য্য, ৰামানুজ আৰু মাধবাচাৰ্য্যই। এই তিনিগৰাকী ধৰ্ম দাৰ্শনিকে উপনিষদসমূহৰ তাত্বিক সিদ্ধান্তক সাৰ কৰি লৈ নিজৰ নিজৰ বিশ্লেষণ দাঙি ধৰিলে। প্ৰকৃতপক্ষে ভাৰতত বৈষ্ণৱ ধৰ্মৰ অদ্বৈতবাদী মতক সুকীয়া সুকীয়াকৈ, শংকৰাচাৰ্যকে আৰম্ভ কৰি পৰৱৰ্তী ধৰ্মাচাৰ্যসকলে নিৰ্দ্দিষ্ট কৰি দেখুৱাই গ'ল। উপনিষদে নিৰ্দেশ কৰা অদ্বৈতবাদী সূত্ৰৰ বিশ্লেষণৰ ৰূপ যেনেকৈয়ে নহওক কিয় গোটেই বৈষ্ণৱ ধাৰাটোৰ প্ৰথম সুঁতিটোৰ আৰম্ভণ বৈদিক সূক্তসমূহে কৰি থৈ গৈছে আৰু বৈদিক সাহিত্য ৰচনা আৰম্ভ হোৱাৰ কালৰে পৰা ভিন্ ভিন্ ধাৰাই ভিন্ ভিন্ গতিপথ ল'লেও কিন্তু আচল বৈষ্ণৱ ধাৰা একেটাহে আৰু এই ক্ষেত্ৰত বেদৰ আৰম্ভণ কালৰ পিচত সৃষ্টি হোৱা অন্য ধৰ্ম সমূহৰ ওপৰতো বৈষ্ণৱ স্মৃতিৰ একেশ্বৰবাদৰ অনুকৰণ মন কৰিবলগীয়া। সংহিতাবোৰ ৰচনা হোৱাৰ পিছত ব্ৰাহ্মণবোৰৰ ৰচনাই স্পষ্ট কৰি দেখুৱালে যে ব্ৰাহ্মণবোৰে বিধিবিধান আৰু যজ্ঞানুষ্ঠানত প্ৰাধান্য দিছিল, অনুষ্ঠানৰ বাহুল্যতাৰ কাৰণেই হওক বা অন্য কাৰণতেই হওক ব্ৰাহ্মণবোৰৰ পিছতেই ৰচিত আৰণ্যক গ্ৰন্থসমূহ। আৰণ্যকবোৰে যজ্ঞানুষ্ঠানত প্ৰাধান্য দিয়া নাছিল — যাগযজ্ঞতকৈ ধ্যানৰ ওপৰতহে আৰণ্যকৰ গুৰুত্ব আছিল। তৈত্তিৰীয় আৰণ্যকে নাৰায়ণ আৰু বিষ্ণুৰ মাজত সম্পৰ্ক স্থাপন কৰি দিছিল"।

গতিকে দেখা যায় যে তৈত্তিৰীয় আৰণ্যকে স্পষ্টভাৱে বৈষ্ণৱ সুঁতিটো নিশ্চিত কৰি দিছিল আৰু পৰৱৰ্ত্তী কালত বৈষ্ণৱ-চিন্তা বিশ্লেষণত অদ্বৈতবাদ প্ৰধান হৈ পৰিল। অদ্বৈতবাদী চিন্তাত জীৱ আৰু ব্ৰহ্মৰ মাজৰ সম্পৰ্কৰ কথাটোৱে প্ৰধান হিচাপে স্থান লৈছে আৰু আগতে উল্লেখ কৰি অহা মহাপুৰুষসকলৰ মতো এই সম্পৰ্কত প্ৰণিধানযোগ্য। মধ্বৰ মতে জীৱ আৰু ব্ৰহ্ম এই দুয়োৰে অস্তিত্ব বেলেগ বেলেগ। এই মতবাদক দ্বৈতবাদী মতবাদ বুলি কোৱা হয়। শংকৰাচাৰ্য্যৰ মতে এই দুই অভিন্ন, গতিকে অদ্বৈত। ৰামানুজৰ মতে আকৌ দুয়োটাৰ সম্পৰ্ক সমগ্ৰ আৰু তাৰে অংশৰ দৰে, গতিকে এইটো মতক বিশিষ্টাদ্বৈত বুলি কোৱা হয়। ইয়াৰ পিচতে আকৌ বহুজনে দিয়া ভিন্ ভিন্ মতবাদত জীৱ আৰু ব্ৰহ্মৰ সম্পৰ্কত ভেদ আৰু অভেদ, ভেদৰ মাজতে অভেদ ভেদাভেদৰ কথা দাঙি ধৰিছে।

ব্ৰহ্ম আৰু জীৱৰ ওপৰত দাঙি ধৰা কথাখিনি অসমৰ মহাপুৰুষসকলে প্ৰকৃতপক্ষে আৰু বাস্তৱ ৰূপত কিদৰে ৰূপদানৰ পৰামৰ্শ দিছিল এই কথা বিচাৰ কৰি চাবৰ মন গৈছে। পঞ্চদশ শতিকাৰ অসমত বৈষ্ণৱ ধাৰাৰ প্ৰবল সুঁতিটোৱে বন্যাৰূপ ধাৰণ কৰি সকলোকে প্লাৱিত কৰাৰ নিচিনা ঘটনা অকল অসমতে ঘটিছিল বুলি কলে ভুল কৰা হ'ব। সমগ্ৰ পৃথিৱীতে ধৰ্মীয় ধাৰণাৰ নতুনত্ব আনি দিছিল। এই কালচোৱাত পৃথিৱীৰ ইতিহাসৰ পিনে মন কৰিলেই এই কথাৰ সত্যতা প্ৰতীয়মান হ'ব। ভাৰতত নৱ-বৈষ্ণৱ ধাৰাটোৰ বিশেষত্ব আছিল আগৰ ৰীতি-নীতি ব্ৰত আদি ক্ৰিয়া-কৰ্মৰ বিপৰীতে দৈনন্দিন জীৱনলৈ নতুনত্ব প্ৰদান কৰা। নৱবৈষ্ণৱ আন্দোলন আছিল প্ৰাচীন বৈষ্ণৱ আন্দোলনৰ এক

আন্দোলনকাৰী প্ৰত্যাহ্বান। "Vaishnavism checked elaborate rituals ceremonials, Vrat/as fasts and feasts prescribed by Smritis and Purnas for the daily life of a Hindu and also worship of various deities like the sun, the moon, the grahas or planets......." অসমৰ বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষসকলে স্পষ্টভাৱে ৰামানুচাৰ্য্যৰ দৰ্শনৰ মতাৱলম্বন কৰিছিল বুলি বহুজনে দিয়া সিদ্ধান্তৰ পুনৰাবৃত্তিৰ কোনো প্ৰয়োজন নহ'ব। এই সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাই পৰিষ্কাৰকৈ কৈ গৈছে...... It can however be safely concluded that Ramanuja's philosophical conceptions, if studied, would lead one to think that it is entitled to high place among the world's philosophical thought and his system is a sound one, not compatible with the conception of the attributes and the nature of the conception of the attributes and the nature of the supreme Brahman.... " (The Religion of love and Devotion," Pg. 5) বৈষ্ণৱ ধৰ্মীয় চিন্তাৰ ক্ষেত্ৰত আমাৰ মহাপুৰুষকেইজনৰ আটাইকেইগৰাকীয়ে ঐক্যমত ৰচনা কৰি গৈছে আৰু শ্ৰীমদ্ভাগৱতৰ নৱ-বিধা ভক্তি (শ্ৰৱণ, কীৰ্ত্তন, শমন, অৰ্চন, পদ সেৱন, দাস্য, সখীত্ব, বন্দন আৰু দেহ সমৰ্পন)ক প্ৰাধান্য দি গৈছে। তেৱাসৱে এই সিদ্ধান্তও একেলগে দিছে যে ভগৱান সৰ্বত্ৰ বিদ্যমান, সৃষ্টিকৰ্তা এজনেই, তেওঁত পূজা-অৰ্চনা কৰিবলৈ অন্যৰ আশ্ৰয়ৰ আৱশ্যক নাই, অন্য দেৱ-দেৱীক পূজা কৰিলেও ভগৱন্তেহে পায়।

মহাপুৰুষ হৰিদেৱৰ কথা অতি স্পষ্ট। সৃষ্টিৰ সকলো এক; ইয়াত ভেদাভেদ উচ্চ-নীচ আদি হ'ব নোৱাৰে। এনেকি যিসময়ত নাৰীৰ স্থান পুৰুষৰ সমান বুলি ভবাটোও আছিল অপৰাধ সেই সময়তে হৰিদেৱে নাৰীক পুৰুষৰ সমানে মৰ্যাদা দি গৈছে আৰু এনেকি ধৰ্মৰ গুৰি ধৰোঁতা হিচাপেও অধিষ্ঠাত্ৰী পাতি গৈছে। হৰিদেৱৰ উদাৰ ধৰ্মমতে নাৰী-পুৰুষ, ৰজা-প্ৰজা, চ্যুত-অচ্যুত সকলোৰে সমান অধিকাৰ দি গৈছে। তেৱাৰ মহত্বৰ আন এটা দিশ ইয়াতে প্ৰকাশ পাইছে ঃ

কুল জাতি বৰ্ণ মনুষ্যে স্ৰজিলা
স্থিতি হৈল ভিন্ন ভিন্ন।
কিন্তু তথাপিও সবাতো দেখিবা
এক প্ৰাণ এক চিন।।
আসন ভোজন ভাগে ভাগে কৈলে
জাত কূল বৃদ্ধি জানি।
এতেকেসে বুজি একত্ৰে ৰহিবা
মানৱ ধৰ্মক মানি।।

(শ. সি. পৃষ্ঠা ১০৯)

মহাপুৰুষ হৰিদেৱৰ উদাৰতাৰ চিন হিচাপে অসংখ্য উদাহৰণ বিদ্যমান। সমাজৰ অস্পৃশ্য বুলি খ্যাত খট আৰু দস্যুক তেৱাই কাষ চপাই আনি সমস্থানত পাতি উদ্ধাৰ কৰিলে। বেশ্যাবৃত্তি কৰি বৰ্তি থকা নাৰীক উদ্ধাৰ কৰি সৎপথলৈ আনিলে। এনেহেন উদাহৰণ অন্য কিমানজন মহাপুৰুষৰ জীৱনত আছে সেই কথাও বিচাৰি চোৱা উচিত। বিষ্ণু-মূৰ্তি পূজা বৈষ্ণৱ ধৰ্মৰ আন এটা ক্ৰিয়া। অসমত শ্ৰীশ্ৰী দমোদৰদেৱ, ভট্টদেৱ, জগন্নাথদেৱ আদি গুৰুসকলেও বিষ্ণুমূৰ্ত্তিৰ পূজাৰ বিধান দিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিষ্ণুমূৰ্তি প্ৰতিষ্ঠা কৰি অৰ্চনা কৰা প্ৰথা এতিয়াও বৰপেটা সত্ৰত বিদ্যমান। দেৱ-দেৱী নাই বুলিও তেৱাই কতো কোৱা নাই।

কিন্তু সেই পূজা অৰ্চনাত বলি বিধান হ'ব নোৱাৰে তাত থাকিব আৰাধন, শ্ৰৱণ আৰু কীৰ্ত্তন। ভাগৱততো বিষ্ণু পূজাৰ বিধান কেনেদৰে দিয়া আছে চাওক ঃ

অচায়াং স্থণ্ডিলেহগ্নৌ বাসুৰ্যেবাপ্সু হৃদি দ্বিজ।
দ্ৰৱ্যেন ভক্তিযুক্তোহৰ্চেৎ স্ব গুৰুং মাম্ মায়য়া।।

(ভক্তিমান সকলে প্ৰতিমাত বেদী, অগ্নি, সূৰ্য, জল, অথবা আপোন হৃদয়ত স্ব-গুৰু ধ্যানেৰে মোক পূজা কৰিব।)

আঠবিধ প্ৰতিমাৰো বিধান আছে। যথা — শিলাময়ী (শিলেৰে কৰা মূৰ্ত্তি), দাৰময় (কাঠৰ মূৰ্তি), লৌহী (ধাতুৰ মূৰ্তি), লেপ্যা (কাপোৰ আদিত ছবি আঁকি চন্দনেৰে চিত্ৰ আঁকি কৰা চিত্ৰ), সৈকতী (মাটিৰ মূৰ্তি), মনোময়ী (মনতে ধাৰণা কৰা মূৰ্তি), আৰু মণিময় (পদ্মৰাগ আদি মণিৰে সজা মূৰ্তি)। গতিকে সন্মুখত মূৰ্তি ধ্যান কৰি সহজতে মানস ৰূপ এটা অংকিত কৰা আৰাধনা দোষযুক্ত নহয়, বৰং অধিক আত্মীয় হয়। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ আৰু শ্ৰীশ্ৰীদামোদৰদেৱৰ

এই বিষয়ৰ সিদ্ধান্ত অতি স্পষ্ট। বহুতৰ সমন্বয়ত এক আৰু সেয়ে বেদান্তৰ একমেৱাদ্বিতীয়ম্ এয়েই হৈছে সৎ চিৎ আনন্দ, তত্ত্বমসি আৰু ইয়েই একমাত্ৰ পৰতত্ত্ব। ইয়াৰ জ্ঞানকে জ্ঞান বিজ্ঞান বোলা হৈছে......। এই একতত্বই গীতাত যোগমায়া সমাবৃত অজম্ অব্যয়ম্ বা পুৰুষোত্তম শ্ৰীকৃষ্ণ হিচাপে সাধনা কৰা হৈছে। ভাগৱতত এই একতত্বই অখিল বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি, লয়ৰ মূল কাৰণ, বিশ্বাত্মা, স্ব-প্ৰকাশ, পৰতত্ত্ব, সত্য বস্তুকেই ধ্যান কৰা হৈছে......। যি সত্যবস্তুক ধ্যান কৰা হ'ব সেই ধ্যানৰ মানস প্ৰতিমা কি? প্ৰতিমা ধ্যান কৰি ল'ব নোৱাৰিলে অকল শূন্যক ধ্যান কৰা যায় কিদৰে? শূন্যক ধ্যান কৰাৰ অৰ্থ শূন্যকে প্ৰতিমা কৰি লোৱা— সেই প্ৰতিমাৰ ৰূপ যেনেই নহওক। সেই প্ৰতিমাৰো নিজৰ ৰূপ সৃষ্টি হয়, ৰূপ সৃষ্টি মানে অংগ-প্ৰত্যংগৰ ধাৰণা। গতিকে অংগ-প্ৰত্যংগবোৰেই হৈছে দেৱ-দেৱী; মনত ৰখা ভাল যে সেইবোৰ দেৱ-দেৱীহে পৰম দেৱতা ঈশ্বৰ বা বিষ্ণু নহয় অথচ এই দেৱ-দেৱতা নহ'লে পৰম দেৱতা বিষ্ণু বা ভগৱান সম্পূৰ্ণ নহয়— যেনে গ্ৰহ-উপগ্ৰহাদি নহ'লে বিশ্ব ব্ৰহ্মাণ্ড নহয়। সেই কাৰণে সম্পূৰ্ণক আৰাধনা কৰি পাৰলৈ অংগ-প্ৰত্যংগ দেৱ-দেৱীৰ আৰাধনাও অৱশ্যে লাগিব। সেই দেৱ-দেৱীসকলক পূজা-আৰাধনা কৰিলেও কিন্তু সেই পূজা ভগৱানেহে পাব। মহাপুৰুষ শঙ্কৰদেৱেও সেই দেৱ-দেৱীৰ অস্তিত্ব স্বীকাৰ কৰিছে। হৰিদেৱ, দমোদৰদেৱ, মহাপুৰুষেও সেই একেটা কথাকে কৈ ভক্তিৰ কথা একেদৰেই কৈছে। ভাগৱতত কোৱা নৱ-বিধা ভক্তিৰ কথাও কিন্তু তিনিওজনা গুৰুৱে পালনৰ দিহা দিছে আৰু পৰম বিষ্ণুৰ শৰণ লোৱাৰ দিহা দিছে। পৰম বিষ্ণুৰ চৰণ সাধনা পূৰ্ণত্বৰ সাধনা, ক্ষয়ৰ বিপৰীতে অক্ষয়ৰ সাধনা আৰু সেই কাৰণেই এই বেদমন্ত্ৰৰ শক্তি চিৰন্তন হৈ আছে —

ওঁ পূৰ্ণমদঃ পূৰ্ণমিদং পূৰ্ণাৎ পূৰ্ণমুদচ্যতে।
পূৰ্ণস্য পূৰ্ণমাদায় পূৰ্ণমেবাৱশিষ্যতে।।

❑❑

(বৈষ্ণৱ বিভূতি গ্ৰন্থত প্ৰকাশিত)

# ভাৰতৰ ধৰ্মীয় ভাৱধাৰা আৰু শ্ৰীহৰিদেৱ গুৰুৰ দাৰ্শনিক দৃষ্টিভঙ্গী

জিতেন্দ্ৰ নাথ দাস

পৰিৱৰ্ত্তিনী সংসাৰৰ অপ্ৰতিহত গতিত বিশ্বপ্ৰকৃতিৰ পৰিৱৰ্তন, উত্থান-পতন অতি স্বাভাৱিক। আদিম যুগৰ জীৱ-জগতৰ জীৱন পদ্ধতিক যি আনুমানিক বিৱৰ্ত্তনৰ ধাৰণা কৰা হৈছিল সি বৈদিক যুগৰ লগত পৰিৱৰ্ত্তিত অৱস্থাত দেখা গৈছিল। বৈদিক যুগৰ জীৱন ধাৰাৰ আমূল পৰিৱৰ্তন লক্ষ্য কৰা যায় উপনিষদ যুগত। মানুহৰ ধ্যান ধাৰণা আৰু জ্ঞানৰ বৰ্হিঃস্ফুৰণ এই যুগৰ অন্যতম লক্ষণীয় বিষয়। সৃষ্টি আৰু স্ৰষ্টাৰ তত্বান্বেষণত ঋষি মুনি সকলে গভীৰ মনোনিৱেশ কৰিলে আৰু তাৰ ফলশ্ৰুতিত অমূল্য উপনিষদ সমূহৰ জন্ম হ'ল। ঋক্‌বেদ, সামবেদ, যজুবেদ আদি সংকলিত হোৱাৰ পাছত ঋষি সকলে লক্ষ্য কৰিছিল যে সূৰ্য্য, বৰুণ, অগ্নি আদি শক্তিবোৰ পূৰ্বত বিভিন্ন বুলি ভবা হৈছিল যদিও দৰাচলতে সেইবোৰ একেটা শক্তিৰে বিভিন্ন প্ৰকাশ মাত্ৰ। "একম্‌সদ্ বিপ্ৰাঃ বহুধা বদন্তি।" অকল সেয়ে নহয়, পূৰ্বতে বেলেগ বেলেগ বস্তু বা জীৱ বুলি ধাৰণা কৰা সত্তাবোৰো সেই একেটা শক্তিৰ বিভিন্ন প্ৰকাশ। সেই সকলোবোৰৰ মাজত একেটা শক্তি বিয়পি আছে অথচ সেই শক্তি তাতে সীমাবদ্ধ হৈ থকা নাই। "ওম্ ঈশা বাস্যম্ ইদম্ সৰ্ব্বম্ যৎ কিঞ্চিৎ জগতা জগৎ। ময়া তত্বম্ সৰ্ব্বম্ ঈদম্ ন চ অহম্ তেষু অৱস্তিতঃ।" পৰিদৃশ্যমান জগতৰ উৰ্দ্ধতো সেই শক্তি পৰিব্যাপ্ত হৈ আছে।

এশৰো অধিক উপনিষদত এই এক ঈশ্বৰৰ ধাৰণাকে বৰ্ণোৱা হৈছে। উপনিষদৰ এই অভূতপূৰ্ব আৱিষ্কাৰ পৰৱৰ্তী কালৰ সকলো ধৰ্মৰ, আন কি খৃষ্টিয়ান আৰু মহম্মদীয় ধৰ্মৰো, মূল তত্বৰ লগত একে।

কিন্তু এই সত্য সৰ্ব-সাধাৰণ মানুহক উপনিষদৰ যুক্তিৰে বুজোৱা কঠিন। সৰ্বসাধাৰণক সহজ সৰল ভাৱে বুজোৱা কামটো ল'লে মহাভাৰত, ৰামায়ণ আৰু পুৰাণ ৰচোতা সকলে। আখ্যানৰ যোগেদি মহাভাৰত, ৰামায়ণ আৰু পুৰাণবোৰে উপনিষদৰ সত্যকে সৰ্বসাধাৰণ মানুহৰ মাজত প্ৰচাৰ কৰিলে। পৌৰাণিক যুগৰ বৈশিষ্ট্যও এই খিনিতে।

পুৰাণবোৰৰ ভিতৰত আকৌ ভাগৱত পুৰাণ সবাতোকৈ শ্ৰেষ্ঠ। শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে কৈছে—

"বোলয় বেদান্তসাৰ ভাগৱত শাস্ত্ৰকে
অমৃতৰ সন্ধান মিলয়।
নাহি নাহি শাস্ত্ৰ অন্য ভাগৱত সমতুল্য
যথামতে তৃপিতি পাৱয়।।"

(শৰণ সিদ্ধান্ত, অষ্টম স্তৱক)

ভাগৱতত এক ঈশ্বৰৰ ধাৰণাক কৃষ্ণ অৱতাৰৰ মাজেদি বাস্তৱ ৰূপ দিয়া হৈছে। শ্ৰীকৃষ্ণ কেৱল অৰ্জুন সখা, গুণীজ্ঞানী মহাপুৰুষেই নহয়, তেওঁ স্বয়ং ভগৱান বিষ্ণুৰেই অৱতাৰ। ভাগৱতী ধৰ্মত সেইহেতু শ্ৰীকৃষ্ণক পূজা কৰা মানে বিষ্ণুক পূজা কৰা। বিষ্ণু বা শ্ৰীকৃষ্ণৰ শক্তিয়েই চৈতন্য-স্বৰূপে দেৱ-দেৱী, জড় মনুষ্য, কীট-পতঙ্গ, সকলোৰে মাজেদি প্ৰকাশিত হৈছে।

এই বিশ্বব্যাপি শক্তি অব্যক্ত হ'লেও অকৰুণ নহয়। এই শক্তি পৰম কৰুণাময়, কল্যাণকামী আৰু সদায় সাহায্যমুখী। কালে সকলো জড়কে সকলো জীৱকে বিনাশ কৰে, কিন্তু এই শক্তিয়ে বিনাশৰ মাজেদি নতুন সৃষ্টি কৰি বিশ্বক পৰিচালনা কৰি আছে। পাপলিপ্ত নাইবা দুৰ্যোগ গ্ৰস্ত লোক বতাহত পাৰ নোপোৱা নাৱৰ দৰে ঘূৰি ফুৰে। কিন্তু অন্তৰেৰে শ্ৰদ্ধা কৰিলে

এই শক্তিয়ে তেনে লোককো সহায় কৰে, শোকত সান্ত্বনা দিয়ে আৰু জীৱন নাৱৰ গুৰি ধৰে। "অপি চেৎসুদূৰাচাৰো ভজতে মাম্ অনন্যভাক্ মাধুৰেব চ মন্তব্যঃ সম্যগ্ ব্যৱসিতোহি সঃ।" শ্ৰদ্ধাই ওপৰ খাপত গৈ ভক্তিত পৰিণত হয়। ভক্তি অন্তৰৰ অনুভূতি। ভগৱানক অন্তৰৰ অনুভূতিহে লাগে, যজ্ঞ, দ্ৰব্য, বলি, ৰক্ত এইবোৰ নালাগে। শ্ৰদ্ধাৰে যাচিলে সাধাৰণ জল, ফুল, তুলসী পাততে ভগৱান তুষ্ট হয়। ভক্তিৰ দ্বাৰাহে স্ৰষ্টা আৰু সৃষ্টিৰ মাজত সম্পৰ্ক স্থাপিত হয়। ইয়াকে ভক্তিমাৰ্গ বোলা হয়।

ভক্তিৰ কেইবাটাও স্তৰ আছে। শাস্ত্ৰত ন-টা স্তৰৰ উল্লেখ আছে। যেনে- শ্ৰৱণ, কীৰ্তন, স্মৰণ, পদসেৱন, অৰ্চন, বন্দন, দাস্য, সখা আৰু আত্ম নিবেদন। যিমানে ওপৰ খাপলৈ উধোৱা হয় সিমানে ভক্ত আৰু ভগৱানৰ সম্পৰ্ক নিবিড়তৰ হৈ আহে। আনকি শেহান্তৰত ভগৱানে ভক্তৰ হৃদয়ত অধিষ্ঠিত হৈ ভক্তক প্ৰতিমুহূৰ্ত্তত পৰিচালনা কৰে। তেনে মানুহক জীৱমুক্ত বোলা হয়।

যিহেতু ভগৱান সকলো জীৱৰ মাজত বিয়পি আছে, সেইহেতু ধৰ্মৰ দিশৰ পৰা সকলো জীৱই এক শাৰীৰ সত্তা। ইয়াত কোনো ভেদাভেদ নাই। মানুহৰ সমাজেৰে মানুহে ভেদাভেদৰ সৃষ্টি কৰিছে, কেতিয়াবা ধনৰ মাপ কাঠিৰে, কেতিয়াবা বিদ্যাৰ মাপকাঠিৰে, কেতিয়াবা কৰ্মৰ মাপকাঠিৰে, আৰু কেতিয়াবা জন্মগত কুল, জাতি, বৰ্ণ আদিৰ মাপ কাঠিৰে। ইয়াৰ পৰাই ধনী, দুখীয়া, শিক্ষিত, অশিক্ষিত আৰু ব্ৰাহ্মণ-শূদ্ৰ আদি ভেদাভেদৰ উৎপত্তি। এই সকলোবোৰেই অস্বাভাৱিক প্ৰভেদ। ধৰ্মৰ ক্ষেত্ৰত মানুহৰ কোনো ভেদাভেদ নাই।

**শ্ৰীশ্ৰীহৰিদেৱ গুৰুৰ ধৰ্মদৰ্শন ঃ**

ওপৰৰ চমু আলোচনাৰ পৰা দেখা যায় যে ভাৰতৰ ধৰ্মীয় ভাৱধাৰাৰ মূল সোঁতৰ মতে (১) একেটা চৈতন্য শক্তিয়েই বিশ্বৰ সকলোতে বিয়পি আছে, (২) সেই চিন্ময় শক্তি আৰু মানুহৰ মাজত সম্পৰ্ক স্থাপিত হয় ভক্তিৰ মাজেদি আৰু (৩) জীৱৰ ভিতৰত কোনো ভেদাভেদ নাই।

এই তিনিওটা বিষয়তে পৰম বৈষ্ণৱ আচাৰ্য্য শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে তেখেতৰ মতামত ব্যক্ত কৰিছে। তেখেতৰ লিখিত পদ, গীত আদিৰ যিখিনি এতিয়ালৈকে ছপা হৈ ওলাইছে তাৰ পৰা দেখা পায় যে তেখেতৰ মতে এক ঈশ্বৰে বিশ্বত বিয়পি আছে আৰু ভক্তিৰ দ্বাৰাইহে সেই ঈশ্বৰৰ লগত সম্পৰ্ক স্থাপিত হয়। জীৱৰ ভিতৰত কোনো ভেদাভেদ নাই।

**একেশ্বৰবাদ-**

এক ঈশ্বৰৰ বিষয়ে তেখেতে লিখিছে—

১। "স্থাৱৰ জঙ্গম ব্ৰহ্মাণ্ড জুৰি।
আছয় পৰম পুৰুষ হৰি।।"

২। "সমস্ত দেৱৰ স্থিতি ঈশ্বৰ কৃষ্ণত।
যিমতে তাহাৰ স্থিতি সৃষ্টি সৰ্বত্ৰত।।"

(শৰণ সিদ্ধান্ত সপ্তদশ স্তৱক)

৩। "তুমি প্ৰভু জগৎজীৱ সদানন্দ সদাশিৱ
সবাহাৰো তুমি প্ৰাণ ৰাম।
জগত ব্যাপক স্বামী আত্মাৰো আত্মা তুমি,
মুলাধাৰ ৰূপ অবিৰাম।"

(গুৰুজনাৰ স্ব-ৰচিত গীত)

এই পৰম পুৰুষ চৈতন্যময় ঈশ্বৰৰ আকৃতি প্ৰকৃতি আদিনো কি প্ৰকাৰৰ, মানুহৰ ইন্দ্ৰিয়গত বুদ্ধিৰ দ্বাৰা এই শক্তিৰ আচল আকৃতি প্ৰকৃতি ঠাৱৰ কৰা অসম্ভৱ। কিয়নো, মানুহৰ বুদ্ধি আৰু ইন্দ্ৰিয়ৰ শক্তি সীমাবদ্ধ, আৰু সীমাবদ্ধ শক্তিৰে অসীমৰ ধাৰণা কোনোপধ্যে কৰিব নোৱাৰি। চৈতন্যময় ভগৱান অনাদি, অনন্ত, শাশ্বত, ইন্দ্ৰিয়াতীত, নিত্য চিন্তন, চিদানন্দ। প্ৰলয়ত বিশ্বৰ বিনাশ নহয়। ভগৱানে নিজৰ লীলাৰ বাবে পুনঃ সৃজন কৰে আৰু সৃষ্ট জীৱ আৰু জড়ৰ মাজত সোমাই থাকে। শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে লিখিছে—

১। "চৈতন্য স্বৰূপ শাশ্বত নিস্কল নিত্য,
মুক্তস্বভাৱ, ইন্দ্ৰিয়াতীত, সৰ্ব্ব সত্য,
নিৰাভাস, নিৰঞ্জন আকাশ অতীত।"

(শৰণ সিদ্ধান্ত ঃ কথামুখ)

২। চিদানন্দময় ব্ৰহ্ম পৰম কেৱল।

(শৰণ সিদ্ধান্ত ঃ সপ্তদশ স্তৱক)

**ভক্তিৰ পথ ঃ**

এই ইন্দ্ৰিয়াতীত অব্যক্ত ঈশ্বৰক তেনেহ'লে কেনেকৈ উপাসনা কৰিব পাৰি মহাপুৰুষ হৰিদেৱে তাৰো উপায় দিছে। সমগ্ৰ বিশ্বৰ পতি সিজনক আমি ধন সোণেৰে জুখিব খোজাটো হাঁহি উঠা কথা। যি অনন্ত কৰুণাৰ আধাৰ, সিজনাক বলিদান ৰক্তদান দিয়া মানে চৰম নিষ্ঠুৰতাৰ দ্বাৰা অপমান কৰা। তেনে মানুহৰ নৰকতো স্থান নাই। সিজনৰ

তুষ্টি সাধনাৰ একমাত্ৰ উপায় হৈছে প্ৰাণ ভৰা ভক্তি। মায়াৰ অন্ধকাৰ ছেদ কৰি হৃদয়ত পোহৰ পেলাব পাৰিলে, ঐকান্তিক ভক্তিৰ উদয় হয়। অব্যক্ত শক্তিৰ লগত ভক্তিৰেহে সম্পৰ্ক স্থাপন কৰিব পাৰি।

১। অব্যক্ত হৰিক কৈত বিচাৰিয়া পাইবেক
হৃদয়ে যাহাৰ নাহি স্থান
(শৰণ সিদ্ধান্ত ঃ উপসংহাৰ)

২। অব্যক্ত ঈশ্বৰ হৰি অন্তৰে তোমাক স্মৰি
কিমতে নিস্তাৰ হৈবো আমি।।
এহি বিশ্ব চৰাচৰ কৈত হৰি পদৰেণু
কৈত ভক্তি কিমতে ধৰোহোঁ।
মায়ামোহ পাশে বন্ধ স্বৰূপত আমি অন্ধ
পূজাসেৱা কিমতে কৰোঁহো।।
তোমাৰ চৰণ বিনে অন্য কিছো নলাগয়,
নলাগয় সুবৰ্ণৰ বাস।
তোমাৰ চৰণ ছত্ৰ হউক আশ্ৰয় মাত্ৰ
তোমাৰসে পাদ-পদ্ম আশ।"
(শৰণ সিঃ উপসংহাৰ)

শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে বলিদান পূজাক তীব্ৰ ভাষাৰে নিন্দা কৰিছে—

কিন্তু কৃষ্ণ ভক্ত বাকী দেৱ গণে
নকৰিবা নিন্দাবাদ
ভক্তি নিন্দাবাণী অপৰাধ জানি
নাপান্ত কৃষ্ণ আহ্লাদ।।
::::::
আকাশ হন্তে পৰয় যতমান জলধাৰ
সমুদ্ৰক গমন কৰয়।
অন্যো অন্য দেৱতাক সেৱা পূজা কৰিবেক
কেশৱেসে ধাবিত হোৱয়।।

আনহাতে অন্যান্য দেৱতাক নিন্দা নকৰিবলৈ দঢ়াই দঢ়াই কোৱা আৰু সকলো সেৱা পূজা কেশৱত অৰ্থাৎ পৰম পুৰুষ বিষ্ণু বা কৃষ্ণতে অৰ্পিত হয় বুলি যি উক্তি দাঙি ধৰিছে তাৰ পৰা তেওঁৰ ধৰ্মৰ উদাৰ নীতি স্পষ্টভাৱে প্ৰকাশ পাইছে।

**নৱবিধ ভক্তি ঃ—**

শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পদসেৱন, অৰ্চন, বন্দন, আদি ভক্তিৰ নটা স্তৰৰ কথা আমি আগতে উল্লেখ কৰিছো। শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে প্ৰতি স্তৰৰ লক্ষণবোৰ একো একোটা স্তৱকত বিতংভাৱে বৰ্ণনা কৰিছে। সেইবোৰক নতুনকৈ অৱতাৰণা কৰাৰ ইয়াত ঠাই নাই। কিন্তু সৰ্ব সাধাৰণৰ উপলব্ধিৰ অৰ্থে, এটা সৰু স্তৱকত তেখেতে নজন প্ৰখ্যাত ভক্তৰ নাম উল্লেখ কৰিছে। প্ৰত্যেক জন ভক্ত এটা এটা স্তৰৰ উদাহৰণ স্বৰূপ। যেনে-ভক্ত পৰীক্ষিতে সদায় হৰি কথা শ্ৰৱণ কৰিছিল, ভক্ত নাৰদে সদায় কীৰ্ত্তন কৰিছিল, ভক্ত অৰ্জুনে সখ্য ভাৱে কৃষ্ণক ভক্তি কৰিছিল, ইত্যাদি। এই ভক্ত গণৰ জীৱন চৰিত্ৰৰ পৰা প্ৰত্যেক বিধ ভক্তিৰ লক্ষণ বুজিব পাৰি।

ন বিধ ভক্তিৰ ভিতৰতে আকৌ শ্ৰৱণ কীৰ্ত্তনেই কলিযুগত আটাইতকৈ প্ৰশস্ত।

১। "শ্ৰৱণ কীৰ্ত্তন লোকে কৰয় কলিত।
কহে হৰি দেৱে লভে শ্ৰীপদ নিশ্চিত।"
(শৰণ সিদ্ধান্ত ঃ ষোড়শ স্তৱক)

**জ্ঞান মাৰ্গৰ অনুপযোগিতা—**

শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে ভক্তিমাৰ্গক জ্ঞানমাৰ্গতকৈ উচ্চতৰ আসন দিছে। যিহেতু ভগৱান ইন্দ্ৰিয়াতীত, সেই হেতু মন বুদ্ধি আদি জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰা সিজনৰ প্ৰকৃত ধাৰণা কৰিব নোৱাৰি। সিজনক মাত্ৰ হৃদয়েৰেহে উপলব্ধি কৰিব পাৰি। হৃদয়ৰ পৰা কামনা বাসনা, লোভ, মোহ, অহংকাৰ আদি কুপ্ৰবৃত্তিবোৰক খেদি দিব পাৰিলে উপলব্ধিৰ ফালে সহজতে আগুৱাব পাৰি। যুক্তিতৰ্কৰ পৰা অহংকাৰ আৰু সংশয়ৰ মেৰজালৰ সৃষ্টি হয় আৰু মন বুদ্ধি বিবেচনা শক্তি সেই জালত এৰাব নোৱাৰাকৈ মেৰ খাই পৰে। বিদ্যাৰ অহংকাৰে শ্ৰদ্ধা কলুষিত কৰে আৰু পবিত্ৰ শ্ৰদ্ধা নাথাকিলে প্ৰকৃত ভক্তি হ'ব নোৱাৰে। শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে লিখিছে—

১। "বেদমন্ত্ৰ গীত আদি বিদ্যাত চতুৰ।"
আৰো ধ্যান জ্ঞান আদি বিষয়ক পূৰ।।
নকৰয় ভক্তি যদি গুৰু শ্ৰীহৰিত।
অধম শিষ্যসে সিটো হৈবে বিবেচিত।
(শৰণ সিদ্ধান্ত, দ্বিতীয় স্তৱক)

**ভক্তি ধৰ্মত ভেদাভেদহীনতা ঃ**

শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে সমাজত সাম্য আৰু সংহতিৰ বাণী প্ৰচাৰ কৰিছিল। তেখেতৰ মতে ধৰ্মৰ যি মূলতত্ব (অৰ্থাৎ এক ঈশ্বৰেই সকলো জীৱৰ আৰু জড়ৰ মাজত পৰিব্যাপ্ত) তাৰ পৰাই এইটো স্পষ্ট যে মানৱ সমাজত স্বাভাৱিকতে

জাতি, বৰ্ণ, কুল আদিৰ ভেদাভেদ থাকিব নোৱাৰে। পাৰিপাৰ্শ্বিক অৱস্থাভেদে কৰ্ম ভেদৰ উৎপত্তি হ'ব পাৰে। কিন্তু কৰ্মই কাকো ডাঙৰ বা সৰু নকৰে। জাতি বৰ্ণ ভেদ আদি বস্তুবোৰ মানুহে সৃজন কৰা অস্বাভাৱিক বস্তু। ধৰ্মত এইবোৰৰ কোনো স্থান নাই। শ্ৰীশ্ৰীহৰিদেৱ গুৰুৱে জাতিভেদৰ বিৰুদ্ধে দঢ়াই দঢ়াই কৈছে।

১। "যত জীৱচয় ইহেন ভুৱনে
কৈত নাহি ভিন্ন পৰ।
হেন জানি সবে সবাতো দেখিবা
হৰি স্থিতি নিৰন্তৰ।।
কুল, জাতি বৰ্ণ মনুয্যে স্ৰজিলা,
স্থিতি হৈলা ভিন্ন ভিন্ন।।
কিন্তু তথাপিও সবাতো দেখিবা
এক প্ৰাণ এক চিন।"

(চৰিতৰ পৰা সংগ্ৰহ ঃ নমাটি সত্ৰ)

২। "ভেদভাৱ নাথাকিবে ভক্তক ভক্তৰ মাজে
বিশ্বাসত বিশ্বাস বিলীন।
এক এক কৈয়া আত্মা এক স্থানে মিলিবাহা
নাথাকিবো কোনো উচ্চহীন।"

(শঃ সিঃ, উপসংহাৰ)

৩। ব্ৰহ্মাণ ক্ষত্ৰিয় বৈশ্য শূদ্ৰ নামে জনাজাত
যিবা চাৰি বৰ্ণক কৰিলা।
স্ব-কৰ্মে থাকন্ত ৰত নাহি কিছো ভিন মত
ভেদ কিছো নাহি কোন বেলা।।
ব্ৰহ্মাবিষ্ণু মহেশ্বৰ যিমতত একেশ্বৰ
সেহিমতে জীৱৰ একত্ব।
এহি সত্য জানিলেসে মিলয় আতমা প্ৰাণে
শুদ্ধ জানি এহিৰূপ তত্ত্ব।"

(শঃ সিঃ উপসংহাৰ)

❑❑

**(বৈষ্ণৱ প্ৰবাহ গ্ৰন্থত প্ৰকাশিত)**

# সনাতন ধৰ্ম আৰু হৰিদেৱ দৰ্শন

হৰমোহন দেৱ গোস্বামী

ধৰ্ম কি ? তাৰ উত্তৰত আনি পাওঁ- "বেদেন প্ৰয়োজনমুদ্দিশ্য বিধীয়নানোহৰ্থ ধৰ্মঃ।" মীমাংসাদৰ্শনত ধৰ্মৰ লক্ষণ সম্বন্ধে প্ৰয়োজনক লক্ষ্য কৰি বেদে বিধান কৰা কাৰ্য্যক 'ধৰ্ম' বুলি কোৱা হৈছে। ভাৰতৰ সুপ্ৰাচীন মহাকাব্য মহাভাৰতত ধৰ্ম আৰু অধৰ্মৰ লক্ষণ এইদৰে নিৰ্ণয় কৰিছে— "অহিংসা লক্ষণে ধৰ্মঃ হিংসা চাধৰ্ম লক্ষণঃ।" অহিংসাই ধৰ্ম, হিংসাই অধৰ্ম। ভাগৱতত আছে— 'বেদ প্ৰাণিহিতো ধৰ্মো হ্যধৰ্মঃ তদ্ বিপৰ্যায়ঃ। বেদে যাক বিধান কৰিছে তাক ধৰ্ম, আৰু বেদে যাক নিন্দা কৰিছে তাক অধৰ্ম বুলি কোৱা হয়। ধৰ্মৰ সংজ্ঞা এইদৰেও দিয়া আছে—

"ধাৰণাৎ ধৰ্মং ইতি আহুং
ধৰ্মো ধাৰয়তে প্ৰজ্ঞা"

অৰ্থাৎ যাৰ দ্বাৰা মানুহৰ জীৱন ধাৰণৰ সু-ব্যৱস্থা হয়, মানুহে সুখ-শান্তিৰে দীৰ্ঘায়ু লাভ কৰিব পাৰে, সমাজখন নিৰাপদ হয় আৰু মানুহে মুকলি মনেৰে চলাফিৰা কৰিব পাৰে তাকেই প্ৰকৃতাৰ্থত ধৰ্ম বুলি কোৱা হয়। মনুৱে ধৰ্মক বেদৰ মূল বুলি কৈছেঃ "বেদোহখিলো ধৰ্মমূলম্।।"

এতিয়া মনত প্ৰশ্ন উদয় হয় 'বেদ' কি? ভগৱান পৰমব্ৰহ্মৰ নিশ্বাসৰ পৰা যি নিৰ্গত হৈছে তাক বেদ বোলা হয়।

"যস্য নিঃশ্বসিতো বেদ যো বেদেভ্যোহখিলংজগৎ।
নিৰ্মমে তমহং বন্দে বিদ্যাতীৰ্থং মহেশ্বৰম্।।"

বৈদিক যুগৰ পিছত উপনিষদ যুগ, তাৰ পিছত পৌৰাণিক যুগ, তাৰ পিছত তান্ত্ৰিক যুগ। যুগৰ পৰিৱৰ্তনৰ লগত বিভিন্ন যুগৰ বিভিন্ন উপাসনাৰ মাজত আগৰ যুগৰ প্ৰাধান্য আৰু বৈশিষ্ট্য ৰক্ষিত হৈ আহিছে।

ঋষিমুনিসকলৰ আজীৱন তপস্যা তথা ধৰ্ম চৰ্চা কৰি যোগসাধনা কৰাৰ ফলশ্ৰুতি হিচাপে সৃষ্টিতত্ত্ব আৰু ঈশ্বৰতত্ত্ব সম্যাকৰূপে পৰ্য্যালোচনা গৱেষণা আদি কৰি ভগৱানত শ্ৰদ্ধা আৰু বিশ্বাস ৰাখি কামৰ মাজেৰে আত্মা বা ভগৱৎ উপলব্ধিয়ে হ'ল সনাতন ধৰ্ম।

যোগদৰ্শনৰ ভেঁটি হৈছে উপনিষদ। গীতা, উপনিষদ আৰু বেদান্তক একেলগে সনাতন ধৰ্মৰ 'প্ৰস্থানত্ৰয়ী' বোলা হয়। বেদান্তত কৈছে — "একমেবাদ্বিতীয়ম্" —ঈশ্বৰ এক আৰু অদ্বিতীয়। 'সোহহম্' —সেয়ে মই অৰ্থাৎ মোৰ আত্মাই ব্ৰহ্ম। সেইদৰে 'তত্ত্বমসি' অৰ্থাৎ সেয়ে তুমি বা তোমাৰ আত্মাও ব্ৰহ্ম। "ঈশা বাস্যমিদং সৰ্বম্" — এক ঈশ্বৰেই বিশ্বব্ৰহ্মাণ্ড বিয়পি আছে। "একং সদ বিপ্ৰা বহুধা বদন্তি" —সৎ একেটা জ্ঞানীসৰে বিভিন্ন ধৰণে বহু ঈশ্বৰৰ কথা কয়। শেষত সিদ্ধান্তত উপনীত হৈছে — "ব্ৰহ্মা সত্যং জগন্মিথ্যা, জীৱো ব্ৰহ্মৰ কেৱলম্।" বৈষ্ণৱ গুৰু মহাপুৰুষ হৰিদেৱেও কৈছে—

"স্থাৱৰ জঙ্গম ব্ৰহ্মাণ্ড জুৰি।
আচয় পৰম পুৰুষ হৰি।"

(শ. সি.)

হৰিদেৱৰ মতে দেৱৰো দেৱ ভগৱান বিষ্ণু। তেওঁ সৰ্বত্ৰ বিৰাজমান। পৰিদৃশ্যমান জগতৰ সকলোৱে বিষ্ণুময়, সকলো দেৱতা ভগৱান বিষ্ণুৰেই বিভূতি—

"সমস্ত দেৱৰ স্থিতি ঈশ্বৰ কৃষ্ণত।
যি মতে তাহাৰ স্থিতি সৃষ্টি সৰ্বত্ৰত।।
সেহিসে কাৰণে পূজা দেৱী দেৱতাত।
লাগয় নিশ্চিত গৈয়া হৰি চৰণত।।"

(শ. সি.)

প্ৰকৃতাৰ্থত শ্ৰদ্ধা আৰু বিশ্বাস ৰাখি কৰ্মৰ মাজেৰে আত্মা বা ভগৱৎ উপলব্ধিয়ে, হ'ল সনাতনধৰ্ম।

যাস্কই কৈছে— "মহাভাগ্যাদ্দেৱতায়া এক আত্মা বহুধা স্তুয়তে।" অৰ্থাৎ স্বকীয় ঐশ্বৰ্য্যপ্ৰভাৱত এক দেৱতাত্মাই বহুৰূপত স্তুত হয়। "একস্য আত্মনঃ অন্যে দেৱাঃ প্ৰত্যঙ্গানি ভৱন্তি" —এক আত্মাই অন্য দেৱ-দেৱীৰ অঙ্গ-প্ৰতঙ্গ।

বেদ, উপনিষদ, ভাগৱত গীতা, তন্ত্ৰ আদি শাস্ত্ৰসমূহক ভিত্তি কৰি ধৰ্মগুৰুসকলে বৈদিক যাগ-যজ্ঞ পূজা-পাৰ্বণ আদি আচৰণ কৰিছে মানুহৰ কল্যাণ তথা নৈতিক উৎকৰ্ষ সাধনৰ বাবে। যজ্ঞাদি বেদবিহিত কৰ্মৰ প্ৰাধান্য সম্পৰ্কে গীতাত আছে—

দেবান্ ভাবয়তানেন তে দেৱা ভাৱয়ন্তুৱঃ।
পৰস্পৰং ভাবয়ুন্তঃ শ্ৰেয়ঃ পৰমবাপ্স্যথ।
(গীতা- ৩। ১১)

অৰ্থাৎ ভগৱানে মানুহক উপদেশ দিছে; এই যজ্ঞৰ দ্বাৰাই তোমালোকে দেৱতাসকলক সন্তুষ্ট কৰা। ইয়াৰ বিনিময়ত দেৱতাসকলে তোমালোকক যাৱতীয় জাগতিক সুখ-শান্তি প্ৰদান কৰি সন্তোষ দিব। এইদৰে পৰস্পৰে পৰস্পৰক সন্তুষ্ট কৰি পৰম সুখ লাভ কৰিব পাৰিবা।

ভাগৱতত আছে —

মূলং হি বিষ্ণুৰ্দেৱানং যত্ৰ ধৰ্ম সনাতনঃ।
তস্য চ ব্ৰহ্মগোবিপ্ৰাঃ তপোযজ্ঞাঃ সদক্ষিণাঃ।।

অৰ্থাৎ, দেৱ প্ৰধান পুৰুষোত্তম বিষ্ণু, আৰু বিষ্ণুৰ মূল হ'ল বেদ প্ৰসিদ্ধ সনাতন ধৰ্ম। সনাতন ধৰ্মৰ মূল হ'ল বেদ, ব্ৰাহ্মণ, তপস্যা আৰু দক্ষিণাযুক্ত যজ্ঞ।

গড়ুৰ পুৰাণত সনাতন ধৰ্ম সম্পৰ্কে কোৱা আছে—

সত্যং দমস্তপঃ শৌচং সন্তোষশ্চ ক্ষমা বৰ্জনম্।
জ্ঞানশমো দয়া দানমেষ ধৰ্ম সনাতন।।

সনাতন ধৰ্ম অতি প্ৰাচীন। পতঞ্জলিয়ে প্ৰায় পাঁচহাজাৰ বছৰ আগেয়ে পুৰুষাৰ্থৰ সন্ধান দিয়ে। তেওঁৰ যোগদৰ্শনক অষ্টাংগ যোগদৰ্শন বোলা হয়। অষ্টাংগ হ'ল— যম, নিয়ন, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ ধ্যান, ধাৰণা আৰু সমাধি। 'যম' শব্দৰ অৰ্থ হ'ল অসৎ কামৰ পৰা আঁতৰি থকা আৰু নিয়ম শব্দৰ অৰ্থ হ'ল সৎ কামত প্ৰবৃত্ত হোৱা। বিভিন্ন আসন আৰু প্ৰাণায়ামৰ সহায়ত মনক বিষয়-বাসনাৰ পৰা আঁতৰাই অনাটোৱে হ'ল প্ৰত্যাহাৰ। তেতিয়াহে ভগৱানৰ প্ৰতি ধ্যান-ধাৰণা ওপজে আৰু শেষত ভগৱানত সমাধিস্থ হৈ থাকিব পাৰি। সনাতন ধৰ্মত সাম্প্ৰদায়িকতাৰ স্থান নাই। কাৰণ অষ্টাংগযোগ সৰ্বকালৰ সৰ্বলোকৰ ক্ষেত্ৰত প্ৰযোজ্য।

সনাতন ধৰ্ম অতি উদাৰ। ইয়াৰ পৰিসৰো অতি বিশাল। গীতাত ভগৱানে কৈছে—

যে যথা মাং প্ৰপদ্যন্তে
ভাংস্তথৈৱ ভজাম্যহম।

অৰ্থাৎ যিয়ে মোক (ভগৱানক) যিভাবে ভজনা কৰে, তেওঁক মই সেইদৰে অনুগ্ৰহ কৰোঁ।" শাস্ত্ৰত আছে —

আকাশাৎ পতিতং জলং যথা গচ্ছতি সাগৰম্।
সৰ্বদেৱ নমস্কাৰং কেশৱং প্ৰতিগচ্ছতি।।

ইয়াক মহাপুৰুষ হৰিদেৱে 'শৰণ সিদ্ধান্ত'ত এইদৰে পদত ৰচিছে —

পৰয় আকাশ হন্তে যতমান জলধাৰ
সমূদ্ৰক গমন কৰয়।
অন্য অন্য দেৱতাত পূজা সেৱা আচৰয়
কেশৱেসে ধাৰিত হোৱয়।।

অৰ্থাৎ, অন্যান্য দেৱ-দেৱতা যিহেতু পৰম ব্ৰহ্মাৰেই অংশ, সেয়ে অন্য দেৱ-দেৱীক পূজিলেও তেওঁৰেই পায়।

'বসুধৈৱ কুটুম্বকম্' —এইটোৱেই সনাতন ধৰ্মৰ মূল বিশেষত্ব। অতি উদাৰতাৰ বাবেই পৃথিৱীৰ সকলো ধৰ্ম বা সম্প্ৰদায়কেই সনাতন ধৰ্মই সহজে আকোঁৱালি ল'ব পাৰে। সনাতন ধৰ্মৰ মূল আদৰ্শ হৈছে— শান্তি, সম্প্ৰীতি, সংহতি আৰু সহনশীলতা।

সনাতন ধৰ্মত যি পঞ্চদেৱতাৰ পূজাৰ প্ৰচলন আছে তাতো সূক্ষ্মভাৱে বিচাৰ কৰি চালে দেখা যায় ঐক্য আৰু সংহতিৰ বীজ। যুগে যুগে ভাৰতবৰ্ষই সামাজিকভাৱে ধৰ্মীয়ভাৱে, ৰাজনৈতিকভাৱে অনৈক্যৰ মাজতো ঐক্যৰ স্বাক্ষৰ বহন কৰি আহিছে। পঞ্চদেৱতাৰ 'গণেশঞ্চ দীনেশঞ্চ বাসুদেৱ শিৱং শিৱা'ক বিষ্ণুপূজাৰ অন্তৰ্ভুক্ত কৰি লোৱাৰ তাৎপৰ্য্য হৈছে ভাৰতবৰ্ষৰ পঞ্চ সম্প্ৰদায় যথা গণপত্য, সৌৰ বৈষ্ণৱ, শৈৱ আৰু শাক্তসকলক একেডাল একতাৰ এনাজৰীৰে ধৰি ৰাখি হিংসাদ্বেষ পৰিহৰি সকলো সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি যাতে অক্ষুণ্ণ থাকে আৰু প্ৰত্যেকে প্ৰত্যেকক ভাই

ভাই জ্ঞান কৰি মানৱ কল্যাণ সাধিব পাৰে। এই পঞ্চদেৱতাৰ পূজাত কোনো ভেদভাৱ নাৰাখি ভগৱন্তৰ অৱতাৰ, বিভূতি আদি ৰূপত এইবোৰক গ্ৰহণ কৰা হয় আৰু বিষ্ণুকেই পৰমব্ৰহ্ম জ্ঞান কৰি সৰ্বশেষত সকলো বিষ্ণুত অৰ্পণ কৰি পূজাদি কাৰ্য্য সমাপন কৰা হয়। এতেকে পঞ্চদেৱতাৰ পূজাতো নিহিত আছে একেশ্বৰবাদ। সনাতন ধৰ্মৰ উদাৰতাৰ বাবেই সম্ভৱ হৈছিল সকলো সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি আৰু সহনশীলতা।

সেয়ে মহাপুৰুষ হৰিদেৱে বিষ্ণু বা কৃষ্ণক একমাত্ৰ উপাস্যদেৱতা বুলি জ্ঞান কৰিলেও অন্য দেৱ-দেৱী তথা অন্য দেৱী-দেৱীৰ ভক্তসকলক নিন্দা, ঘৃণা বা অৱজ্ঞা কৰিবলৈ মানা কৰিছে। গুৰুজনাই ভক্তসকলক দি যোৱা উপদেশেই গুৰুজনাৰ সহনশীলতা তথা উদাৰ মনোভাৱৰ পৰিচয় দাঙি ধৰিছে—

কিন্তু কৃষ্ণভক্ত বাকী দেৱগণে
নকৰিবা নিন্দাবাদ।
ভক্ত নিন্দাবাণী অপৰাধ জানি
নপান্ত কৃষ্ণে আহ্লাদ। (হ. চ.)

হৰিদেৱ আছিল অতি উদাৰ-পন্থী। তেওঁ বেদ বিহিত কৰ্ম কৰিবলৈ কৈ গৈছে। তেওঁ আছিল জাতিভেদ, বেদ বিৰোধী কৰ্ম আৰু প্ৰাণী হিংসাৰ দুৰ্ঘোৰ বিৰোধী। সেয়ে শিষ্যসকলক তেওঁ যি উপদেশ দিছিল সেইবোৰ প্ৰনিধানযোগ্য। তেওঁ শিষ্যসৱক এইদৰে উপদেশ দিছিল—

কলিতা সৌণ্ডিক মধ্যে জাতিভেদ এৰি।
একেলগে চলিবাহা মোৰ আজ্ঞা পালি। (হ. চ.)
ভেদভাৱ নাথাকিবে ভক্তৰ ভক্তক মাজে
বিশ্বাসত বিশ্বাস বিলীন।
এক এক কৈয়া আত্মা একস্থানে মিলিবাহা
নাথাকিবে কোন উচ্চ হীন।। (হ. চ.)
বেদৰ বিহিত ধৰ্ম সবেও কৰিবা।
কদাপিও মহন্তক নিন্দা নকৰিবা।।(হ. চ.)
প্ৰাণী হিংসা নকৰিবা কৈলু সাৰে সাৰ।
প্ৰাণীৰ হিংসাত পৰে পাপ নাই আৰ।। (হ. চ.)

সেয়ে প্ৰাণীহিংসা ব্যতিৰেকে হৰিদেৱ সম্প্ৰদায়ৰ মাজত বিভিন্ন পূজা-পাৰ্বনৰ প্ৰচলন বৰ্তমানেও বিদ্যমান। এই সম্প্ৰদায়ৰ লোকে উদাৰ মনোভাৱেৰে বলিবিহীন সকলো পূজা-পাৰ্বনত যোগ দিয়াত আপত্তি নকৰে। তেওঁলোকৰ মাজত ধৰ্মৰ গোড়ামি নাই। সকলো ধৰ্মানুষ্ঠানতে তেওঁলোকে উদাৰ চিত্তে যোগদান কৰে।

মহাপুৰুষ হৰিদেৱৰ ধৰ্মত মানৱ সেৱাই পৰম ধৰ্ম। সেয়ে তেওঁ কৈছে—

সাধুজন সেৱা বিষ্ণু সেৱা তুল্য
সবাহাৰো শ্ৰদ্ধা পাত্ৰ।
ইহাঙ্ক নজানি কৰৈ অৱমান
বিনাশ লভয় মাত্ৰ।। (শ. সি.)
অতিথি সেৱাত জানা সৰ্ব্ব ধৰ্ম পাই।
আক জানি ঐত থাকিবাক নুশুৱাই।। (হ. চি.)

কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্য্য— এই ছয় ৰিপুক জয় কৰিব পাৰিলেহে যথাৰ্থতে সনাতন ধৰ্ম পালন কৰা বুলি ক'ব পৰা যায়। কাম, ক্ৰোধ, লোভে গোটেই পৃথিৱীক নচুৱাব লাগিছে। যিজনে কাম, ক্ৰোধ, লোভ আদি ছয় ৰিপুক জিনিব পাৰিছে, তেওঁহে মহাপুৰুষ খ্যাতি লাভ কৰিছে। মহাপুৰুষ হৰিদেৱে জন-সাধাৰণক কাম-ক্ৰোধৰ পৰা আঁতৰত থাকিবলৈ এইদৰে সাৱধানবাণী শুনাইছে—

সংসাৰ সাগৰে শুনি লাগে ভয়
কৃষ্ণৰ নামেসে সাৰ।
কাম-ক্ৰোধ দুই কুম্ভীৰ মগৰ
আওটানি খাই গাৰ।।
চৈধ্য উৰ্ম্মিপাক স'ততে উঠয়
লোভ মোহ ভেলে চৰি।
বিষণ্ন বাসে ঢউ উঠলায়
তল যাও তৈত পৰি।। (হ. চ.)

বৰ্তমান সমাজত যি নৈতিকতাৰ স্খলন হৈছে, তাৰপৰা উদ্ধাৰ পাব লাগিলে সনাতন হিন্দু ধৰ্মৰ উদাৰ নীতি-সমূহ প্ৰত্যেক ব্যক্তিয়েই অনুশীলন কৰিব লাগিব। এই ক্ষেত্ৰত বিশেষকৈ যুৱ-সমাজৰ দায়িত্ব বেছি। শাস্ত্ৰত কোৱা আছে—

"সংগচ্ছধ্বং সং বদদ্ধং
সং ৱো মনাংসি জানতাম্।"

অৰ্থাৎ তোমালোক একগোট হোৱা, একেভাৱে কোৱা। তোমালোকৰ মনবোৰ এক হওঁক।"❑❑

**(বৈষ্ণৱ বিভূতি গ্ৰন্থত প্ৰকাশিত)**

# ধৰ্মৰ ক্ৰম-বিকাশঃ মধ্যযুগৰ ভক্তি আন্দোলনত মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ

ৰামচৰণ দাস

ধৰ্মমূলক বিশ্বাস আৰু সংস্কাৰসমূহ অতীজৰ পৰাই প্ৰচলিত আৰু পৰিৱৰ্তিত হৈ বোৱঁতী সুতিৰ দৰে বৰ্তমানৰ অৱস্থা পাইছেহি। বৰ্তমান যুগতো ইয়াৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহিছে এই সত্য আৰু ইয়াৰ বহুতো প্ৰমানো পোৱা গৈছে। আজিৰ পৰা প্ৰায় ২৫,০০০ (পঁচিশ হাজাৰ) বছৰৰ আগতে পৃথিৱীত বাস কৰা গুহামানৱ নিয়ানদাৰথেল (Neanderthal) মানৱৰ আৱিষ্কৃত জীৱাশ্মৰ (fossil) পৰা তেওঁলোকৰ মাজত কবৰ দিয়া পদ্ধতিৰ প্ৰচলন থকাৰ উমান পোৱা গৈছে। মানুহ মৰিলে তেওঁলোকে মৃত ব্যক্তিৰ শৰটো জন্তুক খাবলৈ বা এনেয়ে য'তে ত'তে দলিয়াই পেলাই দিয়া নাছিল। এই মৃতদেহটোক নিয়ম সহকাৰে মৈদামত কবৰ দিয়া হৈছিল। ইয়াৰ ৰক্ষণা-বেক্ষণৰ কাৰণে কবৰৰ ওপৰত কিছুমান চেপেটা শিলেৰে ঢাকি ৰাখিছিল। তেওঁলোকৰ দেহাৱশেষবোৰৰ লগত আন বহুতো বস্তু— যেনে এঙাৰ, ভক্ষণকাৰী জন্তুৰ হাড়, হাতেৰে তৈয়াৰ কৰা শিলৰ অস্ত্ৰ-শস্ত্ৰ ইত্যাদি পোৱা গৈছে। কিছুমান কবৰত চাৰিওফালে শিলৰ আৱেষ্টনী দি মৃতকে জীৱিত কালত ব্যৱহাৰ কৰা শিলাস্ত্ৰ আদি থৈ দিছিল। ইয়াৰ দ্বাৰা তেওঁলোকৰ মৃতকৰ আত্মাৰ প্ৰতি দেখুওৱা সন্মান বা মৃত্যুৰ পিছতো আত্মা জীয়াই থাকে বুলি থকা বিশ্বাসো প্ৰতিফলিত হয়। কোনো ব্যক্তিৰ মৃত্যুৰ পাছতো যাতে জীৱন কালত ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিব পাৰে সেই বিশ্বাসতে তেনে বস্তুবোৰ সংকাৰ কৰোঁতে মৃতকৰ লগত দিছিল। বৰ্তমান যুগতো বহু সমাজত মৃতকৰ ব্যৱহাৰ্য্য বস্তুবোৰ কবৰত দিয়া নিয়ম প্ৰচলিত আছে। বিহাৰৰ জনজাতি 'হো' সকলৰ মাজত এনে প্ৰথা আছে। আমি নৃতাত্বিক অধ্যয়নৰ বাবে তেওঁলোকৰ মাজলৈ এবাৰ গৈছিলোঁ। সেইসময়তে তেওঁলোকৰ এজন লোকৰ মৃত্যু হৈছিল। কবৰ দিয়াৰ সময়ত আমিও তাত উপস্থিত আছিলোঁ। মৃতকৰ লগত তেওঁলোকে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ, কাপোৰ কানি আৰু খোৱা বস্তুও দিয়া হৈছিল।

নিয়ানদাৰথেল মানৱৰ বিলুপ্তিৰ পিছত প্ৰকৃত মানৱ ক্ৰোমেগনেন্ৰ (cromagnon) অৱশেষ পোৱা গৈছে। প্ৰায় ১০,০০০ (দহ হাজাৰ) বছৰৰ পৰা ১৫,০০০ (পোন্ধৰ হাজাৰ) বছৰ আগতে ক্ৰোমেগনন্ মানৱে ইউৰোপত বাস কৰিছিল। তেওঁলোকৰ অলৌকিক শক্তিৰ প্ৰতি থকা ধাৰণাৰ কথা পুৰাতাত্বিক সমলবোৰৰ পৰা ঠাৱৰ কৰিব পাৰি। মৃতদেহ সংকাৰ কৰোঁতে ক্ৰোমেগনন্ মানৱে শিলৰ ব্যৱহৃত অস্ত্ৰ-শস্ত্ৰ, অলংকাৰৰূপে পিন্ধা শামুকৰ খোলা আদি মৃতদেহৰ ওচৰত উছৰ্গা কৰিছিল। তেওঁলোকে শিল্প-বিদ্যা জানিছিল আৰু গুহাবিলাকৰ গাত ৰং বিৰঙৰ জীৱ-জন্তু আদিৰ ধৰ্মমূলক চিত্ৰ আঁকিছিল। মেথোন, হাতী, মেমথ আদি জন্তুৰ চিত্ৰ খোদিত কৰিছিল, মাটিৰ মূৰ্তি আদিও সাজিছিল। চিত্ৰবিলাকত জন্তুক যাঠীৰে বিদ্ধ কৰা, তেজ বৈ যোৱা আদি দেখুওৱা হৈছিল। এইচিত্ৰবোৰক অনুকৃত যাদুৰ (imitative magic) পৰিচায়ক বুলি ক'ব পাৰি। তেওঁলোকে মৃতকৰ শৰটোত ৰঙা মাটিৰ ৰঙেৰে red ochre বোলাইছিল আৰু কড়িৰে সজাইছিল। শিলত, হাড়ত, হাতী দাঁত, শিং আদিৰ ওপৰত খোদিত চিত্ৰসমূহত জন্তুৰ গৰ্ভাৱস্থাৰ চিত্ৰ পোৱা গৈছে। এইবোৰ উৰ্বৰা শক্তিৰ প্ৰতীক যেন অনুমান হৈছে। উক্ত প্ৰত্ন-প্ৰস্তৰ যুগত কিছুমান গৰ্ভৱতী তিৰোতাৰ নিচিনা মূৰ্তি পোৱা গৈছে।

সেইবোৰক পুৰাতাত্ত্বিকসকলে ভেনাচ বা উৰ্বশী নাম দিছে। সেইবোৰক উৰ্বৰা শক্তিৰ প্ৰতীক হিচাপে পূজা কৰা হৈছিল।

প্ৰত্ন-প্ৰস্তৰ যুগ অতিবাহিত হোৱাৰ লগে লগে তুষাৰ যুগৰো অন্ত পৰিছিল। তেতিয়া মানুহে গুহাৰ ভিতৰৰ পৰা ওলাই আহি মুক্ত আকাশৰ তলত ধৰ্মীয় উৎসৱবোৰ পালন কৰিছিল— প্ৰকাণ্ড শিলৰ স্তম্ভৰে (Megaliths) আৱেষ্টিত মুকলি ঠাইত। ইংলণ্ডৰ ষ্টোন হেঞ্জ (stone henge) হৈছে এনে এখন প্ৰস্তৰ যুগৰ ধৰ্মকেন্দ্ৰ। ইটালি, স্পেইন, ফ্ৰান্স, পৰ্তুগাল, স্কেণ্ডিনেভিয়া আৰু আয়াৰলেণ্ড আদিতো ঠিক তেনেকুৱা কেন্দ্ৰ আছে। কোনো কোনো ঠাইত ডাঙৰ, ওখ কেৱল এটা স্তম্ভও দেখা গৈছে। এইবোৰক মেনহিৰ (Menhir) কোৱা হয়। এনেকুৱা শিলৰ স্তম্ভ খাচিয়া পাহাৰতো পোৱা যায় মানুহৰ মৃত্যু হ'লে মৃতকৰ স্মৰণাৰ্থে এই স্তম্ভ পুতি থোৱা হয়।

সিন্ধু উপত্যকা সভ্যতাৰ সময়তো ধৰ্মৰ প্ৰভাৱ আছিল। মহেঞ্জোদাৰো আৰু হৰপ্পাত পোৱা মোহৰ (Seal) তাম্ৰফলি (Copper tablets), অণুশিলামূৰ্ত্তি (Stone statuetter) আৰু মাটিৰ মূৰ্তি কিছুমানৰ পৰা ধৰ্মৰ বিষয়ে জানিব পৰা গৈছে। সেই সময়ত কিছুমান গছ, শিৱলিংগ, যোনী, দেৱীমাতা (mother goddess) আদিক পূজা কৰা হৈছিল। মৃতকক অগ্নি দাহনৰ দ্বাৰা সৎকাৰ কৰা হৈছিল। অপদেৱতাৰ পৰা ৰক্ষা পাবলৈ তাবিজ, কবচ আদি ব্যৱহৃত হৈছিল আৰু গুণ-মন্ত্ৰৰো ব্যৱহাৰ আছিল। গা ধুই শুচি হোৱাৰ প্ৰথাও প্ৰচলিত আছিল।

বৈদিক যুগৰ আদিতে নৈসৰ্গিক শক্তি, যেনে— অগ্নি, বায়ু, বৰুণ, সূৰ্য্য, চন্দ্ৰ আদিক দেৱতা হিচাপে পূজা কৰা হৈছিল। ঋক বৈদিক যুগৰ লোকসকলে নানা শ্লোকেৰে দেৱ-দেৱীসকলক প্ৰাৰ্থনা কৰিছিল আৰু তেওঁলোকক নানা উপকৰণ যেনে— গাখীৰ, ঘি, অন্ন, সোম, মাংস আদি উৎসৰ্গা কৰিছিল। তাৰ কাৰণে পুৰোহিত কিছুমানৰ সৃষ্টি হৈছিল ঋক বৈদিক যুগৰ লোকসকলে বিশ্বাস কৰিছিল দেৱ-দেৱীসকলৰ আকৃতি মানৱসদৃশ আছিল আৰু তেওঁলোকৰ আচৰণো মানৱৰ আচৰণ সদৃশ আছিল। পুনৰ জন্মৰ ওপৰতো তেওঁলোকৰ সম্পূৰ্ণ বিশ্বাস আছিল আৰু যমৰ দ্বাৰা ইয়াক নিয়ন্ত্ৰণ কৰা হয় বুলি ধাৰণা হৈছিল। গৰু, ঘোঁৰা আদি জন্তুক শ্ৰদ্ধা-ভক্তিৰে পালন কৰা হৈছিল। বৈদিক যুগৰ লোকসকল সদায় আশাবাদী আছিল আৰু তেওঁলোক উন্নতমুখী হ'বলৈহে বাঞ্ছা কৰিছিল।

বৈদিক যুগৰ শেষৰফালে পূজা-পাতল যাগ-যজ্ঞ আদিৰ প্ৰভাৱ বাঢ়িকৈয়ে পৰিছিল। ৰুদ্ৰ আৰু বিষ্ণু— দুয়ো প্ৰধান দেৱতা হিচাপে গণ্য হৈছিল। ব্ৰহ্মাক সকলোতকৈ উৎকৃষ্ট স্থান দিয়া হৈছিল। সেই সময়ত আধ্যাত্মিক ভাৱনাৰে উপনিষদ ৰচনা কৰা হৈছিল, আৰু পূজা-পাতল, যাগ-যজ্ঞৰ প্ৰতি উদাসীনতা দেখুৱা হৈছিল।

**মহাকাব্যীয় যুগ ঃ**

এই যুগত অৰ্থাৎ মহাকাব্য ৰামায়ণ আৰু মহাভাৰত ৰচনা কালত ইন্দ্ৰ সূৰ্য্য আৰু বৰুণ আদি বৈদিক দেৱতাসকলক অৱজ্ঞাৰ চকুৰে চোৱা হৈছিল আৰু তাৰ পৰিবৰ্তে ব্ৰহ্মা, বিষ্ণু আৰু শিৱক উচ্চ স্থান দিয়া হৈছিল। গণেশ আৰু পাৰ্বতী জনসমাজত প্ৰিয় হৈ পৰিছিল। বিষ্ণুৰ অৱতাৰ ৰাম আৰু কৃষ্ণ পূজ্য হৈ পৰিছিল। ভাগৱত গীতাৰ আদৰ্শই মানুহক কৰ্মৰ প্ৰেৰণা দিছিল।

ইয়াৰ পিছতেই মহাবীৰ আৰু বুদ্ধদেৱৰ পৃষ্ঠপোষকতাত জৈন ধৰ্ম আৰু বৌদ্ধ ধৰ্ম-কৰ্ম, পবিত্ৰতা আৰু অহিংসাৰ ওপৰত ভিত্তি কৰি জনসমাজৰ মাজত প্ৰচলিত হ'বলৈ ধৰিলে। এই ধৰ্মৰ জৰিয়তে ক্ষত্ৰিয়সকলৰ প্ৰতিপত্তি বাঢ়িল আৰু ব্ৰাহ্মণৰ নেতৃত্বৰ বিৰুদ্ধে বিপ্লৱ হ'বলৈ ধৰিলে। ব্ৰাহ্মণসকলেও বৈদিক ধৰ্মৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ উঠি-পৰি লাগিল।

ইয়াৰ পিছত বিষ্ণু আৰু শিৱ পূজাৰ ওপৰত গুৰুত্ব দিয়া হ'ল। বিষ্ণুক উচ্চ স্থান দিয়া হ'ল। পৰ্বত-পাহাৰ, নদ-নদী, গছ-গছনি দৈৱিক শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিল। গৰু, তুলসীপাত আদিও পূজ্য হৈ পৰিল। সাপকো পূজা কৰিবলৈ ধৰিলে।

**৬৫০ খৃঃৰ পৰা ১২০০ খৃঃ লৈ ধৰ্মৰ ধাৰা ঃ**

এই সময়ছোৱাত হিন্দু ধৰ্মই চৰম উদ্‌গতি লাভ কৰে। এই ধৰ্মৰ কেন্দ্ৰ আছিল মধ্যপ্ৰদেশ আৰু ইয়াৰ পৰা ব্ৰাহ্মণসকলে বংগদেশলৈ গৈ হিন্দু ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। বংগদেশৰ শাসনকৰ্তাসকলে হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। বৈদিক যুগৰ দেৱ-দেৱীৰ পৰিৱৰ্তে নতুন দেৱ-দেৱীৰ সৃষ্টি হ'ল। মানুহবোৰ দান-দক্ষিণাৰ ফালে আকৃষ্ট হ'ল আৰু সেইবাবে নতুন নতুন মন্দিৰ কিছুমান প্ৰতিষ্ঠাপিত হ'ল। এই

সময়ছোৱাত হিন্দু ধৰ্মৰ বিকল্প স্বৰূপ বৈষ্ণৱ ধৰ্ম আৰু শৈৱ-ধৰ্মই একেলগে প্ৰতিপত্তি লাভ কৰিলে। এই দুই ধৰ্মীয় পদ্ধতিৰ অৰিয়াঅৰি হ'বলৈ ধৰিলে আৰু নিজৰ নিজৰ আচাৰ অনুষ্ঠানৰ যোগেদি শীৰ্ষত্ব লাভ কৰিবলৈ চেষ্টা চলালে। বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ প্ৰতিপত্তি কমি আহিল আৰু কেৱল উত্তৰ ভাৰতৰ কিছুমান ঠাইতহে এই দুই ধৰ্মৰ প্ৰতিপত্তি ৰ'ল। বৌদ্ধধৰ্ম কেৱল বিহাৰ আৰু বংগদেশতেই সীমিত হৈ থাকিল। বুদ্ধ আৰু জৈন অনুগামীসকলে ঈশ্বৰ ভাৱাপন্ন হ'ল আৰু বুদ্ধ আৰু মহাবীৰৰ প্ৰতিমূৰ্তি মন্দিৰত স্থাপিত হ'ল। ঈশ্বৰৰ অৱতাৰ হিচাপে শাস্ত্ৰীয় সঙ্গীত, আচাৰ, অনুষ্ঠান আদিৰ পূজা কৰিবলৈ ধৰিলে। হৰি-হৰ অৰ্থাৎ বিষ্ণু আৰু শিৱ দুয়োকে লগ লগাই একেটা মূৰ্তি সাজি পূজা কৰা হৈছিল। নতুনকৈ উন্মেষিত তান্ত্ৰিকতাবাদে বুদ্ধ ধৰ্মৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। হিন্দু ধৰ্মাৱলম্বী বিভিন্ন পন্থাৰ লোকৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছিল। কিন্তু জৈন ধৰ্মাৱলম্বী লোকসকল এই নতুন বতাহৰ প্ৰৱাহত বিচলিত নহ'ল আৰু নিজৰ ধৰ্মতে আৱদ্ধ হৈ থাকিল।

বিষ্ণু পূজা অতি জনপ্ৰিয় হৈ পৰিল। ক্ষেমেন্দ্ৰই তেওঁৰ দশাৱতাৰ চৰিত পুথিত বিষ্ণুৰ দশ অৱতাৰৰ বিষয়ে উল্লেখ কৰে। সেই সময়ত মূৰ্তিবিলাক ভালকৈ সু-সজ্জিত কৰা হৈছিল। মন্দিৰৰ মূৰ্তিবিলাকক জীৱিত প্ৰাণী হিচাপে গণ্য কৰা হৈছিল আৰু এইবিলাকক ধোৱা-পখলা কৰা হৈছিল। তাৰ পিছত কাপোৰ পিন্ধাই, সুসজ্জিত কৰাই খাবলৈ দিয়া হৈছিল। ৰামানুজ, মাধৱ, নিম্বাৰ্ক, বল্লভ আৰু চৈতন্য নামে পাঁচজন সন্তলোকে পাঁচটা পন্থা প্ৰতিষ্ঠা কৰিছিল। চৈতন্যত বাহিৰে প্ৰত্যেক পন্থাৰে একোটা নিজস্ব দৰ্শন আছিল। কিন্তু এই সকলোবিলাক পন্থাৰে দৰ্শনসমূহ মূল বেদান্তৰ অন্তৰ্গত আছিল।

শৈৱ ধৰ্মই এই সময়ছোৱাত মূৰ দাঙি উঠিছিল; বহুতো ৰজাই এই ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল আৰু অ'ত ত'ত শিৱ মন্দিৰ সাজি দিছিল। শক্তিৰো পূজা আৰম্ভ হৈছিল।

খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকাৰ ভিতৰত তামিল সাহিত্যই ভক্তি ৰসৰ সৃষ্টি কৰিছিল। সেই সময়ত বৈষ্ণৱ কবি আলৱাৰ আৰু শৈৱ-ভক্ত কবি নয়নসাৰে ভক্তিমূলক গ্ৰন্থ আৰু গীত-পদ ৰচনা কৰিছিল। দুয়ো গোষ্ঠীৰে উদ্দেশ্য আছিল-ঈশ্বৰৰ ওচৰত শৰণাপন্ন হোৱা আৰু সগুণ ব্ৰহ্মৰ উপাসনা কৰা।

আলৱাৰ ভক্ত কবিসকলে ৰচনা কৰি থৈ যোৱা গীতি-পদবোৰ নৱম শতিকাৰ শেষ ভাগত আচাৰ্য্য নাথমুনিয়ে (৮২৪ খৃঃ) অশেষ কষ্ট কৰি গোটাই লৈ সংকলন কৰি উলিয়ায়। তাৰ পিছত তেওঁৰ নাতি আচাৰ্য্য যমুনাচাৰ্যাই (১১৮ খৃঃ) ভক্তি ধৰ্ম প্ৰচাৰ কৰে।

কেৰেলাত জন্ম গ্ৰহণ কৰা ন-ম্বুদিৰী ব্ৰাহ্মণ শ্ৰীশংকৰাচাৰ্যই উপনিষদৰ আধ্যাত্মিক তত্ত্বৰ ওপৰত ভিত্তি কৰি তেওঁ অদ্বৈতবাদৰ পৃষ্ঠপোষকতা কৰে আৰু হিন্দু ধৰ্মক পুনৰ প্ৰতিষ্ঠা কৰে। ভাৰতত হিন্দু ধৰ্ম পুনৰ গা কৰি উঠে আৰু বৌদ্ধ ধৰ্মৰ প্ৰায় অস্তিত্ব নোহোৱা হয়। শ্ৰীশংকৰাচাৰ্যই কেবাবাৰো ভাৰত ভ্ৰমণ কৰি উপনিষদৰ দৰ্শন প্ৰচাৰ কৰি মানুহক হিন্দু ধৰ্ম ভাৱাপন্ন কৰি পেলালে।

শংকৰাচাৰ্যাৰ পিছৰ মহান আচাৰ্য ৰামানুজে (১০১৭ খৃঃ) দ্বৈতবাদৰ প্ৰতি সঁহাৰি দিছিল। ৰামানুজাচাৰ্য আৰু তেওঁৰ অনুগামীসকলে ব্ৰহ্মৰ অৱতাৰক বিশ্বাস কৰে। ব্ৰহ্ম নিৰ্গুণ হৈও সগুণৰূপেও সময়ে সময়ে প্ৰতিভাত হয়। শ্ৰীশংকৰাচাৰ্যই নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মৰ কল্পনা কৰিছিল। কিন্তু ৰামানুজাচাৰ্য্যই আকাৰ নোহোৱা নিৰ্গুণ ব্ৰহ্ম কল্পনাৰ অতীত বুলি সগুণ আকাৰযুক্ত ব্ৰহ্মাৰ সাধনা কৰিছিল। অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰক সকলে সগুণ ব্ৰহ্মৰে উপাসক আছিল। অৱশ্যে মহাপুৰুষ শংকৰদেৱ অদ্বৈতবাদী আছিল সেইকাৰণে মূৰ্তি পূজাৰ বিৰোধিতা কৰিছিল। তথাপি তেওঁ ৰাম আৰু কৃষ্ণক ব্ৰহ্মৰ অৱতাৰ বুলি বিশ্বাস কৰিছিল।

**ভক্তি আন্দোলন ঃ**

মধ্যযুগৰ খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা ষোড়শ শতিকাৰ ভিতৰত ভক্তি আন্দোলনে গঢ় লৈ উঠে। এই আন্দোলনৰ হোতাসকল হ'ল নিগুঢ়তত্ত্ববিদ সন্তসকল। তেওঁলোকৰ কোনো ধাৰ্মিক পন্থা নাছিল আৰু বেলেগকৈ এটা ধাৰ্মিক পন্থাও গঠন কৰিব খোজা নাছিল। তেওঁলোকে কোনো বিশেষ ধৰ্মমত প্ৰৱৰ্ত্তন নীতি কৰিব নুখুজিছিল। তেওঁলোকে কোনো ধৰ্মগ্ৰন্থৰে নীতি অন্ধভাৱে অনুসৰণ কৰা নাছিল; তেওঁলোকে স্বকীয় চিন্তা-চৰ্চাৰ দ্বাৰা নিজকে উন্নত স্তৰলৈ আনিছিল। তেওঁলোকে কোনো আচাৰ অনুষ্ঠান বা পূজা-পাতলৰ ব্যৱস্থা নকৰিছিল। তেওঁলোকৰ বেছিভাগেই মূৰ্তিপূজাৰ বিৰোধ কৰিছিল। তেওঁলোক কেৱল একেশ্বৰবাদী আছিল। বিভিন্ন ধৰ্মত ঈশ্বৰৰ নাম বেলেগ বেলেগ আছিল

যদিও ঈশ্বৰ এজনেই আছিল বুলি তেওঁলোকে বিশ্বাস কৰিছিল। সেই একেজনেই বাসু, কৃষ্ণ, বিষ্ণু, শিৱ, যিশু, আল্লা ইত্যাদি। তেওঁলোকে বিশ্বাস কৰে যে কেৱল ঈশ্বৰত একান্তমনে শৰণ ল'লেহে মুক্তি পাব পাৰি। ভক্তি হৈছে নিস্পৃহভাৱে ঈশ্বৰত শৰণাপন্ন হোৱা। ভক্তৰ প্ৰেম হৈছে মাকৰ সন্তানৰ প্ৰতি থকা প্ৰেমৰ বা স্নেহৰ নিচিনা।

খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ শেষৰফালে স্বামী ৰামানন্দৰ জন্ম হয়। তেওঁ ৰামকহে বেছি প্ৰাধান্য দিছিল। এওঁ ভক্তি আন্দোলনত এক বিশেষ ভূমিকা লৈছিল। তেৱেঁই পোন প্ৰথমে ভক্তিধৰ্মৰ সোঁত দক্ষিণ-ভাৰতৰ পৰা উত্তৰ-ভাৰতলৈ বোৱাইছিল আৰু জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহকে তেওঁৰ সম্প্ৰদায়ভুক্ত কৰিছিল। তেওঁৰ পিছত তেওঁৰ ৰাম-ভক্তিৰ ধাৰা দুভাগত ভাগ হৈ গৈছিল। কবীৰদাস নিৰ্গুণ ভক্তিধাৰাৰ প্ৰচাৰক আছিল আৰু তুলসীদাস আছিল সগুণ ভক্তিধাৰাৰ প্ৰচাৰক। তাৰ পিছত সুৰদাস আৰু মীৰাবাঈয়ে উত্তৰ-ভাৰতত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। তেওঁলোক দুয়ো শ্ৰীকৃষ্ণকে ভগৱান হিচাপে উপাসনা কৰিছিল।

উত্তৰ-পূব ভাৰতত শ্ৰীচৈতন্যদেৱ, শ্ৰীহৰিদেৱ, শ্ৰীশংকৰদেৱ, শ্ৰীদামাদৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীভট্টদেৱ আদি মহাপুৰুষৰ উদ্যোগত বৈষ্ণৱধৰ্মৰ প্ৰচাৰ হ'বলৈ ধৰিলে। শ্ৰীচৈতন্যদেৱে শ্ৰীকৃষ্ণৰ ভক্তিত তন্ময় হৈ পৰিছিল। স্বামীৰ প্ৰতি স্ত্ৰীৰ মধুৰ প্ৰেম অৰ্থাৎ কৃষ্ণৰ প্ৰতি ৰাধাৰ যি মধুৰ ৰসযুক্ত প্ৰেম, সেই মধুৰ প্ৰেমকে মাধ্যম হিচাপে লৈ কৃষ্ণৰ প্ৰতি আসক্ত হৈ পৰিছিল। তেওঁৰ অনুগামীসকলক গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায় বুলি জনা যায়।

অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতিষ্ঠাতাসকলে একশৰণ নাম ধৰ্মৰ পৃষ্ঠপোষক আছিল। আটাইকেইজন ধৰ্মগুৰুৰে ধৰ্মমত প্ৰায় একেই আছিল। কেৱল শ্ৰীশংকৰদেৱে মূৰ্ত্তিপূজাৰ বিৰোধিতা কৰিছিল আৰু শ্ৰীহৰিদেৱে আৰু শ্ৰীদামোদৰদেৱে মূৰ্ত্তিপূজাত কোনো বাধা নিদিছিল। অসমত যে অতীতৰ পৰাই বাসুদেৱ পূজা বা বিষ্ণুপূজাৰ প্ৰচলন আছিল নিধানপুৰ আৰু ডুবিৰ তামৰ ফলিৰ পৰা জানিব পাৰি। পালবংশৰ ৰজাসকলৰ দিনতো যে বিষ্ণুপূজাৰ প্ৰচলন আছিল কিছুমান তামৰ ফলিৰ পৰা প্ৰমাণ পোৱা যায়।

অসমত খৃষ্টীয় পঞ্চদশ শতিকাৰ পৰা যোড়শ শতিকালৈ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ হৈছিল। এই সময়ত শ্ৰীহৰিদেৱৰ অৱদান উল্লেখযোগ। তেৰাই উজনি অসমৰ নাৰায়ণপুৰত জন্ম গ্ৰহণ কৰি নানা শাস্ত্ৰ অধ্যয়ন কৰি নামনি অসমলৈ ব্ৰহ্মপুত্ৰৰে ভটিয়াই আহি বৰপেটা জিলাৰ অন্তৰ্গত বহৰি গাওঁত সত্ৰ পাতে আৰু তাৰ পিছত ব্ৰহ্মপুত্ৰৰ পাৰত মানেৰীত থাকিবলৈ লয় আৰু তাতেই তেৰাই ইহলীলা সম্বৰণ কৰে। মানেৰী সত্ৰ ব্ৰহ্মপুত্ৰৰ বুকুত জহি যোৱাৰ কাৰণে বৰতলা গাওঁত পুনৰ ইয়াক প্ৰতিষ্ঠা কৰা হৈছে।

মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ আছিল এজন যোগসিদ্ধ স্থিতপ্ৰজ্ঞ পুৰুষ। তেওঁক কাশীত, ভাগৱতাচাৰ্য্য উপাধিৰে ভূষিত কৰিছিল। ভাগৱতৰ চৰ্চাত বিশেষ জ্ঞান লাভ কৰাৰ কাৰণে তেওঁক পুৰীৰ জগন্নাথ মন্দিৰত ৫ বছৰ ধৰি ভাগৱতবাণী শুনাবৰ কাৰণে পুৰীৰ পাণ্ডাসকলে সবিনয়ে অনুৰোধ কৰিছিল আৰু তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি ভাগৱত পাঠ পাঁচ বছৰত শেষ কৰিছিল। গীতা-ভাগৱত শাস্ত্ৰৰ অপৰিসীম জ্ঞানে মহাপুৰুষজনাৰ প্ৰাণত সদায় জগাইছিল অনাবিল আনন্দ। সেয়েহে তেওঁ অতি শুৱলাকৈ ভাগৱত পঢ়ি আৰু সাৰমৰ্মবোৰ ব্যাখ্যা কৰি সকলোৰে মন-প্ৰাণ হৰণ কৰিব পাৰিছিল। তেওঁ জাতি, লিংগ নিৰ্বিশেষে সকলোকে সমান চকুৰে চাইছিল আৰু সকলোকে সমানে ধৰ্মৰ মৰ্মবাণী শুনাইছিল।

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ হোৱাৰ আগতে শাক্তসকলৰ প্ৰতিপত্তি আছিল। তান্ত্ৰিকতাবাদৰো প্ৰভাৱ আছিল। এতিয়াও তাৰ প্ৰভাৱ চলি আছে। গুৱাহাটীৰ কামাখ্যা আৰু উগ্ৰতৰা মন্দিৰত এতিয়াও বলি দিয়া প্ৰথা চলি আছে।❑❑

(বৈষ্ণৱ বিভূতি গ্ৰন্থত প্ৰকাশিত)

# পুৰীত হৰিদেৱ গুৰুজনাৰ ভাগৱত অধ্যয়ন আৰু সাধনা

দ্বিপেন্দ্ৰ নাথ গোস্বামী

কাশীত বেদ আৰু দৰ্শন শাস্ত্ৰৰ আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰি সেই কালৰ শিক্ষা ব্যৱস্থাৰ নিয়ম মতে বেদাচাৰ্য আৰু দৰ্শনাচাৰ্য উপাধি লাভ কৰাৰ অন্তত হৰিদেৱ গুৰুজনাই খৃষ্টীয় ১৪৪৮ চনত নিজ গৃহৰাজ্য কামৰূপ অভিমুখে যাত্ৰা কৰিছিল। যাত্ৰাপথত দুই এদিন জগন্নাথ পুৰীত থাকি যোৱাৰ পৰিকল্পনা আছিল। ভাগৱত গীতাত কোৱা হৈছে যে ভগৱানে আমাৰ হৃদয়ত অধিষ্ঠিত থাকি আমাৰ সমস্ত কথা কাণ্ড নিয়ন্ত্ৰণ কৰে। আমাৰ শৰীৰ এখন বাহনৰ দৰে আৰু ভগৱান হৈছে সেই বাহনৰ চালক। চালকে যিদৰে নিয়ন্ত্ৰণ কৰে বাহন সেইদৰে চলে। একেদৰে ঈশ্বৰে যেনেকৈ ইচ্ছা কৰে ঠিক তেনেকৈয়ে কাম কৰিবলৈ আমি বাধ্য হওঁ। এই ক্ষেত্ৰতো দেখা যায় যে হৰিদেৱ গুৰুজনাই পুৰীত দুই এদিন থাকি কামৰূপলৈ যোৱাৰ পৰিকল্পনা কৰিছিল যদিও ভগৱান জগন্নাথে তেওঁৰ বাবে অন্য পৰিকল্পনা প্ৰস্তুত কৰি থৈছিল। আনহাতে ভগৱানৰ পৰিকল্পনা ৰূপায়ণ কৰাৰ পদ্ধতিৰ সৈতে মানুহৰ পৰিকল্পনা ৰূপায়ণ কৰা পদ্ধতিৰ পাৰ্থক্য আছে। মানৱীয় পদ্ধতি অনুসৰি কোনো ব্যক্তিয়ে অন্য কোনো ব্যক্তি বা সংস্থাৰ দ্বাৰা কিবা কাম কৰিব খুজিলে প্ৰথমে আঁচনি প্ৰস্তুত কৰিব লাগে। তাৰ পিছত সেই আঁচনি মতে কাম কৰাৰ বাবে আদেশনামা জাৰি কৰিব লাগে। তাৰ পিছত সেই আদেশনামা কোনো প্ৰকাৰৰ বাৰ্ত্তাবাহকৰ সহায়ত নিৰ্দিষ্ট ব্যক্তি বা সংস্থালৈ প্ৰেৰণ কৰিব লাগে ইত্যাদি। এই বিলাক কৰাৰ পিছতো আঁচনি মতে সম্পূৰ্ণ কাম হ'বও পাৰে বা ন'হবও পাৰে। কিন্তু ভগৱানৰ আঁচনিৰ বেলিকা কথাবিলাক তেনে নহয়। ঈশ্বৰে ইচ্ছা কৰা মাত্ৰকে তেওঁৰ পৰিকল্পনামতে কাম সমাধা হয়। ঈশ্বৰে যেতিয়া কোনো ব্যক্তিৰ দ্বাৰা কিবা কাম কৰাব খোজে তেতিয়া প্ৰয়োজনীয় সকলো ব্যৱস্থা সেই ইচ্ছা অনুসৰি নিজে নিজে সাজু হৈ উঠে আৰু সংশ্লিষ্ট ব্যক্তিজনে ঈশ্বৰৰ ইচ্ছামতে কাম কৰিবলৈ বাধ্য হয়।

হৰিদেৱ গুৰুজনাৰ ক্ষেত্ৰতো এই কথা সত্য বুলি প্ৰমাণিত হৈছিল। পুৰীত উপস্থিত হোৱাৰ পিছত তেওঁ জগন্নাথ মহাপ্ৰভুক দৰ্শন কৰি নিজৰ দৈনন্দিন পূজা পাঠ আদি সমাপ্ত কৰাৰ পিছত থকা ঠাইলৈ আহি জিৰণি লৈছিল। সেই সময়তে ঈশ্বৰে নিজ পৰিকল্পনাৰ কথা ঐশ্বৰিক পদ্ধতিৰে হৰিদেৱ গুৰুজনা আৰু মন্দিৰৰ মুখ্য পুৰোহিতক জনাই দিছিল। মানৱীয় ভাষাত এই কথা বুজাবলৈ গৈ কোৱা হৈছে যে স্বপ্নাৱস্থাত ভগৱান জগন্নাথে এজন ব্ৰাহ্মণ পুৰোহিতৰ বেশত হৰিদেৱ গুৰুজনাক দেখা দিছিল আৰু পাঁচ বছৰ কাল ভাগৱতৰ গভীৰ অধ্যয়ন কৰাৰ লগতে তেওঁৰ মন্দিৰত নিতৌ এই শাস্ত্ৰ পাঠ কৰাৰ আদেশ দিছিল। মুখ্য পুৰোহিতক মন্দিৰত সযতনে সংৰক্ষণ কৰি ৰখা মূল ভাগৱত গুৰুজনাক দিয়াৰ লগতে অন্যান্য সুবিধা সমূহ কৰি দিবলৈ সপোনত আদেশ দিছিল।

পিছদিনা পুৱা হৰিদেৱ গুৰুজনা আৰু মন্দিৰৰ প্ৰধান পুৰোহিতে সংশ্লিষ্ট সকলো লোকৰ সৈতে আলোচনা কৰি ভগৱান জগন্নাথৰ আদেশমতে সকলো কৰাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ পিছত এটা শুভ মুহূৰ্তত হৰিদেৱ গুৰুজনাই মূল ভাগৱত শাস্ত্ৰৰ গৱেষণামূলক অধ্যয়ন আৰু জগন্নাথ মন্দিৰত ভাগৱত পাঠ আৰম্ভ কৰিছিল। হৰিদেৱ গুৰুজনাৰ চৰিত পুথিৰ ৰচয়িতা বনগএগ্ৰাগিৰিয়ে ভগৱান জগন্নাথে

দিয়া উক্ত স্বপ্নাদেশ উল্লেখ কৰি লিখিছে—

পাচবৰ্ষে পাচৰূপ মূল ভাগৱত।
মহোৰ মণ্ডিৰে মধ্যাহ্ন সময়ত।।
অনশনে ভাগৱত কৰিবা পঠন।
প্ৰথমে তোমাৰ হস্তে কৰিলো অৰ্পন।।
মোৰ মন্দিৰত আছে মূল ভাগৱত।
তুমিসে ইহাৰ পাত্ৰ দুৰ্ঘোৰ কলিত।।

পাঁচ বছৰত পাঁচ ৰূপ মূল ভাগৱত অধ্যয়ন কৰাৰ বাবে দিয়া আদেশ সম্পৰ্কে আমি মৎস্য মহাপুৰাণত কোৱা কথা বিচাৰ কৰি চাব পাৰো। এইখন সবাতোকৈ প্ৰাচীন পুৰাণ আৰু সুন্দৰভাৱে সংৰক্ষিত অৱস্থাত পোৱা সংস্কৃত গ্ৰন্থ বুলি পণ্ডিতসকলে কৈছে। এই পুৰাণৰ ৫৩ অধ্যায়ত মহাপুৰাণ, উপপুৰাণ আদিৰ নাম আৰু থুলমূল বিষয়ৰ বৰ্ণনা আছে। ইয়াৰে ৬৪ সংখ্যক শ্লোকত কোৱা হৈছে—

সৰ্গশ্চ প্ৰতিসৰ্গশ্চ বংশো মন্বন্তৰাণি চ।
বংশানুচৰিতঞ্চৈৱ পুৰাণং পঞ্চলক্ষণম।।

শ্লোকৰ ভাৱাৰ্থ বিচাৰ কৰিলে দেখা যায় সকলো পুৰাণৰ মূল পাঁচটা লক্ষণ বা আলোচ্য বিষয় বস্তু পাঁচ প্ৰকাৰৰ। সেই কেইটা হৈছে—

১। সৰ্গ বা সমগ্ৰ সৃষ্টি কৰ্মৰ বাবে পৰমেশ্বৰে সৃষ্টি কৰা উপাদান।

২। প্ৰতিসৰ্গ বা পৃথক পৃথক ব্ৰহ্মাৰ দ্বাৰা পৃথক পৃথক বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি।

৩। বংশ বা দেৱতা আৰু ঋষি মুনি সকলৰ দ্বাৰা সৃষ্টিৰ বিস্তাৰ।

৪। মন্বন্তৰ বা বিভিন্ন কালৰ মনু সকলৰ শাসন কালত হোৱা সনাতন ধৰ্মৰ প্ৰতিষ্ঠা।

৫। বংশানুচৰিত বা বিভিন্ন কালত পৃথিৱী শাসন কৰা ৰাজবংশ সমূহৰ বিস্তৃত বিৱৰণ।

৬৫ সংখ্যক শ্লোকত কোৱা হৈছে—

ব্ৰহ্ম-বিষ্ণ্বৰ্ক-ৰুদ্ৰানাং মাহাত্ম্যং ভুৱনস্য চ।
সসংহাৰ প্ৰদানাঞ্চ পুৰাণে পঞ্চবৰ্ণকে।।

ইয়াৰ অৰ্থ হৈছে সকলো পুৰাণত ব্ৰহ্মা, বিষ্ণু, অৰ্ক বা সূৰ্য আৰু ৰুদ্ৰ এই চাৰি দেৱতাৰ গুণ-মাহাত্ম্যৰ বৰ্ণনাৰ আৰু তাৰ লগতে পঞ্চম বিষয় হিচাপে সৃষ্টিৰ পাতনি সংহাৰ কাৰ্যৰ বৰ্ণনা সন্নিবিষ্ট থাকিব লাগে।

৬৬ নং শ্লোকত কোৱা হৈছে—

ধৰ্মশ্চাৰ্থশ্চ কামশ্চ মোক্ষশ্চৈবাত্ৰ কীৰ্ত্ততে।
সৰ্বেস্বপি পুৰাণেষু তদ্বিৰুদ্ধশ্চ যৎফলম।।

ইয়াত কোৱা হৈছে যে পুৰাণত মানৱ জীৱনৰ চাৰি পুৰুষাৰ্থ ধৰ্ম, অৰ্থ, কাম , মোক্ষৰ লগতে পঞ্চম বিষয় হিচাপে এই চাৰি পুৰুষাৰ্থ সাধন কৰ্মৰ বিৰুদ্ধাচৰণ কৰা লোকৰ পাপ আৰু সেই পাপৰ শাস্তিৰ বিষয়ে বৰ্ণনা থাকিব লাগে। অৰ্থাৎ মৎস্য পুৰাণৰ বক্তব্য অনুসৰি পুৰাণে আলোচনা কৰা তিনিবিধ বিষয় বস্তুৰ প্ৰত্যেকৰে পাঁচটিকৈ উপবিভাগ আছে।

আনহাতে অমৰকোষ অভিধান খৃষ্টপূৰ্ব কালত ৰচনা কৰা অতি প্ৰাচীন গ্ৰন্থ। উজ্জয়িনীত ৰাজত্ব কৰা সুবিখ্যাত সম্ৰাট বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্ন হিচাপে প্ৰখ্যাত পণ্ডিত সকলৰ মাজৰ এজন ৰত্ন আছিল অমৰসিংহ। অমৰকোষ তেওঁ ৰচনা কৰা এখন বিখ্যাত গ্ৰন্থ। এই গ্ৰন্থত পুৰাণ শব্দৰ অৰ্থ ব্যাখ্যা কৰি ওপৰত উদ্ধৃত মৎস্য পুৰাণৰ ৬৪নং শ্লোকটো উল্লেখ কৰা হৈছে। ইয়াৰ লগতে কোৱা হৈছে যে এই শ্লোকত উল্লেখ কৰা পাঁচটা বিষয়ৰ বৰ্ণনা নথকা শাস্ত্ৰক পুৰাণ বুলি ক'ব নোৱাৰি।

শ্ৰীমদ্ভাগৱত পুৰাণৰ ২য় স্কন্ধৰ ১০ম অধ্যায়ৰ প্ৰথম শ্লোকত ওপৰোক্ত পাঁচটা লক্ষণৰ সৈতে আৰু পাঁচটা লক্ষণ যোগ কৰি ভাগৱত শাস্ত্ৰ দহ লক্ষণযুক্ত মহাপুৰাণ বুলি কোৱা হৈছে। ইয়াত বৰ্ণনা কৰা গ্ৰহ, নক্ষত্ৰ, জ্যোতিষ আদিৰ বিৱৰণ, পৰমেশ্বৰৰ সৃষ্টি ৰক্ষা কাৰ্য, সকাম কৰ্মৰ বাবে মানুহে লাভ কৰা কৰ্ম প্ৰেৰণা, পৰমেশ্বৰৰ বিভিন্ন অৱতাৰ আৰু অৱতাৰ সকলৰ কাৰ্যাৱলী, পৰমেশ্বৰৰ সৈতে ভক্তৰ সম্পৰ্ক, সৃষ্টিৰ নাশ, পৰমেশ্বৰৰ আশ্ৰয় লাভ আৰু মুক্তি আদি বিষয় বস্তুৰ আলোচনা ভাগৱত পুৰাণত ওপৰঞ্চি ভাৱে সংযোজিত পাঁচটা লক্ষণৰ অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু মৎস্য পুৰাণত কোৱা মূল পাঁচটা বিষয় অধ্যয়ন কৰিলে ওপৰঞ্চি বাকী পাঁচটা বিষয়ৰ কথা নিজে নিজে আহি পৰে বুলি মৎস্য পুৰাণৰ পৰা উদ্ধাৰ কৰা শ্লোকসমূহৰ পৰা ধাৰণা কৰিব পাৰি।

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত আকৌ পুৰাণৰ দহটা লক্ষণ বুলি কৈ আঠটা লক্ষণহে বৰ্ণনা কৰা হৈছে বুলি উল্লেখ আছে। তদুপৰি ভাগৱত আৰু ইয়াত উল্লেখ কৰা সকলো

লক্ষণ একে নহয়। ভাগৱতৰ দ্বাদশ স্কন্ধৰ সপ্তম অধ্যায়ৰ নৱম-দশম শ্লোকৰ ব্যাখ্যা প্ৰসঙ্গত একাংশ পণ্ডিতে ক'ব খোজে যে পাঁচ লক্ষণযুক্ত পুৰাণ উপপুৰাণ আৰু দহ লক্ষণযুক্ত পুৰাণ মহাপুৰাণ। কিন্তু মৎস্য পুৰাণক মহাপুৰাণ হিচাপে গণ্য কৰা হয় আৰু এই পুৰাণ পাঁচ লক্ষণযুক্ত। সেই বাবে ওপৰোক্ত কথা সকলোৱে মানি লোৱা সম্ভৱ নহয়।

পণ্ডিত সকলৰ মাজত চলা ওপৰোক্ত প্ৰকাৰৰ বাক-বিতণ্ডাৰ মাজত নোসোমোৱাকৈ আমাৰ সাধাৰণ জ্ঞান বুদ্ধিয়ে ঢুকি পোৱা ধৰণে বিচাৰ কৰিলে দেখা যায় যে মৎস্য পুৰাণ ভাগৱত পুৰাণতকৈ অনেক প্ৰাচীন। অমৰকোষৰ ৰচনা কালো ভাগৱততকৈ অনেক কাল আগৰ। গতিকে পুৰাণ শাস্ত্ৰৰ পাঁচ লক্ষণ বা পাঁচ আলোচ্য বিষয় সম্পৰ্কীয় ধাৰণা অতি প্ৰাচীন কালৰ পৰাই প্ৰচলিত আছিল। পুৰীত ভাগৱত পাঠ আৰম্ভ কৰাৰ আগতেই হৰিদেৱ গুৰুজনাই বেদ বেদান্ত, বিভিন্ন পুৰাণ, ব্যাকৰণ আদি শাস্ত্ৰ অধ্যয়ন কৰি পাণ্ডিত্য অৰ্জন কৰিছিল। সেয়েহে পাঁচ বছৰত পাঁচ ৰূপত ভাগৱত পঠনৰ বাবে জগন্নাথ মহাপ্ৰভুৰ পৰা পোৱা স্বপ্নাদেশৰ অৰ্থ বুজাত গুৰুজনাই ভুল কৰা সম্ভৱ নহয়। সেয়েহে মৎস্য পুৰাণ আৰু অমৰকোষত উল্লেখ কৰা অনুসৰি ভাগৱত পুৰাণত বৰ্ণনা কৰা পাঁচটা বিষয় পাঁচ বছৰত পুংখানুপুংখ ভাৱে অধ্যয়ন আৰু চিন্তা-চৰ্চা কৰি গুৰুজনাই পুৰীত ভাগৱত শাস্ত্ৰৰ আলমত কৃষ্ণভক্তিমূলক পাৰমাৰ্থিক সাধনা কৰিছিল বুলি ক'ব পাৰি। ❑❑

# টিহু অঞ্চলৰ ক্ৰীড়াৰ সোণসেৰীয়া ইতিহাসৰ মাজেৰে ক্ৰীড়াৰ কিছু কথা

পৰেশ চন্দ্ৰ শৰ্মা

"Heaven is Closer Through Football than the Gita"
-Swami Vivekananda

মানৱ জীৱনৰ এক এৰাব নোৱাৰা অংগ হ'ল ক্ৰীড়া। বিশ্বৰ সৰহ সংখ্যক সঁচা অৰ্থত ক্ৰীড়ানুৰাগী। ক্ৰীড়াৰ প্ৰতি মানুহৰ নিঃস্বাৰ্থ আকৰ্ষণ স্বভাৱসুলভ। একতা, সংহতি, ভাতৃত্ববোধ, উদাৰতা, ক্ৰীড়া সাম্ৰাজ্যৰ স্বাভাৱিক প্ৰতিফলন। ইতিহাসৰ শ্ৰেষ্ঠতম সভ্যতাৰ সৃষ্টি কৰা প্ৰাচীন গ্ৰীকসকলে ক্ৰীড়াক উচ্চ আসনত ৰাখিছিল। ক্ৰীড়া হ'ল এনে এক আচৰণ যি স্বাধীন, স্বতঃস্ফুৰ্ত, আনন্দদায়ক, যাৰ মাধ্যমত আমাৰ মাজত বন্ধুত্ব, আনুগত্য বঢ়াৰ লগতে সাহস, শক্তি জগাই নেতৃত্ব আৰু গুণৰ অধিকাৰী হোৱাত সহায় কৰে। আমি জানো যে বৰ্তমান ক্ৰীড়া কেৱল খেলপথাৰতেই সীমাবদ্ধ হৈ থকা নাই। ক্ৰীড়া এতিয়া দেশ- মহাদেশৰ গৌৰৱ বা স্বাভিমানত পৰিণত হৈছে। ই এতিয়া সাম্প্ৰতিক বিশ্বৰ উমৈহতীয়া সংস্কৃতিৰ বোঁৱতী সোঁতত পৰিণত হৈছে। বিভিন্ন ক্ৰীড়াৰ বিশ্বৰ ৰণক্ষেত্ৰলৈ লক্ষ্য কৰিলে বুজিব পৰা যায় যে বিশ্বৰ কিছুমান দিশ এঘৰীয়া কৰি ক্ৰীড়াই বিশ্বক একত্ৰিত কৰে। অলিম্পিক গেমচ্, কমনৱেলথ্ গেমচ্, এফ্ৰো এচিয়ান গেমচ্ ইত্যাদি ক্ৰীড়া সমাৰোহৰ অনুষ্ঠানে আমাক সকলোকে একেখন গাঁৱৰে বাসিন্দা কৰিছে। ক্ৰীড়াই দেশাত্মবোধ আৰু জাতীয়তাবোধৰ সৃষ্টি কৰে, সেইবাবে ভাল সুদক্ষ খেলুৱৈ এজন জাতীয় সম্পদ বুলি কোৱা হয়। ক্ৰীড়াই এখন ৰাষ্ট্ৰত পাৰস্পৰিক বুজাবুজি, শান্তি-সম্প্ৰীতি গঢ়ি তোলাত সহায়ক হোৱাৰ লগতে শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক সকলো দিশতে উন্নয়নৰ দিশত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে।

বৃহত্তৰ টিহু অঞ্চলতো আছে ক্ৰীড়াৰ এক চহকী ইতিহাস। এই অঞ্চলৰ ক্ৰীড়াৰ সোণসেৰীয়া ঐতিহ্যৰ লগত জড়িত নমস্য ব্যক্তিসকলৰ সেৱা, ত্যাগ, দূৰদৰ্শিতা, চিন্তা, কৰ্মৰ অনুপ্ৰাণিত দ্বাৰা প্ৰেৰিত হৈ আমিবোৰে চেষ্টা কৰিছোঁ সুনাম অক্ষুণ্ণ ৰাখিবলৈ। বিভিন্ন ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতা সফলভাৱে অনুষ্ঠিত কৰাৰ সাক্ষী টিহু অঞ্চলৰ ক্ৰীড়া সংগঠকসকল। অতি গৌৰৱৰ কথা যে টিহু অঞ্চলত অনুষ্ঠিত হোৱা আন্তঃজিলা জুনিয়ৰ ভলীবল প্ৰতিযোগিতা, সুজিৎ নাৰ্জাৰী ১৩ বছৰ অনূৰ্দ্ধৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা, আন্তঃজিলা টাইকোৱানডো প্ৰতিযোগিতা, আন্তঃজিলা মাষ্টাৰ এথলেটিকছ, গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা, আন্তঃজিলা টাইকোৱানডো প্ৰতিযোগিতা আৰু ১৭ বছৰ অনূৰ্দ্ধৰ সন্তোষ লহকৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা লগতে তৰুণ দত্ত ফুটবল, কামাখ্যা একাদশ ক্লাব ফুটবল উত্তম বৰ্মন আৰু মূলাৰাম মেধি ফুটবল আৰু প্ৰথমবাৰৰ বাবে মাখিবাহাত অনুষ্ঠিত হোৱা সভাৰাম পাঠক সোঁৱৰণী মহিলা ফুটবল, প্ৰতিযোগিতাসমূহে টিহুত ক্ৰীড়াৰ ধাৰাবাহিকতাক এক গতি প্ৰদান কৰিছে।

টিহু অঞ্চলৰ ক্ৰীড়াৰ ইতিহাসৰ লগত জড়িত কেইজনমান মহান ব্যক্তিক আমি নিশ্চয় মনত ৰাখিব লাগিব। এই মহান ক্ৰীড়া ব্যক্তি কেইজন হ'ল— টিহু টাউনৰ জীতেন্দ্ৰ লাল চৌধুৰী (বাপন), সুদক্ষ খেলুৱৈ মাখিবাহাৰ তৰুণ দত্ত, টিহু টাউনৰ ডাঃ অক্ষয় ঠাকুৰীয়া আৰু সুদক্ষ ফুটবল খেলুৱৈ দীঘেলীৰ জলেশ্বৰ স্বৰ্গীয়াৰী। আনহাতে ১৯৪৯ চনলৈ টিহু হাইস্কুলৰ বাবে আছিল এক গৌৰৱৰ সময়। সেইবছৰতে মুম্বাইত অনুষ্ঠিত পঞ্চম ৰাষ্ট্ৰীয় স্কুল গেমচ্‌ৰ ভলীবল শাখাত টিহু হাইস্কুল দলটোৱে অসমক প্ৰতিনিধিত্ব কৰি বিজিত সন্মান লাভ কৰাটো অসম তথা বৃহত্তৰ টিহু অঞ্চলৰ বাবে অতি গৌৰৱৰ কথা। সেই দলটোৰ খেলুৱৈসকল আছিল— অৰ্জুন ৰাজপুত, গৌৰীকান্ত

পাঠক, পদ্মৰাম দাস, গুণেশ্বৰ ৰয়, দীকেন ৰাজপুত আৰু গিৰিশ দাস। এনেদৰে সেই মহান খেলুৱৈৰ বিজয়ৰ ধাৰাৰে টিহু অঞ্চলত এক ক্ৰীড়াৰ উত্তৰণৰ যাত্ৰা আৰম্ভ হৈছিল। তেতিয়াৰ পৰা এতিয়ালৈকে টিহু অঞ্চলত কোনো আন্তঃগাঁথনি নোহোৱাকৈ বৃহত্তৰ টিহু অঞ্চলৰ প্ৰায় ৪০ জন মান খেলুৱৈয়ে বিভিন্ন শিতানত ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠাটো টিহু অঞ্চলৰ বাবে আনন্দৰ কথা। সেই সকল খেলুৱৈ হ'ল— ভলীবল- গুৰুপ্ৰসাদ ঠাকুৰীয়া, ৰতন মেধি, নাউধন মজুমদাৰ, বিশ্ব লহকৰ, কুলেন মজুমদাৰ, কল্পনা মজুমদাৰ ঠাকুৰীয়া, মঞ্জু ভূঞা, মন্টু কলিতা, গিৰিশ তালুকদাৰ, ৰঞ্জিত বড়ো, অনিল লহকৰ, ফুলেন কলিতা, নয়ন শৰ্মা, মানস হালৈ। ফুটবল- কণক বড়ো, লোহিত কলিতা, ডিম্বেশ্বৰ চৌধুৰী, ভৱেশ শৰ্মা, ৰীমেন কলিতা, ৰাজেন কুমাৰ শৰ্মা, বিস্মিতা চৌধুৰী। এথলেটিকচ্- বিপিন কলিতা, ডালিমী পাঠক, মনোৰঞ্জন শৰ্মা, প্ৰমোদ ৰাজবংশী। হেণ্ডবল- দীনমণি মেধি, অনামিকা হালৈ। টাইকোৱানডো- মনোজ বড়ো, সঞ্জীৱ ৰামছিয়াৰী, মনোজ বৈশ্য, অপূৰ্ব ডেকা, হিয়া তালুকদাৰ, ৰাজীৱ ৰহমান, বুদ্ধ বড়ো, অংকিত মিশ্ৰ, নিশা ঠাকুৰীয়া। পাৱাৰ লিফটিং- পংকজ কলিতা। অতি আনন্দৰ কথা যে— অংকিত মিশ্ৰ টাইকোৱানডোৰ এজন ৰাষ্ট্ৰীয় ৰেফাৰী। ইয়াৰ উপৰিও মাষ্টাৰ্চ এথলেটিকচ্‌ত চাৰিগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈসকল হ'ল— তৰণী চৌধুৰী, যোগেশ পাঠক, দুলাল কলিতা আৰু জীৱেশ্বৰ পাঠক। অতি গৌৰৱৰ কথা যে প্ৰতিভা দাসে মাষ্টাৰ্চ এথলেটিকচ্ প্ৰতিযোগিতাৰ এগৰাকী ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ হৈ এই অঞ্চললৈ সুনাম কঢ়িয়াই আনিছে।

ইফালে হাৰিভাঙ্গাৰ ক্ৰীড়াক এক গতি প্ৰদান কৰা হাৰিভাঙ্গাৰ কামাখ্যা একাদশ ক্লাৱৰ কিছু কথা উল্লেখ নকৰিলে ভুল কৰা হ'ব। আশী-নব্বৈ দশকত কামাখ্যা একাদশ ক্লাৱৰ দুৰ্দান্ত খেলে হাৰিভাঙ্গাৰ ক্ৰীড়াক এক মাত্ৰা প্ৰদান কৰিছিল। ইয়াত উল্লেখ কৰা ভাল হ'ব যে ১৯৭৪ খ্ৰীষ্টাব্দত বজালী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত টিহু মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা কামাখ্যা একাদশ ক্লাৱৰ খেলুৱৈ কালীচৰণ হালৈ, গোবিন্দ হালৈ আৰু গণেশ হালৈয়ে দৰ্শকক তেওঁলোকৰ খেলেৰে আপ্লুত কৰিছিল। আনহাতে অৰূপ কুমাৰ হালৈ এজন সুদক্ষ খেলুৱৈ হোৱাৰ উপৰিও এজন প্ৰথম শ্ৰেণীৰ ফুটবল ৰেফাৰী। আকৌ হাৰিভাঙ্গাৰ সন্তান প্ৰতুল চন্দ্ৰ হালৈ এজন ভলীবলৰ ৰাষ্ট্ৰীয় খেলুৱৈ।

অতি আনন্দৰ কথা যে নলবাৰী ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত টিহু ক্ৰীড়া সন্থা, মাখিবাহা ক্ৰীড়া সংঘ আৰু হাৰিভাঙ্গা কামাখ্যা একাদশ ক্লাৱ লগতে টিহু টাইকোৱানডো ক্লাৱে টিহু অঞ্চলৰ ক্ৰীড়াক এক গতি দিয়াৰ চেষ্টা কৰি আহিছে। এইখিনিতে আমি টিহু অঞ্চলৰ কেইজনমান ৰেফাৰীৰ নাম উল্লেখ কৰাৰ অতি প্ৰয়োজন বুলি ভাবোঁ। সেইসকল হ'ল— নগেন্দ্ৰ নাথ হালৈ, ভূপেন চৌধুৰী, লোহিত কলিতা, দণ্ডী কলিতা, দীপক ৰাজবংশী, সমীৰণ শৰ্মা, চম্পক মিশ্ৰ আৰু অনুপ হালৈ (ফুটবল), গিৰিশ তালুকদাৰ আৰু হিমাদ্ৰী শৰ্মা (ভলীবল)। আকৌ ১৯৮৭ খ্ৰীষ্টাব্দত টিহুত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত টিহু মহাবিদ্যালয়ে বিজিতৰ সন্মান লাভ কৰি এই অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছিল। সেই সকল খেলুৱৈ হ'ল— নাউধন মজুমদাৰ (পেলে), কণক বড়ো, ডিম্বেশ্বৰ চৌধুৰী, বিভূতি ডেকা, দীপক ভট্ট, পবিন দত্ত, গোবিন্দ কলিতা, জালাল আলি, ৰাজেন শৰ্মা, হিতেশ বৰ্মন, মহেশ শৰ্মা, খগেন বসুমতাৰী আৰু কমলেশ্বৰ ৰামছিয়াৰী।

ক্ৰীড়াৰ আন্তঃগাঁথনি, ক্ৰীড়া বিকাশৰ মূল আধাৰ। কিন্তু অতি দুখৰ বিষয় যে টিহুক কেন্দ্ৰ কৰি বৃহত্তৰ অঞ্চলৰ খেলুৱৈসকলে বহুত দিনৰ পৰা এখন পূৰ্ণাংগ ষ্টেডিয়ামৰ অভাৱ অনুভৱ কৰি আহিছে। গতিকে এই অঞ্চলত এখন পূৰ্ণাংগ ষ্টেডিয়াম নিৰ্মাণৰ ব্যৱস্থা কৰি টিহু অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ, লগতে এই অঞ্চলৰ উঠি অহা খেলুৱৈসকলক এক সুবিধা দিয়াৰ বাবে আমি চৰকাৰক টানি অনুৰোধ কৰিলোঁ।

মুঠতে ক্ৰীড়াই ব্যক্তিৰ সৰ্বাত্মক দিশত গুৰুত্ব দি ব্যক্তিৰ অকল মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশেই সাধন নকৰে ই ব্যক্তিৰ সামাজিক ঐক্য, সংহতি গঢ়ি জাতীয়তাবোধ, ভাতৃত্ববোধৰ লগতে ন্যায় আৰু নেতৃত্ববোধক জন্ম দি নিয়মানুবৰ্তিতা আৰু সামাজিক দায়িত্ববোধ জগাই তোলাত মুখ্য ভূমিকা লয়।

আহক আমি সকলোৱে ক্ৰীড়াৰ মাজেদি বিশ্ব ক্ৰীড়াৰ জগতত ভাৰতক তথা অসমক উজলাই তোলাত মনোনিৱেশ কৰোঁ।❑❑

"The playing of game is better than the reading of the Gita." -Swami Vivekananda

**(লেখক এগৰাকী ক্ৰীড়া পেন্সনাৰ আৰু আসাম ট্ৰিবিউন কাকতৰ স্থানীয় সংবাদদাতা)**, ফোন নং- ৯৭০৬৫৬৩৯৪৬

# দেৱগুৰু শ্ৰীশ্ৰীহৰিদেৱৰ চৰণপদ্মৰ সান্নিধ্যত

বিচিত্ৰ শৰ্মা

"আ নো ভদ্ৰাঃ ক্ৰতৱো যন্তুবিশ্বতঃ।"
"Let noble thoughts come from all good sides"

সকলো ফালৰপৰা মহান সত্য আৰু আদৰ্শসমূহ আমাৰ মনোজগতত প্ৰৱেশ লাভ কৰক।

এই বিশ্বজগতত চাৰিশ্ৰেণীৰ জীৱ আছে আৰু এই চাৰি শ্ৰেণীৰ জীৱৰ ভিতৰত ভ্ৰমণ জীৱেই হ'ল অতি শ্ৰেষ্ঠ। আকৌ এই চাৰি শ্ৰেণীৰ জীৱৰ ভিতৰত মানৱগণেই অতি শ্ৰেষ্ঠ। মানৱগণ ভ্ৰমণ জীৱৰ ভিতৰত পৰে।

আমাৰ অসম মুলুকত প্ৰধান আৰু মুখ্যভাৱে চাৰিজনা গুৰু আছে। এই গুৰুসকলৰ ভিতৰত শ্ৰীশ্ৰীশঙ্কৰ গুৰু, শ্ৰীশ্ৰীমাধৱ গুৰু, শ্ৰীশ্ৰীদেৱদামোদৰ গুৰু আৰু শ্ৰীশ্ৰীহৰিদেৱ গুৰু। শঙ্কৰদেৱে ১৪৪৯ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰে আনহাতে শ্ৰীহৰিদেৱ গুৰুৱে ১৪২৬ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰে। গতিকে দেখা যায় গুৰুসকলৰ ভিতৰত আটাইতকৈ বয়সত হৰি গুৰুৱেই জ্যেষ্ঠ। হৰিদেৱ গুৰুৰ পাণ্ডিত্য কোনো কম নহয়। কথিত আছে যে গুৰু শঙ্কৰে হৰিদেৱৰ ওচৰত বিশাল ভাগৱতৰ কিছুমান কথা অধ্যয়ন আৰু ব্যাখ্যা তথা টিকা-টিপ্পনি প্ৰায়ে আওঁৰাইছিল। সকলোবোৰ গুৰুৰ মেধাশক্তি অতি উচ্চ ক্ষমতা সম্পন্ন। গুৰু শব্দৰ ব্যুৎপত্তিগত অৰ্থ হ'ল— "গু" মানে আৱৰ্জনা-মলিয়ন-লেতেৰা; আনহাতে "ৰু" শব্দৰ অৰ্থ হ'ল নাশ কৰা, নোহোৱা কৰা, গতিকে দেখা যায়— গুৰু সকলে সৎ পবিত্ৰতাৰে সমাজত সৰ্বত্ৰতে শুদ্ধিকৰণ কাৰ্য পৰিব্যাপ্ত কৰে। গুৰুসকলৰ বাণীয়েই হ'ল মহান-আদৰ্শনীয় আৰু পালনীয়। বৰ্তমান দিনত গুৰুসকলৰ কথা বন্দনেই সমগ্ৰ পৃথিৱীত ৰক্ষাৰ তৰী। বিশ্ব বিশ্ৰুত ড° ভূপেন হাজৰিকা দেৱেও কৈ গৈছে— "গুৰু লাগে, মোক শিক্ষিত গুৰু, গতিকে শিক্ষিত গুৰুৰহে প্ৰয়োজন।"

আমাৰ নিবন্ধৰ মূল উদ্দেশ্য হ'ল শ্ৰীশ্ৰীহৰিদেৱ গুৰুৰ কিঞ্চিত ভাৱে হ'লেও শ্ৰদ্ধাৰে জীৱনালেখ্য স্মৰণ কৰা। এসময়ত শ্ৰীহৰিদেৱ গুৰুৱে বৰ অভাৱ, আৰ্থিক অনাটনত ভুগিব লগা হৈছিল। তেওঁ সকলো অভাৱ মূৰপাতি গ্ৰহণ কৰি লৈছিল। এনে সময়তে গুৰুদেৱে বহুলোকক আৰ্থিক সহায্য আৰু খোৱা লোৱাৰ বিধি ব্যৱস্থা কৰাই দিছিল। ধন্য হৰিগুৰু, ধন্য দেশৰ প্ৰজা সাধাৰণ; গুৰু সকলৰ বাচ-বিচাৰ নাই। সকল তেৰা সৱৰ দৃষ্টিত এক সমান। প্ৰত্যেকজন গুৰুৱে অৰ্থ চিন্তা ধাৰাত সৰ্বত্ৰতে সচেতন হৈছিল। আধ্যাত্মিক চিন্তা ধাৰাত গুৰু সকল যিমান সতৰ্ক আছিল, কোনোগুণে তেৰাসৱ দেশৰ ৰাইজৰ প্ৰতিও যাতে খোৱা লোৱাৰ প্ৰতি সাৱধান হ'ব পাৰে তাৰ নিমিত্তে তেওঁলোকে নিজৰ ধৈৰ্য্যৰ বান্ধ ঢিলাই দিয়া নাছিল। এবাৰ নদীৰ খহনীয়া অৱস্থাত দেশৰ প্ৰজা সাধাৰণৰ লগত শ্ৰদ্ধেয় অসমৰ মন্ত্ৰী বহু কেইজনে নদীৰ খহনীয়া ৰক্ষাৰ্থে আৰ্থিক সহায়ৰ লগত নাম-প্ৰসঙ্গৰ অভূতপূৰ্ব ধ্যান-ধাৰণা শ্ৰদ্ধা ভক্তিৰ কেৱাদিনীয়া প্ৰাৰ্থনা কীৰ্ত্তনেৰে খহনীয়াৰ লগত ৰাইজক আতঙ্কৰ পৰা অতিকম সময়ৰ ভিতৰত বিপদৰ পৰা ৰক্ষা পাইছিল। হৰিদেৱ গুৰুৰ চিন্তা-চৰ্চা বৰ আদৰ্শনীয় আৰু উচ্চ আছিল। বহৰি-মানেৰী আদিৰ লোকে সৰ্বত্ৰতে চিন্তা চৰ্চাৰে ঈশ্বৰক স্তুতি প্ৰাৰ্থনাৰে দেশ যাতে সুচিন্তিত ভাৱে জ্ঞানৰ মৰ্য্যাদা জড়-চৈতন্য, সৰ্বত্ৰতে নিনাদিত হৈ উঠে তাৰ চেষ্টা কৰিছিল।

এয়া শ্ৰীশ্ৰীহৰিদেৱ গুৰু, তেৰাই একমাত্ৰ চাৰিজনা গুৰুৰ মুখ্য এজন, যিজনে মহিলাক ১৫৬৬ খৃষ্টাব্দত সত্ৰাধিকাৰ আসনত বহুৱাই থৈ গৈছিল। হৰিদেৱ গুৰুৱে তেওঁৰ নিজ কন্যা ভূৱনেশ্বৰী আইক সত্ৰৰ মৰ্য্যাদা দি মহিলাৰ সন্মান ৰক্ষাত বিশেষ গুৰুত্ব দিছিল; তেওঁৰ বাহিৰে বাকী কোনো গুৰুৰ আমি নাম নেপাওঁ। সত্ৰ-সংহতিৰ জ্ঞান-গৰিমা সৰ্বত্ৰতে জয় জয়, ময় ময় হৈ উঠিছিল; নামকীৰ্ত্তনৰ খলকনিয়ে মহিলা সকলৰ সম্ভাৱনা বঢ়াই তুলিছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটোৱে হ'ল আই ভূৱনেশ্বৰীয়ে মহিলা সকলৰ মাজত শিক্ষাৰ ব্যাপকতা যথেষ্ট ভাৱে বৃদ্ধি কৰাইছিল। শিক্ষা মানুহৰ জীৱনজোৰা প্ৰক্ৰিয়া, এই শিক্ষাত মহিলাসকলক যিমানখিনি পাৰে সিমানেই আগুৱাই দিয়া উচিত। উচিত শিক্ষাৰে মহিলাসকল শিক্ষিত হ'লে হে নিজৰ ঘৰখনিৰ উপৰিও চুবুৰি তথা প্ৰতিৱেশীৰ ঘৰ-পৰিয়ালবোৰো অতি সু-চিন্তিত ভাৱে আগবাঢ়ি যাব। কোনেও কাকো হীন দৃষ্টিৰে চোৱাটো উচিত নহয়। সদায় মনতে ভাবিব লাগে "বসুধৈৱ কুটুম্বকম্।" সমগ্ৰ পৃথিৱীখন আমাৰ সকলোৰে কুটুম্বস্বৰূপ। বহুজন হিতায়, বহুজন সুখায়, এৱেই আছিল গুৰু সকলৰ মূল মন্ত্ৰ। এটা কথা মনকৰিব পাৰি হৰিদেৱ গুৰুৰ আধ্যাত্মিক আদৰ্শতি উদ্বুদ্ধ হৈ দেশ-ৰাজ্যত অপায়-অমঙ্গল আৰু চোৰ-ডকাইত নাছিল। সকলোৱে শিক্ষাৰ প্ৰতিহে ধাৱমান হৈছিল। "য়া বিদ্যা য়া বিমুক্ত য়ে" বিদ্যা শিক্ষাই মানুহক মুক্তি দান দিব পাৰে। গুৰুসকলৰ কথাই আপ্ত বাক্য। অধিক ভাগ গুৰুৱেই স্থিত প্ৰজ্ঞ। তেওঁলোকৰ কথা— কাম আপ্ত বাক্যৰ দৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ পৰিৱেশ্য কলাৰ গুৰু, সেই মতে শ্ৰীশ্ৰীহৰিদেৱ গুৰুও পৰিৱেশ্য কলাৰ প্ৰধান পৃষ্ঠপোষক। গীত-মাত-নাট, কীৰ্ত্তন আদিকে ধৰি খোল-তাল-মৃদঙ্গ-ভোৰতাল-বাঁহী আদিৰে জগতত সমন্বয় আৰু মনলয়ৰ সৃষ্টি কৰিছিল। এক কথাত ক'বলৈ গ'লে ভক্তিৰেহে জগত জিনিব পাৰি।

আজিৰ এই মুহূৰ্তত দেশ-ৰাষ্ট্ৰৰ প্ৰধান মন্ত্ৰীজনাই সমূহ ৰাজ্যবোৰক একতাৰ ডোলেৰে বান্ধি ৰাখিছে, খোৱা-পিন্ধাৰ ব্যৱস্থা, উচিত ৰূপত ব্যৱহাৰ হৈছেনে নাই তাৰো হিচাপ আঙুলিৰ মূৰত ৰাখিছে। ধন্য ভাৰত ৰাষ্ট্ৰ, ধন্য প্ৰধান মন্ত্ৰী মহাশয়, ধন্য ধন্য ভক্ত মৰমৰ প্ৰজাবৰ্গ।

সৰ্বে ভৱন্তু সুখিনঃ, সৰ্বে সন্তু নিৰাময়া, সৰ্বে ভদ্ৰানি পশ্যন্তু মা কাশ্চিৎ দুখ ভাগ ভৱেৎ।

।। ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ ।।

❑❑

**(লেখক প্ৰাক্তন সভাপতি শতদল শাখা বঙাইগাঁও সাহিত্য সভা, অসম)**

ফোন নং- ৮৪৭৩৮৬১২২৯

# শ্ৰীশ্ৰী হৰিদেৱ গুৰুৰ দিহা নাম

—মধুমতী ডেকা

দিহা— পিতা অজনাভ দ্বিজ পাৰিজাতী আই।
হৰিদেৱক পুত্ৰ পাইলা ক'ত তপ খাই।।
পদ— ভাদ মাহৰ শুক্ল পক্ষ পঞ্চমী তিথিত।
গুৰুদেৱে জনমিলা নাৰায়ণপুৰত।।
পঞ্চ বয়সতে গোপালক সখা পাইলা।
মহানন্দে সখা কৃষ্ণক প্ৰসাদ ভুঞ্জাইলা।।
পিতৃ স্বৰ্গগামী ভৈলা আই সতী গৈলা।
তোপলীয়া ভাত ৰোধী ৰাজৰোষে পৰিলা।।
জ্ঞানী গোবিন্দৰ সংঙ্গে সুভদ্ৰা ভগিনী।
ভেলে চৰি অশ্বক্লান্তে চলিলন্ত তিনি।।
অশ্বক্লান্তত জনাৰ্দনে গুৰুক দীক্ষা দিলা।
জনাৰ্দনক সেৱি প্ৰভুই মাধৱক গৈলা।।
সভক্তিৰে মাধৱক প্ৰণাম কৰিলা।
মাধৱৰ মালা গুৰুৰ শিৰত পৰিলা।।
দিহা— আমাৰ হৰিগুৰু গৈ গৈ গৈ।
ধৰ্ম প্ৰচাৰিলা বৈ বৈ বৈ।।
ভকতক লগত লৈ লৈ লৈ।
সত্ৰক পাতিলা বহৰিত গৈ।।
পদ— কেদাৰত বটুক পাঠ গুৰুৱে পঢ়িলা।
মহাদেৱে গুৰুৰ হাতে পকা বেল দিলা।।
মনে ভাৱে গুৰুদেৱে জগন্নাথে যাব।
পিতৃ-মাতৃক পিণ্ড দি অস্থি বিসৰ্জিব।।
গুৰুদেৱৰ ভক্তিত জগন্নাথ তুষ্ট ভৈলা।
নাৱিক স্বৰূপে আহি সহায় কৰিলা।।
সুভদ্ৰাই জগন্নাথক পতি ৰূপে লৈলা।
গুৰুদেৱে গয়া কাশী বৃন্দাবনে গৈলা।।
হৰিদ্বাৰ ঋষিকেশ বদৰিকাশ্ৰম।
কাশীত বেদ দৰ্শন পঢ়ি বেদাচাৰ্য নাম।।
ভাগৱত পঢ়ে গুৰুই জগন্নাথ মন্দিৰে।
ভাগৱতাচাৰ্য উপাধি, দান কৰে।।
ৰামপাল হৰিপাল পুৰুষোত্তম ভাই।
গুৰুদেৱৰ সঙ্গে সবে দন্তপুৰে যাই।।
দিহা— সত্ৰ পাতে গুৰুদেৱে "বহৰি গ্ৰামতে"।
মানেৰীত সত্ৰ পাতি পঢ়ে ভাগৱতে।।
দিহা— গুৰুদেৱ দিয়া উপদেশ কি মতে সংসাৰ তৰো হে।
পদ— ভাগ্যৱতী তিলোত্তমা গুৰুদেৱৰ জয়া।
ভুৱনেশ্বৰী বনমালা গুৰুৰ তনয়া।।
বিষ খাই গুৰুদেৱে পূৰ্ব মতে ৰৈলা।
চাৰিজন পণ্ডিত দ্বিজক আচাৰ্য পাতিলা।।
যদুমণি মাহাৰাত সত্ৰক পাতিলা।
হৰিচৰণে জাগ্ৰাত আশ্ৰম স্থাপিলা।।
নাৰায়ণক বোলে তুমি শুভাক চলাহা।
সংসঙ্গী সত্ৰ পাতি ধৰ্ম প্ৰচাৰাহা।।
গোপীনাথে বনমালাক বিবাহ কৰাইলা।
ধৰ্মপুত্ৰ হৈ গুৰুৰ আদেশ পালিলা।।
গোপীনাথে বনিয়াকুছিত সত্ৰক পাতিলা।
পদ— দন্তপুৰে গুৰুদেৱে সত্ৰক পাতিলা।
বহৰি নামে সৎ সংঙ্গী সত্ৰ ভৈলা।।
ভাগৱত পাঠ কৰে তত্ব ব্যাখ্যা কৰে।
ভকতৰ সঙ্গে তিনি প্ৰসঙ্গ কৰে।।
ধনুকাটাই কণা বুলি গুৰুক গালি দিলা।
নিজে কণা হৈ পাছে গুৰুৰ কৃপা লৈলা।।
হিংস্ৰ মহিষ ব্যাঘ্ৰক গুৰুই মালা দিলা।
গুৰুক প্ৰণামী দুয়ো বনক চলিলা।।
বৈদিক ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰিলা।
নৱ বিধা ভক্তি জ্ঞানে জীৱক তাৰিলা।।
ভক্তিৰস তৰঙ্গিণী শৰণ সিদ্ধান্ত।
নিজ হাতে গুৰুদেৱে লিখিয়া থৈলন্ত।।
গুৰুমালা শিৰে লৈ জগন্নাথ ভৈলা।।
দিহা— জেঠ মাহৰ অমাৱস্যা সাত কুৰি বয়সে।
গুৰুবাৰে মানেৰীত যায় বৈকুণ্ঠকে।।
পদ— মানেৰী সত্ৰত পাছে শিষ্য সমন্বিতে।
ভুৱনেশ্বৰী আইক সত্ৰাধিকাৰিণী পাতে।।
সন্ন্যাসীৰ কবচ গুৰুৰ অন্তৰ্ধান ভৈলা।
গীতা পাঠ পঢ়ি গুৰুই বৈকুণ্ঠে চলিলা।।
গুৰুৰ মহিমা কোনে বৰ্ণাইতে পাৰে।
সংক্ষেপে কহিলো আমি বাহুল্যৰ ডৰে।।
হেন জানি সৰ্বলোকে এৰি আন কাম।
গুৰুক স্মৰণ কৰি বোলা ৰাম ৰাম।।❑❑

(লেখিকা সৰ্থেবাৰী বাপুজী নগৰ নিবাসী)
ফোন নং- ৭৬৬৩৯৭৪৩৩৭, ৬০০০৮৪৮০০৭

# মানৱতাবাদী মহাপুৰুষ হৰিদেৱ

যতীন গোস্বামী

ভাৰতীয় দৰ্শনত মানৱতাৰ অৰ্থ ইহ জগতৰ জড় আৰু জীৱ সকলোৰে মাজত আত্মাৰ সংযোগ সাধন, অৰ্থাৎ সমভাৱেৰে সকলোৰে প্ৰতি সহানুভূতিশীল হৈ থকা। ন্যায় আৰু বৈশেষিকাই মানৱীয়তাক ধৰ্মৰ লগত সম্পৰ্কিত কৰিছে আৰু ইয়াক ধৰ্মৰ প্ৰধান 'গুণ' বুলি কৈছে। দৰ্শন শাস্ত্ৰৰ মতে মানৱতাবাদে মুক্তিৰ জ্ঞান দান কৰে কাৰণে ই এক অভিজ্ঞতা লব্ধ বিজ্ঞান। ইন্দ্ৰিয়াতীত বিষয়ৰ পটভূমিতে ইয়াৰ ধাৰণা সম্ভৱ হ'ব পাৰে। মানুহৰ প্ৰকৃতিৰ (প্ৰবৃত্তিৰ?) জৰিয়তে মানৱীয়তাৰ কাম সাধিত হয় বুলি প্ৰফেচাৰ হৰিমোহন ভট্টাচাৰ্যই তেখেতৰ 'টাইপ অৱ হিউমেন নেচাৰ' বোলা প্ৰবন্ধত কৈছে। বাস্তৱ জগতখনেই হৈছে ইয়াৰ পটভূমি। এই মানৱতাৰ প্ৰতি লক্ষ্য কৰিয়েই পৃথিৱীৰ মহাপুৰুষসকলে জগতত ধৰ্মৰ মূল বাণী প্ৰচাৰ কৰি গৈছে।

গ্ৰন্থ হিচাপে পৃথিৱীত বেদেই মানৱতা আৰু মানৱতাৰ চেতনাৰ কথা দাঙি ধৰা প্ৰথমখন শাস্ত্ৰ। তাত কোৱা হৈছে।

সং গচ্ছধ্বং সং বদধ্বং সং বো মনাংসি জানতাম্।
দেৱা ভাগং যথা পূৰ্বে সংজনানা উপসতে।।

(পৰমেশ্বৰে কৈছে— তোমালোকে পক্ষপাত নকৰাকৈ যিটো ন্যায় আৰু ধৰ্ম তাকেই গ্ৰহণ কৰা, ইয়াৰ ওলোটাকৈ কতো কোনো প্ৰকাৰৰ দুখ অনুভৱ হ'ব পৰা ধৰণৰ বোলা আচৰণ নকৰিবা) ঋক্‌বেদত আৰু কৈছে—

সমজো মন্ত্ৰঃ সমিতিঃ সমানী সমানং মনঃ হিতমেষাম্।
সমানং মন্ত্ৰমভি মন্ত্ৰয়ে বং সমানেন বো হবিষা জুহোমি।।

(তোমালোকৰ মন্ত্ৰ— অৰ্থাৎ সত্যাসত্যৰ বিচাৰ সমান হওক— যাতে তোমালোকৰ সুখ ক্ৰমাগত বৃদ্ধি হৈ থাকে।)

ঋক্‌বেদৰ শেষৰ মন্ত্ৰটোৱে মানৱতাৰ বিষয়টোক অধিক স্পষ্ট কৰি দাঙি ধৰিছে ঃ

সমানীৰ আকৃতি ঃ সমানা হৃদয়ানি বা।
সমানমস্তু বো মনো যথা বঃ সুহাসতি।।

(সকলোৰে মনোভাৱ, হৃদয় একে সমান প্ৰেমেৰে ভৰা হওক আৰু সকলোৱে সকলোৰে সুখৰ কাৰণ হওক, সকলোবোৰ একমত হোৱা।)

প্ৰাচীন কামৰূপ দেশৰ গৌৰৱময় ঐতিহ্যৰ কথা মহাকাব্য, শিলালিপি আদিয়ে অংকিত কৰি থৈছে। বৈদিক ক্ৰিয়া কৰ্ম আৰু চৰ্চাও প্ৰাগ্‌জ্যোতি কামৰূপত চলি থকা কথা প্ৰাচীন সাহিত্যৰ পৰা জনা যায়। বিষ্ণু পুৰাণ ৰচনাৰ কালতো পূৰ্বদিনলৈ বৈদিক ধৰ্মমত বিস্তৃত কৰা কথা ড° বিশ্বনাথ শাস্ত্ৰীদেৱে তেখেতৰ ৰচনাত বহুলভাৱে বিৱৰণ দি গৈছে। তেনে পটভূমিতে প্ৰাচীন কামৰূপৰ মহাপুৰুষসকলৰ চিন্তা-চৰ্চাৰ কথাৰো সন্ধেদ পাব পৰা যায়। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ বংশ পৰম্পৰাত থকা কথাবোৰে এটা কথা দেখুৱায় যে ৭ম শতিকাৰ প্ৰাগ্‌জ্যোতিষৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ দিনৰে পৰা লানি নিছিগাকৈ চিন্তা-চৰ্চা-বিশেষকৈ ভাৰতীয় ধৰ্মশাস্ত্ৰৰ অধ্যয়ন চলি আছিল। চৰিত পুথিয়ে এই কথা কৈছে। ইয়াৰ পিছতো অৰ্থাৎ হৰিদেৱৰ কালছোৱাতো সমগ্ৰ কামৰূপ ৰাজ্যত ঠায়ে ঠায়ে বেদাধ্যয়ন হৈছিল। এনেকৈ হৰিদেৱৰ জন্মস্থান নাৰায়ণপুৰতো তেনে এখন সমাজ গঢ়ি উঠিছিল। মহাপুৰুষজনাৰ পিতৃ আচাৰ্য অজনাভক নাৰয়ণপুৰৰ পৰা

অশ্বক্লান্তলৈ আহি আদৰি নিয়া কথাটোৱে এই কথাৰ সত্যতা নিৰূপণ কৰে। মহাপুৰুষজনাৰ দাৰ্শনিক যুক্তিবাদত স্পষ্ট হৈ পৰিছে— ঋক্‌বেদাদি বেদ, পুৰাণ, ভাগৱত, স্মৃতিশাস্ত্ৰ আদিত আৰু বৈষ্ণৱ দৰ্শনত অন্তৰ্নিহিত মূল সূত্ৰ মানৱতাবাদৰ কথা তেৰাই কৈছে।

ভেদ ভাৱ নথাকিবে ভক্তৰ ভক্তক মাজে
বিশ্বাসত বিশ্বাস বিলীন।
এক এক কৈয়া আত্মা একস্থানে মিলিবাহা
নাথাকিবে কোনো উচ্চ হীন।
সংসাৰৰ যতমান জড় জীৱন দৃশ্যমান
অনুভৱ ভাৱন স্পৰ্শন।
আকাশ পাতাল স্বৰ্গ সৃষ্টি স্থিতি মান যত
শ্ৰীহৰিসে ইহাৰ কাৰণ।।

শংকাৰাচাৰ্য্যৰ শিষ্য হস্তামনাকাচাৰ্য্যস্থ প্ৰশ্ন এটাৰ উত্তৰ দি কৈছিল ঃ

নাহং মনুষ্য ন চ দেৱযক্ষো
ন ব্ৰহ্মণ্‌ক্ষত্ৰিয় বৈশ্য শূদ্ৰাঃ
ন ব্ৰহ্মচাৰী ন গৃহী বনস্থো
ভিক্ষুৰ্ণ চাহং নিজবোধৰূপঃ

(মই মানুহ বা দেৱতা বা যক্ষ নহয়, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য বা শূদ্ৰও নহয়, মই নিজে বোধৰূপ বা জ্ঞানৰূপ আত্মা।)

শংকৰাচাৰ্যই জীৱ আৰু ব্ৰহ্ম যে অভেদ আৰু জগতময় এই কথা দেখুৱাইছে। প্ৰত্যক্ষ বা পৰোক্ষভাবে অথবা অনুমান কৰি কেনো বিৰোধ প্ৰতিপন্ন কৰিব নোৱাৰি। অদ্বৈত বেদান্তৰ লগত আন কোনো ধৰ্মৰ বিৰোধ নহয়— অকল অদ্বৈত বুদ্ধিতেই সকলো বিৰোধৰ সমাধান হয়। 'ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈব মানবঃ'।

অদ্বৈত সিদ্ধান্তৰ এই মূল মন্ত্ৰই হৈছে বেদান্তৰ আধাৰশিলা। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱে অদ্বৈত সিদ্ধান্তৰ মাজৰ পৰা পাব পৰা মানৱতাবাদ এক চূড়ান্ত সিদ্ধান্ত বুলি নিৰ্ণয় কৰি জড়-জীৱ সকলোতে পৰম ব্ৰহ্ম বিদ্যমান বুলি প্ৰতীয়মান হৈ কৈছে যে আমি সকলো বিষ্ণুৰে অংশ, ইয়াত কোনো ভেদ নাই, বিষ্ণু ভক্তিৰ অৰ্থ হ'ল সকলোকে ভক্তি (বা প্ৰেম) নিবেদন কৰা।

এই সম্পৰ্কত হৰিদেৱে গীতাৰ —

সৰ্বভূতস্থমাত্মানং সৰ্বভূতানি চাত্মনি।
ইক্ষতে যোগযুক্তাত্মা সৰ্বত্ৰ সমদৰ্শনঃ (৬-২৯) আৰু
যো মাং পশ্যতি সৰ্বত্ৰ সৰ্বং চ ময়ি পশ্যতি।
তস্যাহং ন প্ৰণশ্যামি স চ মে ন প্ৰণশ্যতি।। (৬-৩০)

বুলি শ্ৰীকৃষ্ণই কোৱা প্ৰসংগটো ('এজন প্ৰকৃত যোগীয়ে সকলো জীৱতে মোক দেখা পায়) আৰু আত্মৌপম্যেন সৰ্বত্ৰ সমং পশ্যাতি যোহৰ্জুন। সুখং বা য়দি বা দুঃখং স যোগী পৰমো মতঃ।।' (হে অৰ্জুন, যিজন যোগীয়ে সকলোকে— অৰ্থাৎ সকলো প্ৰাণীকে আত্মসম দেখে সেইজনকে পৰম শ্ৰেষ্ঠ যোগী বুলি কোৱা হয়। — গীতা ৬/৩২।) হৰিদেৱে সেই কথাখিনিকে আকৌ স্পষ্টতৰ কৰি কৈছে —

ভক্তেসে নজানে কিবা উচ্চ-নীচ
সমস্তে বিষ্ণু ঈশ।
সমস্ত স্থান একত্ৰে কৰিবা
ভেদাভেদ হৈবে নাশ।।

ভাৰতীয় ধৰ্মীয় ইতিহাস বহু দুৰ্যোগপূৰ্ণ ঘটনাৰ ইতিহাস। বৈদিক ধৰ্মৰ ওপৰত নানা ধৰণৰ দুৰ্বলীকৰণ প্ৰচেষ্টা মন কৰা যায়। বিশেষকৈ মৌৰ্য্যযুগীয় বৈদিক ধৰ্মক দুৰ্বল কৰিবৰ কাৰণে এক ডাঙৰ অভিযান চলিছিল। বৈদিক ধৰ্মই বৌদ্ধ ধৰ্মকে প্ৰধান কৰি বহুবিধ ধৰ্মমতৰ আগত বিপৰ্য্যস্তৰ সন্মুখীন হ'ব লগা হৈছিল, অৱশ্যে পিছত সকলো প্ৰচেষ্টাৰ ওপৰত চেঁচাপানী পৰিল। পিছত আকৌ কুষাণ ৰাজত্ব কালত বিশেষকৈ পৰৱৰ্তী গুপ্ত ৰাজত্ব কালছোৱাই দেখুৱাই গৈছে বৈদিক হিন্দু ধৰ্মৰ পুনৰুত্থানত তেওঁলোকৰ প্ৰচেষ্টা আছিল কিমান শক্তিশালী। গুপ্ত শিলালিপিত খোদিত হোৱা কথা আৰু 'পৰম ভাগৱত' ৰচনা কৰি এই কালছোৱাই নিৰ্দিষ্টভাৱে বৈদিক হিন্দু ধৰ্মৰ তৎকালীন শক্তিশালী ৰূপটোৰ কথাৰ উদাহৰণ দাঙি ধৰিছে।

প্ৰাচীন কামৰূপৰ কথাও তদ্ৰুপ। পঞ্চদশ ষষ্ঠদশ শতিকাতো ইয়াত বৈদিক ধৰ্মৰ ওপৰত আলোচিত যুঁজ এখন চলি থকা মন কৰা যায়। বৌদ্ধ ধৰ্মৰ প্ৰাদুৰ্ভাৱ চলি থকাৰ মাজতো দ্বাদশ শতিকাত অহা আহোমসকলে পিছত হিন্দুধৰ্ম গ্ৰহণ কৰাই কেৱল নহয়, তেওঁলোকে ইয়াক ৰাজধৰ্ম হিচাপে তুলি লোৱা কথাও ইতিহাসে কৈ থৈছে। তান্ত্ৰিক ক্ৰিয়া-কাৰ্য চলি আছিল। পঞ্চাদশ শতিকাৰ প্ৰথমাৰ্ধত শ্ৰীশ্ৰীহৰিদেৱৰ আৱিৰ্ভাৱ নিশ্চয়কৈ এক উল্লেখযোগ্য ঘটনা আছিল। তেৰাৰ

আৱিৰ্ভাৱৰ ক্ষেত্ৰ নাৰায়ণপুৰ বৈদিক ধৰ্মীয় ক্ৰিয়া কৰ্মৰ কেন্দ্ৰ আছিল নে নাই সেই কথা জনাৰ উপায় নাই, কিন্তু ভৌগলিক স্থিতিৰ দিশলৈ চাই মন কৰিলে দেখা যাব যে বৈদিক ধৰ্মই তাত কিছু পৰিমাণে সাত্বিক পৰিৱেশতে আছিল। পিছৰ কালছোৱা মহাপুৰুষ মাধৱদেৱকে ধৰি কেইবাগৰাকী পুৰুষৰ আৱিৰ্ভাৱ হৈ নাৰায়ণপুৰক ঐতিহ্যমণ্ডিত কৰি থৈ গৈছে। নাৰায়ণপুৰ সেই কালৰ সংস্কৃত শিক্ষাৰো কেন্দ্ৰ হৈ পৰা কথাটোও চৰিত পুথিৰ পৰাই অনুমান কৰিব পাৰি। শাক্ত ধৰ্মৰ প্ৰাদুৰ্ভাবো মন কৰা যায় যদিও বৈষ্ণৱ ধৰ্মীয় ক্ৰিয়া-কৰ্মও তাত চলি আছিল। মহাপুৰুষ হৰিদেৱে তেনে এক বৈষ্ণৱ ধৰ্মীয় পৰিৱেশতে ডাঙৰ হৈছিল।

"নিত্য নৈমিত্তিক ধৰ্ম ত্ৰিসন্ধ্যা কৰয়।
উচ্চৈস্বৰে হৰিনাম কীৰ্ত্তন কৰয়।।
বিষ্ণু গুণ নাম মাত্ৰ মনতে জপয়।
মন্দিৰত যথাবিধি মনতে জপয়।।
নিত্য কৰ্ম মন্দিৰত কৰে হোম দান।
তপ জপ যজ্ঞ আছয় যতমান।। (২. চ. পৃ. ৩২)

নাৰায়ণপুৰতেই হৰিদেৱৰ মানৱতাবাদী ক্ৰিয়া কৰ্মই স্বাভাৱিকতে অন্যান্য সকলোকে আচৰিত কৰিছিল। এনেকৈ হৰিদেৱৰ মানৱীয় ব্যৱহাৰে তেওঁক বন্দী কৰি ধৰি আনিবলৈ যোৱা ৰাজদূত ভীমা আৰু হুমাকো আচৰিত কৰি তুলিছিল।

চক্ষু থিৰ ভৈল দেখি ব্যৱহাৰ
অতিথিসৱৰ প্ৰতি।
নাহি সম্প্ৰদায়ে জাতি সৰু বৰ
একে নৰ যেন গতি।।
ইতস্ততঃ হৈয়া আসনে বসিয়া
চৰণত প্ৰণামিলা।
সৌম্য মূৰ্তি দেখি মুগ্ধ নয়ন
যেন কথা পাসৰিলা।।

জীৱ, আত্মা আৰু পৰলৌকিক তত্ত্বৰ অভেদ বিচাৰ, বিশ্লেষণ হৰিদেৱ মহাপুৰুষে বোধকৰো চাইছিল শংকৰাচাৰ্য্যৰ ব্ৰহ্মসূত্ৰত থকা (তদন্তৰ প্ৰতিপত্তৌ ৰহতি সংপৰিষ্কক্তঃ প্ৰশ্ননিৰূপনা ভাম্) কথাৰ পৰা। তেৰাই জীৱ আৰু ব্ৰহ্মৰ প্ৰকৃত অৰ্থ বিচাৰি পাইছিল শংকৰাচাৰ্যৰ অদ্বৈতবাদ আৰু ৰামানুজাচাৰ্য্যৰ বিশিষ্টদ্বৈতবাদৰ পৰা। হৰিদেৱৰ দৰ্শনত স্পষ্ট যে তেৰাই ৰামানুজাচাৰ্যৰ বিশিষ্টদ্বৈতবাদী দৰ্শনতহে প্ৰধান্য দিছিল। তেৰাৰ ৰচনাই এক কথা স্পষ্ট কৰি দিয়ে যে অন্তঃকৰণৰ পৰাই চৈতন্য অৱিচ্ছেদ্য হৈ থাকে কাৰণে সকলো জীৱ একে— তাত প্ৰভেদ নাই, ব্ৰহ্ম জীৱতে অভিন্ন আৰু জীৱৰ কোনো ভেদাভেদ নাই, মনুষ্যৰ জীৱনো একেঃ

'এক আত্মা বুজিবাহা পৰমাত্মা জানিবাহা
তৈতে পাইবা জীৱক স্বৰূপ।'

বৈদিক ধৰ্মৰ মূল তত্ত্বৰ এই কথাখিনিয়ে বৃহৎ মানৱ সমাজৰ একত্বৰ কথা সুচাইছে। মানৱীয় সৃষ্টিৰ প্ৰকাৰ দুটা বুলি দৰ্শন শাস্ত্ৰই কৈছে। তাৰে এটাত আছে প্ৰতিজন মানুহৰ নিজস্ব মানৱীয় সত্তাৰ দৰ্শন আৰু আনটোত আছে বিশ্বজনীন সত্তা— য'ত সাৰ্বজনীন জীৱনক এটা জীৱ হিচাপে গণ্য কৰা হয়। বৈদিক ধৰ্মীয় বিচাৰে দ্বিতীয় বিধকহে-সবাৰো ওপৰত স্থান দিছে। প্ৰাচীন ভাৰতীয় চিন্তাবিদসকলে সীমাহীন মানৱ সমাজ তথা জীৱজগতক একমাত্ৰ অভিজ্ঞতালব্ধ ভিত্তিত বিচাৰ কৰিছিল। ভাৰতীয় ধাৰণাত বিশ্বজনীনতা বিষয়টো আকস্মিক নহয়। সেই অনুসৰি বিশ্বব্ৰহ্মাণ্ডৰ সকলোবোৰ পৰমেশ্বৰৰ লগত সম্পৰ্কিত। কেৱল মায়াইহে প্ৰভেদবোৰৰ সূচনা কৰে। বিশ্ব-ভাৱনাত আত্মাৰ একত্বক বহুত্বৰ ৰূপেৰে গণ্য কৰি চালেও বহুত্বৰ সমষ্টিৰ মাজতে আছে একত্ব। গীতাত কৈছে ঃ

সুহৃদন্মিত্ৰাৰ্য্যুদাসীনমধ্যস্থদ্বেষ্যবন্ধুষু।
সাধুস্বপি চ পাপেষু সমবুদ্ধি বিশিষ্যতে।।
(গীতা ৬/৯)

(যিজন স্বভাৱতে শুভাকাংক্ষী, শত্ৰু, মিত্ৰ, উদাসীন, সাধু-অসাধু, পাপী আদি সকলোবোৰৰ প্ৰতি যাৰ মনোভাৱ একে ধৰণৰ তেওঁহে শ্ৰেষ্ঠ মানৱ) মহাপুৰুষ হৰিদেৱে কৈছে ঃ

ইহলোক তাসম্বাৰ সফল জীৱন।
অচ্যুতক সদা যিটো কৰয় স্তৱন।।
(শঃ সিঃ ৮ম স্তৱক।)

ব্যক্তিগত জীৱনতো মহাপুৰুষগৰাকীয়ে বহুকেইটা মানৱতাবাদী কৰ্মেৰে কল্যাণ সাধন কৰি বিপদগ্ৰস্তক উদ্ধাৰ কৰা কথা চৰিত পুথিত সন্নিৱিষ্ট হৈ আছে। সেই কাৰণেই মহাপুৰুষ হৰিদেৱ পৃথিৱীৰ মানৱতাবাদীসকলৰ মাজত মহান এগৰাকী, চিৰকালে উচ্চাসন লাভ কৰি থাকিব।❑❑

**(চৰৈৱতি গ্ৰন্থত প্ৰকাশিত)**

# সমাজ সংস্কাৰক মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ

শিৱনাথ শৰ্মা

গুৰু ৰ্ব্ৰহ্মা গুৰু ৰ্বিষ্ণুঃ
গুৰু ৰ্দেৱো মহেশ্বৰঃ।
গুৰুঃ সাক্ষাৎ পৰম ব্ৰহ্মঃ
তস্মৈ শ্ৰীগুৰৱে নমঃ।।

ধৰ্ম আৰু সংস্কৃতিৰ ওতঃপ্ৰোত সম্বন্ধ। ধৰ্মৰ নিৰূপণ কৰে তাৰ সংস্কৃতিয়ে। প্ৰকৃতাৰ্থত ধৰ্মই হ'ল সমাজৰ মেৰুদণ্ড। ধৰ্ম অবিহনে সমাজত শান্তি-শৃংখলা অটুত নাথাকে। সামাজিক, ৰীতি-নীতি, সদাচাৰ, আধ্যাত্মিক চিন্তন আদিৰ উৎকৰ্ষ সাধন হ'লেহে সভ্যতা-সংস্কৃতি উচ্চ স্তৰত উপনীত হয়। সেয়েহে সমাজ, ধৰ্ম, সংস্কৃতি পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। সংস্কৃতিয়ে মানৱ সভ্যতাৰ সকলো দিশকে সামৰি লয়। আনহাতে পৰিৱৰ্তনশীল সমাজখনৰ বিভিন্ন স্তৰত সৃষ্টি হোৱা সভ্যতা-সংস্কৃতিৰ মূল্যাংকন কৰে ইতিহাসে। প্ৰাচীন কামৰূপ তথা অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ ধৰ্মাচাৰ্যসকলে ভক্তি ধৰ্মৰ মাধ্যমেৰে যি সমাজ-সংস্কৃতি প্ৰতিষ্ঠা কৰিছিল সেই সমাজ-সংস্কৃতি বৰ্তমানেও সুদৃঢ় হৈ আছে।

ভক্তি-আন্দোলন এটি সংস্কাৰবাদী আন্দোলন। কু-সংস্কাৰেৰে কলুষিত সমাজ এখনত ধৰ্মৰ নামত ব্যভিচাৰ হোৱা অস্বাভাৱিক নহয়। এনে এখন সমাজ নিকা কৰিবলৈ হ'লে ব্যক্তিৰ নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন নিতান্তই প্ৰয়োজন। ৰীতি-নীতি, সৎ চিন্তা, আদিৰ বিকাশ ঘটিলেহে আধ্যাত্মিক চিন্তাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি হোৱা সম্ভৱ। অহিংসা, সহিষ্ণুতা, প্ৰেম আদি সজ আচৰণবোৰেই হ'ল নৈতিক চৰিত্ৰ গঠনৰ মূল উপাদান আৰু ইয়াৰ অবিহনে ধৰ্মৰ গ্লানি হয়। সেয়েহে যিবোৰ আচাৰ বিধি সামাজিক অৰ্থত প্ৰতিকূল বুলি পৰিগণিত সেইবোৰেই অধৰ্ম বুলি সমাজত প্ৰচাৰিত হৈ আহিছে।

মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰুৰ জীৱন দৰ্শন পৰ্যালোচনা কৰিলে পাওঁ তেখেতে ব্যৱহাৰিক ধৰ্ম আৰু মোক্ষ দুয়োটাকে সমানে প্ৰাধান্য দিছিল। গুৰুজনাৰ বিশাল, সুদূৰ প্ৰসাৰী চিন্তাধাৰাই সনাতন ভাগৱতী ধৰ্মৰ সকলো দিশকে সামৰি লৈ বিপথগামী সমাজখনৰ উদ্ধাৰৰ হেতু প্ৰচেষ্টা চলাইছিল। তেখেতৰ উপদেশ বাণীত নিহিত আছিল ভাগৱতী ধৰ্মৰ প্ৰকৃত সাৰ মৰ্ম আৰু জনগণৰ কল্যাণকামী শিক্ষা আচৰণ। হৰি গুৰুৰ জীৱন দৰ্শনত প্ৰস্ফুটিত হয় দুটি মহান আদৰ্শ। ধৰ্ম আৰু সমাজ ৰক্ষা। প্ৰকৃততে গুৰুজনা জনগণৰ পথ প্ৰদৰ্শক আছিল।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ভক্তি ধৰ্মৰ আচাৰ্যসকলে সৎসঙ্গৰ প্ৰয়োজনীয়তাৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল। গুৰু নানকে শিখ ধৰ্মত সৎ সঙ্গৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে। অসমৰ বৈষ্ণৱ গুৰু সকলেও সত্ৰ স্থাপনৰ ক্ষেত্ৰত সৎ সঙ্গৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। সৎ ব্যক্তিৰ সমষ্টিয়ে হ'ল সৎসঙ্গ। যি ব্যক্তিয়ে সদাচাৰ, সজ-চিন্তা আদিৰ দ্বাৰা মানসিক প্ৰকৃতিৰ সংকীৰ্ণতা আঁতৰ কৰি আধ্যাত্মিক চিন্তাত মনোনিৱেশ কৰে, তেওঁৱে সৎ ব্যক্তি। মহাপুৰুষ হৰিদেৱে তেখেতৰ অনুগামীসকলক দঢ়াই দঢ়াই সৎসঙ্গী সত্ৰ স্থাপনৰ বাবে উপদেশ দিছিল।

বাল্যকালৰ পৰাই সমাজত প্ৰচলিত অন্ধবিশ্বাস, তান্ত্ৰিকতা, বৌদ্ধ ধৰ্মৰ প্ৰাদুৰ্ভাৱ আদি দেখি তেখেত চিন্তিত হৈছিল। এইবোৰৰ প্ৰতিকাৰৰ অৰ্থে ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থান

দৰ্শন কৰাৰ লগতে বহু শাস্ত্ৰজ্ঞ পণ্ডিতৰ সান্নিধ্যলৈ অহাৰ লগতে কেবাবছৰ ধৰি বেদ, দৰ্শন, পুৰাণ আদি শাস্ত্ৰ অধ্যয়ন কৰি ব্যুৎপত্তি লাভ কৰিছিল। তেখেতৰ চিন্তাধাৰা তথা প্ৰচাৰিত ভক্তি মাৰ্গ সৰ্বভাৰতীয় ভিত্তিত প্ৰতিষ্ঠিত আৰু ভাৰতীয় সংস্কৃতিৰ অংশ বিশেষ।

শ্ৰীশ্ৰীহৰিদেৱৰ প্ৰচাৰিত ধৰ্মৰ আন এটি উল্লেখনীয় দিশ হ'ল জাত কুলৰ ক্ষেত্ৰত তেখেতৰ প্ৰগতিশীল মনোভাৱ। এগৰাকী নৈষ্ঠিক পণ্ডিত হৈওঁ ৰক্ষণশীল সমাজৰ ৰীতি-নীতিৰ পৰা আঁতৰি গৈ জাতি-বৰ্ণ- নিৰ্বিশেষে সকলোকে মিলিজুলি থাকিবলৈ উপদেশ দিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ অগ্ৰণী বৈষ্ণৱ সন্ত-মহন্তসকলেও জাতিভেদৰ নামত প্ৰচলিত অস্পৃশ্যতাৰ তীব্ৰ নিন্দা কৰিছিল। খ্যাতনামা কামৰূপী স্মৃতি নিবন্ধকাৰ শ্ৰীধৰ ভট্টই ১৪শ শতিকাত হৰিনামৰ মাহাত্ম্য বৰ্ণনা প্ৰসংগত অস্পৃশ্যতাৰ বিৰোধিতা কৰিছে।

ক্ষমা, দয়া, সহিষ্ণুতা আদি সদ্‌গুণেৰে বিভূষিত হৰিদেৱ দস্যু আৰু অন্য প্ৰকৃতিৰ লোককো সংস্কাৰিত কৰি চৰণত স্থান দিছিল।

১৩৭৫ শকতেই বহৰি সত্ৰ স্থাপন কৰিছিল। প্ৰথম সত্ৰ হিচাপে আটাইতকৈ ডাঙৰ সত্ৰ এইখনেই আছিল। কিছু বছৰ পিছত গুৰুজনাই বহৰিৰ পৰা অলপ আঁতৰত ব্ৰহ্মপুত্ৰৰ পাৰত এখন নিৰ্জন ঠাই গুৰুদেৱাশ্ৰম নামেৰে আশ্ৰম পাতি থাকিবলৈ লৈছিল। পাটবাউসী আৰু গুৰুদেৱাশ্ৰমৰ দূৰত্ব ১৬ কিঃমিঃ হোৱা বাবে শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীদামোদৰ দেৱ তেওঁলোক দুয়োজনা গুৰুৱে শ্ৰীহৰিদেৱৰ সংস্পৰ্শলৈ আহিছিল আৰু হৰি গুৰুৰ আশ্ৰমলৈ গৈ তাত ভাগৱত পাঠ আৰু নাম-কীৰ্ত্তন কৰি সাত দিন কটায় আৰু শ্ৰীহৰিদেৱক মান ধৰে। তেতিয়াৰ পৰা সেই আশ্ৰম মানেৰী সত্ৰ নামে জনাজাত।

শ্ৰীশ্ৰীহৰিদেৱ আৰু দামোদৰদেৱে বৈদিক পূজা-অৰ্চনা আৰু বন্দনাৰ ওপৰতো শ্ৰৱণ, কীৰ্ত্তন আৰু স্মৰণৰ আৱশ্যকতা উপলব্ধি কৰি সমানে গুৰুত্ব আৰোপ কৰিছিল। গুৰুদ্বয়ে ভগৱান বিষ্ণু আৰু শ্যামৰায়ৰ মূৰ্ত্তি তেখেতসকলৰ সত্ৰবোৰত প্ৰতিষ্ঠা কৰি পূজা-অৰ্চনা কৰিছিল। বৈদিক যুগত পুৰুষ আৰু নাৰীক সমানে স্থান দিয়া হৈছিল। সেই আদৰ্শৰে অনুপ্ৰাণিত হৈ মহাপুৰুষজনাই ইহলীলা সম্বৰণ কৰাৰ আগে নিজৰ জীয়ৰী ভুৱনেশ্বৰী আইক সত্ৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰি এক মহান আদৰ্শ প্ৰতিষ্ঠা কৰিছিল। যি সময়ত দেশৰ বিভিন্ন প্ৰান্তত নাৰীয়ে সমাজত সমপৰ্যায়ত স্বীকৃতি লাভ কৰা নাছিল তেনে সময়ত মহাপুৰুষ গৰাকীৰ প্ৰগতিশীল চিন্তাধাৰাই তেখেতৰ মহানুভৱতা আৰু দূৰদৰ্শিতাৰ পৰিচয় দিছিল। বৰ্তমান সময়ত নাৰীৰ প্ৰাপ্য মৰ্য্যাদা সম্বন্ধে যথেষ্ট আলোচনা হৈ আছে আৰু তেওঁলোকৰ উন্নতিৰ অৰ্থে আইন-কানুন প্ৰণয়নৰ ব্যৱস্থা কৰিছে।

মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ প্ৰচাৰিত ধৰ্ম আৰু উপদেশ বাণীত নিহিত আছে প্ৰেম, সংহতি আৰু সমন্বয়ৰ বীজ। তেখেতৰ মহানুভৱতা, নৈতিক আদৰ্শ আৰু আধ্যাত্মিক চিন্তাক প্ৰকৃতাৰ্থত মানৱীয় ধৰ্ম হিচাপে আখ্যা দিব পাৰি। এনেহেন মহৎ গুণেৰে বিভূষিত অৱতাৰী পুৰুষ হৰি গুৰু জনগণৰ চিৰ নমস্য।❑❑

**(লেখক বালি গাঁওৰ এজন সমাজকৰ্মী)**

# ভক্তি

—ভানুমতী কাকতি

জয় জয় হৰিদেৱ আমাৰ মহাগুৰু।
কৃপা কৰা হৰিদেৱ চৰণত ধৰো।।
তুমিয়েই হৰি, হৰি বিষ্ণু, তুমি জনাৰ্দ্দন।
ত্ৰিলোক বিজয়ী তুমি "হৰি" কমললোচন।।
বাৰ খটক দমন কৰি হৰি ৰাখিলা ভক্তক।
তুমি যে বিষ্ণুৰূপী নাৰায়ণ নাজানিলে খটে।।
শৰণ লোৱাৰ চলেৰে তোমাক কৰিলে পৰীক্ষা।
বিষাক্ত বিষপাণ কৰিব দি ল'লে তোমাৰ অগ্নিপৰীক্ষা।।
বাৰখটে নাজানিলে তুমিয়েই প্ৰভু হৃষীকেশ।
হৃদয়ত থাকি তুমি দিয়া গুৰুৰ উপদেশ।।
নানা হিংসা কৰিয়া লোকময় অধোপতি।
এই দেশত নাছিল হেনো পূৰ্বতে ভকতি।।
পাৰিজাতিৰ ভৰ্গত বেদাঙ্গ খ্যাতি অজনাভৰ ঔৰষত।
জন্মিলা সাক্ষাৎ নাৰায়ণ হৰিদেৱ ৰূপত।।
বিষকে পান কৰিলে বিষ্ণুৰ পদজল বুলি।
এচলু, দুচলু, তিনিচলু কৰি লক্ষ্মীনাৰায়ণৰ পদজল বুলি।।
মুক্তকণ্ঠে পিয়াইলা অমৃত সম জানি।।
পিছে "হৰি" কিছু সময়ৰ বাবে হ'লে যে অচেতন।
কিছুক্ষণ থকাৰ পিছত আহিল যে সম্বিত ঘূৰি।।
বাৰখাটিৰ মনৰ ইচ্ছা কৰিলে পূৰণ।
পাছে প্ৰভু "হৰিদেৱ" অসৎ ভক্তক নিদিলে শৰণ।।
পুনু ঘূৰি আহি "হৰি"ৰ চৰণত পৰি কৰিলে বিলাপ।
দিয়া প্ৰভু আমাক শৰণ তোমাৰ।।
পৰম নিৰ্গুণ নিয়ম নিষেধ ৰোহিত।
জাতি-অজাতিক কদাপিও নিন্দা নকৰয়।।
অমৃতোধিক বাণী গুৰু হৰিদেৱৰ।
হেন জানি এৰা সৰে মনে গৰ্ব কথা।।

হৰিগুৰুদেৱৰ গুণ-কীৰ্ত্তন কৰিয়ো সৰ্বথা।
পিতৃ পুৰুষৰ চৰণত ৰাখি মতি।।
হৰি গুৰুৰ পাৱে পুনঃ কৰিয়া মিনতি।
হৰি গুৰুৰ পাৱে কৰো শত নমস্কাৰ।।
দয়াময় দাসীক দয়া কৰা আৰু এবাৰ।
শুনা সৱে ভাগৱত শ্ৰৱণ-ফলক।।
ধৰ্ম তীৰ্থ কাম আৰা মোক্ষৰ সাধক।
জানো আৰো ভাগৱত ভক্তিক দিয়য়।।
এহি গুণে সৰ্বে কৰ্মে ত্ৰিলোক বিজয়।
সেহিহেতু শাস্ত্ৰোত্তম ইহাক কহয়।।
"আত্মাদেৱ নিষ্ঠে কৈয়া লৈবা গুৰু মত।
ভাগৱত ধৰ্ম সাৰ শিক্ষা লৈব যত।।
দেৱতা পুৰুষ ইটো গুৰুদেৱ হৰি।
অন্য একজনে কহে কানা-কানি কৰি।।
সৰ্বজনে একে সঙ্গে ধৰিয়া চৰণে।
বুলিলন্ত ক্ষমিয়োক প্ৰভু নিজ গুণে।।
ভক্তিভাৱে তাহাক কৰিবা নমস্কাৰ।
দুৰ্ল্লভ অপ্ৰাপ্য দ্ৰব্য দিব উপহাৰ।।
তাহাৰ আদেশ তুমি কৰিবা পালন।
দিলু উপদেশ মই ভক্তপ্ৰাণ ধন।।
"পৰম বৈষ্ণৱ সিটো হৰিদেৱ" মহাপ্ৰভু।
যি মোহৰ আদি গুৰু।।
সৰ্বশাস্ত্ৰ বিশাৰদ দেৱগুৰু হৰিদেৱ।
তাহাৰ চৰণে ধৰু।।"
"চাৰিবেদ চৈধ্য শাস্ত্ৰ কৃষ্ণক কহয়।
কৃষ্ণৰেসে অংশ সৱে য'ত দেৱ চয়।।"
(মদ্ভাগৱত)

□□

(লেখিকা মৌটুপুৰী, হাউলী নিৱাসী)

# অসমত চৈতন্য বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ

শৈব্যা কলিতা

প্ৰায় ১৫১০ খৃষ্টাব্দত মহাপ্ৰভু শ্ৰীকৃষ্ণ চৈতন্য দেৱে মাতৃৰ পৰা আদেশ লৈ বিদেশ ভ্ৰমণৰ বাবে যাত্ৰা কৰে। কিন্তু সেই সময়ত জ্যেষ্ঠ ভ্ৰাতৃ সদৃশ (বলৰাম) তত্ত্বৰ শ্ৰীনিত্যানন্দ প্ৰভুৱেও ভাৰতৰ বিভিন্ন ঠাইত তীৰ্থ ভ্ৰমণ কৰি নানা অভিজ্ঞতা লাভ কৰিছিল। সেয়েহে মহাপ্ৰভুৱে নিত্যানন্দ সহ চাৰিজন বৈষ্ণৱক লগত লৈ নীলাচললৈ যাত্ৰা কৰিছিল। কিছুদিন জগন্নাথ ধামত থকাৰ পিচত তেওঁক পুনৰ নৱদ্বীপলৈ পঠিয়াই দিয়ে আৰু সংসাৰ পাতিবলৈ নিৰ্দেশ দিয়ে। তাৰ পিছত তেওঁক কামৰূপ (অসম)ত কৃষ্ণ প্ৰেম ৰস বিতৰণ কৰিবলৈ আজ্ঞা দিয়ে। নিত্যানন্দ প্ৰভু মহাপ্ৰভুৰ লগত অভিন্ন। সেয়ে তেওঁ মহাপ্ৰভুৰ আদেশ মানি সংসাৰত নামিল। এই খিনিতে শ্ৰীনিত্যানন্দ প্ৰভুৰ এটি চমু জীৱন আলেখ্য দাঙি ধৰাৰ চেষ্টা কৰা হ'ল। বীৰভূম জিলাৰ মল্লালপুৰৰ ৮ মাইল দূৰত্বত এক চক্ৰা (শ্ৰীপাট) নামে এখন গাওঁ আছিল। তাৰে বাসিন্দা আছিল হাড়াই ওজা (পণ্ডিত) তেওঁৰ প্ৰকৃত নাম আছিল মুকুন্দ। অনুমান ১৪৮২ চনত মাঘ মাহৰ শুক্লা এয়োদশ তিথিত হাড়াই পণ্ডিতৰ পত্নী শ্ৰীপদ্মাৱতীৰ কোলালৈ আহিল এটি সুলক্ষণীয় পুত্ৰ। এওঁৱে হ'ল বলৰাম সদৃশ শ্ৰীনিত্যানন্দ প্ৰভু। শিশু কালৰ পৰা তেওঁৰ গাত কিবা অলৌকিক শক্তি আছিল। কোনোটোলত তেওঁৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ নহ'ল। কিন্তু শৈশৱৰ পৰাই তেওঁ তীৰ্থ ভ্ৰমণ কৰিছিল। তীৰ্থ বোৰত নানা সাধু, সন্ন্যাসী, মহন্ত, ব্ৰহ্মচাৰী পণ্ডিত আদিৰ সান্নিধ্যলৈ আহিছিল। ফলত তেওঁ নানা ভাষা সংস্কৃতি, নাচ-গান, কীৰ্ত্তন, কলা সহজে আয়ত্ব কৰিবলৈ সুবিধা পাইছিল। কেইবছৰ মানৰ ভিতৰতে, তেওঁ নানা বিদ্যাত পাৰ্গত হ'ল আৰু বক্ৰেশ্বৰলৈ যাত্ৰা কৰিলে আৰু বৈদ্যনাথ, কাশী প্ৰয়াগলৈ যায়। তাতে তেওঁ গঙ্গাত স্নান জপ কৰে। এই যাত্ৰাতে তেওঁ বৃন্দাবন, মথুৰা, গোবৰ্দ্ধন পৰ্ব্বত পৰি ভ্ৰমণ কৰে। তাত তেওঁ নানা ভক্তৰ লগত কীৰ্ত্তন কৰি কৃষ্ণ প্ৰেমত আপ্লুত হয়। কিছুদিন তাত থকাৰ পিচত তেওঁ দ্বাৰকা পাই দ্বাৰকাত সমস্ত কৃষ্ণলীলা ক্ষেত্ৰ দৰ্শন কৰি কপিল মুনিৰ আশ্ৰম সিদ্ধপুৰলৈ যায়। পিছত তেওঁ যথাক্ৰমে মৎস্য তীৰ্থ, শিৱ কাঞ্চী, বিষ্ণু কাঞ্চী, প্ৰভাস, সুদৰ্শন তীৰ্থ আদি পৰ্য্যটন কৰে। আগুৱাই গৈ গৈ ত্ৰতুকন বিশাখা ধামলৈ গতি কৰে। পিছত তেওঁ ওভোতনী যাত্ৰাত সৰস্বতী পায়হি। ইয়াৰ পৰা পুনৰ তেওঁ নৈমিসাৰণ্য অযোধ্যা আদি ঠাইলৈ উভতি আহে। অযোধ্যাৰ ৰাম মন্দিৰ দৰ্শনত বিৰহতে তেওঁ মাটিত বাগৰি পৰে। তাৰ পিছত তেওঁ সৰযু কৌশিকী নৈত স্নান কৰি নিজকে ধন্য মানে। এনেদৰে গৈ গৈ তেওঁ হৰিক্ষেত্ৰ, ঋষভ পৰ্বত, দক্ষিণ মথুৰা কৃতমালা, তাম্ৰপনী পায়। উত্তৰ দিশে বদৰিকাশ্ৰম পোৱাৰ পিছত তেওঁৰ ভ্ৰমণৰ সামৰণি পৰে এইবাৰ তেওঁ আকৌ দক্ষিণ দিশে গতি কৰে। তাতে শিষ্য সহমাধৱেন্দ্ৰ পৰীক লগ পাই তেওঁ ধন্য হয়। তাৰ পিছত গোদাবৰী নৈত স্নান কৰি আগুৱাই গৈ ৰামেশ্বৰম পায়গৈ। এইদৰে তেওঁ বহুবছৰ ভাৰতৰ নানা তীৰ্থস্থান ভ্ৰমণ কৰি নৱদ্বীপলৈ উভতি আহে। তাৰ পিছতে মহাপ্ৰভুৰ মাতৃ শচী মাতাই তেওঁক প্ৰভুৰ জ্যেষ্ঠ ভ্ৰাতৃ ৰূপে জ্ঞান কৰে।

মহাপ্ৰভুৰ নিৰ্দেশ মৰ্মে নিত্যানন্দ প্ৰভু নৱদ্বীপলৈ উভতিল। ঘৰত আহি তেওঁ বন্ধু-বান্ধৱ বা বৈষ্ণৱ সকলৰ আগত সকলো কথা বিৱৰি ক'লে। তাৰ পিছত তেওঁৰ বন্ধু

শ্ৰীকৃষ্ণ দাস (হাড়) বড় গাছি নিৱাসীয়ে তেওঁৰ বিয়াৰ ব্যৱস্থা কৰে। সালি গ্ৰামৰ শ্ৰীসূৰ্য্য দাস পণ্ডিতৰ দুই কন্যা শ্ৰীবসুধা আৰু শ্ৰীজাহ্নৱীক শ্ৰীনিত্যানন্দ প্ৰভুৱে বিয়া কৰাই সংসাৰ যাত্ৰাত নামি পৰে। প্ৰায় এবছৰ মান পিছতে মাঘ মাহৰ শুক্লা চতুৰ্দশী তিথিত শ্ৰীবসুধাৰ গৰ্ভত এটি পুত্ৰ সন্তান জন্ম হ'ল। জাতকৰ নাম শ্ৰীবীৰচক্ৰ দাস পণ্ডিত ৰাখিলে। বহুদিনৰ মূৰত শ্ৰীবীৰচন্দ্ৰ ডাঙৰ হ'ল আৰু বৈষ্ণৱ ধৰ্মত নাম দীক্ষা দিয়া হ'ল। যথা সময়ত বীৰচন্দ্ৰৰো বিয়া হৈ এটি পুত্ৰ সন্তান জন্ম হ'ল। এওঁৱেই শ্ৰীনিত্যানন্দ প্ৰভুৰ নাতি শ্ৰীচিন্তামণি গোস্বামী। এইখিনিত সংশ্লিষ্ট পৰিয়ালবৰ্গলৈ সশ্ৰদ্ধ আবেদন লেখক (শ্ৰীবীৰেন্দ্ৰ কুমাৰ নাথ) মহাপ্ৰভু শ্ৰীকৃষ্ণ চৈতন্য দেৱৰ শিষ্য পৰম্পৰাৰ এজন অনুগত শিষ্য। অসমত চৈতন্য বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ এটি ৰূপৰেখা আঁকিবলৈ যাওঁতে পূজ্যপাদ শ্ৰীনিত্যানন্দ প্ৰভুৰ অসমত আংশিক বংশাৱলী উল্লেখ কৰিবলৈ বাধ্য হ'লো। আশা কৰো সংশ্লিষ্ট পৰিয়ালবৰ্গই আমাৰ ওপৰত কোনো দায় নধৰে। কথাবস্তু মান্যবৰ শ্ৰীখগেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামীৰ শ্ৰীশ্ৰী চৈতন্য পন্থী আল্লীবাড়ী সত্ৰৰ বুৰঞ্জী আৰু মহান সাধকৰ তত্ত্বসাৰ বাণীৰ পৰা যুগুত কৰা হ'ল।

শ্ৰী নিত্যানন্দ প্ৰভুৰ পৰামৰ্শ মতে ১৫৮৩ চনত প্ৰভুৰ পুত্ৰ শ্ৰী বীৰচন্দ্ৰ প্ৰভুৱে মহাপ্ৰভুৰ চৈতন্য বৈষ্ণৱ ধৰ্মৰ কৃষ্ণ প্ৰেম ৰস প্ৰচাৰ কৰিবলৈ অসমত সোমায়। তেওঁ লগত আনে নিত্যানন্দ শাখাৰে দুজন শিষ্য। নাম শ্ৰীবাসুদেৱ আৰু শ্ৰীকৃষ্ণ কান্ত। আহি আহি তেওঁলোকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত ৰাণী ৰাজ্যত সোমায়। সেই সময়ত ৰাণী ৰাজ্যৰ ৰজা আছিল শ্ৰীধৰ্ম সিংহ মহাৰাজ। মহাৰাজ অতি ধৰ্মপ্ৰাণ লোক আছিল। মহাপ্ৰভুৰ (শ্ৰীবীৰচন্দ্ৰ) সূৰ্য সমকান্তি, ৰূপ লাৱণ্য, ধীৰস্থিৰ ভক্তি-প্ৰজ্ঞা দেখি মহাৰাজ মোহিত হ'ল। মহাপ্ৰভুৰ পৰা কৃষ্ণতত্ত্ব কথা শুনি তেওঁ বৰ আনন্দিত হ'ল। প্ৰায় এসপ্তাহমান কৃষ্ণপ্ৰেম ৰসত নিমজ্জিত হৈ তেওঁ মহাপ্ৰভুৰ ভক্ত হৈ পৰিল। মহাপ্ৰভু যাব ওলোৱাত মহাৰাজেও লগত যাব ওলায়। তেতিয়া মহাপ্ৰভুৱে তেওঁৰ বৃদ্ধ পিতৃ শ্ৰীনিত্যানন্দ মহাপ্ৰভু আৰু পুত্ৰ শ্ৰীচিন্তামণিক তেওঁৰ ওচৰলৈ পঠিয়াই দিব বুলি কোৱাতহে মহাৰাজ ক্ষান্ত হ'ল। শ্ৰীবীৰচন্দ্ৰ মহাপ্ৰভু নৱদ্বীপলৈ গ'ল। ছয় মাহ মান পিছত তেওঁৰ পৰামৰ্শ মতে মহাপ্ৰভু শ্ৰীনিত্যানন্দ আৰু নাতিয়েক শ্ৰীচিন্তামণি গোস্বামী প্ৰভু চৈতন্য বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ৰাণী ৰাজ্য পালেহি। ৰজাই বৈষ্ণৱ ধৰ্মত মোহিত হৈ শ্ৰীচিন্তামণি গোস্বামী দেৱৰ পৰা নাম-দীক্ষা গ্ৰহণ কৰিলে। ৰজাই তেওঁলোকক তাতে সত্ৰ পাতি স্থায়ী ভাবে বসবাস কৰিবলৈ অনুৰোধ কৰে। তাৰ বাবে প্ৰয়োজনীয় ২ ৰূপত (এক ঢোল) ভূমি তেওঁলোকৰ নামত দান দিয়ে। ধৰ্ম ৰক্ষাৰ্থে মহাপ্ৰভু শ্ৰীনিত্যানন্দ আৰু শ্ৰীচিন্তামণি গোস্বামীৰ নামত এখন তাম্ৰপত্ৰও সম্পাদন কৰি দিয়ে। ইয়াতে দুই মহাপ্ৰভুৱে লগলাগি এখন সত্ৰ স্থাপন কৰে। সত্ৰখনৰ নাম ৰখা হয় আগ্নিবাড়ী সত্ৰ। সত্ৰৰ নামটোৰ তাৎপৰ্য্য এয়ে যে তাত হেনো সেই সময়ত আল্লিবনেই ভৰি আছিল। আল্লিবাড়ী সত্ৰৰ তাম্ৰফলিৰ নকল শ্ৰীৰাম শ্ৰীশ্ৰী ধৰ্মান্তৰ সত্ৰঙ্গি ভকতৰ লেখা।

"শ্ৰীশ্ৰী নৰসিংহ নাম নৃপংততে পূণংৰ্থে পূৰ্ব্বভূজা, মলিনাং গনাবাঞ্চিতা ওম্ৰি জুগ্ৰল, ৰাণি দি ৰাৰ্যশ্বৰে এশা তাম্ৰফলি বিচিত্ৰ কুশলি নত্যাৰিন শাধুশা ৰাজা। পুণুস্য ইহাত বাজে শ্ৰীউপৰ দেনিৰ বাত্তিবাৰী গাঁওৰ ২ ৰুপৰ মাটি নৈবেৰ্দৰ অৰ্থে নানকৰ দিলু শ্ৰীশ্ৰী নৰসিংহ নৃপস্য শ্ৰীশ্ৰী ধৰ্মসিংহ হে কুলব্দ ওৰুন দিত্তেন ধৰ্মত্তৰ ওঁ শিৰ কলহ্যও বেড়যাওঁ ঠাকুৰিয়া ওঁ গাএঁা সমস্ত জানিবং আল্লিবাৰী গাওঁৰ জঙ্গল মাটি পূৱে কপাহ ঠেৰিয়া পশ্চিমে খৰা আহত উত্তৰে কায়স্থ পৰাৰ পুছে কৰ্নিৰ দক্ষিণ পাৰে খেমে কানি খহনি এই চতুৰ হদৰ মাটি ঢোল কবাই এই মাটি শ্ৰীশ্ৰী চৈতন্য পন্থৰ শ্ৰীশ্ৰী নিত্যানন্দ গোস্বাইক ওঁ শ্ৰীশ্ৰী চিন্তামণি গোস্বামীক মহজৰ পত্ৰ কৰি ধৰ্মত্তৰ দিলো পুত্ৰ পোত্ৰাদি অনুক্ৰমে ভোগ কৰি একা কীৰ্ত্তন কৰি ভক্ত সহিতু আশীৰ্বাদ কৰি আনন্দে থাকহ ইহ মাটিত যিজনে বিৰোদ্ধ আচৰিব সিজনে ধৰ্মত অন্তৰ হইবেক ইহ মাটিৰ কৰ কটল পদ পঞ্চক বেঠ বেগাৰ চোৰ চিনলা ধুমুৰ্চ্চি মাৰেশা জলকৰ হাট ঘট শৰ্ববাৰ পৰিত্যাগ ইতি।

শক ১৫৮৩ চন ও তাৰিখ ১৪ বৈশাখ

শ্ৰীকৃষ্ণৰাম ভাগতি দবঞ্চু — ১

শ্ৰীভকাদৈবঞ্চু শৰ্মা — ১

শ্ৰীদেউৰি মগলা — ১

শ্ৰীবিযুন্দাহ ডুম — ১

শ্ৰীমনুৰাই চাৰাল — ১

শ্ৰীশ্ৰী নৰসিংহ নৃপস্য"

এই আল্লিবাড়ী সত্ৰতে মহাপ্ৰভু শ্ৰীচিন্তামণি

গোস্বামীয়ে চৈতন্য পন্থাৰ (নিত্যানন্দ শাখাৰ) বৈষ্ণৱ পিছত তেওঁ শিষ্য বৰ্গৰে সৈতে ব্ৰহ্মপুত্ৰ পাৰ হয়। ককয়া-ৰৌমাৰীত আল্লিবাড়ী সত্ৰ নাম দি এখন শ্ৰীচৈতন্য ধাম পাতে। তাৰে পৰাই তেওঁ অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে। তথাপি তেওঁ বন্ধুবৰ্গৰে সৈতে আলোচনা কৰি প্ৰচাৰ কেন্দ্ৰটো পুনঃ সলনি কৰি গন্ধিয়ালৈ স্থানান্তৰ কৰে। এয়ে হ'ল বৰ্ত্তমানৰ আল্লিবাড়ী সত্ৰ। ইয়াৰ পৰাই তেওঁ প্ৰায় ৬০ বছৰ ধৰি অসম বা নেপাল, দাৰ্জিলিং, নৱদ্বীপ ধাম আদিত শ্ৰীচৈতন্য বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। ইতিমধ্যে নৱদ্বীপতে ৰৈ অহা তেওঁৰ সহধৰ্মিনী শ্ৰীযুতা ধৰ্মেশ্বৰী আয়ে বিৰহতে কান্দি কাতি ব্যকুল। পিছত তেওঁও আল্লিবাড়ী সত্ৰ লৈ আহিহে শান্তি পায়। তেওঁলোকৰ পুত্ৰ মনোহৰ গোস্বামী আৰু মনোহৰৰ পুত্ৰ শুকদেৱ গোস্বামীয়ে এই সত্ৰত থাকিয়ে ধৰ্ম প্ৰচাৰত অংশ গ্ৰহণ কৰে। শুকদেৱ গোস্বামীৰ দুইজন পুত্ৰ। তেওঁলোক হ'ল ৰঙ্গনাৰায়ণ গোস্বামী আৰু দেউনাৰায়ণ গোস্বামী। এওঁলোক ডাঙৰ হোৱাত ককয়া ৰৌমাৰীৰ মধ্যৱৰ্ত্তী স্থানৰ সত্ৰখন পৰিচালনা কৰে। এই সত্ৰৰো নাম ৰখা হয় আল্লিবাড়ী সত্ৰ। তেতিয়াৰে পৰা ব্ৰহ্মপুত্ৰৰ উত্তৰে অৱস্থিত আল্লিবাড়ী সত্ৰৰ পৰা চৈতন্য বৈষ্ণৱ ধৰ্মৰ (নিত্যানন্দ শাখাৰ) প্ৰচাৰ অব্যাহত থাকে। ইয়াতে ৰঙ্গনাৰায়ণ গোস্বামীৰ দুজন পুত্ৰ জন্ম হয়। তেওঁলোক হ'ল মাধৱ নাৰায়ণ গোস্বামী আৰু জনাৰ্দ্দন গোস্বামী। জনাৰ্দ্দন গোস্বামীৰ কোনো সতি সন্ততি নাই। কিন্তু মাধৱ নাৰায়ণ গোস্বামীৰ দুটি ল'ৰাৰ জন্ম হয়। হৰি নাৰায়ণ গোস্বামী আৰু প্ৰেম নাৰায়ণ গোস্বামী। তেওঁলোকৰ সতি সন্ততি বোৰে উক্ত ঠাইৰ পৰা আন আন ঠাইলৈ গতি কৰে। দুটা মান পৰিয়াল নলবাৰীৰ চক বজাৰলৈ উঠি যায়। তাত হেনো সেই সময়ত ঠাইবোৰ নল খাগৰীৰে ভৰা আছিল। বৰ্ত্তমান উক্ত ঠাইৰ বাসিন্দা হিচাপে থকা মাননীয় প্ৰতাপ নাৰায়ণ গোস্বামী, প্ৰবোধ নাৰায়ণ গোস্বামী আদি পৰিয়ালৰ লোকসকল উক্ত হৰিনাৰায়ণ আৰু প্ৰেম নাৰায়ণৰে বংশধৰ। দুটামান পৰিয়াল আকৌ গুৱাহাটীৰ স্থায়ী বাসিন্দা হয়। আনহাতে দেউনাৰায়ণ গোস্বামীৰ পুত্ৰ হ'ল ধৰ্মনাৰায়ণ গোস্বামী। ধৰ্মনাৰায়ণ গোস্বামীৰো দুজন ল'ৰা জন্ম পায়। তেওঁলোক হ'ল মহিনাৰায়ণ গোস্বামী আৰু মিশ্ৰনাৰায়ণ গোস্বামী। এই মহিনাৰায়ণ গোস্বামীৰো পুত্ৰ আছিল সত্যনাৰায়ণ গোস্বামী। তেওঁৰে মাছ নোখোৱা গোসাঁই নামেৰে জনাজাত আছিল। সেই সময়ত তেওঁৰে উক্ত আল্লিবাড়ী সত্ৰটো পৰিচালনা কৰিছিল। পৰৱৰ্তী কালত তেওঁৰ পুত্ৰ-পৌত্ৰাদি সকলৰো কিছুমান আন ঠাইলৈ ভাগি যায়। কেইটামান পৰিয়াল নলবাৰীৰো বাসিন্দা হয়। প্ৰমোদ নাৰায়ণ গোস্বামী উক্ত সত্ৰৰ পৰা গুছি গৈ কাশীমপুৰৰ বাসিন্দা হয়। আজিও তেওঁলোক মাছ নখোৱা গোসাই নামে জনাজাত। ওপৰত বৰ্ণিত চৈতন্য পন্থী লোক সকলৰ বংশধৰ সকলেই ৰাইজৰ সহযোগিতাত আল্লিবাড়ী সত্ৰ (গন্ধিয়া)খন আজিও পৰিচালনা কৰি আছে। তেওঁলোকৰ আৰু ৰাইজৰ সহযোগিতাতে ককয়া-ৰৌমাৰীৰ থানখনতো পূজা-পাৰ্বণ অব্যাহত আছে। ইতিমধ্যে ধৰ্মপুৰ সমষ্টিৰ বিধায়ক (বৰ্ত্তমান মন্ত্ৰী) শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰীয়ে উক্ত আল্লিবাড়ী সত্ৰ (গন্ধিয়া) লৈ তিনিলাখ টকাৰ এটি অনুদান দিছে। যোৱা ০৭-০৬-২০০৮ ইং তাৰিখে মাননীয় পাটোৱাৰীদেৱে উক্ত সত্ৰখনৰ সত্ৰ গৃহটোৰ আধাৰ শিলা স্থাপন কৰে। সম্প্ৰতি সত্ৰৰ কাম সম্পূৰ্ণ হোৱা নাই যদিও অধিকাংশই সমাপ্ত। আঞ্চলিক ৰাইজৰ দ্বাৰা গঠিত কামিটী, শ্ৰীনিভা বৰুৱা আদিৰ সহযোগত সত্ৰাধিকাৰ শ্ৰীখগেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে উক্ত সত্ৰৰ কাম কাজ চলাই আছে। এনেদৰেই শ্ৰী কৃষ্ণ চৈতন্য প্ৰভুৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ ধাৰা অসমলৈ প্ৰথম প্ৰবাহিত হয়।

উনৈশ চনৰ দ্বিতীয় দশকত জগন্নাথ ধৰ্মৰ নিকটবৰ্ত্তী বাসিন্দা শ্ৰীমৎভক্তি সিদ্ধান্ত সৰস্বতী প্ৰভুপাদ নৱদ্বীপৰ মায়াপুৰ ধামৰ মঠাধ্যক্ষ আছিল। সেই সময়ৰ গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে পাছনীয়া নামে এখন গাওঁ আছিল। শিশুকালত অতি কষ্ট কৰি বিদ্যা শিক্ষা অৰ্জন কৰা শ্ৰীনৰেশ্বৰ দাস নামৰ এজন ধৰ্মপ্ৰাণ লোক আছিল। অবৰ্ণনীয় ঘাত প্ৰতি ঘাতৰ মাজেৰে তেওঁ বি. এ. বি. টি. আদি ডিগ্ৰী ল'বলৈও সক্ষম হৈছিল। তাৰ পিছত তেওঁ ধুবুৰী চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰ পদত চাকৰি কৰিছিল। কিন্তু তেওঁৰ ধৰ্মাত্মা মনে চাকৰি কৰিয়ে সন্তুষ্ট থাকিব নোৱাৰিলে। সনাতন হিন্দু ধৰ্মত প্ৰকৃত আত্ম মঙ্গলৰ উপায় বিচাৰি বিদ্যালয় কৰ্তৃপক্ষৰ পৰা এমাহৰ ছুটি লৈ তীৰ্থ ভ্ৰমণৰ বাবে ওলাই গ'ল। কাশী, বৃন্দাবন, মথুৰা, হৰিদ্বাৰ, হৃষিকেশ আদি নানা তীৰ্থ ভ্ৰমণ কৰিলে। কিন্তু কতো আত্ম মঙ্গলৰ উপায় বিচাৰি নাপালে। অন্তত তেওঁ বৃন্দাবন

ধামত থকা এজন ১০০ বছৰীয়া বৃদ্ধই তেওঁক জানিবলৈ দিলেযে তেওঁ বিচৰা পৰম তত্বটো নৱদ্বীপত হে পাব। অনতি পলমে তেওঁ কলিকতালৈ আহিল আৰু মায়াপুৰস্থ শ্ৰীচৈতন্য মঠৰ মঠাধ্যক্ষ জগৎ গুৰুওঁ বিষ্ণুপাদ পৰমহংস আচাৰ্য বৰ্য্য অষ্টোত্তৰ শত শ্ৰীশ্ৰী মদ্ভক্তি সৰস্ততী প্ৰভুপাদৰ দৰ্শন লাভ কৰিলে। সোণবৰণীয়া দীৰ্ঘতনু আজানুলম্বিত হাত জ্যোতিৰ্ময় প্ৰভুপাদৰ এবাৰ দৰ্শনতে নৰেশ দাস বিমোহিত হ'ল। প্ৰথম প্ৰশ্নতে প্ৰভুপাদে গীতা, শ্ৰীমদ্ভাগৱত, বেদ-বেদান্ত, পুৰাণ ৰামায়ণ, মহাভাৰত আদিৰ পৰা লব্ধ সাৰ তত্বৰে তেওঁক সঠিক ভাবে বুজাই দিলে। বিলম্বৰ কাজ নাই। উক্ত চনৰ ফাগুন মাহৰ পূৰ্ণিমা তিথিৰ দিনা (৩৫ বছৰ বয়সত) পঞ্চৰাত্ৰ পদ্ধতিৰে তেওঁ প্ৰভুপাদৰ শুচৰত নাম দীক্ষা ল'লে। দীক্ষান্তে তেওঁৰ নাম ৰখা হ'ল নৰেশ্বৰৰ সলনি শ্ৰীপাদ নিমানন্দ দাসাধিকাৰী। প্ৰভুপাদৰ নিৰ্দেশক্ৰমে শুদ্ধ সনাতন বৈষ্ণৱ ধৰ্মৰ আচৰণৰ দ্বাৰা কৃষ্ণ প্ৰেম প্ৰচাৰত নিজকে আত্ম নিয়োগ কৰিব ধৰিলে। সেই বুলি বিদ্যালয়ৰ পাঠদানত কোনো ৰূপে ফাঁকি দিয়া নাছিল। ৰবিবাৰে নাইবা বিদ্যালয় বন্ধ থাকিলেহে গাওঁ বা চহৰত ধৰ্ম সভা অনুষ্ঠিত কৰে। দুই এবছৰৰ পিচতে তেখেতে প্ৰচাৰ কৰা কাৰ্যত সন্তুষ্ট হৈ বিশ্ব বৈষ্ণৱ সভাৰ তৰফৰ পৰা তেওঁক সেৱা তীৰ্থ উপাধিৰে বিভুষিত কৰে। প্ৰভুপাদ শ্ৰীল ভক্তি সিদ্ধান্ত সৰস্বতী প্ৰভুপাদে কৃপা কৰি অসমত সৰ্ব সাধাৰণ ৰাইজৰ মাজত শুদ্ধ বৈষ্ণৱ ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ তেওঁক দায়িত্ব দিয়ে। পূৰ্ববঙ্গ আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা ধৰ্মপ্ৰাণ লোক আহি দলে দলে বৈষ্ণৱ ধৰ্মত যোগদান কৰিলে। ১৯২৫ চনত গোৱালপাৰাত এখন বৈষ্ণৱ ধৰ্মৰ সভা অনুষ্ঠিত হয় আৰু তাতে 'সনাতন ধৰ্ম প্ৰচাৰিনী সভা' নাম দি এখন সমিতি গঠন কৰা হয়। বিশ্ব বৈষ্ণৱ সভাইও উক্ত শাখা সমিতি খনকে 'অসম বৈষ্ণৱ সম্মিলনী' হিচাবে নাম দি অন্তৰ্ভুক্ত আৰু অনুমোদন জনায়। এইদৰে অসমত শ্ৰীকৃষ্ণ চৈতন্য শাখাৰ বৈষ্ণৱ ধৰ্মৰ আৰম্ভণি ঘটে। অসমত এয়া বৈষ্ণৱ ধৰ্মৰ দ্বিতীয় প্ৰবাহ। এই সমিতিখনৰ সভাপতি আৰু সম্পাদকৰ দায়িত্বত ক্ৰমে শ্ৰীপাদনিমানন্দ সেৱাতীৰ্থ ঠাকুৰ আৰু শ্ৰীপাদ ৰাধা মোহন ব্ৰহ্মচাৰী প্ৰভু। লগে লগে মায়াপুৰ ধাম প্ৰচাৰিনী সভাৰ সভাপতি শ্ৰীল প্ৰভুপাদে শ্ৰীপাদ নিমানন্দ ঠাকুৰক অসম আৰু পূব বঙ্গৰ অঞ্চল সমূহত নাম- দীক্ষা দি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ দায়িত্ব দিয়ে। আচাৰ্য্য শ্ৰীপাদ নিমানন্দ সেৱা ঠাকুৰেওঁ শ্ৰীমন্মহা প্ৰভুৰ পৰা আদেশ পাই প্ৰচাৰত নামি পৰে। প্ৰথমে তেওঁ ১৯২৯ চনত সৰ্ব সাধাৰণ ৰাইজৰ মাজত এখন সভা পাতি অহিংসা সত্য, বৈষ্ণৱ, দয়া-দাক্ষিণ্যৰে পৰিপূৰ্ণ এই শুদ্ধ বৈষ্ণৱ ধৰ্মটো জাতি-ধৰ্ম-নিৰ্বিশেষে যে সকলোৰে ল'ব পাৰে তাৰ তাৎপৰ্য্য বাখ্যা কৰে। উক্ত আচাৰ্য প্ৰভু এজন গৃহাশ্ৰমী বৈষ্ণৱ আছিল। তথাপি তেখেতৰ বক্তৃতাত মুগ্ধ হৈ সাধু প্ৰকৃতিৰ লোক সকলে বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'বলৈ আগবাঢ়ি আহিছিল। ১৯২৯ চনৰ পৰা ১৯৩৬ চনলৈ অসমৰ বিজনি, পিপিলা, মাজিপাৰা, বৰকুৰিহা, টিহু, জালাহ, সৰভোগ, ধমধমা আদি আঠখন ঠাইত ৰাজহুৱা ভাবে ধৰ্মসভা পাতে। উক্ত আঠখন ধৰ্মসভাতে তেখেতে তথ্যপূৰ্ণ আঠখন অভিভাষণ পাঠ কৰে। অসমত শুদ্ধ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে নানা ঘাত-প্ৰতিঘাতেৰে তেওঁ যি প্ৰচেষ্টা ল'লে সি আজিও সুবিদিত। একমাত্ৰ বৈষ্ণৱ ধৰ্মৰ তত্ব সম্বলিত তেখেতৰ লিখিত গ্ৰন্থ শ্ৰীনাম কৌস্তভ, ভক্তি সিদ্ধান্ত কৌমুদী, শ্ৰীনাথ সংকীৰ্ত্তন, সাত্বত শ্ৰাদ্ধ বিধি, বিয়ানাম আদি আজিও ৰাইজৰ মাজত সমাদৃত। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সুবিধাৰ্থে মঠ নিৰ্মাণ কৰিবলৈওঁ প্ৰথমে সৰভোগ বৰনগৰ অঞ্চলৰ চকচকা গাওঁৰ বাসিন্দা শ্ৰীপাদ গোপীৰমন দাসাধিকাৰী ৰাম পাঠকয়ে সৰভোগত অলপ ভূমি দান কৰে। বৈষ্ণৱ সকলৰ ত্যাগৰ বিনময়ত উক্ত মাটিখিনিতে ১৯৩২ চনত এটি মঠ গঢ়ি উঠে। উক্ত মঠটিৰ নাম ৰখা হয় শ্ৰীসৰভোগ গৌৰীয় মঠ। শ্ৰীপাদ কৃষ্ণ দাস ব্ৰহ্মচাৰীক প্ৰথম উক্ত মঠৰ ৰক্ষক হিচাপে নিযুক্তি দিয়া হয়। ব্ৰহ্মচাৰী শ্ৰীপাদ কৃষ্ণদাস প্ৰভুই পাঁচ বছৰ কাল উক্ত মঠৰ মঠৰক্ষক হিচাপে সেৱা আগবঢ়ায় যদিওঁ ইয়াৰ পিছতে তেওঁ অপ্ৰকট হয়। এইদৰে আচাৰ্য শ্ৰীপাদ নিমান্দ সেৱাতীৰ্থ ঠাকুৰৰ প্ৰচেষ্টাতে অসমৰ বিভিন্ন ঠাইত বৈষ্ণৱ ধৰ্মৰ সেৱা কেন্দ্ৰ প্ৰতিষ্ঠা হ'বলৈ ধৰে। ইতিমধ্যে ১৯৩৮ চনত ব্ৰহ্মচাৰী শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰী সৰভোগ মঠৰ মঠৰক্ষক হয়। কিন্তু তেওঁ স্বইচ্ছাই মঠৰক্ষৰ দায়িত্ব ত্যাগ কৰাত শ্ৰীল আচাৰ্যই মঠৰক্ষকৰ দায়িত্ব পালন কৰে। ১৯৮০ চনত শ্ৰীপাদ বৃন্দাবন ব্ৰহ্মচাৰী প্ৰভুক মঠ ৰক্ষকৰ দায়িত্ব দিয়ে। আচাৰ্য শ্ৰীল নিমানন্দ সেৱা তীৰ্থ ঠাকুৰৰ নিৰ্দেশতে ধমধমাতো এটি গৌৰীয় মঠ স্থাপনৰ সিদ্ধান্ত লোৱা হয়। ১৯৮১ চনত ব্ৰহ্মচাৰী শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰীয়ে ৫ জন বৈষ্ণৱ লগত লৈ ধমধমাত এটি গৌৰীয় মঠৰ শুভ

আৰম্ভণি কৰে। উক্ত সময়তে শ্ৰীপাদ বৃন্দাবন ব্ৰহ্মচাৰীয়ে গুৱাহাটীৰ কুমাৰ পাৰাত শ্ৰীবংশীধৰ দাসৰ ঘৰত এটি ঘৰ ভাড়া লয়। তাৰে পৰা শ্ৰীপাদ ব্ৰহ্মচাৰীয়ে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে। নিমানন্দ প্ৰভুৰ আৱিৰ্ভাৱ তিথিৰ উৎসৱ পালন কৰিছিল। কিন্তু সেই সময়ত বিশ্বত ১৯৮২ চনত দ্বিতীয় মহাসমৰ চলি আছে। সেয়ে চৰকাৰৰ নিৰ্দেশ ক্ৰমে উক্ত ঘৰটো মিলিটাৰীৰ বাবে এৰি দিব লগা হল। গতিকে সেই সময়ত গুৱাহাটীত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ ইমানতে শেষ। গতিকে ১৯৪৩ চনৰ পৰা শ্ৰীপাদ বৃন্দাবন ব্ৰহ্মচাৰী য়েওঁ, সতীৰ্থ ধমধমাৰ শ্ৰীশ্ৰীনিমানন্দ গৌৰীয় মঠ নিৰ্মাণ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিবলৈ ধৰে। এনে সময়ৰে কোনো এটা চনত মায়াপুৰস্থ মঠাধ্যক্ষ শ্ৰীমৎভক্তি সিদ্ধান্ত সৰস্বতী প্ৰভুপাদে অপ্ৰকট লীলা গ্ৰহণ কৰে। ইয়াৰ পিছত আচাৰ্য্য শ্ৰীনিমানন্দ সেৱাতীৰ্থ ঠাকুৰে মায়াপুৰ ধামৰ মঠাধ্যক্ষ হ'ব লগা হ'ল।

পৰৱৰ্তী কালত ১৯৪৪ আৰু ১৯৪৬ চনত সমিতিৰ সোঁহাত স্বৰূপ শ্ৰীপাদ সনৎ কুমাৰ ব্ৰহ্মচাৰী আৰু শ্ৰীপাদ বৃন্দাবন ব্ৰহ্মচাৰীয়ে বিবাহ পাশত আবদ্ধ হৈ সংসাৰী হয়। ফলত অসম বৈষ্ণৱ সন্মিলনীৰ প্ৰচাৰকাৰ্য্য শিথিল হৈ পৰে। ইমানৰ পিছতো আচাৰ্য শ্ৰীল নিমানন্দ প্ৰভু হতাশ হোৱা নাছিল। তেওঁ নিজৰ সহধৰ্মিনী শ্ৰীযুতা কামিনী বালা দেৱীকে প্ৰচাৰ কাৰ্য্যত নিয়োগ কৰিলে। ১৯৩৭ চনত পাঠশালাৰ শিভিমাৰীৰ (কতৰাতল) শ্ৰীপাদ আত্মাৰাম দাসাধিকাৰীৰ ঘৰত ভাগৱত পাঠ কৰি থাকোতে হঠাৎ আচাৰ্য শ্ৰীল নিমানন্দ প্ৰভু অসুস্থ হৈ পৰে। ক্ৰমান্বয়ে তেওঁৰ স্বাস্থ্যৰ অৱনতিহে ঘটিল। উক্ত চনৰে ৯ মাঘ তাৰিখে গোৱালপাৰাৰ ভেলাখামাৰ গাঁৱৰ শ্ৰীপাদ বৃন্দাবন দাসধিকাৰীৰ ঘৰত আচাৰ্য দেৱক সম্বৰ্ধনা জনাবলৈ এখন ডাঙৰ সভাৰ আয়োজন কৰা হৈছিল। কিন্তু অসুস্থতাৰ হেতু আচাৰ্য উপস্থিত হ'ব নোৱাৰিলে। বৰং পিছদিনা মাঘৰ ১০ তাৰিখে শুক্লা এয়োদশী তিথিত তেওঁ ইহলীলা সম্বৰণ কৰিলে। ১৯৪৬ চনৰ পৰা শ্ৰীপাদ খগেন ব্ৰহ্মচাৰী সৰভোগ মঠৰ মঠৰক্ষক আছিল যদিও ১৯৪৮ চনৰ আহাৰ মাহত মঠৰক্ষকৰ পৰা পদত্যাগ কৰে। সেই চনৰে ২৪ আহাৰত টিহু নিবাসী শ্ৰীবংশীধৰ দাসৰ ঘৰত শ্ৰীযুতা কামিনী বালা দেৱীৰ অনুমোদন ক্ৰমে শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰীক নাম-দীক্ষা দিয়াৰ বাবে আচাৰ্য্য পদত নিযুক্তি দিয়া হয়। সেই হিচাপে দুই চাৰি জনক তেওঁ নাম-দীক্ষা দিয়া আৰম্ভ কৰে। কিন্তু সেই চনৰে ভাদ মাহৰ শ্ৰীশ্ৰী জন্মাষ্টমীৰ দিনা শ্ৰী পাদ সনৎ কুমাৰ দাসাধিকাৰীয়েওঁ কোনো ভক্তৰ নাম-দীক্ষা প্ৰদান কৰে। তথাপি 'অসম বৈষ্ণৱ সন্মিলনী'ৰ ভক্তসকলে সৰভোগ মঠ বাদ দি পাতিলাদাহাত সেই চনতে "সাৰস্বত গৌৰীয়" নামেৰে অন্য এটি বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰ স্থাপন কৰে। সেই সময়ত সমিতিৰ সদস্য সকলে মিলা-মিচা কৰি শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰীক সভাপতি আৰু শ্ৰীপাদ কালাচাঁদ দাসাধিকাৰীক সম্পাদক হিচাপে সন্মিলনীৰ কাৰ্যকৰী সমিতি গঠন কৰে। এই সমিতিয়ে দহ বছৰ কাম-কাজ নিয়াৰিকৈ চলায়। ১৯৫৭ চনত এই সমিতি পুনঃ সলনি হয়। এইবাৰ নতুন সমিতিত শ্ৰীপাদ কালাচাঁদ দাসাধিকাৰী সভাপতি, শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰী ধনভঁৰালীৰ দায়িত্বত থাকে। ১৯৬০ চনত নৱদ্বীপ ধামৰ পৰা শ্ৰীভক্তি বেদান্ত পৰিব্ৰাজক মহাৰাজ অসমলৈ আহে। এই খিনিতে সন্মিলনীয়ে শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰী আৰু শ্ৰীপাদ বৃন্দাবন দাসধিকাৰীক নাম-দীক্ষা দিবলৈ মানা কৰে। শ্ৰীভক্তি পৰিব্ৰাজক মহাৰাজক নাম-দীক্ষা দিয়াৰ দায়িত্ব সহকাৰে মঠ পৰিচালনা কৰিবলৈ সমিতিয়ে ক্ষমতা অৰ্পণ কৰে। কাম কাজত মহাৰাজৰ শিথিলতা দেখি সমিতিয়ে তিনিওজনকে পুনঃ শিষ্য বনোৱাৰ কৰ্তৃত্ব প্ৰদান কৰে। বিপৰীতে কিছুদিন পিছত শ্ৰী ভক্তি বেদান্ত পৰিব্ৰাজ মহাৰাজে অসম বৈষ্ণৱ সন্মিলন ত্যাগ কৰি বঙ্গাইগাওঁলৈ গুছি যায়। তাতেহে তেওঁ মঠ পৰিচালনাৰ কামত আত্ম নিয়োগ কৰিলে আৰু বৈষ্ণৱ সন্মিলনী নাম দি এখন সমিতিৰ জৰিয়তে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত নামি পৰিল। গতিকে পূৰ্বে নিৰ্দ্ধাৰণ কৰি দিয়া মতে শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰী আৰু শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰীয়ে অসম বৈষ্ণৱ সন্মিলনীৰ কাম কাজ নিয়মিত ৰূপে চলাই থাকিবলৈ ধৰিলে।

১৯৬৯ চনৰ কথা। অন্নকূট গোবৰ্দ্ধন পূজাৰ বাবে পাতিলাদাহা সাৰস্বত গৌড়ীয় মঠত চাঁদা আদি তোলাৰ প্ৰস্তুতিৰ কাম চলি আছে। এনেতে শ্ৰীপাদ সনৎক কুমাৰ দাসাধিকাৰীৰ শিষ্য শ্ৰীপাদ (২নং) দীনবন্ধু দাসাধিকাৰীয়ে সমিতিত কোনো আলোচনা নকৰাকৈ শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰী আৰু শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰীক গোস্বামী উপাধিৰে বিভূষিত কৰি অন্নকূট উৎসৱৰ বাবে চিঠি ছপা কৰে আৰু প্ৰকাশ কৰে। এনে কাৰ্য্যত সমিতিৰ সদস্য সকলৰ নানা তৰ্ক বিতৰ্ক সৃষ্টি

হয়। সমস্যাটোৰ সমাধানৰ পথ বিচাৰি ১৯৬৯ চনত মালিপাৰাত ১৯৭০ চনত ভাটীপাৰাত সেই চনৰে ২৬ মাঘত গড়মাৰাত ১৯৭১ চনত ধমধমাত, ১৯৭২ চনত উলুবাৰীত আৰু ৬-১-১৯৭৮ ইং তাৰিখে (পুনঃ) ধমধমাত একোখন সভা অনুষ্ঠিত কৰা হৈছিল। শেহতীয়াকৈ পতা ধমধমাৰ ৰাজহুৱা সভাখনত কেইজনমান গণ্যমান্য ব্যক্তিও উপস্থিত আছিল। কিন্তু কোনোপধ্যে সমস্যাটোৰ সমাধান নহ'ল। উপায় নাপাই শ্ৰীপাদ সনৎ কুমাৰ দাসাধিকাৰী অসম বৈষ্ণৱ সন্মিলনীৰ পৰা পদত্যাগ কৰে। ইতিমধ্যে উক্ত শ্ৰীপাদ দীনবন্ধু দাসাধিকাৰীয়ে বিশেষ তৎপৰতাৰে অন্য এখন বৈষ্ণৱ সমিতি গঠন কৰিছিল। সেই সমিতিত আচাৰ্য হিচাপে শিলিগুৰিৰ শ্ৰীপাদ সজ্জন মহাৰাজক নিযুক্তি দিয়ে থৈছিল। শ্ৰী পাদ সনৎ কুমাৰ দাসাধিকাৰীয়ে উক্ত সন্মিলনত যোগদান কৰিলে। ইয়াৰ পিছত তেওঁ শ্ৰীপাদ মহেন্দ্ৰ দাসাধিকাৰী সহ আন বৈষ্ণৱ মিলি অসম বৈষ্ণৱ মহাসভা নামেৰে এখন সমিতি গঠন কৰে। এই সমিতিৰ জৰিয়তে তেওঁ বৰশিমলুগুৰিত সৰস্বতী গৌড়ীয় আশ্ৰম নাম দি এটা গৌড়ীয় মঠ নিৰ্মাণ কৰে আৰু বেলেগকৈ বৈষ্ণৱ ধৰ্ম প্ৰচাৰত লাগে। বিশেষ এটি কৰ্ম ৰোগেৰে আক্ৰান্ত হোৱাত শ্ৰীপাদ বৃন্দাবন প্ৰভুৱে সভা সমিতিত যোগদান কৰিব পৰা নাছিল। ১৯৭৬ চনত সমিতিৰ বাৰ্ষিক অধিবেশনখন পতা হয় উলুবাৰীত। সিদিনাৰ সভাখনতে পুৰণা কমিটিখন ভঙ্গ কৰি নতুন সমিতি এখন গঠন কৰা হয়। নতুন সমিতি খনত সভাপতি, উপ-সভাপতি আৰু সম্পাদকৰ দায়িত্বত ৰখা হয় ক্ৰমে শ্ৰীপাদ প্ৰেমানন্দ দাসাধিকাৰী, শ্ৰীপাদ দৈত্যাৰী মোহন দাসাধিকাৰী আৰু শ্ৰীপাদ চায়াদ্বৈত দাসাধিকাৰী। কেইমাহৰ পিছত শ্ৰীপ্ৰেমানন্দ দাসাধিকাৰীক দ্বিতীয় আচাৰ্যৰ ভাৰো অৰ্পণ কৰা হয়। পৰৱৰ্তী কালত ১৫-৫-১৯৭৯ চনত পুনঃ থমনা গাঁৱত বাৰ্ষিক সন্মিলনখন অনুষ্ঠিত হয়। উক্ত সভাত পুৰণা কমিটীয়ে পদত্যাগ কৰে। সভাপতিৰ পদত শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰী আৰু সম্পাদকৰ পদত শ্ৰীপাদ জয়াদ্বৈত দাসাধিকাৰীক নিৰ্বাচন কৰা হয়। এই সমিতিখন বৰাখাটৰ শ্ৰীপাদ গোবৰ্দ্ধন দাসাধিকাৰীৰ গৃহত ১৬-২-১৯৮৪ তাৰিখত নতুনকৈ সালসলনি ঘটে। এইবাৰ শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰী, শ্ৰীপাদ ধ্ৰুৱনন্দ দাসাধিকাৰী আৰু শ্ৰীপাদ জয়াদ্বৈত দাসাধিকাৰীয়ে ক্ৰমে সভাপতি, উপ-সভাপতি আৰু সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰে।

১৯৮৬ চনৰ ফাগুন মাহৰ ৩০ তাৰিখে দৌল পূৰ্ণিমা তিথিৰ দিনা ভাগীৰথী পাৰৰ কাটোৱা তীৰ্থত ত্ৰিদণ্ডীস্বামী শ্ৰীমদ্ভক্তি বেদান্ত পৰিব্ৰাজক গোস্বামী মহাৰাজৰ পৰা শ্ৰীপাদ বৃন্দাবন দাসাধিকাৰী আৰু শ্ৰীপাদ প্ৰেমানন্দ দাসাধিকাৰীয়ে ত্ৰিদণ্ড সন্ন্যাস গ্ৰহণ কৰে। সন্ন্যাসৰ নিয়মানুযায়ী তেওঁলোকৰ নাম ৰখা হয় শ্ৰীমদ্ভক্তি বিবেকবন মহাৰাজ আৰু শ্ৰীমদ্ভক্তি প্ৰেমপাৰমাৰ্থী মহাৰাজ। ইয়াৰ পিছত ত্ৰিদণ্ডী স্বামী মদ্ভক্তি বিবেকবন মহাৰাজ ধমধমাৰ শ্ৰীশ্ৰী নিমানন্দ গৌৰীয় মঠলৈ আহি আচাৰ্য ও সভাপতি হিচাপে নিযুক্তি পাই কাৰ্য্যনিৰ্বাহ কৰি থাকে। ইতিমধ্যে বিজনীৰ উত্তৰে উলুবাৰীত আন এটি গৌৰীয় মঠো স্থাপিত হয়। শ্ৰীমদ্ভক্তি বিবেকবন মহাৰাজ উক্ত উলুবাৰী মঠো চোৱা চিতা কৰে। ১৯৮৮ চনৰ বহাগ মাহত বঙাইগাওঁ মঠৰ প্ৰতিষ্ঠাতা শ্ৰীমদ্ভক্তি প্ৰেম পাৰমাৰ্থী মহাৰাজে বৈষ্ণৱ সন্মিলনীৰ অন্তৰ্গত বঙাইগাওঁ মঠৰ নাম-দীক্ষা দিয়াকে ধৰি সমস্ত প্ৰচাৰ কাৰ্যৰ ভাৰ বহন কৰে। শ্ৰীমদ্ভক্তি বিবেকবন মহাৰাজে ধমধমা মঠত বৈষ্ণৱ থকা গৃহ আদি নিৰ্মাণ কৰি ৰাইজৰ মাজত অতি প্ৰিয় হৈ পৰে। কিন্তু এটা কথা যে মঠৰ বহু কাম কৰিবলৈ বাকীথাকোতে ১৯৯৩ চনৰ শাওনৰ মাহত তেওঁ অপ্ৰকট লীলা গ্ৰহণ কৰে। এই সময়ত সন্মিলনীৰ আচাৰ্য শ্ৰীপাদ বীৰভদ্ৰ দাসাধিকাৰীয়ে অতি কম দিনৰ ভিতৰতে অপ্ৰকট লীলা গ্ৰহণ কৰে। ইয়াৰ পিছত শ্ৰীপাদ ধ্ৰুৱ দাসাধিকাৰীক আচাৰ্য ভাৰ অৰ্পণ কৰে। অৱশ্যে শাৰীৰিক অসুস্থ্যতাৰ বাবে পিছত শ্ৰীপাদ মুৰাৰী মোহন দাসাধিকাৰী সেৱভূষণ দেৱক আচাৰ্যৰ দায়িত্ব দিয়া হয়। ইয়াৰ উপৰি অসমত বেদান্ত সমিতিকে ধৰি অন্যান্য দুইএখন চৈতন্য বৈষ্ণৱ ধৰ্ম প্ৰচাৰ সমিতিও গঠন হৈছে। এইবোৰ সমিতিৰ সৌজন্যত গুৱাহাটী (পল্টন বজাৰ)ত পাণ্ডুত, বাসু গাওঁত, তেজপুৰত, মৰিগাওঁত একোটি গৌৰীয় মঠৰ আশ্ৰয়ত চৈতন্য বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হৈ আছে। বৰ্ত্তমান পাঠশালাৰ ওচৰৰ জালাহ গাওঁতো উক্ত বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি উঠিব ধৰিছে।

মহাপুৰুষ শ্ৰীদামোদৰ দেৱ ১৪৮৮ চনত নগাওঁৰ নলচা গাওঁত জন্মিছিল যদিও ১৫০৫ চনত তেওঁ পূৰ্বপুৰুষ সকলৰ বাসভূমি হাজোৰ ৰত্নেশ্বৰ গাওঁ লৈ উভতি আহে। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত দৈনিক ভাগৱত পাঠ কৰি শ্ৰোতাক মুগ্ধ কৰে। নৱদ্বীপ টোলত অধ্যয়ন কৰোতে দামোদৰ

দেৱে শ্ৰীকৃষ্ণ চৈতন্য মহাপ্ৰভুৰ লগত চা-চিনাকি হৈছিল। এনে সুবাদতে ১৫০৮ চন মানত অসমলৈ আহে আৰু দামোদৰ দেৱক লগ ধৰে। তেওঁ দামোদৰদেৱক জাতি-ধৰ্ম-নিৰ্বিশেষে জনসাধাৰণৰ মাজত সমভাৱে কৃষ্ণ-প্ৰেম ৰস (বৈষ্ণৱ ধৰ্মৰ বাণী) বিলাবলৈ উপদেশ দি যায়। সেইবাবে শ্ৰীশ্ৰীদামোদৰ দেৱে প্ৰচাৰ কৰা বৈষ্ণৱ পন্থাটো চৈতন্য মহাপ্ৰভুৰ আৰ্হিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। তেওঁৰ শিষ্য সকল অসমত দামোদৰীয়া হিচাপে জনাজাত।

শ্ৰীশ্ৰীদামোদৰ দেৱে নিজে প্ৰতিষ্ঠা কৰা সত্ৰ সমূহ হ'ল—

১। পাটবাউসী।

২। বেদুৰাসত্ৰ (বিজয় নগৰ)।

৩। ভিতৰুৱা চাপ (তৰুৱা চাপ, কোচবিহাৰ)।

৪। দামোদৰ ধাম।

৫। বেহাৰৰ দামোদৰ পুৰ ধাম।

পৰবৰ্তী কালত শিষ্য সকলৰ দ্বাৰা প্ৰতিষ্ঠিত সত্ৰ হ'ল—

১। আউনী আটী সত্ৰ

২। দক্ষিণ পাট সত্ৰ

৩। কুৰুৱা বাসী সত্ৰ

৪। গড় মূৰ সত্ৰ

অসমৰ অন্যতম মহাপুৰুষ হ'ল শ্ৰীশ্ৰী হৰিদেৱ তেওঁৰ জন্ম হয় উজনি অসমৰ নাৰায়ণপুৰ নামে এখন গাঁৱত ১৪২৬ চনত। তেওঁৰ এজনী ভনীয়েক আছিল। নাম সুভদ্ৰা। তেওঁৰ যোল্ল বছৰ আৰু ভনীয়েক ছয় বছৰ বয়সত বাপেক অজনাভে দেহত্যাগ কৰে। মাতৃ পাৰিজাতী দেৱীয়ে স্বামীৰ শোকত বিহ্বল হৈ সহগামী হয়। তাৰে কিছুদিন পিছতে তেওঁ ভনীয়েকক লৈ হাজো অভিমুখে আহে। বাটত বৃদ্ধৰূপী নাৰায়ণ এজনক লগ পাই পুৰী (জগন্নাথ)লৈ যায়। কিন্তু দুৰ্ভাগ্য যে জগন্নাথ আহি পোৱাৰ পিছতে ভনীয়েক সুভদ্ৰাৰ মৃত্যু হয়। তাৰ পিছত তেওঁ কাশীলৈ যায়। তাতে তেওঁ চাৰিবছৰ থাকি টোলত অধ্যয়ন শেষ কৰি জগন্নাথলৈ উভতে। ইয়াতে ৫ বছৰ কাল তেওঁ জগন্নাথ ধামত ভাগৱত পাঠ কৰে। ইয়াৰ পৰা শ্ৰীশ্ৰী হৰিদেৱে গৈ নৱদ্বীপ ধাম পায়। ইয়াতে তেওঁ শ্ৰীকৃষ্ণ চৈতন্য দেৱৰ ধৰ্মৰ আৰ্হি পূৰ্ণ মাত্ৰাই অধ্যয়ন কৰে। ১৪৫৩ চনত তেওঁ পিতৃ-পিতা মহৰ ঠাই অসমৰ বহৰিলৈ উভতি আহে। তাতে তেওঁ এখন সত্ৰ প্ৰতিষ্ঠা কৰি বৈষ্ণৱ ধৰ্ম চৰ্চাত আত্মনিয়োগ কৰে। গুৰুজনাই ১৪৫৭ খৃষ্টাব্দত মানেৰীত ২য় খন সত্ৰ স্থাপন কৰে আৰু তাতেই মহাপুৰুষ শঙ্কৰদেৱ আৰু মহাপুৰুষ দামোদৰক লগ পায়।❑❑

(লেখিকা অৱসৰী শিক্ষয়িত্ৰী, হাৰিভাঙ্গা)

ফোন নং- ৭৪০১৬৩৮৫০৭

# হৰিদেৱ আৰু দৰ্শন

ড° সুমিত্ৰা চৌধুৰী

মহাপুৰুষ হৰিদেৱ অসমৰ এগৰাকী বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক আৰু প্ৰচাৰক/বনগএগগিৰীৰ শ্ৰীহৰিদেৱ চৰিত মতে 'তেৰাৰ আঠচল্লিশ শকত' লখিমপুৰৰ নাৰায়ণপুৰত হৰিদেৱৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল অজনাভ আৰু মাতৃৰ নাম হ'ল পাৰিজাতি। পৰম বৈষ্ণৱ পিতৃ-মাতৃৰ ঈশ্বৰ ভক্তি দেখি হৰিদেৱৰ কাৰ্যতো হৰিভক্তিৰ মাহাত্ম্য দেখা যায়। মহাপুৰুষজনাই শৈশৱ কালৰ পৰাই ধৰ্মীয় ভাৱধাৰাৰ মাজেৰে সমাজখন পৰিচালিত কৰিবলৈ শিকাইছিল। ৰজাৰ ৰোষত পৰি হৰিদেৱে জন্মস্থান নাৰায়ণপুৰ ত্যাগ কৰিব লগা হয়। হৰিদেৱে ভনীয়েক সুভদ্ৰাক লগত লৈ পলাবলৈ সক্ষম হয়। তেওঁলোক ভেলত উঠি লুইতেৰে ভটিয়াই অশ্বকান্ত পালেহি। তাতেই সুভদ্ৰাৰ মৃত্যু হয়। ইয়াৰ পিছত হৰিদেৱে ভাৰতৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি আহি বহৰি গাঁওত স্থায়ীভাৱে থাকিবলৈ লয় আৰু তাত সত্ৰ প্ৰতিষ্ঠা কৰে। হৰিদেৱে বহৰি সত্ৰত তিনিবছৰকাল তিনিবেলা-তিনিপ্ৰসঙ্গ আৰু নামকীৰ্ত্তন কৰি বৈষ্ণৱ ধৰ্মত সোঁত বোৱাইছিল। ভক্তসকলক শৰণ আৰু দীক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। এই সময়তে তেওঁ কৃষ্ণকান্ত অধ্যাপকৰ কন্যা তিলোত্তমা দেৱীক বিয়া কৰায়। হৰিদেৱৰ তিনিজন সন্তানৰ ভিতৰত ভূৱনেশ্বৰী আছিল প্ৰথম সন্তান আৰু কনিষ্ঠ কন্যাৰ নাম আছিল বনমালা। মানেৰী সত্ৰৰ দায়িত্ব তেওঁৰ জ্যেষ্ঠ কন্যা ভূৱনেশ্বৰীৰ হাতত অৰ্পণ কৰি মালা নিৰ্মালী দিলে। হৰিদেৱে মতা-তিৰোতা সকলোকে দীক্ষা আৰু শৰণ দিছিল।

হৰিদেৱৰ ভক্তিধৰ্মৰ মূল লক্ষ্য আছিল বিশ্বাস আৰু ভক্তিক উচ্চ আসন প্ৰদান কৰা। এখন নিকা আৰু বৈষম্যহীন সমাজ গঢ়াই আছিল গুৰুদেৱৰ লক্ষ। সেয়েহে জাতি, ধৰ্ম, বৰ্ণ, পুৰুষ, স্ত্ৰী নিৰ্বিশেষে কোনো ব্যৱধান নাৰাখি ভক্তিধৰ্ম প্ৰচাৰ কৰি সমাজক একতাৰে বান্ধি ৰাখিছিল। বিষ্ণু বা কৃষ্ণক ঈশ্বৰ বুলি ভাবি একেশ্বৰবাদ প্ৰচাৰ কৰাৰ চেষ্টা কৰিছিল। সকলো জীৱই এক ঈশ্বৰৰ সৃষ্টি। সেয়েহে জীৱৰ মাজত কোনো ভেদাভেদ নাই। শৰণ আৰু দীক্ষাৰ দ্বাৰাই ব্ৰহ্মময়তা উপলব্ধি কৰিছিল। হৰিদেৱ আৰু দামোদৰদেৱৰ পন্থাত বেদ বিহিত আৰু ভাগৱত সন্মত কৰ্মত ভক্তিৰ যোগেদি মুক্তি লাভৰ সন্ধান দিয়ে। তেওঁলোকৰ অসমৰ বৈদিক ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্তক পুৰুষৰূপে গণ্য কৰিব পাৰি। শ্ৰৱণ কীৰ্তনাদি নৱবিধ ভক্তি আচৰণ উভয় মাৰ্গৰেই উমৈহতীয়া বস্তু হ'লেও শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম আৰু শ্ৰীহৰিদেৱ আৰু দামোদৰদেৱৰ বৈদিক ভাগৱতী বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক পুৰুষৰূপে গণ্য কৰিব পাৰি।

শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি ৰত্নাকৰ নাম ধৰ্মৰ যি ভিত্তি স্থাপন কৰিছে সেইদৰে হৰিদেৱৰ ভক্তিৰস তৰঙ্গিণীয়ে তেওঁলোকৰ ধৰ্মৰ ভিত্তি মজবুত কৰিছে।

নিৰ্গুণ ব্ৰহ্মক উপাসনাৰে লাভ কৰিব নোৱাৰি কাৰণে পৰম প্ৰেম ৰূপে সাকাৰ ব্ৰহ্মক শ্ৰীমন্ত শংকৰদেৱ হৰিদেৱ আৰু দামোদৰদেৱে উপাসনা কৰিছিল। ভগৱান শ্ৰীকৃষ্ণই আছিল তেওঁলোকৰ আৰাধ্য দেৱতা। প্ৰেম ভক্তিয়েই হ'ল ভগৱানক পোৱাৰ একমাত্ৰ উপায়। মহাপুৰুষ হৰিদেৱ আৰু দামোদৰদেৱে বেদৰ ৰীতি-নীতি মানি ভক্তি ৰসত সকলোকে নিমজ্জিত কৰিবলৈ প্ৰয়াস কৰিছে। তেওঁলোক ভাগৱতক আদৰ্শৰূপে লৈ পৰম ব্ৰহ্মকে আৰাধনা কৰিছিল।

তেওঁৰ দৰ্শণগত মানৱ প্ৰেমৰ নিদৰ্শন পোৱা যায় হৰি নামৰ ধ্বনিত—

"ৰাম নামে অন্ন কৰিও ভোজন
ভকত বৎসল হৰি
চাৰিও বেদৰ তত্বক বিচাৰি
নাম খেলা সাৰ কৰি।"

হৰিদেৱৰ মতে ভগৱান কৃষ্ণই সমগ্ৰ জগতৰ সৃষ্টি কৰ্তা। জীৱাত্মা পৰমাত্মাৰ অংশ বিশেষ। এডাল সূতাত মনি গাঁঠি যোৱাৰ দৰে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত এক নিবিড় সম্বন্ধ আছে। কলি কালত কৃষ্ণ নাম কীৰ্তনৰ দ্বাৰা পৰম গতি লাভ কৰিব পাৰি।

কৃযঞ্চৰ কীৰ্তনত কলিৰ কালত অন্যদেৱ দেৱীৰ আশ্ৰয় নলৈ কৃষ্ণ ভজনা কৰিব লাগে। নৱবিধ ভক্তি আচৰণ কৰি কৃযঞ্চৰ চৰণত মন অৰ্পণ কৰি আত্ম নিবেদন কৰিব লাগে। তেতিয়া পৰম শান্তি লাভ কৰিব পাৰি। তেতিয়া—

"সৰ্ব্ব খলু ইদং ব্ৰহ্ম
যাহা যাহা নেত্ৰ পৰে
তাহা তাহা কৃযঞ্চ ফুৰে।।"

তেওঁ উপলব্ধি কৰে যে 'একাত্মবাস বিশ্বম'। গোটেই বিশ্ব ব্ৰহ্মাণ্ডই সেৱাৰ আস্পাদ হয়গৈ "এক দেৱ এক সেৱ" একশৰণ তত্বৰ ওপৰত হৰিদেৱ দামোদৰ আৰু শংকৰদেৱ বিশ্বাসী আছিল। হৰিদেৱত শৰণ সিদ্ধান্তত এই কথা পোৱা যায়। ভক্তি অবিহনে ঈশ্বৰক উপলব্ধি কৰিব নোৱাৰি। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে— "মই কোৱা এই জ্ঞানৰ কথা তপস্যাহীনজনক, ভক্তিহীনজনক বা যি শুনিবলৈ ইচ্ছা নকৰে এনে মানুহক কোৱা উচিত নহয় আৰু দোষ যুক্ত দৃষ্টিৰে চাই যি মোক অৱজ্ঞা কৰে তাকো কোৱা উচিত নহয়।" সাত্তিক কৰ্মই অন্তৰত ভক্তিভাৱৰ উদ্ৰেক কৰে ভক্তিৰ পৰাই তত্ত্ব জ্ঞান ওপজে আৰু এই জ্ঞানে মুক্তি সাধে। এনেদৰে স্বাৰ্থ শব্দটোৰ স্ব- শব্দৰ অৰ্থ শৰীৰ বুজিলে সংসাৰ বন্ধন হ'ব আৰু আত্মা বুজিলে মুক্তি পাব। সেয়েহে নৱবিধ ভক্তি মাৰ্গৰি প্ৰেমভাৱে বিযুঃ বিষয়ত মন শুদ্ধ কৰি অৰ্পণ কৰিলে পৰমশ্ৰেয় লাভ কৰিব পাৰি আৰু ব্ৰহ্মানন্দতম উপলব্ধি হয়।

গুৰু হৰিদেৱৰ মতে ভক্তি ধৰ্মত সকলো সাধনাৰ ভিতৰত সৰ্বোত্তম সাধনা হ'ল শৰণ। শৰণ মানে হৰিত শৰণ। শৰণ অবিহনে ভকতিৰ দুৱাৰ খুল নাখায়।

শৰণ বিহনে জানা ভক্তি নজন্ময়
অনাপক্ক ভান্দে যথা জল নাহিৰয়।

হৰিদেৱে তেওঁৰ 'শৰণ সিদ্ধান্ত'ত লিখিছে—

"বিবিধ গ্ৰন্থহন্তে সাৰ তত্ব লইয়া
শৰণ সিদ্ধান্ত ভনো ভৱ মুক্তি কায়া
গুৰু শিষ্য পূজা মালা মন্ত্ৰ জপ শৰণ
আৰো অৰ্চন ভক্তি এহি বৈষ্ণৱ লক্ষণ।

শংকৰদেৱেও নৱবিধা ভক্তিৰ কথা উল্লেখ কৰিছে।

শ্ৰৱণ কীৰ্ত্তন নাম স্মৰণ সেৱণ
অৰ্চন বন্দন আৰু আত্ম নিবেদন।"

একমাত্ৰ কৃষ্ণৰ ওচৰত শৰণ ল'লে জীৱই মুক্তি লাভ কৰিব পাৰে। শংকৰদেৱ আৰু হৰিদেৱৰ ভক্তি যোগৰ দ্বাৰা দাস্য ভক্তিৰ উমান পোৱা যায়। শংকৰদেৱে গীতবোৰৰ জৰিয়তে 'দাসৰে দাস তান দাস ভৈলো আমি" বুলি উল্লেখ কৰিছে। হৰিদেৱে 'শৰণ সিদ্ধান্ত'ৰ আশ্ৰয়তত্ব বা শৰণাগতিত গুৰুত্ব দি শৰণ নিৰ্ণয়ত কৈছে—

সৰ্বভক্তি কৃষ্ণপদ শৰণ জানিবা
যত সাধু নৰমাত্ৰে ইহাক কহিবা
শৰণ বিহনে জানা ভক্তি নজন্মায়।
অনা পক্কভান্দে যথা জল নাহিৰয়
সাক্ষাত পুৰুষোত্তম শ্ৰীকৃষ্ণে চৰণ
আশ্ৰয় লভিবে তৈত কায় বাক্য মন"

শ্ৰীশ্ৰী হৰিদেৱে শৰণ অবিহনে ভক্তি নহয় বুলি কৈ কৃষ্ণহে পুৰুষোত্তম বুলি কৈ তেওঁৰ চৰণত শৰণ লোৱাৰ কথা কৈছে। সংস্কাৰে যেনেদৰে জীৱক কৰ্মত প্ৰবৃত্ত কৰায় আৰু পূৰ্বজন্মৰ কৰ্মফল অনুসাৰে জীৱই বিভিন্ন যোনীত জন্ম গ্ৰহণ কৰে। বিযুৰ নাম, গুণ, শ্ৰৱণ, কীৰ্ত্তন কৰিলে কলিযুগত সকলো দুখ মৰিষণ হয়।

সত্য যুগে বিযুঃ ধ্যানে যি ফল হোৱয়
ত্ৰেতা যুগে যাগ যজ্ঞে যি ফল লভয়
দ্বাপৰত পূজা কিয়ো যি ফল পাৱয়
কলিত হৰি নাম কীৰ্ত্তনে যি ফল মিলয়।

কলি যুগত শ্ৰৱণ কীৰ্ত্তনৰ সাৰ্বজনীনতাৰ সমাৱেশ কৰি বৈষ্ণৱ ধৰ্মক নতুন ৰূপ দিছিল।

শ্ৰৱণ কীৰ্ত্তন ধৰ্ম ভক্তি আচৰণ
মূল ভাগৱতে পাই কৰয় ধাৰণ

নৱবিধ ভক্তিৰ লক্ষণ সমন্বিতে
প্ৰকাশ কৰয় গুৰু ভক্তি নিমিত্তে"

হৰিদেৱ একেশ্বৰবাদী ধাৰণাত বিশ্বাসী হ'লেও বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যাওতে অন্য দেৱ-দেৱীক কেতিয়াও তুচ্চবুলি প্ৰমাণ কৰাৰ চেষ্টা কৰা নাই। নিজ আত্মাত ঈশ্বৰৰ উপলব্ধিৰে নিৰ্গুণ উপাসনা সম্ভৱ যদিও সৰ্বসাধাৰণ লোকৰ বাবে ভক্তি মাৰ্গৰ দ্বাৰা সগুণ ঈশ্বৰৰ সন্ধান পোৱা যায়।

কায় বাক্য মনৰ সম্পূৰ্ণ আত্মসমৰ্পণ বা শৰণেই পৰাভক্তি বা জীৱৰ পঞ্চম পুৰুষাৰ্থৰূপে পৰিণত হয়। সাধাৰণভাবেও ভগৱন্তত আশ্ৰয় ল'লে তেওঁ কৃপাদান কৰে ("যে যথা মাংপ্ৰপদ্যন্তে তাং তথৈৱ ভজাম্যহম্" গীতা ৪।।১১) শৰণাগতক তেওঁ যিকোনো উপায়ে উদ্ধাৰ কৰি মুক্তি প্ৰদান কৰে। "তেষামহং সমুদ্ধাৰ্ত্তাৰ মৃত্যু সংসাৰ সাগৰাৎ" এই কথা পদ্ম পুৰাণতো উল্লেখ আছে। মহাপুৰুষ শ্ৰীহৰিদেৱে ইয়াক "শৰণ সিদ্ধান্তত এইদৰে কৈছে—

"সৰ্ব্ব ভক্তি কৃষ্ণপদ শৰণ জানিবা।
য'ত সাধু নৰ মাত্ৰে ইহাক কহিবা।।
শৰণ বিহনে জানা ভক্তি নজন্ময়।
অনাপক্ক ভাণ্ডে যথা জল নাহি ৰয়।।"
(৩য় স্তৱক, শ, সি)

শৰণ ধৰ্ম সম্পূৰ্ণ বৈদিক আৰু এই বেদৰ পৰাই বৌদ্ধ ধৰ্মতো 'বুদ্ধং শৰণং গচ্ছামি' আদি ত্ৰি শৰণ গ্ৰহণ কৰা হৈছে। গীতাত ২য় অধ্যায়ত পোৱা যায়—

"সৰ্ব্ব ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ"

ভগৱান কৃষ্ণই গীতাত কৈছে যে, মানুহে অনেক জন্মৰ সাধনাৰ শেষতহে 'বাসুদেৱেই সকলো' এই জ্ঞান লাভ হয় আৰু এনে জ্ঞানবান লোকেহে মোত শৰণাপন্ন হয়। এই মহাত্মা কিন্তু বৰ দুৰ্লভ।

অসমৰ বৈষ্ণৱ গুৰুসকলৰ একশৰণ নাম ধৰ্মৰ মূলতত্ত্ব হ'ল 'একমেৱম্ অদ্বিতীয় ব্ৰহ্মত' শৰণাপন্ন হোৱা। গুৰু হৰিদেৱেও এনে মতকে পোষণ কৰি তেৰাৰ ভক্তসকলক উপদেশ দিছে—

অন্যদেৱ শৰণ যে সবে পৰিহৰি।
বিশেষত অন্যদেৱৰ ভজন এৰি।।
পৰম হৰিকে মাথো ভজন কৰন্ত।
শ্ৰীচৰণে এক শৰণ লইয়া থাকন্ত।।

মহাপুৰুষ হৰিদেৱেও ভক্তসকলক নৱবিধ ভক্তি আচৰণ কৰি মোক্ষ প্ৰাপ্তিৰ পথৰ সন্ধান কৰিবলৈ উপদেশ দিছে।

মহাপুৰুষ হৰিদেৱে বেদ, পুৰাণ, তন্ত্ৰ আৰু মহাকাব্য আদি ধৰ্মগ্ৰন্থৰ পৰা প্ৰকৃত ভক্ত আৰু ভক্তি নিৰ্ণায়ক কিছুমান শ্লোক অসমীয়াত ভাঙনি কৰি স্বৰচিত 'শৰণ সিদ্ধান্ত' নামৰ পুথিখনত সন্নিবিষ্ট কৰিছে। 'শৰণ সিদ্ধান্ত' আৰু 'ভক্তিৰস তৰঙ্গণী'ত ভক্তিৰ মাহাত্ম্যৰ কথা বৰ্ণনা কৰিছে। শৰণ সিদ্ধান্তত নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তনকেই কলিযুগৰ মানুহৰ বাবে মুক্তিৰ একমাত্ৰ উপায় বুলি কৈছে—

শ্ৰৱণ কীৰ্ত্তন লোক কৰয় কলিত।
পৰম পদত গতি কৰন্ত নিশ্চিত।।

নৱবিধ ভক্তিৰ ভিতৰত ভগৱানক আৰাধনা কৰা আৰু আত্মা পৰমাত্মাৰ ভিতৰত থকা সম্পৰ্কৰ কথা বুজাই দি সকলো জীৱতে একান্তবোধ উপলব্ধি কৰিবলৈ শিকায়। হৰিদেৱে শৰণ সিদ্ধান্তত লিখিছে—

শান্ত দান্ত কুলীন বিনীত শুদ্ধ বেশৱান।
শুদ্ধাচাৰ সুপ্ৰতিষ্ঠ শুচি দক্ষ বুদ্ধিমান।।
ধ্যাননিষ্ঠ আশ্ৰমী তন্ত্ৰ-মন্ত্ৰ বিশাৰদ জন।
নিগ্ৰহে অনুগ্ৰহে সক্ষম গুৰু সেহিজন।

গুৰুৰ সাহায্য অবিহনে ভক্তই ভক্তি আচৰণ কৰাৰ সুপথ বিচাৰি নাপায়

কায়মন বাক্যে সদা গুৰুক সেৱয়।
অনিত্য কৰ্মক তেজি নিত্যক ভজয়।।
দমিবে ইন্দ্ৰিয় মোহ আলস্য হিংসা দ্বেষ।
পুত্ৰবত কৰয় ভক্তি যেন গুৰু ঈশ।।

মানুহৰ চিত্তৰ পাঁচটা অৱস্থা আছে। যেনে- মূঢ়, ক্ষিপ্ত, বিক্ষিপ্ত, একাগ্ৰ আৰু নিৰোধ। মূঢ় অৱস্থাৰ চিত্তৰ মানুহে তমো গুণী। সেই অৱস্থাত তেওঁ সৎ চিন্তা কৰিব নোৱাৰে। ক্ষিপ্ত অৱস্থাত মানুহ ৰজোগুণী হৈ থাকে আৰু তেনে অৱস্থাত চিত্তৰ বৰ্হিমুখী অৱস্থাত থাকি ক্ষমতা আৰু ঐশ্বৰ্য বিস্তৃতি লাভৰ বাবে ব্যগ্ৰ হৈ থাকে। বিক্ষিপ্ত অৱস্থাত মানুহ সত্বগুণী হয় আৰু এইটো অৱস্থাতে মানুহ সৎ বুদ্ধিসম্পন্ন, সদালাপী আৰু সৎ জ্ঞানী হৈ পৰমাৰ্থিক চিন্তাত মন নিয়োজিত কৰিবলৈ সক্ষম হয়। বিক্ষিপ্ত চিত্তৰ চিত্ত চঞ্চল অৱস্থাত থাকে আৰু

বৰ্হিমুখী চিন্তাৰ প্ৰভাৱত পৰি ক্ষিপ্ত অৱস্থালৈ ধাবিত হোৱাৰ শংকা থাকে। এনেকুৱা অৱস্থাতে অন্তৰত ভক্তি ভাৱৰ উদ্ৰেক হয় আৰু সৎ গুৰুৰ সান্নিধ্য লাভ কৰিব পাৰিলে চিত্ত শুদ্ধি হৈ একাগ্ৰ চিত্তাৱস্থা লাভ কৰি ক্ৰমশ সৎ গুৰুৰ উপদেশামৃতেৰে নিৰোধ অৱস্থাপ্ৰাপ্ত হয়।

শৰণৰ বিষয়ে গুৰুজনাই তিনিবিধ শৰণৰ কথা কৈছে— প্ৰথম শৰণ, মধ্যম শৰণ আৰু উত্তম শৰণ।

ভক্তই মন বুদ্ধি সদায় কৃষ্ণত নিবিস্ত কৰিলে প্ৰথম শৰণ, আত্মীয় স্বজনৰ প্ৰতি থকা মমতা আৰু বৈষয়িক চিন্তা ভাৱনা শ্ৰীকৃষ্ণত অৰ্পণ কৰাকে মধ্যম শৰণ আৰু অহংভাৱ বিবৰ্জিত হৈ দেহাৰ আসক্তি ত্যাগ কৰি বিধি-বিধান অনুসৰি একান্তভাৱে সদা সৰ্বদা ভগৱানক ভজনা কৰাকে উত্তম শৰণ বোলে। এই ক্ষেত্ৰত গুৰুজনাই লিখিছে—

"ইন্দ্ৰিয় সবৰ সৰ্ব্ব কা ধৰ্ম যত।
তেজিয়া সবাকো ভজা শৰণ একত।।
মঞিঃ বিনে জগতত আছয় কুনজয়।
এহি ভাবি তোমাক সৰে লৈবাহা শৰণ।।

শ্ৰীশ্ৰীহৰিদেৱ আৰু শ্ৰীশ্ৰীদামোদৰদেৱে নৱবৈষ্ণৱ যুগৰ প্ৰাচীন বৈদিক পদ্ধতিৰ বৈষ্ণৱ পৰম্পৰাৰ লোক আছিল আৰু তেওঁলোকে বেদাচাৰ প্ৰযুক্ত কৰিহে ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। "হৰিনামৰ খুন্দাত মুকুতিৰ দুৱাৰ এক কোবেই খোল খাই যায়, তাৰবাবে যুক্তি তৰ্কৰ হাতুৰি-বটালিৰ প্ৰয়োজন নাই। (শিৱনাথ বৰ্মন, শঙ্কৰদেৱ গ্ৰন্থ) মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ-দামোদৰদেৱ সৰ্বাংশ মানি নলৈ বেদৰ বিহিত কৰ্মৰাজি ভাগৱোতক্ত মতে আচৰিহে ভক্তিধৰ্ম পালিছিল আৰু আজিও সি সেইমতেই জনসাধাৰণৰ মাজত প্ৰচলিত হৈ আছে।

এনেদৰে শ্ৰীশ্ৰীহৰিদেৱে মধ্যযুগীয়া অসম-কামৰূপৰ সৰ্বত্ৰতে হৰিনাম প্ৰসঙ্গকেই মুখ্যৰূপ সাধন- মাৰ্গত স্থান দি বেদ বিহিত কৰ্ম আচৰি ভক্তিধৰ্ম প্ৰৱৰ্তাই পাপী-তাপীক উদ্ধাৰ কৰি থৈ গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ নামধৰ্মৰ বা ভাগৱতী বৈষ্ণৱ ধৰ্মৰ দৰে ভক্তিক আৰু নাম প্ৰসঙ্গক মুখ্য স্থান শ্ৰীহৰিদেৱেও দিছিল। হৰিদেৱেও শ্ৰীমন্ত শঙ্কৰদেৱ আৰু দামোদৰৰ দৰে সমান্তৰালভাৱে বৈষ্ণৱ ধৰ্মক আগুৱাই নিছিল। আধ্যাত্মিক উপলব্ধিৰ ক্ষেত্ৰত মহাপুৰুষ হৰিদেৱৰ ভাৱাদৰ্শ সমসাময়িক মহাপুৰুষ প্ৰচাৰিত ধৰ্ম মততো বহু দেৱতাৰ মাজত প্ৰদান দেৱতাৰ সন্ধান, বাহ্যিক অনুষ্ঠানৰ আড়ম্বৰতাতকৈ অন্তৰৰ পৱিত্ৰতাত গুৰুত্ব আৰোপ, পৰম পুৰুষক নিষ্কামভাৱে উপাসনা কৰি মুক্তিৰ বাসনা আদি নৱবৈষ্ণৱ আন্দোলনৰ বৈশিষ্ট্যসমূহ পৰিলক্ষিত হয়। হৰিদেৱ একেশ্বৰবাদী ধাৰণাত বিশ্বাসী হ'লেও বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যাওঁতে অন্য দেৱ-দেৱীকো সৰ্বাত্মা ভগৱানৰ অংশৰূপেহে উদাৰ দৃষ্টিভংগীৰে গ্ৰহণ কৰিছিল। মহাপুৰুষজনাই প্ৰতিষ্ঠা কৰা সত্ৰসমূহত ভগৱানৰ সাকাৰ ৰূপৰ আৰাধনা অৰ্থাৎ মূৰ্তি পূজাৰ প্ৰচলন দেখা যায়। হৰিদেৱে সেই সময়ত অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকৰ পৰম্পৰাগত ধ্যান-ধাৰণাক আঘাত নকৰাকৈ তেওঁলোকক বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। হৰিদেৱে সমসাময়িক সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অন্য দেৱ-দেৱীকো বিষ্ণুৰ অংশবিশেষ ৰূপে স্বীকৃতি দিছিল, কিন্তু বলি-বিধানৰ অনুমতি দিয়া নাছিল।

হৰিদেৱ প্ৰৱৰ্ত্তিত বৈষ্ণৱ আদৰ্শত প্ৰাচীন বৈদিক ধৰ্ম আৰু নৱবৈষ্ণৱ আন্দোলনৰ সু-সমন্বয় দেখা যায়। কোনো সামাজিক সংঘাতৰ সৃষ্টি নকৰাকৈ সমাজত বিভিন্ন শ্ৰেণীৰ মাজত সামাজিক ব্যৱধান হ্ৰাস কৰিবলৈ সক্ষম হোৱা, নাৰীক পুৰুষৰ সমমৰ্যাদা দিয়া, বলি-বিধান বন্ধ কৰিবলৈ চেষ্টা কৰা আদিৰ যোগেদি সামাজিক শান্তি প্ৰতিষ্ঠা কৰা তেখেতৰ উল্লেখযোগ্য সফলতা। দূৰদৰ্শী চিন্তা, মানৱতাবাদী ধাৰণা, উদাৰ দৃষ্টিভংগী আৰু সংস্কাৰবাদী মনোভাৱ হৰিদেৱৰ দৰ্শনৰ উজ্বল নিদৰ্শন।❑❑

# বণিয়াকুছি সত্ৰৰ বিষয়ে

পৰমেশ্বৰ গোস্বামী

মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰুজনাৰ প্ৰধান আচাৰ্য্য চাৰিজনৰ অন্যতম শ্ৰীশ্ৰীগোপীনাথ দেৱ। গোপীনাথ দেৱৰ পিতৃৰ নাম থানেশ্বৰ দ্বিজ আৰু মাতৃৰ নাম উৰ্বশী দেৱী। থানেশ্বৰ দ্বিজ বঙ্গ দেশৰ নদীয়া জিলাৰ শান্তিপুৰৰ পৰা আহি চেংদি গাঁৱত বাস কৰে। এই চেংদি গাঁও বৰ্তমান বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত। এই গাঁৱৰ পূব দিশত বৰঘোপা, উত্তৰ দিশত বাসলাবাৰী আৰু কাপলাবিল, দক্ষিণ দিশত দৌলাশাল গাঁও আৰু পশ্চিম দিশত ব্যাসকুছি সত্ৰ।

দ্বিজ বানেশ্বৰে লিখা চৰিত পুথিত এনেদৰে আছে—

পূৰ্ণতে দশম মাসে সিংহাকেতু শীতে তৰে।<br>
পঞ্চম্যাং শুভলগ্নে চ মধ্যাহ্নকাল আগতে।।<br>
অবতীৰ্ন জগন্নাথঃ স্থূলৰূপী জনাৰ্দনঃ।<br>
ধৰ্ম সংগোপানাৰ্থায় পাৰিকেত্যং কলৌযুগে।।

বন গঞাগিৰি বিৰচিত মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ গুৰু চৰিতত গোপীনাথ দেৱৰ জন্ম ১৪৫৭ খ্ৰীঃৰ বহাগ মাহৰ পূৰ্ণিমা তিথি বুলি উল্লেখ আছে। সেয়েহে বহাগ মাহৰ শুক্লা পঞ্চমী তিথি গোপীনাথদেৱৰ (জগন্নাথদেৱ) আৱিৰ্ভাৱ তিথি হিচাপে পালন কৰি অহা হৈছে।

শ্ৰীশ্ৰী হৰিগুৰুজনাৰ প্ৰধান আচাৰ্য্য চাৰিজন যদুমণি দেৱ, নাৰায়ণদেৱ, হৰিচৰণ দেৱ আৰু গোপীনাথ দেৱক চৰিত পুথি প্ৰণেতাই ভগৱানৰ চাৰি সিদ্ধৰ লগত তুলনা কৰিছে।

উল্লেখ আছে —

যদুমণি আছিলন্ত সৌমাৰ দেশত।<br>
হৰিচৰণ দেৱক যে জানিবা হাজোত।।<br>
নাৰায়ণ দেৱৰ জন্ম শান্তি যে পুৰত।<br>
দ্বিজ জগন্নাথ জন্মে চেংদি গ্ৰামত।।<br>
এই চাৰি পাৰিষদ প্ৰভুৰ লগত।<br>
ধৰ্ম পন্থ দেখুৱাই থৈলা পৃথিৱীত।।

গোপীনাথ দেৱৰ লগত শ্ৰীশ্ৰীহৰিদেৱৰ কনিষ্ঠ কন্যা বনমালাৰ বিবাহ সম্পাদন কৰি পিছত শৰণ দিয়ে আৰু বণিয়াকুছি গাঁৱত সত্ৰ পাতিবলৈ নিৰ্দেশ দিয়ে এনেদৰে—

শুনিয়োক গোপীনাথ     বাণীকুছি গ্ৰামে তুমি<br>
চলিয়োক মোৰ আদেশত।

তথাত সৎসঙ্গী সত্ৰ স্থাপন কৰিয়া তুমি
দেখাইবাহা ভক্তি ভাগৱত।

**সত্ৰ স্থাপন ঃ-**

গুৰুজনাৰ আদেশ পাই শ্ৰীশ্ৰীগোপীনাথ দেৱে বাণীকুছি গাঁৱত প্ৰৱেশ কৰিলে আৰু দেখিলে যে, এজন ব্ৰাহ্মণে মন্দিৰত দেৱী সৰস্বতীক পূজা কৰি আছে আৰু তাত এখন বাণী চতুষ্পাঠী নামৰ টোলওঁ আছে। গুৰুজনাই ৰালিয়াদল বিলৰ পাৰত সত্ৰ স্থাপনৰ চিন্তা কৰিলে। তেওঁ দেখিলে চাৰিওফালে দ অঞ্চলৰ মাজত এটি ওখ ভেঁটি আৰু তাত এটা বেঙে এডাল গম সাপক গিলিব লাগিছে।

চৰিত পুথিত আছে—

মেহেন দ্বাৰকা পুৰি সাগৰ মধ্যত।
সেহিমত ভিটি গোট জলৰ মাজত।।
অদভুত দেখিল এক অদভুত পাছে।
এক গম সাপক বেঙে গিলিব লাগিছে।।

ভক্তসকলে ভয় খাই তাত সত্ৰ নাপাতিবলৈ স্থিৰ কৰিলে কিন্তু গুৰুজনাই এইখিনিয়েই উত্তম ঠাই বুলি বিবেচনা কৰি তাত মণিকূট আৰু সভাঘৰ স্থাপন কৰি ১৪৯২ খৃষ্টাব্দৰ (১৪১৪ শক) মাঘ মাহৰ ১ তাৰিখে বণিয়াকুছি সত্ৰ স্থাপন কৰে। সেই সময়ত এই অঞ্চল কোচ ৰজা বিশ্বসিংহৰ অধীনত আছিল আৰু ৰজাই ১৫১৫ খৃষ্টাব্দত এই সত্ৰলৈ মাটি দান কৰে। সেই সময়ত কলিয়াদল বিল সৰোবৰ সদৃশ আছিল আৰু তাত জাকে জাকে চক্ৰবাক পক্ষী, ৰাজহংস, অগণন মাছ-কাছেৰে ভৰি আছিল। গুৰুজনাই ভক্তসকলৰ দ্বাৰা গোসাঁই ঘৰৰ চাৰিওফালে বট, আহত, বকুল আদি গছৰ উপৰিও নানা তৰহৰ ফুলৰ গছ ৰোপণ কৰিছিল।

**তীৰ্থ ভ্ৰমণ ঃ-**

এই বাণীকুছি গ্ৰামৰ পৰা গুৰুজনাই কুৰিজন ভকতৰ সহায়ত তীৰ্থ ভ্ৰমণ কৰিবলৈ যায় আৰু গয়া কাশী, মথুৰা, বৃন্দাবন আদি দৰ্শন কৰি শ্ৰীক্ষেত্ৰলৈ যায়। ছয় মাহৰ মূৰত তেওঁ বাণীকুছি সত্ৰলৈ ঘূৰি আহে আৰু তীৰ্থস্থান বিলাকৰ লগত সংগতি ৰাখি আটক ধুনীয়াকৈ সত্ৰখন গঢ়ি তোলে।

**হৰিদেৱ গুৰুৰ পৰা কৰ-মালা, জপমালা লাভ ঃ-**

এবাৰ গুৰুজনাই মানেৰী সত্ৰলৈ চাৰিসিদ্ধ (আচাৰ্য্য) জগন্নাথ দেৱ (গোপীনাথ দেৱ), হৰিচৰণ দেৱ, যদুমণি দেৱ আৰু নাৰায়ণ দেৱক ভক্তসকলৰ দ্বাৰা মাতি পঠালে। যথা সময়ত তেওঁলোক উপস্থিত হোৱাত এই চাৰিজন আচাৰ্য্যৰ উপস্থিতিত গোপীনাথ দেৱক গুৰুজনাৰ কৰমালা, শিৰমালা আৰু জপমালা অৰ্পণ কৰে আৰু পিণ্ড দলৰ অধিকাৰ প্ৰদান কৰে। শ্ৰীশ্ৰীগোপীনাথ দেৱে হৰিদেৱ প্ৰদত্ত কৰমালা, শিৰমালা, জপমালা আৰু গুৰুজনাৰ ৰূপৰ খৰমযোৰ বণিয়াকুছি সত্ৰত স্থাপন কৰে।

দুখৰ বিষয় ১৮৯৭ চনত হোৱা বৰভূমিকম্পত এই অঞ্চলত বিস্তৰ ক্ষতি হয় আৰু এই সত্ৰৰ পূব দিশত থকা গোসাঁই সকল টিহুলৈ গুচি যায় আৰু লগতে সত্ৰৰ শালাগ্ৰাম আদি কৰি সকলো সম্পদ লৈ গৈ টিহু নদীৰ পাৰত নতুন বণিয়াকুছি সত্ৰ স্থাপন কৰে।

পিছত গোসাঁই সকলৰ এজন মহেন্দ্ৰদেৱে স্বপ্নাবিস্ত হৈ পুনঃ এই বণিয়াকুছি সত্ৰলৈ ঘূৰি আহে আৰু সত্ৰ চলোৱাৰ কাম-কাজ আৰম্ভ কৰে। বৰ্তমান এই বণিয়াকুছি সত্ৰত মহেন্দ্ৰদেৱৰ বংশধৰসকল আছে।

**গোপীনাথ দেৱ জগন্নাথ নাম প্ৰাপ্তি ঃ-**

বজালী অঞ্চলৰ পাণবাৰী গাঁও নিবাসী ধবলগিৰীৰ পুত্ৰ গঙ্গাধৰ দ্বিজ ধবল ৰোগাক্ৰান্ত হৈ আৰোগ্য উদ্দেশ্যে উৰিষ্যাৰ জগন্নাথ মন্দিৰলৈ বুলি যাত্ৰা কৰিছিল। বাটত এঘৰ ব্ৰাহ্মণৰ ঘৰত ৰাতিৰ অতিথি হৈ স্বপ্নাদিষ্ট হ'ল এনেদৰে —

"একজন ব্ৰাহ্মণেয়ো বুলিলেক বাক।
শুনা শুনা বাপু তুমি মোহৰ আজ্ঞাক।।
নালাগে ক্ষেত্ৰক যাইবা দুখ হৈব বৰ।
এক কথা কহ তুমি শুনিয়ো মোহৰ।।
বাণীকুছিত জগন্নাথ আছে এক।
ফিৰিয়া যায়োক বাপু তাহান স্থানক।।
ভকতি কৰিয়া তুমি চৰণে পৰিবা।
তান উপদেশে বাপু সুখক লভিবা।।

(অৰ্জুন দেৱ ঃ- শ্ৰীশ্ৰীহৰিগুৰুচৰিত)

নিদ্ৰাভঙ্গ হৈ তেওঁ নৌকা বাহক সকলক সকলো কথা জনালে আৰু পিছদিনাই পুৰীলৈ যোৱা বাদ দি বণিয়াকুছিলৈ যাত্ৰা কৰিলে। বণিয়াকুছি সত্ৰত উপস্থিত হৈ

তেওঁ গুৰুজনাক ধ্যানৰত অৱস্থাত থকা দেখা পালে। গঙ্গাধৰ দ্বিজই দণ্ডৱতে পৰি গোপীনাথ দেৱক স্তুতি কৰিব ধৰিলে। দ্বিজ গঙ্গাধৰে গোপীনাথ দেৱক সকলো কথা ক'লে। গোপীনাথ দেৱে ক'লে— তুমি কিছুদিন হৰিৰ নাম কীৰ্ত্তন কৰি ইয়াতে থাকা। হৰিৰ কৃপাত তোমাৰ মনোবাঞ্ছা পুৰণ হ'ব।

"শুনিয়োক গঙ্গা তুমি মোহৰ বচন।
হৰিৰ কৃপায়ে হৈব দুখ বিমোচন।।"

গুৰুজনাই "পিকচোই" গুটি ধুই পখালি আনি তেওঁৰ হাতত দিলে আৰু মাথাৰ পৰা ভৰিলৈকে গোটেই শৰীৰতে ঘহিবলৈ উপদেশ দিলে আৰু পিছত স্নান কৰিবলৈ ক'লে। এইদৰে কিছুদিন ব্যৱহাৰ কৰাৰ পিছত গঙ্গাধৰ ধবল বৰ্ণৰ ঠাইত কৃষ্ণবৰ্ণ হ'ল। তেতিয়াৰ পৰা গোপীনাথ দেৱ জগন্নাথ দেৱ নামে খ্যাত হ'ল। পিছত জগন্নাথদেৱে গঙ্গাধৰ দ্বিজক শৰণ দিলে আৰু তেওঁ গুৰুৰ পৰা বিদায় লৈ নিজ ঘৰলৈ যাত্ৰা কৰিলে। গঙ্গাধৰ দ্বিজৰ বংশক ধবল গুৰুৰ বংশধৰ নামে জনাজাত।

**জগন্নাথদেৱৰ পাণ্ডিত্য ঃ-**

জগন্নাথ দেৱে নৱদ্বীপত অধ্যয়ন কৰি "বেদাচাৰ্য্য" উপাধি লাভ কৰে। তেওঁ সংস্কৃত আৰু ব্ৰজাৱলী ভাষাত বহুতো স্তোত্ৰ, গীত, পদ আদি ৰচনা কৰিছিল। ১৮৯৭ চনত হোৱা বৰ ভূমিকম্পত তেখেতৰ বহু লেখা ধ্বংস স্তূপত পৰিণত হয় আৰু ৰক্ষণাবেক্ষণৰ অভাৱতো বহু লেখা নষ্ট হয়।

**বণিয়াকুছি সত্ৰৰ ঘূড়ানাম ঃ-**

বৰপেটা জিলাৰ বণিয়াকুছি সত্ৰ জগন্নাথ দেৱৰ মূল সত্ৰ। এই সত্ৰ প্ৰতিষ্ঠাৰ দিনাখন মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ মানেৰীৰ পৰা আহি উপস্থিত হয়। গুৰুজনাক লগত ৰাখি ভকত সকলে সন্মান প্ৰদৰ্শনৰ বাবে ঢোল, খোল, তাল, শংখ, ঘণ্টা, বৰকাঁহ আদি লৈ হাত চাপৰি বাই শ্ৰীকৃষ্ণৰ লীলা সম্বন্ধীয় গীতমাত গাই, গুৰুবন্দনা গাই গোসাঁই ঘৰৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰি এই সত্ৰৰ প্ৰতিষ্ঠা দিৱস পালন কৰিছিল। এয়েই বণিয়াকুছি সত্ৰৰ ঘূড়ানাম। আজিও এই অনুষ্ঠান প্ৰতি বছৰে মাঘ মাহৰ ১ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। এই উৎসৱত এতিয়াও সৰুক্ষেত্ৰী মৌজাৰ বৰঘোপা, চিনাদি, আমৃখোৱা, সৰ্থেবাৰী, নামশলা, বেঙ্গাপাৰা, লচিমা, হালধিবাৰী আদি গাঁৱৰ ৰাইজে সক্ৰিয়ভাৱে সহযোগ আগবঢ়ায়। নাগাৰা নাম, থিয় নাম, ঝুনা নাম, ওজাপালি আদি অনুষ্ঠানেৰে কাৰ্যসূচী সম্পাদন কৰা হয়।

**গোসাঁই ঘৰৰ পুৰণি সম্পদ ঃ-**

সত্ৰত থকা পুৰণি আহত-বট আদি গছবোৰ এতিয়াও আছে। সত্ৰৰ পুৰণি পুখুৰীবোৰ এতিয়াও আছে। গুৰুজনাই গা-ধোৱা কুৱা এতিয়াও আছে কিন্তু পুনঃ নিৰ্মাণৰ প্ৰয়োজন। গুৰুজনাই গা-ধোৱা শিলাখণ্ড এতিয়াও আছে। সত্ৰৰ পুৰণি কাঠেৰে কটা মূৰ্ত্তিবোৰ ভূমিকম্পৰ পিছত নষ্ট হৈ গৈছে। ৰজা মহাৰজাই দিয়া মাটিবোৰ (প্ৰায় ২১২ বিঘা) বৰ্তমান চৰকাৰী হৈ আছে। গুৰুজনাৰ শিষ্য প্ৰশিষ্যই পুৰুষাণুক্ৰমে ভোগ দখল কৰি আছে। মাত্ৰ ছয় বিঘা মাটি সত্ৰৰ দখলত আছে যি চৰকাৰী মাটি।

**সত্ৰলৈ মাটি দান ঃ-**

১। কোচ ৰজা বিশ্বসিংহই ১৫১৫ খৃঃত এই সত্ৰলৈ মাটি প্ৰদান কৰে। এইখন তাম্ৰফলি নতুন বণিয়াকুছি সত্ৰ, টিহুত আছে।

২। ১৫৪৬ খৃঃত কোচ নৃপতি নৰনাৰায়ণে বণিয়াকুছি সত্ৰলৈ মাটি দান কৰে। এই তাম্ৰফলি ১৮৯৭ চনৰ বৰভূমিকম্পত মাটিৰ তলত পোট যোৱা বুলি ভক্তসকলে অনুমান কৰে।

৩। ১৬৮৮ শকৰ ১৬ মাঘত আহোম নৃপতি ৰাজেশ্বৰ সিংহই বণিয়াকুছি সত্ৰলৈ মাটি দান কৰে। এইখন তাম্ৰফলি পুৰাতত্ব বিভাগৰ কাৰ্যালয়ত সংৰক্ষিত হৈ আছে। ১৬৯২ শকৰ, ২২ মাঘত আহোম ৰজা লক্ষী সিংহই বণিয়াকুছি সত্ৰলৈ মাটি দান কৰিছিল বুলি বুৰঞ্জীয়ে কয়।

**জগন্নাথ দেৱৰ বৈকুণ্ঠ প্ৰয়াণ ঃ-**

১৫৩৭ খৃঃৰ বহাগ মাহৰ শুক্লা নৱমী তিথিত মহাপ্ৰভু জগন্নাথ দেৱে আশি বছৰ বয়সত ইহলীলাৰ সামৰণি পৰে। সকলে কাপলা বিলৰ পাৰত চন্দন কাঠৰ চিতা সজাই বেদ-মন্ত্ৰ উচ্চাৰণ কৰি দাহন কাৰ্য্য সমাপণ কৰে। কনিষ্ঠ পুত্ৰ কপিলদেৱে মুখাগ্নি কৰে আৰু গয়াত অস্থি বিসৰ্জন দিয়ে।

**সত্ৰৰ পালনীয়া উৎসৱ ঃ-**

প্ৰতি বছৰে (ক) শ্ৰীশ্ৰীহৰিদেৱ গুৰুৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি পালন কৰা হয়। (খ) প্ৰভু জগন্নাথ দেৱৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি (শ্ৰদ্ধাসহ) পালন কৰা হয়। (গ) জন্মাষ্টমী (ঘ) পচতি নাম (ঙ) ভাদ মাহৰ নাম (চ) দৌল উৎসৱ (ছ) ঘড়ানাম উৎসৱ পালন কৰা হয়। লগতে সত্ৰৰ তিনি প্ৰসঙ্গ ব্যৱস্থা এতিয়াও চলি আছে।

**প্ৰভু জগন্নাথ দেৱে লিখা গীত ও নাম প্ৰসঙ্গ ঃ-**

নাম প্ৰসঙ্গ — ১

এহে জয় জনজীৱ মোৰে প্ৰাণ।
হা-মৰে প্ৰাণধন বান্ধৱ মুৰাৰী।।

পদ— শ্ৰৱণ আনন্দে শুনিছো গোবিন্দ।
তুমি দিন দুখ হৰিয়ে।।
এহে মোৰে প্ৰাণধন গোপীনাথ।
প্ৰাণ গোপীনাথ পশিলো শৰণে।।

পদ— মোৰ মনমজি তোমাত ৰহক তোমাৰ চৰণহে
হে দুগুটি অক্ষৰ ৰাসৰ নাম
শ্ৰীৰামৰ নামে অময়া মধুৰী জুৰে।।

পদ— অতি সুমঙ্গল পৰম মঙ্গল সবে মনৰথ পুৰে
হে দুগুটি অক্ষৰ ৰামৰ নাম........
শ্ৰীৰাম নামে অময়া মধুৰী জুৰে।।

প্ৰসঙ্গ — ২

(১)

মুৰাৰীয়ে পৰমানন্দ কি ফুলে পুজিম ৰঙা চৰণ।
যি ফুলে পুজিম সেই ফুলে নাই
ৰঙা চৰণক থাকিম চাই।।

(২)

মুৰাৰীয়ে পৰমানন্দ কি ফুলে পুজিম ৰঙা চৰণ।
যি ফুলে পুজিম সেই ফুলে নাই
নামে পুজিম গধুলী পুৱা।।

(৩)

মনৰে লগত জীৱ বন্দি হ'ল এবে কিনো কাম কৰো
ও হৰি হৰি কৰা পৰিত্ৰাণ অভয় চৰণে ধৰো।

(৪)

মৰণৰ সময় সঙ্কট বেলা সৰে এৰি গ'ল মোকে।
ও হৰি হৰি কৰা পৰিত্ৰাণ বান্ধৱ নেৰিবা মোকে।।
জয় হৰি ৰাম জয় শ্ৰীৰাম
ও পৰম মঙ্গল প্ৰভু তুমি নাৰায়ণ (দুবাৰ)

গীত— (১)

(১) মাওঁ হে ও মাওঁ নন্দৰ ঘৰণী।
ওঁ বুজাওক তোমাৰ ছৱাল খাণি।।
মাওঁ হে ওঁ মাওঁ......

(২) কিনো দুষ্ট ভৈলা ছাৱাল তোমাৰে। (দুবাৰ)
ওঁ নখে বিচাৰিলা স্তন আমাৰে।।
মাওঁ হে ওঁ মাওঁ......

(৩) পন্থে বসিয়া কাণু যিবা দান লাগে। (দুবাৰ)
সেহি কথা শুনি আমাৰ চৰম লাগে।।
মাওঁ হে ও মাওঁ......

(৪) কহয় মাধৱ দাসে এহি পদৰেণু। (দুবাৰ)
ওঁ গোপীনীৰ মুখ চাই হাসে ৰাম কাণু।।
মাওঁ হে ও মাওঁ......

গীত— (২)

(১) গোপাল কিনো নাৰায়ণ তুমি
হে দয়াল কিনো নাৰায়ণ তুমি।
ভাণ্ড ভাঙিয়া লৱণু খাইলা জগত ঈশ্বৰ স্বামী
হে দয়াল কিনো নাৰায়ণ তুমি।।

(২) ব্ৰহ্মা মহেশ্বৰ যাহাৰ কিংকৰ লক্ষ্মীও কিংকৰ তাহাৰে। (দুবাৰ)
গোপী যশোদা ভকতি কৰিয়া উৰলে বান্ধিলা টানিহে।।
গোপাল কিনো নাৰায়ণ.....

(৩) দেৱৰ দুল্লভ গোপীকাৰ সুত জ্ঞানীৰ দুল্লভ দেৱ। (দুবাৰ)
ভকত সুল্লভ কৃষ্ণৰ চৰণ তাহাঙ্কে কৰোহো সেৱা।
গোপী কিনো নাৰায়ণ.....

জন্মাষ্টমীৰ গীত— (৩)

(১) ওঁ আহাৰে গোপীনাথ ও পলুৱাই ৰাখিব কাৰ ঘৰে
ওঁ মোৰ হৰি হৰি পলুৱাই ৰাখিব কাৰ ঘৰেহে। (দুবাৰ)

(২) কংস ৰাজ বৈৰী মোৰে হৰি হৰি ৰাত্রি দিনে পাধ্বে চৰে
ওঁ মোৰ হৰি হৰি কিয় আহিলা অভাগীৰ ঘৰে হে
ওঁ আহাৰে গোপীনাথ.....।

(৩) কৃষ্ণৰ জনম শুনি আহিলা গৰগ মুনি (দুবাৰ)
ওঁ মোৰ হৰি হৰি গণি পিতি থৈলা কৃষ্ণ নাম হে
ওঁ আহাৰে গোপীনাথ.....।

(৪) কৃষ্ণৰ জনম শুনি হৰি হৰি আহিলা নাৰদ মুনি (দুবাৰ)
ওঁ মোৰ হৰি হৰি বসুমতী কৰে নাৰী ছেদ হে
ওঁ আহাৰে গোপীনাথ.....।

(৫) ইন্দ্র আইলা ঐৰাৱতে হৰি হৰি শশী আইলা পুষ্পক ৰথে। (দুবাৰ)
ওঁ মোৰ হৰি হৰি দেৱ গণৰ আনন্দ মিলিলা হে
ওঁ আহাৰে গোপীনাথ.....।

(৬) কহয় মাধৱ দাসে তুমি প্ৰভু কৃপাময়।
ওঁ মোৰ হৰি হৰি তুমি প্ৰভু অগতিৰ গতি হে
ওঁ আহাৰে গোপীনাথ.....।

দৌলৰ গীত — (৩)

(১) ওঁ প্ৰথমে ফাল্গুনৰ মাশে হৰি গোবিন্দৰ দৌল
ওঁ হৰি হৰি গোবিন্দৰ দৌল।। (দুবাৰ)

(২) নিজমতে দৌল কৰে ফল্গুৰ আঞ্জোলৰে
ওঁ প্ৰথমে ফাল্গুনৰ মাশে.....

(৩) ব্ৰহ্মা-বিষ্ণু আৰু হৰে আলোচ কৰিলা (দুবাৰ)
ত্ৰিজগতে দৌল পূজা আৰম্ভ কৰিলা ৰে।।
ওঁ প্ৰথমে ফাল্গুনৰ মাশে.....

(৪) এক থাক বান্ধিলেক ব্ৰহ্মা আৰু হৰে (দুবাৰ)
আউৰ থাক বান্ধিলেক দেৱ পুৰন্দৰে
ওঁ প্ৰথমে ফাল্গুনৰ মাশে.....

(৫) চাৰি কাষে চাৰি দালি কদলি পুতিলা। (দুবাৰ)
ব্ৰহ্মাৰ নাগ পাশ আনি ওঁপৰে ঢাকিলাৰে।।
ওঁ প্ৰথমে ফাল্গুনৰ মাশে.....

(৬) চাৰি কাষে চাৰি দালি চাতকে গুজিলা। (দুবাৰ)
ঘটৰে ওপৰে আম্ৰ ঠানি আনি দিলাৰে।।
ওঁ প্ৰথমে ফাল্গুনৰ মাশে.....

(৭) কহয় মাধৱ দানে গোবিন্দৰ দৌল। (দুবাৰ)
ত্ৰিজগতে দৌল কৰে হৰি হৰি বোলৰে।।
ওঁ প্ৰথমে ফাল্গুনৰ মাশে.....

উক্ত প্ৰসঙ্গ আৰু গীত পদেৰে সত্ৰত নাম কীৰ্ত্তন ডাগ আগ বঢ়োৱা হয়। উক্ত প্ৰসঙ্গ আৰু গীত পদবোৰ বেদাচাৰ্য্য জগন্নাথ দেৱে ৰচনা কৰিছিল। বেদাচাৰ্য্য দেৱৰ বহুতো গীত পদ আৰু প্ৰসঙ্গ আছিল। কিছুমান সাঁচিপাততেই নষ্ট হৈছে।❑❑

**শ্ৰীশ্ৰীহৰিদেৱৰ ৰচিত গ্ৰন্থ সমূহ হ'ল—**

ভক্তিৰস তৰংগিণী, শৰণ সিদ্ধান্ত, ভক্তিসাৰ আৰু পঞ্চমস্কন্ধ ভাগৱত

**সহায়ক গ্ৰন্থ ঃ**

১। ড° প্ৰফুল্ল চন্দ্ৰ ভূঞা— 'অসম বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু দৰ্শন'
২। নগেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী— শ্ৰীশ্ৰীহৰিদেৱ পদাঙ্ক প্ৰভা, উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘ, ৰিহাবাৰী, গুৱাহাটী-৮
৩। অসম সাহিত্য সভা বিশ্বকোষ, দশম খণ্ড— মুখ্য সম্পাদক ড° গিৰীশ শৰ্মা

# হাৰিভাঙ্গা অঞ্চলৰ কলা সংস্কৃতিৰ এক চমু অৱলোকন

উপেন শৰ্মা

বৈষ্ণৱ ধৰ্মৰ আদিগুৰু শ্ৰীশ্ৰীহৰিদেৱ প্ৰভুৰ গুণানুকীৰ্ত্তন চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে হাৰিভাঙ্গাত আয়োজন কৰা অনুষ্ঠানৰ বিষয়ে জানিব পাৰি সঁচাকৈয়ে আহ্লাদিত হৈছোঁ। হাৰিভাঙ্গা অঞ্চলৰ সৰ্বস্তৰৰ লোকে গুৰুজনাৰ বিষয়ে কিঞ্চিংমান হ'লেও জ্ঞান আহৰণ কৰিবলৈ সুযোগ পাব। দূৰ-দূৰণিৰ পৰা অহা গুণী, জ্ঞানী, বিদ্যোৎসাহী হৰিদেৱি প্ৰভুসকলৰ আগমনে হাৰিভাঙ্গাক স্বৰ্গপুৰীত পৰিণত কৰাৰ লগতে তেৰাসৱৰ শ্ৰীমুখৰ মধুৰবাণীত অঞ্চলবাসী উপকৃত আৰু কৃতাৰ্থ হ'ব।

এই সুযোগতে এই অনুষ্ঠানৰ আয়োজন কৰা আয়োজক সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়া, সদস্য, কৰ্মীলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। এই আপাহতে হাৰিভাঙ্গা অঞ্চলৰ কলা সংস্কৃতিৰ এক চমু আভাস দিয়াৰ চেষ্টা কৰিছোঁ। ক্ৰটি বিচ্যুতিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

কৃষ্টি সংস্কৃতি এটা জাতি, এটা অঞ্চলৰ স্বাভিমান বৰ্ত্তাই ৰখাৰ এক চালিকা শক্তি। ইয়ে ঐক্য সংহতি আৰু সমন্বয়ৰ সেতু গঢ়াত প্ৰভুত অৰিহণা যোগায়। কৃষ্টি সংস্কৃতিয়েই এটা জাতিৰ পৰিচয়। এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। জাতিটোৰ, অঞ্চলটোৰ আয়ুস ৰেখা। গতিকে জাতিটোৰ, অঞ্চলটোৰ স্থায়িত্ব, অস্তিত্ব বৰ্ত্তাই ৰাখিবলৈ হ'লে কৃষ্টি সংস্কৃতি চহকী কৰি ৰাখিবই লাগিব।

হাৰিভাঙ্গাৰ লগতে ইয়াৰ উপকণ্ঠ অঞ্চলৰ গএগ্ৰাইজে পুৰণা সংস্কৃতিৰ ঐতিহ্য নিৰলস ভাৱে জীয়াই ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। হাৰিভাঙ্গাৰ মাজ মজিয়াত এই অঞ্চলৰ মধ্যমণি কলীয়া গোসাঁই মহাপ্ৰভুৰ অৱস্থিতিয়ে এই অঞ্চলৰ কৃষ্টি সংস্কৃতিৰ এক বিৰল স্বাক্ষৰ বহন কৰি আহিছে। এই মন্দিৰৰ ক্ৰমবৰ্ধমান উন্নতিত ৰজাঘৰীয়াইৰ হাত উজান দিছে। এই মন্দিৰ পৰিচালনাৰ বাবে এখন শক্তিশালী পৰিচালনা সমিতি আছে। এই সমিতিখনে এই মহান ধৰ্মানুষ্ঠান সুচাৰুৰূপে পৰিচালনা কৰি আছে। প্ৰতিদিনে পুৱা-গধূলি নাম প্ৰসঙ্গ হয়। এই অঞ্চলৰ আয়তীসকলে দলবান্ধি আহি নাম প্ৰসঙ্গ কৰি নিজৰ নিজৰ মনোভিলাষ পূৰ্ণ কৰে। প্ৰবাদ আছে কলীয়া গোসাঁই মহাপ্ৰভুক লাডুৰ প্ৰসাদ আগবঢ়াই মানস কৰিলে মনৰ কামনা পূৰ্ণ হয়। প্ৰতি বছৰে মাঘ মাহৰ প্ৰথম দিনটোত সহস্ৰাধিক ভক্তৰ উপস্থিতিয়ে এই স্থান স্বৰ্গৰাজ্যত পৰিণত কৰে। সেই দিনাৰে পৰা একাদিক্ৰমে ছয় দিন ধৰি হোম যাগ যজ্ঞ আদিৰে সভা মহোৎসৱ অনুষ্ঠিত হয়। এই অনুষ্ঠানতে আয়তী সকলৰ আইনাম, ধাইনাম, ঘোষানাম, বিয়ানাম আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি এই অঞ্চলৰ কৃষ্টি সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰিছে লগতে নাগাৰানাম, যাত্ৰাদল, থিয়েটাৰ আমন্ত্ৰণ কৰি শ্ৰোতা দৰ্শকৰ মনৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। এই সভা মহোৎসৱৰ ভিতৰতে সোঁতৰ জানুৱাৰীত শিল্পী দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত কৰি জ্যোতি সংগীত, ৰাভা সংগীতৰ লগতে এই গীত সমূহৰ নৃত্য প্ৰদৰ্শন কৰি কৃষ্টি ৰক্ষাৰ চেষ্টা অব্যাহত ৰাখিছে। প্ৰতি বছৰে অসমীয়াৰ বাপোতি সাহোন ৰঙালী বিহু, কঙালী বিহু আৰু ধুম ধামাৰে ভোগালী বিহু উদ্‌যাপন কৰি জাতীয় কৃষ্টি ৰক্ষা কৰি আহিছে।

হাৰিভাঙ্গা গাঁৱত কেবাটাও চুবুৰি আছে। প্ৰতিটো চুবুৰিতে একোটাকৈ সমূহীয়া নামঘৰ আছে। এই নামঘৰসমূহত মহাপুৰুষসকলৰ তিথি পৰ্ব আদিৰ লগতে বছৰেকীয়া বিশেষ

তিথিত হোমযজ্ঞাদিৰে ভক্তসকলে ভক্তিভৰা পৰিতৃপ্তিৰে একতাৰ এনাজৰিৰে বান্ধ খাই পৰে। হাৰিভাঙ্গা গাঁৱত এটা ভাল ঝুনা নামৰ দল আছে। কেইবাটাও চুবুৰিত ভাল ভাল নামতী দল আছে। এই দলসমূহে বিভিন্ন নাম প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ বুটলি সুনাম কঢ়িয়াববলৈ সক্ষম হৈছে। হাৰিভাঙ্গাৰ সু-সন্তান নৃত্য বিশাৰদ মাননীয় শ্ৰীৰমেন শৰ্মাই কলিকতাৰ "নিখিল ভাৰত সংগীত সমিতি, কলিকতা"ৰ পৰা বি-মিউজ আৰু এম মিউজ ডিগ্ৰীও লাভ কৰিছে। মুম্বাইত এটাকৈ সোণৰ পদকেৰে সন্মানিত হৈ অসম তথা নিজ জন্ম ঠাইলৈ সন্মান কঢ়িয়াববলৈ সক্ষম হয়। তেখেতৰ তত্ত্বাৱধানতে হাৰিভাঙ্গাত "হংসগামিনী ডান্স একাডেমি" নামেৰে এখন নৃত্য বিদ্যালয় নিয়মিয়াকৈ চলি আছে। আন এগৰাকী হাৰিভাঙ্গাৰ সু-সন্তান, নৃত্য-বিযাৰদ মৰমৰ শ্ৰীমান কুলজ্যোতি শৰ্মাই কলিকতাৰ "নিখিল ভাৰত সংগীত সমিতি, কলিকতা"ৰ পৰা সোণৰ পদকেৰে সন্মানিত হৈ হাৰিভাঙ্গাত "ৰাগিণী ডান্স একাডেমি" নামেৰে এখন নৃত্য বিদ্যালয় খুলি নিয়মীয়াকৈ পাঠদান কৰি আছে। হাৰিভাঙ্গাক মনে প্ৰাণে ৰক্তবিন্দু ৰূপে গণ্য কৰা, শিক্ষা-সংস্কৃতিৰ লগত মনে প্ৰাণে একাত্ম হোৱা মৰমৰ শ্ৰীসৰলা দাসেও কণ্ঠৰ যাদুৰে কলিকতাৰ "নিখিল ভাৰত সংগীত সমিতি, কলিকতা"ৰ পৰা সোণৰ পদক আজুৰি আনি এই অঞ্চললৈ সন্মান কঢ়িয়াববলৈ সক্ষম হয়। মৰমৰ সৰলা বৰ্তমান অনাতাৰ শিল্পী। তেওঁ "জনকল্যাণ সংগীত বিদ্যালয়" নামেৰে সংগীত বিদ্যালয় এখন কিছু বছৰ চলাইছিল যদিও বৰ্তমান বিদ্যালয়খন বন্ধ হৈ আছে।

অভাৱে আৱিষ্কাৰৰ মূল। জন্ম সূত্ৰে লাভ কৰা অভাৱকে জীৱন সঙ্গী কৰি লৈ এদেও দুদেও কৰি কিবা এটা কৰাৰ মানসেৰে বাৰীৰ চুকৰ বাঁহ কেইজোপাকে সাৰথি কৰি আশাৰ সাগৰত মন নামৰ নাওখন এৰি দিলে। বাৰীৰ বাঁহ কেইজোপাইও যেন তাৰেই অপেক্ষাত ৰৈ আছিল। আজি ইটো, কাইলৈ সিটো কৰি কৰি, বাঁহৰ মূঢ়া তৈয়াৰ কৰি বজাৰত উলিয়ালে। হাতলৈ দুটা ধন আহিবলৈ ধৰাত মনলৈ উৎসাহ আৰু সাহস বাঢ়িবলৈ ধৰিলে। পৰিয়ালৰ আটাইকে কামত লগালে। বাঁহৰ মূঢ়াটোকে বিভিন্ন আকৃতি প্ৰদান কৰি গ্ৰাহকৰ মন মুহিবলৈ সামৰ্থ্য হ'ল। গ্ৰাহক সকলেও আগধন দিহে সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য হ'ল। সামগ্ৰীৰ চাহিদা বাঢ়ি অহাৰ লগে লগে কৰ্মচাৰী নিয়োগ কৰি পৰিসৰ বৃদ্ধি কৰাৰ মন মেলিলে। আশাতে জীৱ বন্দী। কিছু পৰিমানে অভাৱ আঁতৰিল। মনলৈ সাহস আহিল। এইবাৰ নিজকে প্ৰতিষ্ঠা কৰাৰ আশাৰে বাঁহৰ চাইকেল, দ'মকল, শৰাইঘাটৰ দলং, ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ, বাঁহৰ চোলা, টুপী, জোতাকে আদি কৰি বিভিন্ন চালে চকুৰোৱা সামগ্ৰী তৈয়াৰ কৰি দৰ্শকৰ লানি নিছিগা সোঁত বোঁৱালে। এনেকি বাঁহৰ দাঁত তৈয়াৰ কৰি সেই দাঁত নিজেও ব্যৱহাৰ কৰিলে আৰু আনকো দিলে। এনেকৈয়ে দৰ্শকৰ মনৰ চাহিদা পূৰণ কৰাৰ মানসেৰে লগত কেইজনমান কৰ্মচাৰী লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গাঁৱে ভূঁঞে, নগৰে-চহৰে প্ৰদৰ্শনী অনুষ্ঠিত কৰি দৰ্শক ৰাইজৰ পৰা ভূয়সী প্ৰসংসা বুটলিবলৈ সক্ষম হ'ল। সৰু কালৰ পৰা লোকগীতৰ প্ৰতি বৰ আকৃষ্ট আছিল। নিজৰ ব্যৱহাৰৰ বাবে দোতাৰাটো নিজেই তৈয়াৰ কৰি লৈছিল। কামৰ মাজতে দোতাৰাটো হাতত লৈ লোকগীত এটা গাই ভাগৰ জুৰাইছিল। এই কণ্টকাকীৰ্ণ পথেৰে গৈ গৈ এদিন ৰাষ্ট্ৰপতিৰ পদক আজুৰিবলৈ সক্ষম হোৱা সেইজন হাৰিভাঙ্গাৰ দাঁতিকাষৰীয়া মাক্ৰাপাৰৰ এটি নিঃকিন পৰিয়ালত জন্মগ্ৰহণ কৰা অসমৰ সু-সন্তান, সদাহাস্য, বাঁহৰ যাদুকৰ "দধি পাঠক"।

অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ মাধ্যমেৰেও এই গাঁৱৰ কেবাগৰাকী শিল্পীয়ে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তাৰ ভিতৰত উৎসৱ কলিতা আৰু তেওঁৰ সহধৰ্মিনী, ধৰণী কলিতা, প্ৰসন্ন কলিতা, হৰেণ দাস আৰু তেওঁৰ সহধৰ্মিনী, মিতুল কলিতা, হেমন্ত বৰ্মন আৰু তেওঁৰ সহধৰ্মিনী, ফণী হালৈ, হোমেশ্বৰ হালৈকে ধৰি কেবাগৰাকী শিল্পীয়ে নিজকে প্ৰতিষ্ঠা কৰি দৰ্শকৰ মন মুহিবলৈ সামৰ্থ্য হৈছিল। তাৰ মাজৰে উৎসৱ কলিতাই নৃত্য শিল্পীৰূপে ভ্ৰাম্যমাণত প্ৰৱেশ কৰি কেইবছৰমানৰ ভিতৰতে প্ৰতিষ্ঠিত কৌতুক অভিনেতা ৰূপে দৰ্শক ৰাইজৰ হৃদয় জিনিবলৈ সক্ষম হয়। নৃত্য শিল্পী ৰূপে "টেটোন তামুলী" গীতিনাম নাটিকাখনিত টেটোনৰ চৰিত্ৰত কৰা অনবদ্য অভিনয়ে আজিও দৰ্শক ৰাইজৰ অন্তৰত ৰেখাপাত কৰি আছে। ভ্ৰাম্যমান থিয়েটাৰত থকা সময়ছোৱাৰ আধাতকৈও বেছিদিন আৱাহন থিয়েটাৰতে কটাইছিল। ইয়াতে ড° ভবেন্দ্ৰ নাথ শইকীয়া, আব্দুল মজিদ, কুলদা কুমাৰ ভট্টাচাৰ্য্য, ভবেন বৰুৱা, হেম ভট্টাচাৰ্য্য আদিৰ দৰে স্বনামধন্য নাট্যকাৰ, পৰিচালকৰ সৈতে কাম কৰি নিজকে ভাল অভিনেতাৰূপে পৰিচয় দিবলৈ সক্ষম হৈছিল। ১৯৯৭-৯৮

চনত মকুন্দ থিয়েটাৰত মহেন্দ্ৰ বৰঠাকুৰৰ এখন নাটকৰ এটা বিশেষ কৌতুক চৰিত্ৰত কৰা জীৱন্ত অভিনয়ৰ বাবে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে প্ৰদান কৰা ভ্ৰাম্যমাণ থিয়েটাৰৰ শ্ৰেষ্ঠ কৌতুক অভিনেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ২০০৩ চনত মুনলাইট মিডিয়া বঁটা লাভ কৰে। লাহে লাহে স্বাস্থ্যৰ অৱনতি ঘটাত ভ্ৰাম্যমাণ থিয়েটাৰ এৰি ঘৰতেবহিবলৈ বাধ্য হয়। এই সময়ছোৱাত তেখেত অধিক অৰ্থ-সংকটত পৰে। ২০১০ চনত গুৱাহাটীৰ আৰ্টিষ্ট ফ'ৰামে কিছু অৰ্থ সাহায্য প্ৰদান কৰি কিছুপৰিমানে আৰ্থিক সংকট লাঘৱ কৰে।

ধৰণী কলিতা এজন ভাল অভিনেতা যদিও এজন ভাল সংগঠক আছিল। প্ৰসন্ন কলিতাৰ মনপৰশা অভিনয়ৰ কথা আজিও দৰ্শকে পাহৰিব নোৱাৰে। শ্ৰীকলিতাই আধাতে ভ্ৰাম্যমাণ এৰি আহি অসম চৰকাৰৰ পানী যোগান বিভাগৰ এটা চাকৰিত যোগদান কৰে। বৰ্তমানেও ঝুনা নামৰ এজন ভাল পাঠক ৰূপে সুখ্যাতি আছে। মিতুল কলিতা (মিতুল বালাজী নামে খ্যাত), অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰত আজিও সুখ্যাতিৰে অভিনয় কৰি আছে।

সত্তৰৰ দশকৰ আৰম্ভণিতে হাৰিভাঙ্গালৈ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰৰ আগমন ঘটে। হাৰিভাঙ্গা পাব্লিক লাইব্ৰেৰীৰ সাহায্যাৰ্থে হাৰিভাঙ্গা সভা মহোৎসৱ স্থলিত প্ৰথম ভাগ্যদেৱী থিয়েটাৰক চাৰি নিশাৰ বাবে আমন্ত্ৰণ কৰা হৈছিল। ইয়াত আগভাগ লৈছিল — মাননীয় শ্ৰীসুৰেন্দ্ৰ নাথ কলিতা, শ্ৰীযুত পঞ্চানন কলিতা, ধৰণী কলিতা আৰু লগত আছিলো মই নিজেই। চাৰিও নিশা দ্বিতীয় দৰ্শনী অনুষ্ঠিত কৰিও দৰ্শকৰ মনৰ চাহিদা পুৰণ কৰিব নোৱাৰা অৱস্থা। ভাল দল, ভাল অভিনয়, ভাল নাটক। আহ্বায়ক কমিটিৰ ভাল উপাৰ্জনো হৈছিল। এইভাৱে হাৰিভাঙ্গালৈ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰৰ আগমন ঘটিছিল। অৱশ্যে ইয়াৰ বহু আগতেই হাৰিভাঙ্গাৰ কোনো কোনো চুবুৰিত স্থানীয় শিল্পীসকলে বঙলা ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰা ধৰ্মমূলক বা বুৰঞ্জীমূলক নাটক মঞ্চস্থ কৰিছিল।

সত্তৰৰ দশকৰ শেষৰফালে হাৰিভাঙ্গাত "ধুমুহা"। কেইজনমান অত্যুতসাহী ডেকা নাট্যকৰ্মীক লগত লৈ ভগৱান গোস্বামী, কৃষ্ণকান্ত তালুকদাৰ, সুৰেন্দ্ৰ নাথ শৰ্মা, সুৰেন্দ্ৰ নাথ কলিতাই গুৰীয়াল হৈ হাৰিভাঙ্গাত মহা আয়োজনেৰে চেৰিটি শ্ব' এখন পতাৰ আয়োজন কৰিলে। ঠাই নিৰ্বাচন কৰা হ'ল তেতিয়াৰ হাৰিভাঙ্গা হাইস্কুলৰ সন্মুখভাগ। নাটক নিৰ্বাচন কৰা হ'ল "ধুমুহা"। হাইস্কুলৰ কোঠালি এটাতে আখৰা আৰম্ভ হ'ল। নাট পৰিচালনাৰ বাবে অনা হ'ল পৰেশ গোস্বামীক। তেখেতে নিজেই নাটকৰ মুখ্য চৰিত্ৰত অভিনয়ো কৰিলে। পাৰিশ্ৰমিক লৈ অভিনয় কৰা লাৱণ্য আৰু পুতুলী আহিল বেলেগ বেলেগ ঠাইৰ পৰা। পূৰ্ণগতিত আখৰা চলিল। শিল্পীসকল আছিল— বাণীকান্ত কলিতা, ধৰণী কলিতা, কালিচৰণ হালৈ, প্ৰসন্ন কলিতা, সৰ্বা কলিতা, নৰ মিশ্ৰ, খগেন কলিতা, ৰামনাৰায়ণ শৰ্মাকে ধৰি আৰু বহু কেইজন শিল্পীৰ নাম মোৰ মানসপটৰ পৰা হেৰাই যোৱাত নাম উল্লেখ কৰিব নোৱাৰাৰ কাৰণে মই ক্ষমাৰ পাত্ৰ। এই নাটখনিৰ এটা বিশেষ কৌতুক চৰিত্ৰত অভিনয় কৰাৰ সৌভাগ্য মোৰো ঘটিছিল। নাটখন মঞ্চস্থ কৰাৰ বাবে অনা হৈছিল মাখিবাহাৰ মুকুন্দ থিয়েটাৰৰ পৰা মঞ্চ, তম্বু, চেটিংচ। চামতাৰ সুৰদেৱী থিয়েটাৰৰ পৰা পোহৰৰ সামগ্ৰী আসন আৰু জেনেৰেটৰ অনা হৈছিল। এই আটাইবোৰ সামগ্ৰী ৰাস্তা ঘাটৰ অসুবিধাৰ বাবে ম'হৰ গাড়ীৰে অনা-নিয়া কৰা হৈছিল। সেইদৰে নাটকৰ প্ৰচাৰো হৈছিল অভাৱনীয় ভাৱে। হাৰিভাঙ্গাৰ অলিয়ে-গলিয়ে, দোকান-পোহাৰে, ৰাস্তাই-ঘাটে কেৱল হাৰিভাঙ্গাত "ধুমুহা"। লাইট অপাৰেটৰ বিনোদ বৈশ্যক হাজোৰ পৰা অনা হৈছিল। স্থানীয় শিল্পী পঞ্চানন কলিতা আৰু তেখেতৰ সংগীসকলে নাটকৰ সংগীত সজাইছিল। নাট মঞ্চস্থ কৰাৰ সময় চমু চাপি আহিল। তম্বু, মঞ্চ, পোহৰ সকলো সাজু কৰি তোলা হ'ল। প্ৰথম নিশা বিপুল আয়োজনেৰে "ধুমুহা" মঞ্চস্থ কৰা হ'ল। কেওঁদিশে ভূয়সী প্ৰশংসা। দৰ্শকৰ হেতাওপৰাৰ বাবে বহুতো দৰ্শক বৈ যোৱাত দ্বিতীয় নিশাও "ধুমুহা" মঞ্চস্থ কৰা হ'ল। এনেদৰে অভূতপূৰ্ব সাফল্যৰে দুটাকৈ নিশা "ধুমুহা" নাটকখনিৰ সফল মঞ্চায়ন হৈ যোৱাত শিল্পী কলা-কুশলী সকলৰ মনলৈও সাহস আহিল আৰু খৰচৰ ধনখিনিও ঘূৰি আহিল। এইদৰে হাৰিভাঙ্গালৈ নাট্যযাত্ৰাৰ এক সুকীয়া সোঁত বৈ আছিল। যি সোঁতত নৱপ্ৰজন্মৰ মাজত জন্ম হৈছিল নতুন নতুন নাট্যকাৰ, গীতিকাৰ, সংগীত শিল্পী, নৃত্য শিল্পী আৰু নাট্যকৰ্মীৰ।

আশীৰ দশকৰ মাজভাগলৈ অসম আন্দোলনৰ বাবে কোনো সংস্কৃতিক অনুষ্ঠান বা নাট মঞ্চায়নৰ পৰিৱেশ নাছিল। তাৰ পিছৰ পৰা বছৰত দুই তিনিখনকৈ ভাল ভাল

নাটক মঞ্চস্থ কৰা হৈছিল। সেই সময়তে হাৰিভাঙ্গা হাইস্কুল পৰিয়ালত প্ৰতি বছৰে সৰস্বতী পূজাত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী মিলি সুন্দৰ নাটক মঞ্চায়ন কৰিছিল। তাৰ ভিতৰত ভক্তধ্ৰুৱ, দানবীৰ কৰ্ণ উল্লেখনীয়। দানবীৰ কৰ্ণ নাটকৰ কৰ্ণৰ ভূমিকাত শ্ৰীনলিনী কান্ত শৰ্মাৰ অভিনয়ে দৰ্শকৰ মনত ৰেখাপাত কৰিছিল। শকুনিৰ ভাওত শ্ৰীগোবিন্দ চন্দ্ৰ ভাগৱতীয়ে দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। দুৰ্যোধনৰ ভাওত প্ৰসন্ন বৰ্মন আৰু শ্ৰীকৃষ্ণৰ ভাওত হৰিনাথ কলিতাই সুন্দৰ অভিনয় কৰি দৰ্শক ৰাইজক আপ্লুট কৰিছিল। এই সময়ছোৱাত এই ক্ষেত্ৰত বেছিকৈ আগভাগ লৈছিল— তাৰা কলিতা, কালিচৰণ হালৈ, ৰামনাৰায়ণ শৰ্মা, নৰ মিশ্ৰ, সৰ্বা কলিতা, খগেন কলিতা, ধৰণী কলিতা আদিয়ে। সেই সময়ত মঞ্চস্থ কৰা অসমৰ আগশাৰীৰ নাট্যকাৰসকলৰ বছা বছা নাটক— ৰক্ষকুমাৰ, মণিৰাম দেৱান, ভিয়েটনাম, ৰাম বিজয় আদি কালজয়ী নাটক সমূহত অভিনয় কৰা শিল্পীসকল আছিল— সুৰেন্দ্ৰ নাথ শৰ্মা, নলিনী কান্ত শৰ্মা, সুৰেণ ৰাজবংশী, চন্দ্ৰ দাস, সুৰেণ কলিতা, ফণী হালৈ, অন্ন কলিতা, মণি হালৈ, নীৰু দেৱী, প্ৰণীতা কলিতা, প্ৰণতী বৰ্মন, জেউতী বৰ্মনকে আদি কৰি আৰু বহুতো শিল্পীয়ে অভিনয়ৰ মাধ্যমেৰে নিজকে চিনাকি দিবলৈ সক্ষম হৈছিল। এই আটাইবোৰতে সুৰ, কণ্ঠ আৰু সংগীতেৰে সহায় কৰিছিল অশ্বিনী হালৈয়ে। এই সময়ছোৱাতে নৰ মিশ্ৰই ৰচনা কৰা, পৰেশ গোস্বামী আৰু পৃথ্বিৰাজ ৰাভাই পৰিচালনা কৰা সমাৰোহ, ৰত্নগৰ্ভা আৰু প্ৰেমৰ উপত্যকাত আৰু এজন ৰাজকোঁৱৰ, নাটক কেইখনো মঞ্চস্থ কৰি ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সামৰ্থ্য হৈছিল। সেই একে সময়তে নৰ মিশ্ৰই টিভি চিৰিয়েল "সৰাগুৰিৰ চাপৰি আৰু ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ"ৰ চিত্ৰনাট্য আৰু সংলাপ লিখি বৌদ্ধিক মহলত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। নৰমিশ্ৰই বহুতো গান, সংগীতালেখ্য লিখি নিজে সুৰ দি গাই নিজৰ পাৰদৰ্শিতাৰ পৰিচয় দিছিল। যিকোনো সভা সমিতিত তেওঁৰ অৱদান অনস্বীকাৰ্য্য। হাৰিভাঙ্গাত তেওঁৰ নিপুণ হাতৰ কলমৰ এক সুকীয়া স্থান আছিল। নিষ্ঠুৰ নিয়তিয়ে অকালতে আমাৰ মাজৰ পৰা কাঢ়ি লৈ যোৱাত হাৰিভাঙ্গা অঞ্চলৰ সকলো দিশতে এক অপুৰণীয় ক্ষতি হোৱাতো প্ৰত্যেকে একে মুখে স্বীকাৰ কৰে। এইজন ব্যক্তিৰ অৱৰ্ত্তমানত হাৰিভাঙ্গাৰ কলা সংস্কৃতিৰ ক্ষেত্ৰখন কিছু পৰিমাণে স্তিমিত হৈ পৰে।

আন এগৰাকী হাৰিভাঙ্গাৰ সু-সন্তান নিৰঞ্জন দত্তইও কেবাখনো শিশু উপযোগী চুটি নাটক আৰু আবৃত্তি কৰাৰ বাবে কবিতা ৰচনা কৰি শ্ৰোতা দৰ্শকৰ মাজত আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হয়। তেওঁৰ কাপৰ পৰা পূৰ্ণাঙ্গ নাটক আৰু কেবাখনো অইন হাতপুথিও প্ৰকাশ পায়।

ইপিনে পূৰ্ণাঙ্গ নাট এখন মঞ্চস্থ কৰাৰ বাবে অত্যধিক খৰচৰ প্ৰতি লক্ষ্য কৰি দল সংগঠন আগবাঢ়ি নহাত হাৰিভাঙ্গাত নাট প্ৰদৰ্শনৰ দিশত এটা বৃহৎ যতি পৰে। বৰ্তমান একেবাৰে নাই বুলি ক'লেও ভুল কোৱা নহয়, এতিয়াৰ ডেকাচামে নিজে কৰাৰ পৰিৱৰ্তে ভ্ৰাম্যমাণৰ নাটক চাইহে পৰিতৃপ্তি লাভ কৰে। কিন্তু বছৰেকৰ নিৰ্দিষ্ট সময়ত আয়তীৰ নাম প্ৰতিযোগিতা, বিয়াগীত প্ৰতিযোগিতা, জ্যোতি সংগীত, ৰাভা সংগীত আদিৰ প্ৰতিযোগিতা, বিভিন্ন নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি কৃষ্টি ৰক্ষা কৰি আছে। অৱশ্যে বৰ্তমান কিছু সংখ্যক যুৱচামে সমাজত প্ৰচলিত দুই এটা সমস্যা চুটি ছবি আকাৰে ৰাইজক উপহাৰ দিবলৈ সক্ষম হৈছে। এইটো নিঃসন্দেহে এটা ভাল, উন্নতকাম হিচাপে বিবেচিত হৈছে। এই আপাহতে নৱপ্ৰজন্মৰ প্ৰতি মই অনুৰোধ ৰাখিছোঁ যাতে বছৰেকৰ ভিতৰত এখন নাট মঞ্চস্থ কৰি হ'লেও সন্মানীয় আগশাৰীৰ নাট্যকাৰ, নাট্যকৰ্মীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি হাৰিভাঙ্গা অঞ্চলৰ পুৰণি নাট্য পৰম্পৰাক জীয়াই ৰাখিবলৈ সংকল্পবদ্ধ হওঁক। নহ'লে জ্যোতিপ্ৰসাদৰ কল্পনাৰ কথাফাঁকিৰ সত্যতা নাইকিয়া হ'ব। জ্যোতিয়ে কৈছিল—

জনতা তোৰ প্ৰাণৰো প্ৰাণৰ
মনৰো মনৰ
শিল্পী যে মই
লুকাই লুকাই আছো।।

❑❑

**(লেখক এজন সুদক্ষ কৌতুক অভিনেতা আছিল। বৰ্তমান সমাজকৰ্মী, বালি)**

# শ্ৰীশ্ৰীহৰিদেৱৰ গীত

—শশীমোহন গোস্বামী

বাজিছে ঘণ্টা বাজিছে মৃদঙ্গ
বাজিছে অমিয় শংখ।
অজনাভৰ গৃহে পুত্ৰ উপজিছে
সাক্ষাত বিষ্ণুৰ অংশ।।

ও চৌভিতি ৰণ্‌জন্ আনন্দৰ গুঞ্জন
জাত জাত উৰুলীধ্বনি।
শিৰ দত্ত পুত্ৰ পাই পাৰিজাতি
আথে বেথে লৈলা আনি।।

ও পঞ্চগব্য আনি ধুৱাইলা নোৱাইলা
সানিল অগৰু চন্দন।
শুদ্ধ বস্ত্ৰে পুত্ৰৰ গাৰক মেৰাইলা
হৰিসতে দিলা গুণ।।
ও অভিমানি পুত্ৰই ঠৈহপাতি ধৰি
নাখায় মাতৃৰ স্তন।
অজ্ঞানী মাতৃয়ে নভজে কৃষ্ণক
সেয়েহে কৰে অভিমান।।
সেয়েহে ভজিলা পৰম কৃষ্ণক
পুত্ৰই কৰে স্তন্যপাণ
মাতৃ পাৰিজাতি তেবেসেহে জানিল।
কৃষ্ণহে পৰম ধন।।
একাদশ দিনা দৈৱজ্ঞ আনিয়া
নাম থৈলা হৰিদেৱ।
বিষ্ণু অংশে আমি গুৰুৰূপে পাইলোঁ
চৰণে কৰোহো সেৱ।❑❑

পূজা কৰে অ' পূজা কৰে
কৰে পূজা শিশু হৰিদেৱে।
পূজা শেষে দণ্ডবতে কৃষ্ণ সেৱা কৰে।।
আৰ— মন্ত্ৰ নাই চন্ত্ৰ নাই
কৃষ্ণ কৃষ্ণ মুখে গায়
নৈবেদ্যক সাজে পঞ্চ ভাগে—
পূজাৰ শেষে উটি চায়
দুই ভাগ কৃষ্ণে খায়
তিনি ভাগ থাকে তৰ্চিৰ মাজে।।

দেখিয়া বিস্ময় মানে
পাৰিজাতি সতী মায়ে
পুত্ৰৰ অপূৰ্ব মহিমা।
স্বামীৰ আগত বলে—
কিবা ভাগ্যে লৈলু কোলে
লভি হেনো কৃষ্ণৰ কৰুণ।।

অজনাভে বোলে পত্নী
তুমি বৰ ভাগ্যৱতী
মানৱ নহয় এই পুত্ৰ।
ব্ৰহ্মাণ্ডৰ জীৱগণে
যাৰ নাম ললে তৰে
অৱতৰী নাৰায়ণ মাত্ৰ।।❑❑

(লেখক সত্ৰাধিকাৰ, হৰিদেৱ সত্ৰ, বেজকুছি, পাটাছাৰকুছি)
ফোন নং- ৯৮৬৪৩৯৫৬৬৮

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ উপদেষ্টা মণ্ডলী



বাওঁফালৰ পৰা

**বহি ঃ** অনিমা বৰ্মন, মঞ্জুৰাণী চৌধুৰী, শৈব্যা কলিতা, হৰিচৰণ তালুকদাৰ, তৰুণ চন্দ্ৰ কলিতা, মদন চন্দ্ৰ কলিতা, দীনেশ শৰ্মা, কিৰণ দেৱী, মালতী কলিতা

**থিয় হৈ ঃ** বাবুল চন্দ্ৰ কলিতা, গুণেশ্বৰ হালৈ, গোবিন্দ কলিতা, গজেন ঠাকুৰীয়া, পুৰুষোত্তম শৰ্মা

**অনুপস্থিত ঃ** ৰণজিৎ কুমাৰ দাস, জয়ন্ত মল্ল বৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী, সীমান্ত শেখৰ, ভূপেন বড়ো, গীতিমণি ফুকন, সুধাকৰ সিং, অৰূপ চৌধুৰী, ৰূপজ্যোতি মালাকৰ, বিকাশ ৰয়, ডাঃ ত্ৰৈল্যোক্য হালৈ, ডাঃ ভুতনাথ কলিতা, ডাঃ ৰাজেন্দ্ৰ নাথ ডেকা, মদন চন্দ্ৰ বৰ্মন, প্ৰাণেশ্বৰ ডেকা, উপেন্দ্ৰ নাৰায়ণ ডেকা, পঞ্চানন কলিতা, খগেন্দ্ৰ নাথ তালুকদাৰ, খগেন কলিতা, গোপাল চন্দ্ৰ হালৈ, জগৎ চন্দ্ৰ কলিতা, নিৰূপমা বৰ্মন, শচীন্দ্ৰ শৰ্মা, অচ্যুৎ চন্দ্ৰ শৰ্মা, ভগৱান ডেকা, সুৰেন্দ্ৰ নাথ শৰ্মা

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ খাদ্য উপ-সমিতি



বাওঁফালৰ পৰা

**বহি ঃ** কৰুণা কান্ত কলিতা, কন্দৰ্প বৰ্মন (সহঃ সম্পাদক), প্ৰসন্ন কলিতা, বিজয় কুমাৰ শৰ্মা (সম্পাদক), নগেন্দ্ৰ নাৰায়ণ ডেকা (সভাপতি), ফুকন চন্দ্ৰ কলিতা (উপ-সভাপতি), উমেশ চন্দ্ৰ কলিতা, গণেশ্বৰ হালৈ

**থিয় হৈ ঃ** নৱ কুমাৰ শৰ্মা, মনহৰি কলিতা, কালিচৰণ দাস, সুৰেন্দ্ৰ নাথ কলিতা, উমাচৰণ হালৈ

**অনুপস্থিত ঃ** হেমন্ত দাস

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ ৰভা-তোঁৰণ আৰু মঞ্চ উপ-সমিতি



**বাওঁফালৰ পৰা**

**বহি ঃ** হলধৰ কলিতা, দামোদৰ কলিতা, সীমান্ত গোস্বামী (সম্পাদক), সৰ্বানন্দ কলিতা (সভাপতি), ভৃগু কলিতা, গুণেশ্বৰ শৰ্মা

**থিয় হৈ ঃ** ৰমেন শৰ্মা, ৰাজীৱ কলিতা, ভৰত ৰাজবংশী

**অনুপস্থিত ঃ** দিলীপ ডেকা, খগেন শৰ্মা (সহঃ সম্পাদক)

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ স্বেচ্ছাসেৱক উপ-সমিতি



**বাওঁফালৰ পৰা**

**বহি ঃ** দীনেশ শৰ্মা, নৰেন্দ্ৰ নাথ কলিতা, দেৱদত্ত ডেকা (সম্পাদক), পৰেশ শৰ্মা (সভাপতি), প্ৰণিতা কলিতা (উপ-সভানেত্ৰী), দেৱযানী কলিতা, ৰমেন হালৈ

**থিয় হৈ ঃ** ভাস্কৰ কলিতা, মনোজ্ঞ কলিতা, মৃদুল বৰ্মন, হিমাংশু শৰ্মা

**অনুপস্থিত ঃ** সৌৰভ শৰ্মা, ললিত শৰ্মা, নৃপেন ঠাকুৰীয়া, যোগেশ কলিতা, মাধৱ গোস্বামী, অনিল কলিতা

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ সাংস্কৃতিক উপ-সমিতি



**বাওঁফালৰ পৰা**

ভবেশ কলিতা (সহঃ সম্পাদক), ৰুবুল শৰ্মা (সম্পাদক), গৌতম শৰ্মা (সভাপতি), নাৰায়ণ বৰ্মন, মানস বৰ্মন

**অনুপস্থিত ঃ** গোপীনাথ কলিতা, ভনীতা কলিতা, হিতেশ কলিতা, প্ৰদীপ কলিতা, ৰবীন বৰ্মন, মনোজ শৰ্মা, ৰাহুল ডেকা

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ কাৰ্যালয় উপ-সমিতি



**বাওঁফালৰ পৰা**

ঘনাকান্ত ডেকা, অনিল শৰ্মা, হৰকান্ত কলিতা (সভাপতি), প্ৰফুল্ল বৰ্মন (সম্পাদক), অজিত কলিতা, প্ৰভাত কলিতা

অনুপস্থিত ঃ ধ্ৰুৱ বৰ্মন, গৌৰী ঠাকুৰীয়া

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ প্ৰচাৰ উপ-সমিতি



**বাওঁফালৰ পৰা**
**বহি ঃ** ভৰেশ কলিতা, মণিৰাম হালৈ (সভাপতি), প্ৰহ্লাদ কলিতা (সম্পাদক), শৈলেন শৰ্মা, নিৰু কলিতা
**থিয় হৈ ঃ** প্ৰণৱ ডেকা, গৌতম কলিতা, খণিন শৰ্মা, ধীৰেণ ডেকা
**অনুপস্থিত ঃ** ঘনশ্যাম দাস (উপ-সভাপতি), শৰৎ ডেকা, কন্দৰ্প বৰ্মন

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৱেশনৰ স্বাস্থ্য উপ-সমিতি




**বাওঁফালৰ পৰা**
দীপজ্যোতি কাকতি, যোগেশ বৰ্মন (সম্পাদক), সুৰেণ ৰাজবংশী (উপ-সভাপতি), ৰীতা কলিতা, বিপ্লৱ ৰাজবংশী
**অনুপস্থিত ঃ** ডাঃ ভুতনাথ কলিতা (সভাপতি), দীপ কলিতা

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৰেশনৰ হিচাপ পৰীক্ষক



**বাওঁফালৰ পৰা ঃ** ধৰণী ঠাকুৰীয়া, বসন্ত বৰ্মন ঃঃ **অনুপস্থিত ঃ** গজেন্দ্ৰ নাথ বৰ্মন

## শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰৰ পূজাৰী আৰু কৰ্মচাৰী



**বাওঁফালৰ পৰা**
মথুৰ ডেকা (পূজাৰী), বাণীকান্ত কলিতা (মুখ্য পূজাৰী), ফলিন কলিতা (পূজাৰী), বাপুৰাম কলিতা (কৰ্মচাৰী)

## ৪৬ সংখ্যক হাৰিভাঙ্গা অধিৰেশনৰ প্ৰেছ উপদেষ্টা

**গুণজিৎ কলিতা, পংকজ বেজবৰুৱা, বিমান কলিতা, ভাস্কৰ কলিতা, হেমন্ত শীল, নৰজ্যোতি কলিতা, অজিত শৰ্মা, কুমুদ বৰ্মন, হিৰণ্য কলিতা, ৰূপকুমাৰ শৰ্মা, খগেণ বৰ্মন**



মহাপ্ৰভু শ্ৰীশ্ৰীকলীয়া গোসাঁইৰ আৱিৰ্ভাৱ স্থলী



বৰ্তমানৰ মহাপ্ৰভু শ্ৰীশ্ৰীকলীয়া গোসাঁইৰ মন্দিৰ



শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰৰ দৌল মন্দিৰ



শ্ৰীশ্ৰীমা কামাখ্যা দেৱালয়, হাৰিভাঙ্গা




হাৰিভাঙ্গা বাজহুৱা শিৱ মন্দিৰ




হাৰিভাঙ্গা গাঁও উন্নয়ন সমিতি আৰু শ্ৰীশ্ৰীকলীয়া গোসাঁই মন্দিৰৰ স্থায়ী সভাঘৰ



হাৰিভাঙ্গা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়




হাৰিভাঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়

উত্তৰ-পূৱ ভাৰত হৰিদেৱ সংঘৰ

৪৬ সংখ্যক

বাৰ্ষিক হাৰিভাঙ্গা অধিৱেশনৰ সমূহ

ভক্তিপ্ৰাণ ৰাইজলৈ আন্তৰিক শুভেচ্ছা

ANNAPURNA

SINCE 1997

Mustard Oil
&
Refined Rice Bran Oil

For Trade Enquiry
93658-59698





অক্ষৰা প্ৰেছ, টিহ